# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা ঃ ২০০২-০৩ বৰ্ষ





সম্পাদক ঃ দেৱব্ৰত শৰ্মা

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা ঃ ২০০২-০৩ বৰ্ষ

বাৰ্ষিক প্ৰকাশ

H.C.D.G. COLLEGE LIBRARY
No. ...............
Date.............
Nitaipukhuri, Sibsagar, Assam

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে—

শ্ৰী ........................................................................................ লৈ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনীখন আগবঢ়ালোঁ।

— সম্পাদক

সম্পাদক

দেৱব্ৰত শৰ্মা

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা ঃ— ২০০২-২০০৩ বৰ্ষ
নিতাই পুখুৰী ঃ শিৱসাগৰ

## সম্পাদনা সমিতি ঃ

উপদেষ্টা ঃ লোহিতকুমাৰ শইকীয়া

ভাৰপ্ৰাপ্ত অধ্যাপক ঃ
সুধীৰকুমাৰ দাস
(ইংৰাজী শিতান)
শিৱৰঞ্জন শৰ্মা
(অসমীয়া শিতান)

সম্পাদক ঃ দেৱব্ৰত শৰ্মা
সদস্য/সদস্যা ঃ
বিনোদ গগৈ
পাপু শেনচোৱা
বৰ্ণালী দত্ত
প্ৰণামিকা দত্ত

প্ৰকাশক ঃ গোলাপ গগৈ,
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা ঃ ২০০২-২০০৩ বৰ্ষ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়।

বেটুপাত পৰিকল্পনা ঃ সম্পাদক
ডিজাইনাৰ ঃ চন্দ্ৰ সন্দিকৈ
স্কেʼছ ঃ দিগন্ত গগৈ
ডি. টি. পি. ঃ মোহন সন্দিকৈ

ছপা ঃ অৰ্পণ প্ৰিন্টাৰ্ছ,
কোঁৱৰ দিহিঙীয়া গাঁও, ডিমৌ ঃ শিৱসাগৰ
☎ ঃ ৯৫৩৭৭২/২২৬৪৪৩ e-mail: d_gogoi55@assamlive.com



### বেটুপাতৰ ভাষা ঃ

পশ্চদ-পটৰ নৈসৰ্গিক ৰূপে সূচনা কৰা প্ৰেম, শান্তি আৰু সৌন্দৰ্যৰ মাজতে বুৰঞ্জীয়ে পৰশা নিতাইপুখুৰী। আহোম স্বৰ্গদেউৰ ৰাজবিষয়া নিতাই বৰুৱাই খন্দোৱা বৃহৎ পুখুৰীটোৰ নাম অনুসৰিয়েই দিহিংপৰীয়া গ্ৰামাঞ্চলটোৰ নাম হয়, নিতাইপুখুৰী। ইয়াৰ পাৰতে ১৯২১ চনত প্ৰাইমেৰী স্কুল প্ৰতিষ্ঠাৰে অঞ্চলটোত আধুনিক শিক্ষা বিস্তাৰৰ বুনিয়াদ ৰচনা হয়।

নিতাইপুখুৰীৰ নাতি-দূৰত অঞ্চলটোৰ বিদ্যানুৰাগী তথা দূৰদৰ্শী ৰাইজৰ শ্ৰম আৰু অনুদানেৰে ১৯৬৫ চনত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ প্ৰাণ প্ৰতিষ্ঠা হয়।



## উছৰ্গা

জাতীয় জীৱনৰ বাবে
এক অপূৰণীয় ক্ষতি সাধি
১৩ আগষ্ট, ২০০৩ তাৰিখে
জীৱন-নাটৰ যৱনিকা পেলোৱা
প্ৰখ্যাত গল্পকাৰ, ঔপন্যাসিক,
নাট্যকাৰ, চলচিত্ৰ নিৰ্মাতা,
শিক্ষক, সম্পাদক,
সাংস্কৃতিক-সংগঠক,
কৰ্ম-সংস্কৃতিৰ সাধক,
জগতৰ মহত্তম সৌন্দৰ্য-প্ৰয়াসী,
বহুমুখী প্ৰতিভাধৰ
প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ
পুণ্য স্মৃতিত শ্ৰদ্ধাৰ্ঘ স্বৰূপে
"পঞ্চদশ সংখ্যা ঃ ২০০২-০৩ বৰ্ষৰ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
আলোচনীখন
উছৰ্গা কৰা হʼল।

— সম্পাদক



# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা ঃ ২০০২-২০০৩ বৰ্ষ

## সূচীপত্ৰ

✍ সম্পাদকীয়

**প্ৰবন্ধ ঃ**

■ জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তাৰ মৌলিকতা
✍ বাণীকান্ত গগৈ // ৯
■ ড° নগেন শইকীয়াৰ অনুপম সৃষ্টি 'মিত-ভাষ'
✍ গীতালী শইকীয়া // ১২
■ বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য
✍ দিগন্ত গগৈ // ১৪
■ অসমৰ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত সৰ্বশিক্ষা অভিযানৰ ভূমিকা
✍ মানসী গগৈ // ১৬
■ বৃহত্তৰ অসম গঢ়াত কোঁচ-ৰাজবংশীসকলৰ ভূমিকা
✍ বেৱকান্ত বড়া // ১৯
■ শংকৰদেৱৰ নাট্য-কলা আৰু অংকীয়া নাটৰ সৌন্দৰ্য
✍ গায়ত্ৰী বৰবৰুৱা // ২১
■ অতীত আৰু বৰ্তমানত অসমীয়া সমাজ
✍ ৰাতুল বড়া // ২৩
■ সাম্প্ৰতিক কালত সমাজ গঠনত যুৱক-যুৱতীৰ ভূমিকা
✍ বিনীতা দত্ত // ২৬
■ চুটিগল্পৰ স্বৰূপ বিচাৰ
✍ বিস্মিতা কোঁৱৰ // ২৮
■ যুদ্ধোত্তৰ যুগৰ নাটক
✍ লক্ষীপ্ৰিয়া বৰুৱা // ৩০
■ অপসংস্কৃতি দূৰীকৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা
✍ পল্লৱী চেতিয়া // ৩১

**গল্প ঃ**

○ নীৰৱ সাক্ষী ✍ ৰণজিৎ খাৰিয়া // ৩২
○ ঘৰ সংসাৰ ✍ বিপ্লৱ দত্ত // ৩৪
○ সংগীতা, আশা আৰু....... ✍ নৱজ্যোতি দত্ত // ৩৬
○ এক মিঠা অনুভূতি ✍ সন্ধ্যা গগৈ // ৩৭
○ মৰহা ফুলৰ সুগন্ধি বিচাৰি ✍ শেৱালী বড়া // ৩৯
○ অনুতাপ ✍ জিমি কোঁৱৰ // ৪১
○ ভগ্ন হৃদয়ৰ উচুপনি ✍ বৰ্ণালী কাকতি // ৪৩
○ বেদনাৰ অশ্ৰুকণা ✍ বিজয় দত্ত // ৪৫
○ অপেক্ষাৰ অন্তত ✍ মিনাক্ষী বড়া // ৪৬
○ নিঃসঙ্গতা যেতিয়া সঙ্গী হয় ✍ বৰ্ণালী দত্ত // ৪৭
○ ৰিক্ত হৃদয়ৰ বেদনা ✍ ভাস্কৰজ্যোতি শইকীয়া // ৪৯
○ অভিনয়ৰ অন্তত ✍ ৰীতামণি হাজৰিকা // ৫১
○ প্ৰতাৰণা ✍ মমী গগৈ // ৫৪
○ ৰস ৰচনা ঃ মোক আপোনালোকে চিনি পায়েই .....
✍ বিপুল ভৰালী // ৫৭
○ সৰলৰ আনন্দ ✍ প্ৰাঞ্জল দিহিঙীয়া // ৫৮
○ দুখৰ বেদনা ✍ ময়ুৰী চেতিয়া // ৫৯
○ হতাশ মন ✍ নৱনীতা বড়া // ৬১
○ বেদনা ✍ মমতাজ বেগম // ৬৩

**কবিৰ ঘৰত ঃ** // ৬৪ — ৭০

✍ গীতালী শইকীয়া, বিতুলচন্দ্ৰ গগৈ, বিতোপন চেলেং, প্ৰীতিলতা সোনোৱাল, দিগন্ত গগৈ, লক্ষীপ্ৰিয়া বৰুৱা, সংকল্প চেতিয়া, স্বপ্নৰেখা পাঠক, ৰুণামণি গগৈ, উৎপল গগৈ, নৱজ্যোতি দত্ত, দীপক দত্ত, নীতা গগৈ, উদিৎ চাহু, বৰ্ণালী দত্ত, মমী গগৈ।

❖ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন // ৭১ — ৭৫
❖ ৩৭তম মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল // ৭৬-৮০







## সম্পাদকৰ মেজৰপৰা

*"সাহিত্য সংগীত কলাবিহীন ঃ*
*সাক্ষাৎ পশু পুচ্ছবিষাণহীনঃ*
*তৃণং ন খাদন্নপি জীৱমানঃ*
*তদ্ ভাগধেয়ং পৰমং পশুনাম।"*

সাহিত্য হৈছে ভাষাবৃক্ষৰ সৌৰভময় পুষ্পস্বৰূপ। এটা জাতিৰ অতীত বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যতৰ সৃষ্টিৰ সুস্পষ্ট ইংগিত। জীৱশ্ৰেষ্ঠ মানৱক সাহিত্যৰ অমৃত পাণ কৰোৱাৰ প্ৰধান আহিলা হৈছে গ্ৰন্থ।

এখন মহাবিদ্যালয়ত বা অন্যান্য উচ্চ শিক্ষানুষ্ঠানত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বাবে এখন বাৰ্ষিক আলোচনী অপৰিহাৰ্য। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকশিতও হয়। আমাৰ পৱিত্ৰ শিক্ষানুষ্ঠান 'নিতাই পুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ইয়াৰ ব্যতিক্ৰম নহয়। আজি বহুবছৰ ধৰি আমাৰ অগ্ৰজসকলে অহোপুৰুষাৰ্থ কৰি মহাবিদ্যালয়খনিৰ পৰা একোখনকৈ বাৰ্ষিক আলোচনী প্ৰকাশ কৰি আহিছে। তেওঁলোকৰ সেই নিস্বাৰ্থ পথকেই অনুসৰণ কৰি সতীৰ্থসকলৰ পৰামৰ্শ ক্ৰমে ময়ো আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিলো আৰু আপোনাসৱৰ অপৰিসীম স্নেহৰ বাবে বিজয়ীও হৈছিলো। তাৰ বাবে মই মহাবিদ্যালয়ৰসমূহ শিক্ষাৰ্থীৰ ওপৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। গতিকে আলোচনী বিভাগৰ সম্পাদক হিচাপে মই কিমান সফল হ'লো তাক বিচাৰ কৰাৰ দায়িত্ব আপোনাসৱৰ ওপৰতে অৰ্পণ কৰিলো।

***বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ঃ***

এখন দেশৰ সুভৱিষ্যত নিৰ্ভৰ কৰে সেই দেশৰ ছাত্ৰ-ছাত্ৰী ওপৰত। কাৰণ আজিৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েই পাছত গৈ দেশৰ

নাগৰিক হয়গৈ। গতিকে শিক্ষা ব্যৱস্থাই দেশ এখনৰ প্ৰগতিৰ মূল মন্ত্ৰ। শিক্ষাদানৰ প্ৰণালী আৰু প্ৰচলিত পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ ভৱিষ্যত নিৰ্ণয় কৰে। এই সকলোবোৰ জনা স্বত্বেও আজি আমাৰ দেশত প্ৰচলিত শিক্ষা ব্যৱস্থা আধুনিক যুগৰ সময়োপযোগী নহয়; এই শিক্ষা লাভ কৰিও শিক্ষাৰ্থীৰ জীৱনপথ অন্ধকাৰাছন্ন হৈয়েই ৰয়। দেশত প্ৰতি বছৰে শিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়িহে গৈছে। ফলস্বৰূপে, দেশ আজি প্ৰগতিৰ পথত আগবাঢ়িব পৰা নাই। ফলত যি ছাত্ৰ-ছাত্ৰীৰ পৰা দেশৰ সু-ভৱিষ্যত আশা কৰা হয় সেই ছাত্ৰ-ছাত্ৰীয়েই দেশখনক ধ্বংসস্তূপলৈ লৈ গৈছে। কিন্তু ইয়াৰ বাবে দায়ী কোন? ইয়াৰ বাবে দায়ী ছাত্ৰ-ছাত্ৰীসকল নহয়, প্ৰচলিত শিক্ষা ব্যৱস্থাহে। স্বাধীনোত্তৰ ভাৰতত বৰ্তমানলৈকে বহুতো শিক্ষা বিষয়ক আঁচনি লোৱা হৈছে যদিও সেইবিলাক কাৰ্যকৰী হোৱা নাই, আৰু যিকেইখন হৈছে সেইকেইখনেও ভাল ফল দেখুৱাব পৰা নাই। এই ক্ষেত্ৰত অকল চৰকাৰেই দোষী নহয়। এই ত্ৰুটিপূৰ্ণ শিক্ষা-ব্যৱস্থাৰ ক্ষেত্ৰত শিক্ষকসকলো কম-বেছি পৰিমাণে দায়ী। তেওঁলোকে কেনে ধৰণৰ শিক্ষা পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতি সাধিব পাৰে তাক জনাৰ পাছতো নিজৰ কিছুমান ব্যক্তিগত সা-সুবিধা আৰু দৰ্মহা বৃদ্ধিৰ বাবে চৰকাৰৰ ওচৰত আন্দোলন কৰি আহিছে। কিন্তু এই বিষয়ে তেওঁলোকে উপলব্ধিয়েই কৰা নাই। ফলত আজিৰ ছাত্ৰ-ছাত্ৰীক বিপ্লৱী মনোভাৱৰ কলীয়া ডাৱৰে আৱৰি ধৰিছে। আজিৰ ছাত্ৰ-ছাত্ৰীৰ নৈতিক অধঃপতনৰ কাৰণো এইবোৰেই। এই কু পৰিৱেশ দূৰ কৰিবলৈ হ'লে বা শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ধাউতি বঢ়াবলৈ হ'লে প্ৰত্যেক শিক্ষাপ্ৰাপ্ত মানুহক জীৱিকাৰ নিৰাপত্তা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

***কৃতজ্ঞতা ঃ***

নিতাই পানীদিহিং অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ সাহিত্য বিভাগত সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

মোৰ এই চমু কাৰ্যকালছোৱাত বিভিন্ন দিশত সু-পৰামৰ্শ দি মোক সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়া চাৰ, মাননীয় উপদেষ্টা সুধীৰ কুমাৰ দাস চাৰ, শ্ৰীযুত শিৱৰঞ্জন শৰ্মা চাৰ, ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত নোমল কোঁৱৰ চাৰ, পাণ্ডুলিপিত চকু ফুৰাই দি সহায় কৰা শ্ৰীযুত দিগন্ত গগৈ চাৰ আৰু আলোচনীখনলৈ লিখনি দি সহায় কৰা মাননীয় শিক্ষকসকল আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ ওচৰত মই আজীৱন ঋণী হৈ ৰ'ম। অতি কম সময়ৰ ভিতৰতে আলোচনীখন ছপা কৰি দিয়াৰ বাবে ডিমৌৰ 'অৰ্পণ প্ৰিন্টাৰ্ছ'ৰ স্বত্বাধিকাৰী শ্ৰীযুতা পপী গগৈ বাইদেউ তথা প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

***বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁ ঃ***

ছাত্ৰ ঃ বিনোদ, পাপুদা, আব্দুল, দীপ, সুদীপ্ত, মনজিৎ, দুদু, সুজিৎ, মুনিন্দ্ৰ, সঞ্জয়, গোলাপ, মফিজুদ্দিন, বিপুল, দীপু আৰু নৱদীপলৈ।

ছাত্ৰী ঃ শেৱালি, বৰ্ণালী, সীমা, মমী, ললীতা, নীহাৰিকা, প্ৰণামিকা, পপী আৰু ৰুমীলৈ।

যিসকল শিক্ষাৰ্থীয়ে যথা সময়ত তেওঁলোকৰ বহুমূলীয়া লেখা জমা দি আলোচনীখন সফলভাৱে প্ৰকাশ কৰাত সহায় কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞতা হৈ ৰ'ম।

***ক্ষমা বিচাৰি ঃ***

২০০২-২০০৩ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ পৰিচালনা কৰোঁতে নজনাকৈ হয়তো বহুতো ভুল কৰিছিলো। তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সদৌ শেষত ছাত্ৰ একতা সভাৰসমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ চমু সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়।

ধন্যবাদেৰে
**দেৱব্ৰত শৰ্মা,**
সম্পাদক, আলোচনী বিভাগ,
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভা ঃ ২০০২-২০০৩ বৰ্ষ।

# আলোচনী সম্পাদনা সমিতি ঃ ২০০২-২০০৩



ভাঃপ্ৰাঃ অধ্যাপকঃ সুধীৰকুমাৰ দাস (ইংৰাজী শিতান)



সম্পাদক ঃ দেৱব্ৰত শৰ্মা



সদস্য ঃ বিনোদ গগৈ



সদস্যা ঃ বৰ্ণালী দত্ত



সদস্যা ঃ প্ৰণামিকা দত্ত



সদস্য ঃ পাপু শেনচোৱা

# মহাবিদ্যালয়ৰ গৌৰৱ



জোনমণি বৰুৱা
শ্ৰেষ্ঠ গায়িকা



জিতু চৌহান
শ্ৰেষ্ঠ সমাজ সেৱক



শিখা দত্ত
শ্ৰেষ্ঠ খেলুৱৈ



মঃ আব্দুল আজিজ
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



প্ৰমোদ বৰবৰুৱা
শ্ৰেষ্ঠ খেলুৱৈ



বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে নৱ নিৰ্মিত মহাবিদ্যালয়ৰ স্থায়ী পুথিভঁৰাল।



অসম চৰকাৰৰ আইন আৰু শক্তি মন্ত্ৰী শ্ৰীযুত দেৱানন্দ কোঁৱৰদেৱে আগবঢ়োৱা অনুদানেৰে নিৰ্মিত মহাবিদ্যালয় চৌহদৰ স্থায়ী বেৰা।



অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী শ্ৰীযুত প্ৰমোদ গগৈদেৱৰ অনুদানেৰে নিৰ্মিত ছাত্ৰ একতা সভাৰ কাৰ্যালয়।



প্ৰাক্তন সাংসদ শ্ৰীযুত ভদ্ৰেশ্বৰ বুঢ়াগোহাঁইদেৱৰ অনুদানেৰে নিৰ্মিত মহাবিদ্যালয়ৰ জনজাতি ছাত্ৰাবাস।

প্ৰবন্ধ

# জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তাৰ মৌলিকতা

বাণীকান্ত গগৈ
প্ৰবক্তা,ৰাজনীতি বিজ্ঞান বিভাগ

ইংৰাজী ১৯০৩ চনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰা পৰমানন্দ আগৰৱালাৰ পুত্ৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল কবি, শিল্পী, সাহিত্যিক, প্ৰথম বোলছবি নিৰ্মাতা ইত্যাদি বহুতো । এক কথাত ক'বলৈ গ'লে তেওঁ আছিল অসমৰ সাংস্কৃতিক জগতৰ ভোটা তৰা। বিভিন্ন গুণেৰে বিভূষিত, বিভিন্ন ধৰণে অৱদান আগবঢ়োৱা জ্যোতিপ্ৰসাদ আছিল অসম তথা ভাৰতৰ এগৰাকী আগশাৰীৰ স্বাধীনতা যুঁজাৰুও। স্বাধীনতা যুঁজাৰু হিচাপেই নহয়, এগৰাকী নাগৰিক, এগৰাকী বুদ্ধিজীৱী হিচাপে জ্যোতিপ্ৰসাদ আছিল অত্যন্ত ৰাজনৈতিকভাৱে সচেতন ব্যক্তিও। সমাজ বিজ্ঞানী বা ৰাজনীতি বিজ্ঞানী হিচাপে জ্যোতিপ্ৰসাদে ৰাষ্ট্ৰ, গণতন্ত্ৰ বিভিন্ন 'বাদ' বিলাকৰ ওপৰত চৰ্চা কৰা নাছিল সঁচা, কিন্তু তেওঁৰ লেখনীত ৰাষ্ট্ৰব্যৱস্থা, শাসনতন্ত্ৰ, ৰাজনীতি বিষয়ৰ অনেক কথাই ঠাই পোৱা দেখা যায়। গ্ৰীক দাৰ্শনিক প্লেটোৰ দৰে আদৰ্শ ৰাষ্ট্ৰৰ কাপ্নেক্সা জ্যোতিপ্ৰসাদে সৃষ্টি নকৰিব পাৰে; কিন্তু ভাৱিষ্যিতিক ৰাষ্ট্ৰৰ কথা তেওঁ কৈছিল। এই সমস্ত ৰাজনৈতিক দিশৰ ওপৰত চমুকৈ আলোকপাত কৰাই এই ৰচনাৰ উদ্দেশ্য।

জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক দিশ বা ৰাজনৈতিক চিন্তাৰ মৌলিকতাৰ ওপৰত আলোচনা কৰিবলৈ যোৱাৰ আগতে দুটামান কথা কোৱা ভাল হ'ব। প্ৰথম কথা, বিস্তৰ চিন্তা-চৰ্চা, অধ্যয়ন অবিহনে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তাৰ ওপৰত সঠিক আলোচনা সম্ভৱ নহয়। দ্বিতীয়তে ক্ষমতা, দ্বন্দ্ব আৰু পৰস্পৰবিৰোধী স্বাৰ্থই উপচা আমাৰ সমাজ ব্যৱস্থাত জ্যোতিপ্ৰসাদৰ ওপৰত কৰা যি কোনো মূল্যায়ন বা যি কোনো ৰাজনৈতিক আলোচনা সৰ্বজন গ্ৰহণযোগ্য হ'ব বুলি আশা কৰিব নোৱাৰি।

১৯৩০ চনত জ্যোতিপ্ৰসাদ বিদেশৰ পৰা অসমলৈ ঘূৰি আহিছিল। তেওঁ আহি দেখে যে অসম তথা ভাৰতত ইংৰাজক খেদিবৰ বাবে জোৰদাৰ আন্দোলন চলিছে। আন্দোলনৰ জোৱাৰ দেখি দেশপ্ৰেমিক জ্যোতিপ্ৰসাদে হাত সাৱটি বহি থাকিব নোৱাৰিছিল। তেওঁ আন্দোলনত জপিয়াই পৰিল। আন্দোলনত অংশ গ্ৰহণ কৰি তেওঁৰ প্ৰথম কাম হ'ল অসমৰ ডেকা গাভৰুক একগোট কৰা। এই কাম বৰ উজু নাছিল। ইয়াৰ বাবে জ্যোতিপ্ৰসাদে অসমৰ বিভিন্ন ঠাইত ঘূৰাপকা কৰি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। তেওঁ দিনতকৈ ৰাতিহে বেছি কাম কৰিছিল। জ্যোতিপ্ৰসাদ আৰু তেওঁৰ সহযোগীসকলে প্ৰথমে পুলিচ থানাত ইংৰাজৰ পতাকাৰ ঠাইত ভাৰতীয় পতাকা উৰুৱাইছিল। কালক্ৰমত জ্যোতিপ্ৰসাদৰ ওপৰত পুলিচৰ চকু পৰিছিল। তেওঁ পুলিচৰ চকুত ধূলি দি বেছি দিন থাকিব নোৱাৰিছিল। ১৯৩২ চনত তেওঁ ধৰা পৰিল। ইয়াৰ পিছত কাছাৰীত বিচাৰ হয়। বিচাৰত জ্যোতিপ্ৰসাদৰ ১৫ মাহ জেল হয় আৰু ৫০০ টকা জৰিমনা দিব লগা হয়। ইংৰাজ চৰকাৰে জ্যোতিপ্ৰসাদক প্ৰথমে কিছুদিন তেজপুৰ জেলত ৰাখি পিছত শিলচৰ জেললৈ প্ৰেৰণ কৰে। তাতে জ্যোতিপ্ৰসাদৰ অসুখ হ'বলৈ পালে। অসুখৰ পৰিপ্ৰেক্ষিতত জ্যোতিপ্ৰসাদক শিলঙলৈ আনিছিল। ইংৰাজ চৰকাৰে চৰ্ত সাপেক্ষে জ্যোতিপ্ৰসাদক মুক্তি দিবলৈ প্ৰলোভন দেখুৱাইছিল। চৰ্তটো আছিল জ্যোতিপ্ৰসাদে দেশৰ কাম নকৰো বুলি লিখা দিব লাগিব। এনে চৰ্ত মানি জ্যোতিপ্ৰসাদে জেলৰ পৰা ওলাবলৈ অসন্মত হ'ল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত জ্যোতিপ্ৰসাদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। জেলৰ পৰা ওলাই তেওঁ জিৰণি ল'বলৈও সময় পোৱা নাছিল। জ্যোতিপ্ৰসাদৰ অংশ গ্ৰহণে অসমৰ ৰাইজক অশেষ প্ৰেৰণা যোগাইছিল। আন্দোলনত তেওঁ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক হিচাপে কাম কৰিছিল। জ্যোতিপ্ৰসাদৰ তেজস্বী বক্তৃতাই অসমৰ মানুহক মন্ত্ৰমুগ্ধ কৰিছিল আৰু আন্দোলনত এটা প্ৰবল জোৱাৰ সৃষ্টি কৰিছিল। ইয়াৰ বাবে জ্যোতিপ্ৰসাদক বিচাৰি ইংৰাজ পুলিচে চলাথ কৰিছিল। তেওঁক বিচাৰি নেপাই অৱশেষত 'পলাতক' ঘোষণা কৰিছিল। এই সময়ছোৱাত জ্যোতিপ্ৰসাদে কেইবাটাও অমৰ দেশপ্ৰেমমূলক গীত লিখিছিল। গীত কেইটা আছিল ঃ 'সাজু হ ন-জোৱান', 'বিশ্ব বিজয়ী ন-জোৱান', 'লুইতৰ পাৰৰে আমি ডেকাল'ৰা মৰিবলৈ ভয় নাই', 'কোন ক'ত আহিছা আইক পূজিবলৈ/আইৰ পূজা বেলি হ'ল'। জ্যোতিপ্ৰসাদৰ এই গীতসমূহে অসমৰ ৰাইজক দেশৰ হকে প্ৰাণ আহুতি পৰ্যন্ত দিবলৈ অনুপ্ৰেৰণা যোগাইছিল। গান্ধীজীৰ আহ্বানত যেতিয়া আন্দোলনৰ নেতা, আগশাৰীৰ কৰ্মীয়ে আত্মসমৰ্পণ কৰিছিল; আত্মগোপন কৰি থকা জ্যোতিপ্ৰসাদে তেতিয়াহে আত্মসমৰ্পণ কৰিছিল।

স্বাধীনতা আন্দোলনত এগৰাকী সক্ৰিয় কৰ্মী হিচাপে অংশগ্ৰহণ কৰোতে জ্যোতিপ্ৰসাদে দেখিবলৈ পাইছিল কি ত্যাগ, সাহস আৰু নিষ্ঠা সহকাৰে জনসাধাৰণে ইংৰাজৰ সন্মুখীন হৈছিল। এই কথাই জ্যোতিপ্ৰসাদৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। তেওঁ বুজি পাইছিল ইতিহাসৰ প্ৰকৃত স্ৰষ্টা জনসাধাৰণ। জনসাধাৰণ অফুৰন্ত শক্তিৰ ভঁৰাল। তেওঁ অনুভৱ কৰিছিল ঃ "জনতা তোৰ প্ৰাণৰো প্ৰাণত/মনৰো মনত/শিল্পী যে মই লুকাই লুকাই আছো।"

জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তা-দৰ্শন সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই এটা কথা ক'ব লাগিব এগৰাকী কংগ্ৰেছ কৰ্মী হিচাপে

জ্যোতিপ্ৰসাদৰ গান্ধীজীৰ প্ৰতি অতল বিশ্বাস আছিল। উল্লেখযোগ্য যে গান্ধীজী গুৱাহাটীলৈ আহোঁতে জ্যোতিপ্ৰসাদৰ ঘৰতে আলহী হৈছিল। এইফালৰ পৰা বিচাৰ কৰিলে এই কথা নিশ্চয় প্ৰতীয়মান হ'ব যে, গান্ধীবাদে জ্যোতিপ্ৰসাদৰ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। তৎসত্বেও জ্যোতিপ্ৰসাদৰ গাত অগান্ধীবাদী চিন্তাও পৰিলক্ষিত নোহোৱাকৈ থকা নাই। জ্যোতিপ্ৰসাদে অ'ত ত'ত এনে কিছুমান কথা কৈছিল বা লিখিছিল যিবিলাক কথাই বা লেখাই গান্ধীজীৰ অহিংসা নীতি আৰু শ্ৰেণী সহযোগিতাৰ তত্বৰ বিপৰীত ফালে গতি কৰিছিল। "প্ৰয়োজন হ'লে খাৰ- বাৰুদৰ কুঠৰিলৈকো যাব লাগিব" বুলি ঘোষণা কৰা জ্যোতিপ্ৰসাদৰ 'লভিতা' নাটকত অগান্ধীবাদী চিন্তাৰ আভাস পোৱা যায়। নাটকৰ প্ৰথম দৃশ্যত নিৰ্দোষী ছোৱালীৰ ওপৰত অত্যাচাৰ কৰা পুলিচ বিষয়াৰ হাতৰ পৰা পিষ্টল কাঢ়ি লৈ লভিতাই কৈছিল, "মই গান্ধীৰ বহীত নাম লিখোৱা নাই জানিবি বাপেকে ।" নাটকৰ শেষত লভিতাই অহিংসাক বৰ্জন কৰি সাম্ৰাজ্যবাদ বিৰোধী সশস্ত্ৰ সংগ্ৰামত যোগ দিছে। এইবিলাক কথাৰ সৈতে গান্ধীবাদৰ কোনো সম্পৰ্ক নাই। ইয়াৰউপৰি জ্যোতিপ্ৰসাদে পোনপতীয়াভাৱে এনে কথাও লিখিছে ঃ "দুস্কৃতি নাশিবলৈ হ'লে, শোষণ নিস্পেষণমুক্ত চিৰশান্তিৰ সমাজ ৰচনা কৰিবলৈ হ'লে যুগে যুগে শক্তিৰ, হিংসাৰ প্ৰয়োজন হৈ আহিছে, কিয়নো দুস্কৃতিৰ শক্তিও হিংসাৰ ওপৰতে নিৰ্ভৰশীল।" ('শ্লিপীৰ পৃথিৱী')

স্বাধীনতা প্ৰাপ্তিৰ পাছত কংগ্ৰেছৰ নেতৃত্বত দেশৰ জনতাৰ অৰ্থনৈতিক মুক্তি হ'ব বুলি পৰম আশা কৰিছিল জ্যোতিপ্ৰসাদে। স্বাধীনতাৰ মঞ্চৰপৰা দিয়া কিছুমান প্ৰতিশ্ৰুতি, যেনে- বিদেশী পুঁজি, জমিদাৰী প্ৰথা, বিনাক্ষতি পূৰণে উচ্ছেদ আদি পালন নহ'ল। এইসম্পৰ্কত জ্যোতিপ্ৰসাদে অন্য কংগ্ৰেছী নেতাৰ সৈতে ভিন্নমত পোষণ কৰিছিল। ইংৰাজ আমোলৰপৰা স্বাধীনতা লাভৰ আকাংক্ষাক বাস্তৱত ৰূপায়ণ কৰাৰ সম্পৰ্কত জ্যোতিপ্ৰসাদে কৈছে, "ইংৰাজে আমাক গচকা মাৰি ধৰি আমাক আমাৰ প্ৰগতিৰ পৰা, সংস্কৃতি গঢ়া মহান সুযোগৰ পৰা বঞ্চিত কৰি থৈছিল। সেই কাৰণেই আমি ইংৰাজৰ সৈতে যুঁজি বাগৰি আমাৰ হাতলৈ ক্ষমতা আনি আমাৰ জীৱিকা প্ৰয়াসৰ সুবিধা উলিওৱাৰ লগে লগে সংস্কৃতি গঢ়াৰ সুযোগ উলিয়াই লৈছো। আমাৰ পৰাধীনতাৰ দিনত আমাৰ সাংস্কৃতিক প্ৰেৰণা নোহোৱা হৈছিল।" ('নতুনৰ পূজা', জ্যোতি ৰচনাৱলী, পৃঃ ৪৬৫) কিন্তু বৃটিছৰ সাম্ৰাজ্যবাদী শাসনতন্ত্ৰৰ সলনি দেশীয় ধনতান্ত্ৰিক শাসন প্ৰতিষ্ঠা কৰাত জনতাৰ জীৱিকা প্ৰয়াসৰ আৰু সংস্কৃতি গঢ়া সুযোগ সুবিধা উলিওৱাৰ পথ যে বন্ধ হৈ গ'ল তাক উপলব্ধি কৰি সন্দেহ মিশ্ৰিত ভাষাৰে জ্যোতিপ্ৰসাদে কৈছিল ঃ "সাম্ৰাজ্যবাদ প্ৰতিহত কৰি আমি তাৰেই যঁজা ভায়েক কিন্তু ধনতন্ত্ৰবাদক সংস্কৃতি বুলি ভুল কৰাৰ উপক্ৰম কৰিছো, নে কূটনৈতিক কাৰণত কৰা ই এটা আপোচ"। ('শিল্পীৰ পৃথিৱী', জ্যোঃ ৰঃ, পৃঃ ৪৩৯) জ্যোতিপ্ৰসাদৰ এই দৃষ্টিভঙ্গী দেখ দেখকৈ অন্য কংগ্ৰেছী সকলৰ পৰা পৃথক আছিল। তেওঁ এইকথা উপলব্ধি কৰিছিল বিয়াল্লিছৰ বিপ্লৱৰ পাছত । বিপ্লৱ তেতিয়া শেষ হৈ যোৱা নাই। তেওঁ অনুভৱ কৰিছিল যে যি সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে ভাৰতীয় জনতাই ৰক্তক্ষয়ী সংগ্ৰামত লিপ্ত হৈছিল সেই সাম্ৰাজ্যবাদীৰে সহোদৰ হ'ল ধনবাদীসকল। এই ধনবাদীসকলৰ সৈতে আপোচ কৰাৰ অৰ্থই হ'ল স্বাধীনতাৰ লক্ষ্য ভ্ৰষ্ট হোৱা আৰু জনসাধাৰণ নিৰাশ হোৱা । কংগ্ৰেছী হৈ থাকিও আন বহুতো কংগ্ৰেছী নেতাৰ বিপৰীতে এনে ঘোষণা কৰাটো এটা মন কৰিবলগীয়া কথা। স্বাধীনতাৰ পাছত দেশৰ অৰ্থনৈতিক শোষণ, ৰাজনৈতিক দলাদলি, ক্ষমতা, দ্বন্দ্ব দেখি ম্ৰিয়মান হৈ জ্যোতিপ্ৰসাদে ক্ষোভেৰে কৈছে, "আজিৰ পৃথিৱীৰ জীৱনত, আজিৰ ভাৰতৰ জীৱনত দেখিব মহাভাৰতৰেই সাধুটো আকৌ প্ৰতিফলিত হৈ উঠিছে। ইয়াকেই মই মাথোন ক'লো। অন্তৰে অন্তৰে গমি চালেই বুজিব পাৰিব আজি কণা ধৃতৰাষ্ট্ৰ কোন ? আৰু কৃষ্ণ কোন গকুলত ডাঙৰ হ'ব লাগিছে — কোন গোৱালৰ গাঁৱত কি নতুন ৰূপত।" ('শিল্পীৰ পৃথিৱী', জ্যোঃ ৰঃ, পৃঃ ৪২৭)

ওপৰৰ আলোচনাই এই কথা প্ৰতীয়মান কৰিছে যে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তাত ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধীতাই বিশেষভাৱে ঠাই পাইছিল; যিটো কথাক এটা মৌলিক ৰাজনৈতিক চিন্তা বুলিয়ে ক'ব লাগিব। ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদ সন্দৰ্ভত জ্যোতিপ্ৰসাদে খোলোচাকৈ কৈছিল; "সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুস্কৃতিৰ পূৰ্ণৰূপ। আমি যদি এনে ছদ্মবেশ আমাৰ সূক্ষ্ম মনীষাৰ অভাৱত ধৰিব নোৱাৰো তেন্তে এটা কথাত তাৰ নিৰ্ঘাত প্ৰমাণ ওলাব। সেইটো হৈছে এই বাদবোৰে জনতাৰ জীৱনত ৰাইজৰ এই সংসাৰী জীৱনৰ ওপৰত কি প্ৰতিক্ৰিয়া কৰিছে তাক চালেই হ'ল। সাম্ৰাজ্যবাদে আমাৰ জনতাক কি কৰিলে — ধনতন্ত্ৰবাদে তাৰ বৈজ্ঞানিক শোষণ নীতিৰে কি কৰিলে বা কৰিছে সি আজি সকলোৰে আগত জলজল পটপট । দুস্কৃতিয়ে যি মেধা বুদ্ধিৰ উন্নতি কৰি দুস্কৃতিমূলক বিকৃত ব্যক্তিগত জীৱন দৰ্শন, সমাজ দৰ্শন, ৰাজনীতি, শাসননীতি সকলো বৈজ্ঞানিক প্ৰণালীৰে কৰি লয় আৰু তাক সংস্কৃতি বুলি দেখুৱায় আৰু সংস্কৃতিভক্ত মানুহকো ভ্ৰান্তিত পেলাই জনতাৰ ভাগ্য কাঢ়ি নিয়ে। এই ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদ ভাৰতীয় ঐতিহ্যৰ নহয় ।" ('শিল্পীৰ পৃথিৱী', জ্যোঃ ৰঃ) জ্যোতিপ্ৰসাদে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰব্যৱস্থাৰ স্বৰূপ উৎঘাটন কৰি কৈছে, "এই সাম্ৰাজ্যবাদী ধনতন্ত্ৰৰ ভিতৰটো পূৰ্ণ দুস্কৃতিৰ আৰু বাহিৰা আৱৰণ সাংস্কৃতিক। বিভাজনৰ অভ্যুদয়ত ইহঁতে পূৰ্ণ সুবিধা ললে। পৃথিৱীৰ সকলো ঠাইতে ভ্ৰষ্ট ৰাজতন্ত্ৰই এইদৰে ধনীকতন্ত্ৰৰ সৈতে যোগ হৈ জনতাৰ ভাগ্য কাঢ়ি খাবলৈ লাগিল ।"('শিল্পীৰ পৃথিৱী', জ্যোঃ ৰঃ, পৃঃ ৪৪৩-৪৪৪)

ৰাজনৈতিক সচেতন ব্যক্তি তথা সামাজিকভাৱে দায়বদ্ধ লোক হিচাপে জ্যোতিপ্ৰসাদে শাসনতন্ত্ৰ কি, ভাৱিষ্যিতিক ৰাষ্ট্ৰ কেনে হোৱা উচিত এইবিলাক কথাও চিন্তা নকৰাকৈ থকা নাছিল। ভাৰতীয় সামন্ততান্ত্ৰিক ৰাষ্ট্ৰব্যৱস্থা বা সমাজ ব্যৱস্থা সম্পৰ্কত জ্যোতিপ্ৰসাদে কোনো প্ৰত্যক্ষ মন্তব্য কৰা নাই। পশ্চিমীয়া তথাকথিত মুক্ত গণতন্ত্ৰকো 'দলতন্ত্ৰ' আখ্যা দি জ্যোতিপ্ৰসাদে উৰাই দিছিল। স্বাধীন ভাৰতৰ সংবিধানখনকো জ্যোতিপ্ৰসাদে সাম্ৰাজ্যবাদী বৃটিছে তৈয়াৰ কৰা সংবিধানখনৰ এটা আহল বহল সংস্কৰণ বুলি দোহাৰিছিল। সমাজবাদৰ বিভিন্ন ঠাঁচ, যেনে- ইচলামিক সমাজবাদ, হিন্দু সমাজবাদ ইত্যাদি





মাৰ্কা জনতন্ত্ৰক বা সমাজবাদক জ্যোতিপ্ৰসাদে গ্ৰহণ নকৰিছিল। সেয়ে তেওঁ কৈছিল, "আজি জনতন্ত্ৰৰ কেইবাবিধো আৰ্হি ৰাইজৰ আগত উপস্থিত আৰু এই নানাবিধৰ জনতন্ত্ৰ আমাৰ সমাজৰ সেই সেই বিধৰ তন্ত্ৰৰ বিশ্বাসীয়ে জনসাধাৰণক সেই তন্ত্ৰৰ যোগেদিয়েই জনগণৰ জীৱনৰ চৰম বিকাশ পাব বুলি তাক বুজাইছে। তাৰ লগে লগে স্বাৰ্থসেৱী প্ৰভুত্বকামী মানুহেও এই জনতন্ত্ৰৰে কোনো এবিধ লৈ তাৰ যোগেদিয়েই জনতাক সমৃদ্ধি কৰি তুলিব বুলি দুস্কৃতিমূলক আদৰ্শবাদ প্ৰচাৰ কৰি জনগণক সাংস্কৃতিক সামূহিক কল্যাণৰ আদৰ্শৰ পৰা ভ্ৰষ্ট কৰি স্বাৰ্থসেৱী সকলৰ প্ৰভুত্ববিস্তাৰৰ অস্ত্ৰৰূপে জনশক্তিক ব্যৱহাৰ কৰিবলৈ ওলাইছে।" ('পোহৰলৈ,' জ্যোঃ ৰঃ) জ্যোতিপ্ৰসাদে এনে জনতন্ত্ৰ বা ৰাষ্ট্ৰহে বিচাৰিছিল যি জনতন্ত্ৰ বা ৰাষ্ট্ৰৰ সহায়ত প্ৰত্যেক মানুহকে শিল্পীৰূপে গঢ়ি তুলিব পৰা হয়। জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল ৰাষ্ট্ৰযন্ত্ৰ জনগণৰ নিয়ন্ত্ৰণলৈ আনিলেহে সেই উদ্দেশ্য বাস্তৱত ৰূপায়িত হ'ব। আৰু "এই জনতাৰ হাতত পৃথিৱীখন দিয়াই শিল্পীৰ পলিটিক্‌ছ, এই জনতাক খাই বৈ সুস্থ সবল হৈ শিল্পীৰূপে প্ৰকাশ হ'বলৈ দিয়াই শিল্পীৰ অৰ্থনীতি — যি সমাজ গাঁথনিত মাথোন সকলো শিল্পীৰ প্ৰকাশৰ বিকাশৰ সমান অধিকাৰ সুযোগ সুবিধা, সেয়াই শিল্পীৰ সমাজনীতি।" ('শিল্পীৰ পৃথিৱী') ৰাষ্ট্ৰযন্ত্ৰ জনতাৰ হাতত তুলি দিয়াৰ উদ্দেশ্য আগত ৰাখিয়েই তেওঁ ভাৱিষ্যিতিক ৰাষ্ট্ৰৰ পৰিকল্পনা কৰিছিল। তেওঁৰ ভাষাত সেই পৰিকল্পনা এইদৰে মূৰ্ত হৈ উঠিছিল; "আমাৰ সকলোবিধ উন্নতিৰ আৰু উৎকৰ্ষণৰ সুযোগ আৰু সুবিধা দি সমাজক সম্পূৰ্ণকৈ বিকাশ কৰি তুলিবৰ কাৰণে; মানুহৰ সমষ্টিক সুশৃঙ্খলভাৱে আগবঢ়াই নি এটা সাংস্কৃতিক সৃষ্টিৰ বাবে অপৰিহাৰ্য শান্তিৰ অৱস্থালৈ মানৱ জীৱনক পৰিচালিত কৰিবলৈ লাগে শাসনতন্ত্ৰ আৰু শাসনযন্ত্ৰ। এই শাসনতন্ত্ৰ আৰু যন্ত্ৰই কেন্দ্ৰিভূত শক্তিৰ সহায়েৰে ভিতৰুৱা সংঘৰ্ষ আৰু বাহিৰৰ দুস্কৃতৰ আক্ৰমণৰ পৰা জনসমষ্টিক ৰক্ষা কৰি সংস্কৃতি সৃষ্টিৰ বাটেদি লৈ গৈ আনন্দৰ অৱস্থাত উলিয়াবগৈ পাৰিব লাগিব। ইয়াকে কৰিব নোৱাৰিলে সেই শাসনতন্ত্ৰৰ একো সাৰ্থকতা নাই।" ('পোহৰলৈ', জ্যোঃ ৰঃ)

জ্যোতিপ্ৰসাদ আছিল বিপ্লৱী চিন্তাধাৰাৰ অধিকাৰী। তেওঁৰ মতে "পৃথিৱীত প্ৰথমৰে পৰা ৰাষ্ট্ৰৰ যোগেদি ৰাজকীয় যাজকীয় শক্তিয়েই সমাজক নিয়ন্ত্ৰণ কৰি আহিছে ।" এই দুই শক্তিৰ পৰা বা এই দুই শক্তিয়েই জনতাক ভুৱা দিয়া সংস্কৰণৰ পৰা উদ্ধাৰ কৰিবলৈ বিপ্লৱৰ প্ৰয়োজন আছে। জ্যোতিপ্ৰসাদে লিখিছে "ৰাজকীয় বা যাদুকৰী শক্তি বা ন-কৈ মুখাপিন্ধি ওলোৱা এই দুই শক্তিৰেই জনতাক ভুৱা দিয়া সংস্কৰণৰ পৰা জনশক্তিৰ হাতলৈ মানৱৰ সংস্কৃতি সৃষ্টিৰ প্ৰধান আহিলা ৰাষ্ট্ৰক শাসনতন্ত্ৰক আনিবলৈ যি জনতাৰ প্ৰচণ্ড চেষ্টা সিয়েই হৈছে গণবিপ্লৱ।" (জ্যোঃ ৰঃ) "বিপ্লৱে যদিও আমাৰ সমাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি ধ্বংসাত্মক মনোভাৱ জগাই নানা বিপৰ্যয় সংঘটিত কৰে এটা কদাকাৰ দৈত্য ৰূপেৰে কিন্তু তথাপিও সি তাৰ মূৰত ভাৰ বৈ আনে এক নৱসংস্কৃতিৰ মণিসম্ভাৰ।" ('পোহৰলৈ', জ্যোঃ ৰঃ) বিপ্লৱৰ প্ৰকৃতি কেনে হ'ব তাৰ ইংগিতো দিছে জ্যোতিপ্ৰসাদে। তেওঁৰ মতে "বিপ্লৱ সদায় সৃষ্টিমূলক আৰু সাংস্কৃতিক হ'ব লাগিব — সিহে আচল বিপ্লৱ। যি বিপ্লৱৰ কণ্ঠত নতুন সৃষ্টিৰ ওংকাৰ নাই, গান নাই সি বিপ্লৱ নহয়। বিপ্লৱ মানে যি সামাজিক, নৈতিক, অৰ্থনৈতিক, ৰাষ্ট্ৰিক মুঠতে এক অভিনৱ উচ্চতৰ পৰিবৰ্তিত সমাজ পাবলৈ ভূমিকম্প কৰে — সিয়েই বিপ্লৱ ।" ('আইদেউৰ জোনাকী বাট,' জ্যোঃ ৰঃ) ওপৰত কৈ অহা জ্যোতিপ্ৰসাদ সমৰ্থিত 'জনতন্ত্ৰ'ৰ প্ৰয়োজন বা কিয় বা এনে জনতন্ত্ৰ কেনেকৈ প্ৰতিষ্ঠা সম্ভৱ এই বিষয়তো জ্যোতিপ্ৰসাদে চিন্তা-চৰ্চা নকৰাকৈ থকা নাছিল। জ্যোতিপ্ৰসাদে দৰাচলতে অতীতৰ সকলো ধৰণৰ ৰাষ্ট্ৰব্যৱস্থাই মানুহৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক প্ৰগতি সাধনত ব্যৰ্থ হোৱাত ভৱিষ্যত ৰাষ্ট্ৰ গঠনৰ মূল ভিত্তি বা আদৰ্শ হিচাপে গ্ৰহণ কৰিছে 'জনতন্ত্ৰ'। তেওঁ লিখিছে "মানুহৰ এই শাসনতন্ত্ৰই ৰাজতন্ত্ৰৰূপে, যাজকতন্ত্ৰৰূপে, আমোলাতন্ত্ৰৰূপেৰে জনসমাজক সমূহীয়াকৈ সেই অভিলষিত সাংস্কৃতিক স্তৰলৈ নিবলৈ অকৃতকাৰ্য হোৱাত আজি জনতন্ত্ৰ বা গণতন্ত্ৰৰ কথা জনসাধাৰণে ভাবিছে আৰু বিপ্লৱৰ যোগেদি তাক দিঠকলৈ আনিবলৈ চেষ্টা কৰিছে ।" (ঐ, পৃঃ ৪৯৯) জ্যোতিপ্ৰসাদৰ 'জনতন্ত্ৰত' এটা অভিনৱ কথা আছে। সেই অভিনৱ কথাটো হ'ল 'জনতন্ত্ৰ'ৰ নেতৃত্ব দিব কবি, শিল্পী, সাহিত্যিক, দাৰ্শনিকে। জ্যোতিপ্ৰসাদৰ এই কথাই মনত পেলাই দিয়ে গ্ৰীক দাৰ্শনিক প্লেটোলৈ। প্লেটোৰ 'ৰিপাব্লিক্'ত বৰ্ণিত আদৰ্শ ৰাষ্ট্ৰৰ নেতৃত্বত আছিল সৰ্ববিদ্যাবিশাৰদ সনাতন সত্যৰ অধিকাৰী দাৰ্শনিক। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ প্লেটোৰ চিন্তাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা যেন লাগে। তেওঁ কৈছে, "ক্ষমতাত থকাসকলে, ৰাষ্ট্ৰৰ কাৰ্যকাৰকসকলে মাত্ৰ কবি শিল্পী সাহিত্যিক বৈজ্ঞানিক ইঙ্গিত মতে ৰাষ্ট্ৰ পৰিচালনা কৰি যাব লাগিব — সেই আদৰ্শত জনসমূহত উপনীত কৰাবলৈ।" ('নতুনৰ পূজা', জ্যোঃ ৰঃ) নিমাতী কইনা বা ৰূপকোঁৱৰৰ 'প্ৰণেতাৰ কথা' পাতনিখনতো জ্যোতিপ্ৰসাদে ভাবিষ্যিতিক ৰাষ্ট্ৰযন্ত্ৰ পৰিচালনাৰ ক্ষেত্ৰত কবি- শিল্পী সাহিত্যিকৰ অপৰিহাৰ্য ভূমিকাৰ কথা দোহাৰিছে; "পৃথিৱীৰ শক্তিৰ বাঘজৰী থকিব লাগে কবি দাৰ্শনিকৰ হাতত ।" জ্যোতিপ্ৰসাদৰ সপোনৰ ৰাষ্ট্ৰ জনতন্ত্ৰত কবি সাহিত্যিকে নেতৃত্ব দিয়া কথাটো দেখাত মৌলিক চিন্তা যেন লাগিলেও ই আচলতে জ্যোতিপ্ৰসাদৰ স্ব-বিৰোধকহে সূচাইছে। কাৰণ কবি, দাৰ্শনিকৰ নেতৃত্বৰ শাসিত জনতন্ত্ৰত জনতন্ত্ৰৰ আদৰ্শ বাস্তৱায়িত হোৱাটো আমাৰ বোধেৰে অসম্ভৱ কথা। তৎসত্বেও এটা কথা ক'ব লাগিব জ্যোতিপ্ৰসাদৰ জনতন্ত্ৰৰ চিন্তাত মৌলিকতা আছে আৰু সৰ্বহাৰাৰ একনায়কত্ববাদক বাদ দিলে মাৰ্ক্স, এঙ্গেলছে পোষকতা কৰা বৈজ্ঞানিক সমাজতন্ত্ৰ আৰু জ্যোতিপ্ৰসাদৰ জনতন্ত্ৰ একে।

জীৱনৰ শেষৰ ফালে জ্যোতিপ্ৰসাদ সাম্যবাদৰ প্ৰতি তীব্ৰভাৱে আকৰ্ষিত হৈছিল। সাম্যবাদক তেওঁ আখ্যা দিছিল 'সৌন্দৰ্য প্ৰয়াস' বুলি। তেওঁ লিখিছে "মানুহৰ সমাজত যি অৰ্থনৈতিক অসামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে, অসুন্দৰ কৰি থৈছে, সেই ভাগতো সৌন্দৰ্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ ।" ('পোহৰলৈ', জ্যোঃ ৰঃ)

জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চিন্তাৰ মৌলিকতা সন্দৰ্ভত আমাৰ সীমাবদ্ধ জ্ঞানেৰে কৰা আলোচনা ইমানতে সামৰা হ'ল।□

# ড° নগেন শইকীয়াৰ অনুপম সৃষ্টি 'মিত-ভাষ'

*গীতালী শইকীয়া*
*প্ৰবক্তা, ইংৰাজী বিভাগ*

সু সাহিত্যিক ড°নগেন শইকীয়াৰ অসমীয়া সাহিত্য ক্ষেত্ৰলৈ এক অনবদ্য অৱদান হ'ল 'মিত-ভাষ'। এই 'মিত-ভাষ' (short expression) নামৰ চমু লেখাবোৰ সাহিত্যৰ এক নতুন ধাৰা (genre) বুলি স্বীকৃত হৈছে। ইতিমধ্যে ড° শইকীয়াৰ দুখন মিত-ভাষ পুথি প্ৰকাশ হৈছেঃ 'মিত-ভাষ' (১৯৯৫) আৰু 'স্বপ্ন-স্মৃতি-বিষাদ'(১৯৯৭)। সুকোমল ভাৱেৰে সিক্ত একে সময়তে বেদনা, বিষাদ আৰু আনন্দৰ ভাৱ সঞ্চাৰী এই লেখাবোৰৰ অৱস্থান কবিতা আৰু কথা-কবিতাৰ মাজতে । এইবিলাক নিভাঁজ কবিতাও নহয়, নিৰ্ভেজাল কথা-কবিতাও নহয়।

জীৱন সম্পৰ্কে, জগত আৰু সংসাৰ সম্পৰ্কে, মৃত্যু সম্পৰ্কে কিছুমান 'মৌলিক প্ৰশ্নই' লেখকজনক জুমুৰি দি আছিল ঃ "ব্ৰহ্মাৰ নিৰ্বিকাৰ স্বৰূপৰ জ্ঞানে মোৰ মাজত সন্যাসৰ জন্ম দিব পাৰে, কিন্তু জন্ম আৰু মৃত্যুৰ অন্ধকাৰ সীমাত বন্দী পাৰ্থিৱ জীৱনৰ মায়ত, অক্ষমতা আৰু শূন্যতাৰতো অন্ত পেলাব নোৱাৰে। স্বপ্নাতুৰ মানুহৰ স্বপ্নভংগৰ বেদনাৰ আৰ্তিৰে ভৰি আছে আকাশ। এই দুখ জীৱনৰ সকলো বাদ-অপবাদৰ উৰ্ধত। এনে এক পটভূমিত বিভিন্ন সময়ত আহি আমনি কৰা অনুভৱ ধৰি ৰাখিবলৈ যত্ন কৰি দেখিলোঁ — এইখিনিক প্ৰথাসিদ্ধ কোনোটো ধাৰাতে পেলাব নোৱাৰি। সেয়ে তাৰ নাম 'মিত-ভাষ' ঃ 'চমুকথা'ৰে মোৰ অনুভৱ প্ৰকাশৰ বাট।"

ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই প্ৰচাৰ কৰা এক সাক্ষাৎকাৰত ড° শইকীয়াই মৃত্যু সম্পৰ্কে এই বুলি কৈছিল যে এই ধুনীয়া পৃথিৱীখন এৰি যে এদিন তেওঁ বা আমি গুছি যাব লাগিব, সেই কথাই মাজে মাজে তেওঁৰ মনত তীব্ৰ যন্ত্ৰণাৰ উদ্ৰেক কৰে। মৃত্যু ভয় সকলো মানুহৰে আছে। এই মৃত্যু ভয় লৈয়েই মানুহ জীয়াই আছে। জীৱনৰ ক্ষণভংগুৰতা, স্বপ্নাতুৰ মানুহৰ স্বপ্নভংগ, আশাহত জনৰ বেদনা, অনন্ত ব্ৰহ্মাণ্ডৰ বুকুত মানুহৰ অসহায় নিঃস্বৰূপ, অপ্ৰাপ্তি, অপূৰ্ণতা, একাকীত্ব আৰু অক্ষমতাৰ উপলব্দি এই 'মিত-ভাষ'বোৰৰ প্ৰধান উপজীব্য ঃ

"মইতো ইয়াত নাথাকো চিৰদিন। ইয়াৰ পৰা গুছি যাবলৈকে মই ইয়ালৈ আহিছিলোঁ। কিয় বান্ধি থব খুজিছা — কিয় জগাই তুলিছা জল-তৃষ্ণা ?"

মানুহৰ বাসনা-তৃষ্ণা কমক চাৰি দিনে দিনে বাঢ়িহে যায়। আমাৰ আশা-আকাংক্ষা অসীম; কিন্তু এই আশা-আকাংক্ষাবোৰ পূৰণ হয় জানো ? অপূৰণীয় আশা আৰু বাসনা বুকুত বান্ধিয়েই মানুহে এই সংসাৰত জীয়াই থাকে আৰু এই অপূৰণ বাসনা বুকুত বান্ধিয়েই চকু মুদে ঃ

"মোৰ স্বপ্ন — মোৰ আকাংক্ষা মোৰ বাসনাৰ পখিলাবোৰ মৰি মজিয়াত সিচঁৰতি হৈ পৰি আছে। সিহঁত এসময়মত পাখি কোবাই উৰি ফুৰিছিল — এই দুখৰ সোঁৱৰণিৰ বাহিৰে এতিয়া আৰু একো নাই।"

শৈশৱ-কৈশোৰ আৰু যৌৱন কালত মানুহৰ চকুত খোপনি পোতা এই স্বপ্ন-আশা-আকাংক্ষাই মানুহৰ মনত আঁকি দিয়ে কিছুমান ৰঙীন ছবি। এইবিলাকক মিত-ভাষকাৰে পখিলাৰ লগত তুলনা কৰিছে। জীৱনৰ বিয়লি বেলাত মানুহ মুখা মুখি হয় ব্যৰ্থতা, অপ্ৰাপ্তি আৰু অপূৰ্ণতাৰ। সেয়েহে স্বপ্নৰ ৰঙীন পখিলাবোৰ মজিয়াত পৰি মৰি সিঁচৰিত হৈ আছে। এনে ধৰণৰ সুন্দৰ যমক (metaphor) আৰু উপমাৰে (simile) মিত-ভাষবোৰ সমৃদ্ধ। এনে এটি অনুপম উপমা হ'ল — "পানীৰ তলত সাঁতুৰি ফুৰা ৰং বিৰঙৰ মাছৰ দৰে মোৰ ভিতৰত সাঁতুৰি ফুৰিছে ৰং-বিৰঙৰ অসংখ্য ছবিৰ টুকুৰা।"

শব্দ, স্বপ্ন, ছবিবোৰ মানৱ জীৱনৰ চালিকা শক্তি। সুখ-দুখ, প্ৰেম-অপ্ৰেম সাৱটি মানুহ টোপনি যায় আৰু সাৰ পায়। সুখ-দুখ আমাৰ চিৰ সহচৰ — ইয়াত আন্ধাৰো আছে পোহৰো আছে, নিদ্ৰাও আছে জাগৰণো আছে, দুখৰ বাট আৰু সুখৰ টুকুৰা টুকুৰ স্মৃতি আছে। শব্দৰ কোলাহল আৰু আন্ধাৰৰ নৈশব্দৰ মাজতে মানুহে জীৱনৰ গভীৰতাৰ সন্ধান কৰে। নিশা হয়, ৰাতিপুৱায় — নিশাৰ ৰহস্যত 'তেওঁ' বুৰ যায় আৰু পুৱাৰ পোহৰত গা ধোৱে। শৰতৰ দৰে শান্ত স্নিগ্ধ প্ৰেমৰ বাবে দুৱাৰ খুলি তেওঁ বাট চায় আৰু প্ৰেমে আনি দিয়া শূন্যতাৰ অনুভৱে তেওঁক কন্দুৱায়। 'লখিন্দৰৰ মেৰঘৰত' প্ৰেম প্ৰৱেশ কৰি 'নিশ্চিদ্ৰ-নিৰন্ধ্ৰ কোঠা উচুপনি আৰু অভিমানেৰে ভৰাই পেলায়। এনেকৈয়ে শৰীৰত দুখৰ ক্ষত-বিক্ষত চিহ্নলৈয়ে মানুহে বিচাৰি ফুৰে স্বপ্নৰ গীত, ফুলৰ সুৰভি। আকাংক্ষাৰ যন্ত্ৰণাই টোপ টোপকৈ চকুলো সৰায়। লাহে লাহে মানুহ বৃদ্ধ হয়। জৰাগ্ৰস্ত মানুহৰ শৰীৰলৈ বগাই আহে আকাশৰ হেঙুলীয়া। ৰূপ-ৰস, সৌন্দৰ্য, শক্তিহীন মানুহৰ আভ্যন্তৰলৈ সোমাই আহে শীত।

এনেদৰে 'মিত-ভাষ'ত বক্তাই (speaker) প্ৰথম পুৰুষত নিজৰ অনুভৱ বৰ্ণনা কৰি গৈছে। এই বক্তাজন সমগ্ৰ মানৱ জাতিৰে প্ৰতিভু। এই মিত-ভাষবিলাক লেখকৰ ব্যক্তিগত সুখ-দুখৰ অনুভূতিৰ বহিৰ্প্ৰকাশ নহয়। এই সুখ-দুখৰ অনুভূতিসমূহ সকলো মানুহৰে অনুভূতি। সেয়েহে, প্ৰাঞ্জল ভাষাত বৰ্ণিত ভাৱ-অনুভূতিবিলাক অতিশয় মৰ্মস্পৰ্শী।

এই মানৱ জীৱন কেনেকৈ আৰম্ভ হ'ল। এই জীৱন নদীৰ নিৰৱচ্ছিন্ন





সোঁত কেতিয়া আৰম্ভ হ'ল। সেই চিৰন্তন প্ৰশ্নই মিত-ভাষকাৰক কৌতুহলী কৰি তুলিছে। কিন্তু তেওঁৰ কৌতুহলৰ নিবৃত্তি হোৱা নাই ঃ "এই নৈখন ক'ত আৰম্ভ হৈছে নাজানো — মই দেখা নাই। ইয়াৰ মাজৰ অংশ এটাত কোনোবাই মোক এৰি থৈ গ'ল। মই ইয়াতে বহি লেখি আছোঁ সৰু সৰু ঢৌ --- লেখি আছোঁ সূৰ্যোদয় আৰু সৰ্যাস্তৰ মুহূৰ্ত।"

জীৱন, পৃথিৱী আৰু সংসাৰ সম্পৰ্কে আৰম্ভ হোৱা গভীৰ অনুসন্ধিৎসাৰ ফলশ্ৰুতি এই মিত-ভাষবোৰ অতিশয় ভাৱঘন আৰু ভাৱোদ্দীপক ঃ

"সকলো সুৰৰ স্পন্দন স্থিৰ হৈ যায় — সকলো গীতৰ কলি নীৰৱ হয় — সকলো নিৰ্যাস হয় অন্তৰ্হিত । এনে সময় সদায় আহে। সমুখত পৰি থাকে অন্তহীন বালিৰ চৰ -- চকুৰে মনিব পৰালৈকে কেৱল বালি- বালি আৰু বালি।" এই মিত-ভাষফাঁকিয়ে কবি Shelley ৰ Ozymandias of Egypt নামৰ কবিতাটিলৈ মনত পেলায়। যিজন মহাপৰাক্ৰমী সম্ৰাটে (King of kings) নিজৰ পৰাক্ৰম, যশস্যা আৰু নাম যাউতিযুগীয়া কৰি ৰাখিবৰ বাবে এটা প্ৰকাণ্ড মূৰ্তি নিৰ্মাণ কৰোৱাইছিল, তেওঁৰ যশ-খ্যাতি, পৰাক্ৰম অসাৰ বুলি প্ৰতিপন্ন কৰি বিশাল মূৰ্তিটো খণ্ড বিখণ্ড হৈ বালিত পৰি ৰ'ল। এই কবিতাটোতো অন্তহীন বালিয়ে জীৱন-যৌৱন, যশ-খ্যাতি, পৰাক্ৰমৰ অন্তঃসাৰশূন্যতাকে বুজাইছে ঃ

Nothing beside remains. Round the decay
Of that clossal wreck, boundless and bare,
The lone and level sands stretch far away.

মানৱ আৰ্তিৰ কাৰুণ্যৰে বিধৌত এই মিত-ভাষসমূহত সুখ-দুখ, প্ৰেম-অপ্ৰেম, প্ৰাপ্তি-ব্যৰ্থতা, পোহৰ-আন্ধাৰ, সূৰ্যোদয়-সূৰ্যাস্ত, জন্ম-মৃত্যু আদি বিপৰীত অভিব্যঞ্জনাৰ শব্দযুটিৰ সমাহাৰো মন কৰিবলগীয়া। জীৱন প্ৰকৃতাৰ্থত এইসমূহ বৈপ্যৰীতৰে সমষ্টি। এই অন্তহীন দুখ-বেদনা, কাৰুণ্যৰ মাজতো লেখকে আশাৰ জিলিঙণি দেখা পাইছে ঃ "তুমি কি ৰূপত আহা নাজানো। ----- কেতিয়াবা নাৰীৰ ৰূপত, কেতিয়াবা পুৰুষৰ, কেতিয়াবা শব্দত, কেতিয়াবা সুৰত, কেতিয়াবা ৰেখাৰ মাজত তুমি আহি দেখা দিয়া। আঃ তোমাৰ কি ৰূপ, — কৰুণ, মধুৰ, শৃংগাৰ, শান্ত, হাস্যোজ্বল ! যি ৰূপতেই তুমি নাহা তোমাক মই দূৰতে চিনি পাওঁ। তুমি লৈ আহা চকুৰ পোহৰ আৰু হৃদয়ৰ দ্যোতনা।"

আৰু,

মই নাজানো — কাইলৈ ফুলপাহ ফুলিবনে নুফুলে, মই নাজানা তাৰ সুগন্ধ বিয়পি পৰিবনে নপৰে ----- মই কেৱল আশা কৰোঁ — মই আশা কৰাৰ দৰেই ঘটনাবোৰ ঘটিব। আমি কেৱল আশা কৰিব পাৰোঁ — বাট চাব পাৰোঁ।"

আশাবাদে (optimism) মাজে মাজে ভুমুকি মাৰিলেও মিত-ভাষৰ মূল সুৰ কৰুণ ৰসেৰে সিক্ত। ড° শইকীয়াই নিজেও কৈছে ঃ "লিখিবৰ সময়ত মই কলমটো হৃদয়ত জুবুৰিয়াই লওঁ। সেইবাবেইতো মোৰ কলমৰ আগেদি টোপটোপকৈ চকুপানী সৰে।" 'মিত-ভাষ' (১৯৯৫)ৰ আৰম্ভণীতে তোড়ী ৰাগিনীৰ ছবিৰ ব্যৱহাৰো তাৎপৰ্যপূৰ্ণ। ৰাগিনী তোড়িয়ে বনৰ মাজত বীণাৰ তাঁৰত বিষাদৰ সুৰ তোলে আৰু সেই সুৰত মুগ্ধ হৈ এজাক হৰিণাই বেঢ়ি ধৰে। মিত-ভাষকাৰেও শব্দচয়নৰ জৰিয়তে বিষাদৰ সুৰ তুলিছে ঃ "মোৰ এই চোলাটো দুখৰ সূতাৰে বোৱা। বিভিন্ন ৰঙৰ দুখ ধোঁৱা বৰণীয়া, কজলা, নীলা ---। তাৰ পৰাই সূতলাহিৰে সূতা উলিয়াই লৈ মোৰ জোখাৰে চোলাটো বৈ উলিওৱা। ইয়েই মোৰ একমাত্ৰ আৱৰণ। বাহিৰৰ পৰা নেদেখি চোলাটোৰ ভিতৰত কি ঢাক খাই আছে। দুখ-কেৱল দুখ।"

দাৰ্শনিক ভাৱেৰে সমৃদ্ধ এই চমু কথাবোৰত দুখৰ পয়োভৰৰ সপক্ষে মিত-ভাষকাৰে কৈছে — "দুখৰ বাহিৰেনো মানুহৰ শেষ-প্ৰাপ্তি কি ?' সঁচাকৈয়ে, পদে পদে দুখৰ সম্মুখীন হোৱা মানৱ জীৱনৰ আচল ৰূপটো মিত-ভাষত সুন্দৰকৈ ফুটি উঠিছে।

সাৰ্থক সাহিত্যকৰ্ম পাঠৰ সময়ত লেখক আৰু পাঠকৰ মাজৰ দূৰত্ব কমি গৈ গৈ প্ৰায় শূন্য হৈ পৰে। তেনে ক্ষেত্ৰত লেখকেই পাঠক হৈ পৰে আৰু পাঠক হৈ পৰে লেখক। মিত-ভাষৰ পঠন কালতো পাঠকে নিজেই লেখকৰ ঠাই ল'বলৈ বাধ্য। সেয়েহে, ড° শইকীয়াৰ অনুপম সৃষ্টি মিত-ভাষবোৰো সফল, সাৰ্থক সাহিত্যকৰ্ম। ☐

*"প্ৰেমৰ ৰূপত সুখ-দুখ দুয়োটাই সুন্দৰ, ত্যাগ আৰু ভোগ দুয়োটাই পবিত্ৰ, ক্ষতি আৰু লাভ দুয়োটাই সাৰ্থক। বীণাৰ তাঁৰত আঙুলি তুলিলে সুমধুৰ ঝংকাৰ উঠাৰ দৰে প্ৰেমতো বিৰোধৰ আঘাতত মধুৰ শব্দ উঠে। এই প্ৰেমৰ মৃদুতা যেনে সুকুমাৰ, বীৰত্বও তেনে কঠোৰ। এই প্ৰেমে ওচৰ-আঁতৰ, আপোন-পৰ আঁতৰাই জীৱন সমুদ্ৰৰ ইপাৰৰে সৈতে সিপাৰৰ প্ৰবল মাধুৰ্যৰ দ্বাৰা একে কৰি নিজৰ সুন্দৰ হাঁহিৰে দিগ-দিগন্তৰ ব্যৱধান দূৰ কৰি উষাৰ দৰে উদয় হয়।" — ৰবীন্দ্ৰনাথ ঠাকুৰ।*

*সংগ্ৰাহক ঃ পদুমকুমাৰী গগৈ*

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী ঃ ১৫ সংখ্যা ঃ ২০০২-২০০৩ বৰ্ষ

# বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

*দিগন্ত গগৈ*
*প্ৰবক্তা, অসমীয়া বিভাগ*

বিগত বিংশ শতিকাৰ অসমীয়া সাহিত্যক ভাববস্তু আৰু ৰূপবস্তুৰ আধাৰত তিনিটা প্ৰধান ভাগ বা যুগত বিভক্ত কৰিব পাৰিঃ

১. 'জোনাকী' (১৯০১-০৩) আৰু 'আৱাহন'ৰ (১৯২৯-৪৫) যুগ, (১ম দশকৰপৰা ৫ ম দশকলৈ)
২. 'ৰামধেনু'ৰ' (১৯৫০-৬৭-১৯৭৩) যুগ (৬ষ্ঠ দশকৰ পৰা ৭ম দশকলৈ)
৩. উত্তৰ ৰামধেনু বা সাম্প্ৰতিক যুগ (৮ম দশকৰ পৰা ১০ম দশকলৈ)।

বিংশ শতিকাৰ শেষৰ তিনিটা দশকে উত্তৰ ৰামধেনু যুগৰ প্ৰতিনিধিত্ব কৰে। উল্লিখিত প্ৰতিটো যুগৰ লেখকসকলৰ ৰচনা সম্ভাৰত যুগ ভাৱ-শক্তিৰ (spirit of the age) বৈশিষ্ট্য নিহিত হৈ আছে। এই বৈশিষ্ট্যসমূহক প্ৰধানকৈ দুটা ভাগত ভগাই আলোচনা কৰিব পাৰি ঃ গদ্য-সাহিত্যৰ বৈশিষ্ট্য আৰু কাব্য-সাহিত্যৰ বৈশিষ্ট্য। এই আলোচনা পত্ৰত বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ অৰ্থাৎ উত্তৰ ৰামধেনু যুগৰ কেৱল অসমীয়া গদ্য-সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে এক চমু আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

গদ্য সাহিত্যই সৃজনশীল সাহিত্য, যেনে — নাটক, উপন্যাস, গল্প, জীৱনী, আত্মজীৱনী, ব্যংগ ৰচনা, ৰস-ৰচনা, ভ্ৰমণ-কাহিনী, বিজ্ঞানভিত্তিক কাহিনী, কল্পবিজ্ঞানভিত্তিক ৰচনা, দৰ্শনভিত্তিক ৰচনা, চিকাৰ-কাহিনী আদিৰ উপৰিও অন্যান্য প্ৰবন্ধ বা সমালোচনামূলক লেখাকো সাঙুৰি লয়।

পূৰ্বৰ 'জোনাকী' আৰু 'আৱাহন'ৰ যুগ বা 'ৰামধেনু' যুগৰ সাহিত্যতকৈ বৰ্ণাঢ্য ৰূপকল্পৰে সমৃদ্ধ উত্তৰ ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যৰ পৰিধি অতি বিস্তৃত। কিয়নো 'ৰামধেনু'ৰ যুগতে অসমীয়া সাহিত্যত ৰোমাণ্টিক কল্পনা-সৰ্বস্বতা পৰিহাৰ কৰি নতুন দৃষ্টিভংগীৰে সামাজিক, সাংস্কৃতিক, নৈতিক, বৌদ্ধিক প্ৰমূল্যৰ অন্বেষণ আৰম্ভ হয় আৰু তাৰ পৰিপ্ৰেক্ষিতত উত্তৰ ৰামধেনু যুগত অসমীয়া সাহিত্য নতুন পৰিভাষা, নতুন বিষয়বস্তু, নতুন ৰূপকল্পৰে সমৃদ্ধ হৈ উঠে। উত্তৰ ৰামধেনু যুগৰ অসমীয়া গদ্য সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে অসমীয়া সাহিত্য-জগতৰ এগৰাকী বিশিষ্ট সমালোচক, প্ৰাবন্ধিক, গল্পকাৰ, মিতভাষী, ড° নগেন শইকীয়াদেৱে 'এশ বছৰৰ অসমীয়া গদ্য সাহিত্য' (১৯০০-১৯৯৯) সংকলনৰ প্ৰস্তাৱনা শিতানত লিখিছে, "ই এক প্ৰকাৰৰ বহুমুখী ব্যাপ্তিৰ পৰ্ব; অৱশ্যেই ৰামধেনু যুগৰ আধুনিকতাবাদৰ পৰা ই সম্পূৰ্ণ প্ৰভাৱ মুক্তও নহয়। কিন্তু, এই পৰ্বই কেৱল পশ্চিমৰ উন্নত দেশৰ
সাহিত্য-শিল্প বা বৌদ্ধিক চিন্তা-চৰ্চাতে নিজৰ দৃষ্টি আৱদ্ধ নাৰাখি তৃতীয় বিশ্বৰ দেশসমূহৰ সাহিত্য-সংস্কৃতি, চিন্তা-চৰ্চালৈও চকু দিছে। এতিয়া অসমীয়া লেখকেও 'মেজিকৰিয়েলিটি'ৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে। উত্তৰ আধুনিকতাবাদী চিন্তা-চৰ্চায়ো আহি ঠাই উলিয়াই লৈছেহি। এনেকৈয়ে আৰম্ভ হৈছে এই শতিকাৰ শেষ পৰ্ব।" বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ গল্প, উপন্যাস, নাটক আদি প্ৰতিটো ৰূপকল্পৰ বৈশিষ্ট্যবিলাকৰ আলোচনা সুকীয়া সুকীয়াভাবে কৰিব পাৰি যদিও এই আলোচনাত সকলোবোৰ গদ্য ৰূপকল্পৰ উমৈহতীয়া ভেটিতহে বৈশিষ্ট্য নিৰূপণ কৰিবলৈ লোৱা হৈছে। উমৈহতীয়া গদ্যৰূপৰ আধাৰত বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ অসমীয়া গদ্য সাহিত্যৰ বৈশিষ্ট্য অনুধাৱন কৰোতে চকুত পৰা বৈশিষ্ট্যসমূহক এনেদৰে ভগাব পাৰি ঃ

ক. গল্প, উপন্যাস, নাটক আদিত মনস্তাত্বিক বিচাৰ-বিশ্লেষণৰ অভিব্যক্তি,
খ. অস্তিত্ববাদী ধ্যান-ধাৰণাৰ অভিব্যক্তি,
গ. উত্তৰ আধুনিকতাবাদী চিন্তা-চৰ্চাৰ প্ৰভাৱ।
ঘ. মাৰ্ক্সবাদী আৰু বাওপন্থী চিন্তাধাৰাৰ ওপৰত গুৰুত্ব।
ঙ. বিজ্ঞান আৰু কল্পবিজ্ঞানভিত্তিক ৰচনাৰ সংযোজন।
চ. সৃজনশীল সাহিত্যৰ বাহিৰেও অন্যান্য ৰচনাৰ সংযোজন।

পাশ্চাত্যৰ বিশিষ্ট মনোৰোগ চিকিৎসক তথা মনস্তত্ত্ববিদ ডাঃ চিগমণ্ড ফ্ৰয়েড, য়ুং আদিৰ অৱচেতন মনৰ উদ্ভাৱন আৰু মনস্তত্ত্ব সম্পৰ্কীয় ধ্যান-ধাৰণাই ক্ৰমে প্ৰসাৰতা লাভ কৰি সাহিত্যলৈও ই সংক্ৰমিত হয়। অসমীয়া সাহিত্যত পোনতে লক্ষীনাথ বেজবৰুৱাৰ 'পাতমুগী' নামৰ গল্পটোত মনস্তাত্বিক বিচাৰৰ ইংগিত পোৱা যায়। বেজবৰুৱাৰ পৰৱৰ্তীকালত লক্ষীধৰ শৰ্মাৰ ৰচনাত মনস্তাত্বিক ধাৰাটোৰ জন্ম হয় যদিও 'ৰামধেনু' যুগৰ শক্তিশালী গদ্য লেখক হোমেন বৰগোহাঞিৰ ৰচনাতহে ধাৰাটোৰ বিকাশ ঘটে। উত্তৰ ৰামধেনু যুগত মনস্তাত্বিক বিচাৰ কেইবাগৰাকীও লেখকৰ ৰচনাত প্ৰকাশ পায়। হোমেন বৰগোহাঞি ৰামধেনু আৰু উত্তৰ ৰামধেনু দুয়োটা যুগৰ লেখক। বৰগোহাঞিৰ 'প্ৰত্যাৱৰ্তন নামৰ প্ৰেমৰ গল্পটোৰ মাজত মনস্তত্বৰ বিচাৰ-বিশ্লেষণ পোৱা যায়। বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' (১৯৮৭) নামৰ উপন্যাসখনত শিশু মনস্তত্ব আৰু 'অস্তৰাগ' (১৯৮৬) নামৰ উপন্যাসখনত বৃদ্ধ মনস্তত্ব প্ৰকাশ পাইছে। মনস্তত্ত্বৰ





আধাৰত ৰচিত গল্পৰ প্ৰসংগত ডাঃ দীপালী দত্তৰ 'নিৰ্লিপ্ত' নামৰ গল্প আৰু কমলা বৰগোহাঁইৰ 'মই এটা সাপ' (১৯৭০) নামৰ গল্প উল্লেখযোগ্য। নাটকৰ ক্ষেত্ৰত সত্যপ্ৰসাদ বৰুৱাৰ 'মৃণালমাহী' নাটকখন মনস্তত্বৰ আধাৰত ৰচিত নাটক।

অস্তিত্ববাদী ধ্যান-ধাৰণাৰ প্ৰভাৱো উত্তৰ ৰামধেনু যুগৰ অসমীয়া সাহিত্যত পৰিছে। অস্তিত্ববাদ হ'ল এনে এক দৃষ্টিভংগী; যি দৃষ্টিভংগীয়ে বস্তুবাদী দৰ্শনৰ আধাৰত বিশ্বব্ৰহ্মাণ্ডত জীৱনৰ অস্তিত্বৰ বিচাৰ কৰে। অস্তিত্ববাদী ধ্যান-ধাৰণাৰ অভিব্যক্তি হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ' (১৯৮৬) নামৰ উপন্যাসখনত অভিব্যক্ত হৈছে। উপন্যাসখনত 'Lack of communication' ধাৰণাৰ প্ৰকাশ ঘটিছে। ইয়াৰ পূৰ্বে 'ৰামধেনু'ৰ যুগত ৰচিত অৰুণ শৰ্মাৰ 'নিবাৰণ ভট্টাচাৰ্য' (১৯৬৭) নামৰ নাটকত 'Nothing is more real than nothing' ধাৰণাৰ প্ৰকাশ পাইছিল। এই ধাৰণাবোৰ অস্তিত্ববাদৰ অন্তৰ্গত।

উত্তৰ আধুনিকতাবাদী চিন্তা-চৰ্চাৰ প্ৰভাৱো উত্তৰ ৰামধেনু যুগৰ অসমীয়া সাহিত্যত পৰিলক্ষিত হয়। উত্তৰ আধুনিকতাবাদী দৃষ্টিভংগীত জীৱনক কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱনাংশৰ সমষ্টি হিচাপে বিচাৰ কৰা হয়। দুপৰীয়াৰ মানুহজন ৰাতিপুৱাৰ মানুহজনৰ সৈতে একে নহয়। মানুহৰ চিন্তাবোৰো বিক্ষিপ্ত; ইটোৰ লগত সিটো সংগতিবিহীন। এনে দৃষ্টিভংগীত 'পাঠ' (Text) বুলি কোনো নিৰ্দিষ্ট বস্তু নাথাকে।

পুনৰ গঠনবাদ উত্তৰ আধুনিকতাবাদৰ অন্তৰ্গত। ৰামধেনুৰ যুগতে চৈয়দ আব্দুল মালিকে শংকৰদেৱৰ জীৱনভিত্তিক 'ধন্য নৰতনু ভাল', জ্যোতিপ্ৰসাদৰ জীৱনভিত্তিক 'ৰূপতীৰ্থৰ যাত্ৰী' নামৰ উপন্যাস ৰচনা কৰি পুনৰ গঠনবাদী ধাৰাটোৰ জন্ম দিয়ে। উত্তৰ ৰামধেনু যুগত এই ধাৰাটোৰ বিকাশ ঘটে। এই প্ৰসংগত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা' (১৯৯২) আদি উপন্যাস উল্লেখযোগ্য। নগেন শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ' (১৯৯১) নামৰ গল্প সংকলনত সন্নিবিষ্ট গল্পসমূহত উত্তৰ আধুনিকতাবাদী চিন্তা-চৰ্চাৰ প্ৰভাৱ অনুভূত হয়। গল্পকাৰ নগেন শইকীয়াৰ প্ৰসংগত এগৰাকী বিশিষ্ট ঔপন্যাসিক, সমালোচক ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীয়ে লিখিছে ঃ "নগেন শইকীয়াৰ গল্প পঢ়িলে ভাব হয় দিনটোৰ সকলো সময়তে তেওঁ একেজন লেখক হৈ নাথাকে। মনো জগতত তেওঁ এটাৰ পৰা আনটোলৈ আহ্‌যাহ্ কৰাৰ বিশেষ সুবিধা নথকা কেবাটাও কোঠালি নিৰ্মাণ কৰি লৈছে। এটা কোঠালিত বহি তেওঁ 'মিত-ভাষ' লিখে, আন এটা কোঠালিত 'বন্ধ কোঠাত ধুমুহা', আন এটা কোঠালিত হয়তো অন্ধকাৰত অকলে বহি তেওঁ নিমগ্ন হয় আত্ম-বিশ্লেষণ।"[১]

১. *দেৱচৌধুৰী, ফণীন্দ্ৰকুমাৰ ঃ এশ বছৰৰ অসমীয়া গদ্য, সম্পাদকৰ টোকা।*

অসমীয়া সাহিত্যত বিশেষকৈ উত্তৰ ৰামধেনু যুগত মাৰ্ক্সবাদী চিন্তাৰ অভিব্যক্তি ঘটে হীৰেন গোহাঁই আৰু পাছলৈ বিভিন্নজনৰ সম্পাদনাত প্ৰকাশিত 'নতুন পৃথিৱী' (১৯৭২) নামৰ আলোচনীখনৰ মাধ্যমত। আনহাতে নিত্যা বৰাৰ সম্পাদনাত প্ৰকাশিত 'সম্প্ৰতিক সাময়িকী' (১৯৭৬-৮৬) নামৰ আলোচনীখন আছিল বাওপন্থী চিন্তাধাৰাৰ বাহক।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ প্ৰভাৱ সাহিত্যতো পৰিবলৈ ধৰে। বিজ্ঞানভিত্তিক কাহিনীৰ সংযোজন উত্তৰ ৰামধেনু যুগৰ অসমীয়া গদ্য-সাহিত্যৰ আন এক বৈশিষ্ট্য। উত্তৰ ৰামধেনু যুগত বিজ্ঞানভিত্তিক কাহিনীৰ লগতে কল্পবিজ্ঞানভিত্তিক কাহিনীও সংযোজিত হৈছে। বিজ্ঞানভিত্তিক কাহিনীৰ ক্ষেত্ৰত বিজয়কৃষ্ণ দেৱশৰ্মাৰ 'বাসনা বিলীন' (১৯৭০-৭৯), দীনেশচন্দ্ৰ গোস্বামীৰ 'এজাক জোনাকীৰ জিলিকনি' (১৯৯৮), শান্তনু তামুলীৰ 'মায়া মৃগ' (১৯৯৭) নামৰ বিজ্ঞানভিত্তিক কাহিনী উল্লেখযোগ্য। কল্পবিজ্ঞানভিত্তিক ৰচনাৰ ক্ষেত্ৰত দীনেশচন্দ্ৰ গোস্বামীৰ 'অভিন্ন হৃদয়' (বিজ্ঞান জেউতি'ত প্ৰকাশিত) নামৰ গল্প আৰু শান্তনু তামুলীৰ 'গ্ৰহযুদ্ধ' ('নতুন আৱিষ্কাৰ'ত প্ৰকাশিত) নামৰ উপন্যাসখনলৈ আঙুলিয়াব পাৰি।

সৃজনশীল সাহিত্যৰ বাহিৰেও অন্যান্য ৰচনাৰ সৃষ্টিও উত্তৰ ৰামধেনু যুগৰ সাহিত্যৰ এক বৈশিষ্ট্য। এনে ৰচনা যদিও গল্প, উপন্যাস আদিৰ দৰে সৃজনশীল সাহিত্য নহয়, তথাপি সেইবোৰ সাহিত্যৰ ৰসেৰে সিক্ত। অন্যান্য ৰচনাসম্ভাৰ সাহিত্যৰ ৰসেৰে সিক্ত হৈ উঠাৰ মূলতে হ'ল — লেখকৰ সৃজনপ্ৰতিভা, নান্দনিক দৃষ্টিভংগী আৰু জীৱন অভিজ্ঞতা। অন্যান্য ৰচনাসম্ভাৰৰ ভিতৰত হোমেন বৰগোহাঞিৰ 'জীৱনৰ সাধনা', প্ৰজ্ঞাৰ সাধনা', নীলমণি ফুকনৰ 'মোৰ কবিতা ঃ নেপথ্যৰ কথা' (১৯৭৩), প্ৰসেনজিৎ চৌধুৰীৰ 'প্ৰেম বনাম মই' (১৯৮০), দেৱকান্ত সন্দিকৈৰ 'জীৱনৰ প্ৰথম পাঠ' (১৯৯০), নগেন শইকীয়াৰ 'চিন্তা আৰু চৰ্চা' আদি বহুতো গ্ৰন্থৰ নাম উল্লেখ কৰিব পাৰি। উল্লিখিত গ্ৰন্থৰাজিৰ উপৰিও উত্তৰ ৰামধেনু যুগৰ অসমীয়া সাহিত্যক প্ৰভাৱান্বিত কৰা বহু কেইখন আলোচনীৰ প্ৰসংগ উল্লেখ কৰিব পাৰি। এনে আলোচনীসমূহৰ ভিতৰত ভবেন বৰুৱা সম্পাদিত 'সংলাপ' (১৯৭১), নীলমণি ফুকন সম্পাদিত 'সংজ্ঞা' (১৯৭৫-১৯৭৮), ভবেন্দ্ৰনাথ শইকীয়া সম্পাদিত 'প্ৰান্তিক' (১৯৮১), চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'গৰীয়সী' (১৯৯৩), শশী ফুকন সম্পাদিত 'বিস্ময়' আদি উল্লেখযোগ্য।

উত্তৰ ৰামধেনু যুগত সৃষ্ট সাহিত্য আৰু অন্যান্য ৰচনাসম্ভাৰে যুগটোৰ যি বৈশিষ্ট্য বহন কৰিছে, সেই বৈশিষ্ট্যসমূহৰ এখন স্পষ্ট ছবি দাঙি ধৰিবৰ বাবে বিশদ অধ্যয়নৰ প্ৰয়োজন। এই ক্ষেত্ৰত গৱেষণাৰ এখন বহল পথাৰ এতিয়াও আমাৰ সন্মুখত পৰি আছে। ❐

*ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলো হেৰায় — চক্ৰেটিছ*

*সংগ্ৰাহক ঃ চুমী ওজা*

# অসমৰ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত সৰ্বশিক্ষা অভিযানৰ ভূমিকা

মানসী গগৈ
প্ৰবক্তা, শিক্ষা বিভাগ

কেন্দ্ৰীয় চৰকাৰে দেশজুৰি প্ৰৱৰ্তন কৰা সৰ্বশিক্ষা অভিযানৰ মূল লক্ষ্য হৈছে ২০০১-২০১০ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে সাক্ষৰ কৰি তোলা। আমাৰ দেশত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বাবে লোৱা এইখনেই প্ৰথম আঁচনি নহয়। ভাৰতৰ নিচিনা গণতান্ত্ৰিক দেশ এখনত শিক্ষিত নাগৰিকৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদত ১৯৬০ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে সাৰ্বজনীন বিনামূলীয়া বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আজিও আমাৰ দেশত প্ৰাথমিক শিক্ষা সাৰ্বজনীন হোৱা নাই। যাৰ বাবে এই সৰ্বশিক্ষা অভিযান প্ৰৱৰ্তন কৰিব লগা হ'ল।

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ বুলিলে ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে জাতি, ধৰ্ম, বৰ্ণ, লিংগ ভেদে প্ৰাথমিক শিক্ষা প্ৰদান কৰা। এই প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰিবলৈ কেৱল আইনৰে নহয়, ৰাইজৰ সহযোগৰো প্ৰয়োজন। প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰিবৰ বাবে কেইটামান বিষয়ৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন; যেনেঃ

১। সাৰ্বজনীন ভৰ্তিকৰণ, ২। সাৰ্বজনীন উপস্থিতি, ৩। সাৰ্বজনীন সংৰক্ষণ, ৪। শিক্ষাৰ মানদণ্ডৰ উন্নীতকৰণ।

আমাৰ দেশত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত বিভিন্ন সমস্যা দেখিবলৈ পোৱা যায়। সেইবোৰ হৈছে — প্ৰশাসনিক সমস্যা, প্ৰসাৰ সম্বন্ধীয় সমস্যা আৰু গুণগত সমস্যাসমূহ। প্ৰশাসনিক সমস্যাসমূহৰ ভিতৰত সংবিধানত শিক্ষাক অধিকাৰ হিচাপে স্বীকৃতি নিদিয়া, ৰাজ্য চৰকাৰৰ অমনোযোগিতা, গাঁও আৰু চহৰৰ বৈষম্য আৰু তাৰ ফলত দেখা দিয়া আঞ্চলিক বৈষম্য ইত্যাদি। প্ৰসাৰৰ ক্ষেত্ৰত আকৌ — দৰিদ্ৰতা, অভিভাৱকৰ নিৰক্ষৰতা, জনসংখ্যা বৃদ্ধি, লিংগ বৈষম্য, অপচয় আৰু অনগ্ৰসৰতা। গুণগত সমস্যাসমূহৰ ভিতৰত অনাকৰ্ষণীয় স্কুল, আচবাব- পত্ৰ আৰু শিক্ষণ সঁজুলিৰ অভাৱ, এজনীয়া শিক্ষকৰ স্কুল, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ, বিষয় কেন্দ্ৰীক পাঠ্যক্ৰম, অৰ্থসংকট, শিশু শ্ৰমিক আদিয়েই প্ৰধান।

এই সমস্যাসমূহ দূৰ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ১৯৭৯-৮০ চনৰ পৰা অনানুষ্ঠানিক শিক্ষা আঁচনিৰ যোগেদি স্কুলত নপঢ়া শিশুবোৰক স্কুললৈ আনিবলৈ প্ৰয়াস কৰা হৈছিল। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি (NPE) আৰু ১৯৯২ চনৰ কৰ্মসূচী (POA)ৰ পিছত এই প্ৰচেষ্টা তীব্ৰতৰ কৰি তোলা হৈছিল। ৰাজ্যভেদে জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP), (BEP), (EGS), অপাৰেচন ব্লেকবৰ্ড আদিৰ যোগেদি প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বাবে চেষ্টা চলাই থকা হৈছে। কিন্তু এই সকলোবোৰ প্ৰচেষ্টাৰ পাছতো এই উদ্দেশ্য এতিয়াও আমি ঢুকি পোৱাৰ পৰা বহু আঁতৰত আছে। সেয়েহে ১৯৯৩ চনত ভাৰতৰ উচ্চতম ন্যায়ালয়ে এক ৰায়যোগে প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰৰ মৰ্যাদা প্ৰদান কৰে। সম্প্ৰতি ৯৩ তম সংবিধান সংশোধনী বিধেয়ক যোগে ৬-১৪ বছৰ বয়সৰ শিশুৰ বাবে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে সাংবিধানিক স্বীকৃতি প্ৰদান কৰিবলৈ বিচৰা হৈছে। ইয়াৰ ফলত সকলো শিশুৱে প্ৰাথমিক শিক্ষাৰ সুবিধা পোৱাটো আমাৰ দেশৰ চৰকাৰৰ বাবে সাংবিধানিক বাধ্য-বাধ্যকতা হৈ পৰিল। কোনো এটা শিশুক প্ৰাথমিক শিক্ষাৰ পৰা বঞ্চিত কৰা যিকোনো ব্যক্তি, কৰ্তৃপক্ষ বা চৰকাৰ মৌলিক অধিকাৰ খৰ্ব কৰাৰ দোষত দোষী বুলি অভিযুক্ত হ'ব। তদুপৰি এই সংশোধনীতে ৬-১৪ বছৰৰ শিশুক প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো পিতৃ-মাতৃ, অভিভাৱকৰ মৌলিক কৰ্তব্য বুলিও নিৰ্ধাৰণ কৰা হৈছে।

সেয়েহে এই প্ৰাথমিক শিক্ষাক সাৰ্বজনীনকৰণৰ বাবে 'সকলোৰে বাবে শিক্ষাৰ' এক গণ আন্দোলন হিচাপে সৰ্বশিক্ষা অভিযানে ২০১০ চনৰ ভিতৰত সকলো সামাজিক আৰু লিংগ বৈষম্য আঁতৰ কৰি বিদ্যালয়ৰ কাম-কাজত স্থানীয় ৰাইজৰ সক্ৰিয় অংশ গ্ৰহণৰ জৰিয়তে সন্তোষজনক,গুণসম্পন্ন, ফলদায়ক আৰু প্ৰাসংগিক প্ৰাথমিক শিক্ষা প্ৰদান কৰিবলৈ আঁচনি গ্ৰহণ কৰিছে। এই শিক্ষা অভিযানৰ লক্ষ্য হৈছে—

ঃ ২০০৩ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে বিদ্যালয় বা শিক্ষা নিশ্চিতকৰণ কেন্দ্ৰ বা বিকল্প বিদ্যালয়/ কেন্দ্ৰত নামভৰ্তিকৰণ নিশ্চিত কৰা।

ঃ ২০০৭ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে প্ৰাথমিক স্তৰৰ প্ৰথম পাঁচ বছৰীয়া শিক্ষা সম্পূৰ্ণ কৰোৱা।

ঃ ২০১০ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সলৈ সকলো শিশুকে আঠ বছৰীয়া শিক্ষা সম্পূৰ্ণ কৰোৱা।

ঃ 'জীৱনৰ বাবে শিক্ষা'ৰ ওপৰত গুৰুত্ব আৰোপ কৰি সন্তোষজনক গুণসম্পন্ন প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা।

ঃ ২০১০ চনৰ ভিতৰত প্ৰাথমিক শিক্ষাত হোৱা অপচয় সম্পূৰ্ণ ৰূপে ৰোধ কৰা।

এইকেইটা লক্ষ্য আগত ৰাখি প্ৰাথমিক শিক্ষাৰ প্ৰশাসন আৰু নীতিৰ সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি অসমৰ ২৩ খন জিলাক সামৰি সৰ্বশিক্ষা অভিযান আৰম্ভ কৰা হৈছে। ২০০২ চনৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা অসমৰ ১৪ খন জিলাত এই কাৰ্যসূচী আৰম্ভ হৈছে। অৱশ্যে





বাকী ৯ খন জিলাত ২০০১ চনৰ পৰাই জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ দ্বাৰা এই কাম- কাজ চলাই থকা হৈছে। 'অসম সৰ্বশিক্ষা অভিযান মিছন' নামেৰে সংস্থা এটাই অসমত সৰ্বশিক্ষা অভিযান ৰূপায়ণৰ কাম পৰিচালনা কৰি আছে। সংস্থাৰ কাম কাজসমূহ পৰিচালনাৰ বাবে এখন সাধাৰণ সমিতি; য'ত অসমৰ মাননীয় মুখ্যমন্ত্ৰীক সভাপতি আৰু শিক্ষা মন্ত্ৰীক (প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা) উপ-সভাপতি হিচাপে আৰু এখন কাৰ্যকৰী সমিতি; য'ত অসমৰ মুখ্য সচিবজনে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ আয়ুক্ত পৰ্যায়ৰ বিষয়া এগৰাকীক মিছন সঞ্চালক ৰূপে নিযুক্তি দিয়া হৈছে। মিছন সঞ্চালকৰ তলতেই আছে জিলা মিছন সমন্বয়ক, তাৰ তলত খণ্ড মিছন সমন্বয়ক, তাৰ তলত মণ্ডল সমল বিষয়া, গাঁও পঞ্চায়ত/নগৰ/কাউন্সিল সমষ্টি শিক্ষা সমিতিৰ তলত থাকিব গাঁও, ৱাৰ্ড, চাহ বাগিচা শিক্ষা সমিতি আৰু শেষত বিদ্যালয় পৰিচালনা সমিতি। মুঠতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক সামৰি এই সৰ্বশিক্ষা অভিযানৰ মুখ্য কাৰ্যসমূহ হৈছে শিক্ষাৰ সা-সুবিধা প্ৰদান, গুণগত মানৰ উন্নয়ন, সমাজ জড়িত কৰণ, উদ্ভাৱনমূলক কাৰ্য। সৰ্বশিক্ষা অভিযানৰ লগতে 'শিক্ষা নিশ্চিতকৰণ আঁচনি' (Education Guarantee Scheme) আৰু 'বিকল্প আৰু উদ্ভাৱন মূলক শিক্ষা' নামেৰে এখন আঁচনিৰ কামো হাতত লোৱা হৈছে শিশুসকলক প্ৰাথমিক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে। ইতিমধ্যে সংকল্প-যাত্ৰা আৰু আলোকৰ যাত্ৰা নামেৰে দুটি অভিযান আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা অৰ্থ সাহায্যৰে ইতিমধ্যে গুণগত মানৰ উন্নতি সাধনৰ কাম আৰম্ভ হৈছে। অসম সৰ্বশিক্ষা অভিযান মিছনে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে বছৰি ২০০০ টকা আৰু মেৰামতিৰ বাবে বছৰি ৫০০০ টকাকৈ আগবঢ়াই আহিছে। ইয়াৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰী সকলক শিক্ষণ-শিকন সামগ্ৰী ক্ৰয়ৰ বাবে ৫০০ টকা অনুদান দিয়াৰ কথাও উল্লেখ কৰিছে। সেয়েহে অসমৰ প্ৰাথমিক বিদ্যালয়সমূহে ২০১০ চনৰ ভিতৰত প্ৰায় ৭০,০০০ তকৈও অধিক ধন লাভ কৰিব যি এখন বিদ্যালয়ৰ উন্নতিত যথেষ্ট সহায় কৰিব। ২০০৩ চনৰ পৰা আৰম্ভ কৰি দুটা পৰ্যায়ত ২০১০ চনত সামৰণি পৰিব লগা সৰ্বশিক্ষা আঁচনি এখন যথেষ্ট সময় উপযোগী আঁচনি। এই আঁচনিখন কাৰ্যকৰী কৰিব পাৰিলে আমাৰ দেশত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণত কোনো বাধা নাথাকিব অৰ্থাৎ আঁচনি মতে কাম হ'লে ২০১০ চনৰ ভিতৰত অসমত নিৰক্ষৰতা দূৰ হ'ব। কিন্তু এতিয়া প্ৰশ্ন হ'ল, এই আঁচনিখনৰ যথাযথ ভাবে ৰূপায়ণ সম্ভৱ হ'বনে ? আমি ইতিমধ্যে কাকতে পত্ৰই এই সৰ্বশিক্ষা অভিযানৰ সমালোচনা পঢ়িবলৈ পাইছো। এই আঁচনিখন অলপ চালি-জাৰি চালে দেখা যায় যে এই আঁচনিখন ৰূপায়ণৰ বাবে বহু শিক্ষকক নিযুক্তি দিয়া হৈছে। এইসকল শিক্ষকে এটা মাহত এখন বিদ্যালয় তিনিবাৰকৈ পৰিদৰ্শন কৰিব লাগে আৰু শিক্ষকজনক তেনে ৬/৭ খন বিদ্যালয় পৰিদৰ্শনৰ বাবে দিয়া হয়। একোখন পঞ্চায়তৰ অধীন প্ৰায় ৬০-৭০ জন শিক্ষকক এনে কামত নিযুক্ত কৰা হৈছে। এই সময়ছোৱাৰ বাবে শিক্ষকজন নিজ নিজ বিদ্যালয়ত শিক্ষা প্ৰদানৰ পৰা ৰেহাই দিয়া হৈছে। কিন্তু শিক্ষক জনৰ বিকল্প কোনো শিক্ষককে নিযুক্তি দিয়া হোৱা নাই। সেই বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষকজনৰ অবৰ্তমানত হোৱা ক্ষতি কেনেকৈ পূৰণ কৰিব? এচামক শিক্ষিত কৰিবলৈ গৈ অন্য এচামক বঞ্চিত কৰা নহ'লনে? বহু শিক্ষকৰ সৰ্বশিক্ষা সম্বন্ধে গভীৰ জ্ঞানৰো অভাৱ। আঁচনিখন অন্তঃকৰণেৰে মানি নললে চৰকাৰী বাধ্যবাধকতাত ইয়াৰ ৰূপায়ণ সম্ভৱ নহয়। বহুকোটি টকা ব্যয়েৰে হাতত লোৱা সৰ্বশিক্ষা আঁচনিৰ অধীনৰ আলোকৰ যাত্ৰা, সংকল্প যাত্ৰা, বিদ্যাজ্যোতি, প্ৰৱৰ্তন নিদানমূলক শিক্ষা, সেতুবন্ধন শিক্ষা প্ৰশিক্ষণ, শাৰীৰিক বাধাগ্ৰস্তৰ বাবে সংহত শিক্ষা, বিদ্যালয়ৰ অৱগাঁথনিৰ উন্নয়ন, কন্যাৰ শিক্ষা, বিকল্প শিক্ষা, অনুসূচিত জাতি জনজাতিৰ শিক্ষা আঁচনিৰ বাবে কাছাৰত ৫৯৬.৪০ লাখ, ধেমাজিত ৪২৯.২৪ লাখ, ডিব্ৰুগড়ত ৫৪১.০১ লাখ, গোলাঘাটত ৪৬২.৫৪ লাখ, হাইলাকান্দিত ৪৩৬.৬২ লাখ, যোৰহাটত ৬৪৭.৩৯ লাখ, কামৰূপত ৭৯২.৮৯ লাখ, কৰিমগঞ্জত ৪৬০.৬৬ লাখ, লখিমপুৰত ৬০২.৬০ লাখ, নগাঁৱত ৮৩০.৮৫ লাখ, উত্তৰ-কাছাৰ পাৰ্বত্য জিলাত ২১৪-০৭ লাখ, নলবাৰীত ৬০৭.১৬ লাখ, শিৱসাগৰত ৭৪৫.৪১ লাখ, তিনিচুকীয়াত ৩৬৮.৬৯ লাখ আৰু ৰাজ্যৰ অন্যান্য কামত ৩০৭.৫৮ লাখ টকা খৰচ কৰা হৈছে। কিন্তু চৰকাৰী ভাবে খৰচৰ মাত্ৰা বাঢ়িলেও ইয়াৰ অনুপাতে শিক্ষাৰ প্ৰসাৰ নোহোৱাৰ গুৰুত্বৰ অভিযোগ উঠিছে।

২০০৩ চনত নামভৰ্তি সম্পূৰ্ণ কৰিবলগীয়া সৰ্বশিক্ষা অভিযানৰ প্ৰাথমিক কাৰ্য সম্পূৰ্ণ হ'বলৈ মাত্ৰ তিনি মাহ বাকী। কিন্তু অসমত এতিয়াও ২৪ শতাংশ শিশু এই শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। সেয়ে হ'লে ২০০৩ চনৰ পৰা ২০০৬ চনৰ সময়ছোৱাত ৬-১৪ বছৰ বয়সৰ পাঁচ লাখৰো অধিক শিশু নিৰক্ষৰ হৈ থাকিব। কোটি কোটি টকা খৰচ কৰি গ্ৰহণ কৰা সৰ্বশিক্ষা অভিযানৰ কোনো অৰ্থই নোহোৱা হ'ব।

সৰ্বশিক্ষাৰ প্ৰচাৰৰ পাছত ৰাজ্যখনত ২০০১ ৰ পৰা ২০০৩ লৈকে চলোৱা সমীক্ষাত প্ৰাপ্ত তথ্যমতে নিৰক্ষৰৰ সংখ্যা এনেধৰণৰ —

| জিলাৰ নাম | মুঠ ল'ৰা-ছোৱালী | পৰিসংখ্যা | শতকৰা হাৰ(%) |
|---|---|---|---|
| নগাঁও | ৫১২৯৪২ | ১৭৩১০৪ | ৩৪ |
| ধুবুৰী | ৩৩৩৯১৩ | ১৩৪৬৫২ | ৩৫ |
| দৰং | ৪৫৪০৭৭ | ৭৬৯১৮ | ২৫ |
| বৰপেটা | ৩৭৪১১৩ | ৮১২৪১ | ২৩ |
| কামৰূপ | ৩৩৬৪৪০ | ৬২৭১৪ | ১৯ |
| কাছাৰ | ২৭৮০২৪ | ৭২৭০৯ | ২৬ |
| শোণিতপুৰ | ২৫৫৯৩৯ | ৯৪০৭৬ | ২৫ |
| কৰিমগঞ্জ | ২৪৭৫৬৭ | ৮১১৫৪ | ৩৩ |
| নলবাৰী | ২৩৮৭৭৯ | ৪৩৬৩৪ | ১৮ |
| মৰিগাঁও | ১৭০৩৪৯ | ৩০৮০৭ | ১৭ |
| যোৰহাট | ১৭৫৭৫৭ | ২৮৮৯৭ | ১৬ |
| ডিব্ৰুগড় | ২০৫৪৮৯ | ৫১৭৪৮ | ২৫ |

| | | | |
|---|---|---|---|
| বঙাইগাঁও | — ২০২৫৭৩ — | ৪২০৭১ — | ২২ |
| কোকৰাঝাৰ | — ২০১৯৫২ — | ৩৪৯১৯ — | ১৫ |
| লখিমপৰ | — ১৯৫০১৬ — | ৩৭৪১০ — | ১৯ |
| গোলাঘাট | — ১৯৪৪৯১ — | ৪৭৩৯৪ — | ২৪ |
| শিৱসাগৰ | — ১৯২৭৯৬ — | ৩৪১৩৬ — | ১৮ |
| গোৱালপাৰা | — ১৭৯৯০৭ — | ৩৬৭০৩ — | ২১ |
| কাৰ্বিআংলং | — ১৭৩৫৪০ — | ৩৩৪৬৩ — | ১৫ |
| ধেমাজী | — ১৪৫৫৭১ — | ৩৪৫০৬ — | ২৪ |
| হাইলাকান্দি | — ১২৭৭৫০ — | ৩৭১০৩ — | ২৯ |
| উত্তৰ কাছাৰ | | | |
| পাৰ্বত্য জিলা | — ৩৩১১৩ — | ৫৭০৫ — | ১৭ |
| তিনিচুকীয়া | — ১৮৬১৯৪ — | ৬৫০৯৪ — | ৩১ |

এই সমূহৰ উপৰিও এই আঁচনিখন ৰূপায়নত দেখা দিয়া আন কেতবোৰ সমস্যা হৈছে — অৰ্থৰ অপপ্ৰয়োগ, প্ৰশাসনিক দুৰ্বলতা, ৰাজনৈতিক হস্তক্ষেপ, আঞ্চলিক বৈষম্য, জনসাধাৰণৰ অসচেতনতা ইত্যাদি।

উল্লিখিত দোষ-ক্ৰটিবোৰ দূৰ কৰিব পাৰিলে সৰ্বশিক্ষা অভিযান মিছনৰ আঁচনিসমূহ আমাৰ শিশুসকলৰ বাবে যথেষ্ট ফলপ্ৰসূ হ'ব। ধুবুৰী জিলাৰ দীঘলটাৰী ৰতন প্ৰাথমিক বিদ্যালয়ৰ আৰ্হিত গঢ়ি তুলিব পাৰিলে অসমৰ প্ৰাথমিক বিদ্যালয়সমূহে এই বিদ্যালয়খনৰ দৰে সৰ্বভাৰতীয় পৰ্যায়ত সমানে ফেৰ মাৰিব পাৰিব। তেতিয়াহে আমি প্ৰকৃত অৰ্থত পূৰ্ণ সাক্ষৰ অসম লাভ কৰিব পাৰিম।

---


*প্ৰাসঙ্গিক গ্ৰন্থ আৰু পত্ৰিকা*

ঃ অসম সৰ্বশিক্ষা অভিযান মিছনৰ দ্বাৰা প্ৰকাশিত 'সংকল্প যাত্ৰা'।
ঃ অঃ সঃ অঃ মিঃ দ্বাৰা প্ৰাকাশিত 'আলোকৰ যাত্ৰা'।
ঃ ড° ৰেণু দেৱী ৰচিত স্নাতক মহলাৰ 'ভাৰতৰ শিক্ষাৰ সমস্যা'।
ঃ সৰ্বশিক্ষা অভিযান আৰু ডি পি ই পি, অসমৰ দ্বাৰা প্ৰকাশিত 'মৌলিক অধিকাৰ হিচাপে প্ৰাথমিক শিক্ষা'।
ঃ প্ৰান্তিক (১৬-৩০ চেপ্তেম্বৰ, ২০০৩) সংখ্যা। ❐


## কুইজ

১। ছাৰ আইজাক নিউটনৰ যুগান্তৰকাৰী গ্ৰন্থখনৰ নাম কি?

২। মোগলৰ বিৰুদ্ধে অসমৰ শেষ ৰণখন ক'ত হৈছিল ?

৩। ১৯৪১ চনৰ ১৪ আগষ্ট তাৰিখে আমেৰিকাৰ ৰাষ্ট্ৰপতি ফ্ৰেঙ্কলিন ৰুজভেল্ট আৰু ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে এখন জাহাজত মিলিত হৈ আটলাণ্টিক মহাসাগৰৰ জলপৃষ্ঠত যুদ্ধ সম্পকে 'আটলাণ্টিক চুক্তি' নামৰ এখন চনদত চহী কৰে। তেওঁলোকে মিলিত হোৱা জাহাজখনৰ নাম কি?

৪। সাগৰৰ পাৰত বহি কোনজন ৰজাই সাগৰৰ প্ৰচণ্ড ঢৌক বাধা দি কৈছিল "Thus far and no further" অৰ্থাৎ এয়াই বহুত আৰু নাহিবা?

৫। আহোম ৰজা চুক্ৰামফাক আমি কি নামেৰে অধিক জানো ?

উত্তৰ ঃ

*১। প্ৰিন্সিপিয়া, ২। ইটাখুলিত*
*৩। প্ৰিন্স অব ৱেলচ, ৪। ৰজা কেনিউটে,*
*৫। ৰুদ্ৰসিংহ,*

*সংগ্ৰহ ঃ শিখামণি চেতিয়া*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*



# বৃহত্তৰ অসম গঢ়াত কোঁচ-ৰাজবংশীসকলৰ ভূমিকা

*ৰেবকান্ত বড়া*
*প্ৰবক্তা, বুৰঞ্জী বিভাগ*

অসমীয়াৰ জাতীয় বুৰঞ্জীত কিছুমান ৰোমাঞ্চকৰ সত্য ঘটনা আছে;যিবোৰ নিজ গুণেৰেই উদ্দীপনামূলক। সেই সত্য ঘটনাবোৰত কল্পনাৰ ৰহন সানি পদুমৰ পাহিৰ ৰূপ চৰাবলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। যি জাতিৰ তেনে বুৰঞ্জী নাই, তেনে বীৰত্ব আৰু স্বদেশৰ প্ৰতি প্ৰাণ বিসৰ্জনৰ জ্বলন্ত আদৰ্শ নাই সেই জাতিৰ বুৰঞ্জী সাময়িকভাৱে উজ্জ্বল হোৱাৰ গৌৰৱ যিমানেই জ্যোতিষ্মান নহওক লাগে সি ওপৰৰ পৰা খহি পৰা উজ্জ্বল পপীয়া তৰাৰ দৰে ক্ষণস্থায়ী। এসময়ত অসম তথা ভাৰত বুৰঞ্জীত নিজ জাতিৰ শৌৰ্য-বীৰ্যৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়ৰ দাবী কৰিব পৰা কোঁচ ৰাজবংশীয় ৰজাসকলে 'বৰ অসম' গঢ়াত যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তালৈ লক্ষ্য কৰিলে অসমীয়া লোকমাত্ৰৰে গৌৰৱত বুকু গদ্ গদ্ হোৱাটো অতি স্বাভাৱিক কথা।

কোঁচ নামৰ সংজ্ঞাটো ক'ৰপৰা উৎপত্তি হৈছে তাক লৈ বুৰঞ্জীয়ে ভিন ভিন মত প্ৰকাশ কৰা দেখা যায়। এটা সূত্ৰমতে ত্ৰেতাযুগত পৰশুৰামৰ ক্ষত্ৰিয় নিধন অভিযানৰ ভয়ত ক্ষত্ৰিয় ৰাজ পৰিয়ালৰ সৈতে কিছুমান প্ৰজাই আই ভগৱতী অৰ্থাৎ কামাখ্যা দেৱীৰ কোঁচত কোঁচ-মোচ খায় আশ্ৰয় গ্ৰহণ কৰে। পৰশুৰামৰ ভয়ত সংকোষ বা সোণকোষ নৈৰ পাৰত ক্ষত্ৰিয় বিলাকৰ মনত যি সংকোচ ভাৱ হৈছিল তাৰ পৰাই কোঁচ শব্দৰ উৎপত্তি হৈছে বুলি ভাবিবৰ থল আছে। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে যোগিনীতন্ত্ৰ আৰু পদ্মপুৰাণত উল্লেখিত 'কবাচ', 'কম্বোজ' শব্দই শেহত কুবাচ ৰূপ লয় আৰু 'কুবাচ' শব্দৰ পৰাই কোঁচ শব্দৰ সৃষ্টি হৈছে। পুৰণি তন্ত্ৰ-মন্ত্ৰ, শাস্ত্ৰ ৰামায়ণ, মহাভাৰতত কোঁচ ৰাজবংশাৱলীৰ কথা উল্লেখ থকাৰ বিৱৰণীৰ তথ্য-পাতি আৰু সময়ৰ কথা বাদ দিলেও বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰে পৰা কোঁচ ৰাজবংশীয় ৰজাসকলৰ ধাৰাবাহিক ইতিহাস সততে পোৱা যায়। পঞ্চম শতিকাত পূব ভাৰতত শাসন কৰা কোঁচৰজা শঙ্কনাদেৱৰ ৰাজত্বৰ কথা, 'বানগড়' লিপিত উল্লেখ থকা কোঁচ ৰজাসকলৰ ভূমিকাৰ কথা সকলোৰে জ্ঞাত।

১৪১৬ চনৰ পৰা নৃপতি দানুজামৰ্দ্দনদেৱ, মহেন্দ্ৰদেৱ, হৰিদেৱ বা হাড়িয়ামণ্ডলে অখ্যাত ভাৱে কোঁচৰাজ্যৰ গুৰি ধৰি আছিল। ১৪৯৬ চনৰ পৰাহে হাড়িয়ামণ্ডলৰ পুত্ৰ বিশু বা বিশ্বসিংহৰ ৰাজ পৰিয়ালৰ ৰজাসকলে ১৭৭৩ চনলৈকে ৰজা ধৰেন্দ্ৰ নাৰায়ণৰ ৰাজত্বকাললৈকে শাসন চলাইছিল। বৰ্তমান বিহাৰৰ পূবখণ্ডৰ পৰা আৰম্ভ কৰি অৰ্থাৎ পূৰ্ণিয়া জিলাৰ পৰা উত্তৰ বঙ্গ দাৰ্জিলিঙৰ নামনি অঞ্চল, বৰ্তমানৰ বাংলাদেশ, অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, মেঘালয়, উত্তৰ-কাছাৰ জিলা, ভূটানৰ নামনি অঞ্চল — এই সমগ্ৰ অঞ্চল কোঁচ বংশীয় লোকেৰে লোকাৰণ্য আছিল। বৰ্তমান যুগত কিন্তু আত্মবিস্মিতিৰ অটল গহ্বৰত ডুব গৈ এই কোঁচৰাজবংশীয়ৰ কোনোৱে ক্ষত্ৰিয়,কোনোৱে কোঁচ, কোনোৱে ৰাজবংশী বুলি পৰিচয় দি নিজকে বৰকোঁচ, সৰুকোঁচ, কামতালি কোঁচ, পানীকোঁচ, শৰণীয়া কোঁচ, চৰকাৰ, অধিকাৰী, বৰ্মন আদিত ভাগ ভাগ হৈ পৰ্বতে-পাহাৰে, ভৈয়ামে-সমতলে সোমাই পৰিছে। উত্তৰ-পূৰ ভাৰতত বাস কৰা ঐতিহ্যমণ্ডিত কোঁচ ৰাজবংশীয় লোকসকলে বৰ্তমান সময়ত অতি কমেও তিনিকুড়িৰ অধিক উপাধি গ্ৰহণ কৰি নিজক নিজে পাহৰি ভাই-ভাইৰ মাজত দলা-দলিৰ সৃষ্টি কৰি পৰস্পৰে পৰস্পৰক শত্ৰু বিবেচনা কৰিছে।

কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, ভাস্কৰ্য, স্থাপত্য, সমাজ-ব্যৱস্থা, ধৰ্মাচৰণ সকলো ক্ষেত্ৰতে কোঁচ-ৰাজবংশীয় গোষ্ঠীৰ লোকৰ এটা সুকীয়া ঐতিহ্যপূৰ্ণ বৈশিষ্ট্য আছিল আৰু এতিয়াও আছে। শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্ম মিলি একসেতুৰ জৰিয়তে গঢ়ি উঠিছে এই মহান জাতিটোৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি; চিনাকি দিছে সৰ্বভাৰতীয় মহান জাতিবোৰৰ মাজৰে এটা মহান জাতি বুলি। কোঁচ ৰাজবংশৰ মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালত অতীতৰ কামৰূপ ৰাজ্যৰ পুনৰ গঠন হৈছিল, অৰ্থাৎ যিবোৰ ৰাজ্য প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল মহাৰাজ নৰনাৰায়ণৰ দিনতো কামৰূপ-কোঁচবিহাৰ ৰাজ্যৰ অধীনত প্ৰায় সকলোবোৰ সৰু সৰু ৰাজ্য অন্তৰ্ভুক্ত হৈছিল। কোঁচবিহাৰ আমাৰ অসমীয়াৰ আছিল। অসম, কাছাৰ, মণিপুৰ, জয়ন্তা, ত্ৰিপুৰা, শ্ৰীহট্ট, খৈৰামি, ডিমৰুৱা, ৰংপুৰ, জলপাইগুৰি, মৈমনসিংহ আছিল পুৰণি বৰ অসমৰ অন্তৰ্গত। বঙ্গৰ সাহিত্য সম্ৰাট বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে কৈছে — "এক সময়ে কামৰূপ ৰাজ্য অতি বিস্তৃত হৈ আছিল। কৰতোৱা ইয়াৰ পশ্চিম সীমা আছিল। আধুনিক আসাম, মণিপুৰ, কাছাড়, শ্ৰীহট্ট, মৈমনসিংহ, ৰংপুৰ, জলপাইগুৰি, কোচবিহাৰ ইয়াৰ অন্তৰ্গত আছিল।" মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত শ্ৰীমন্ত শঙ্কৰদেৱে যেতিয়া অসমীয়া সাহিত্যৰ ভেটি বান্ধিছিল; যেতিয়া মহাপুৰুষ শঙ্কৰদেৱ আৰু কবিগুৰু ৰাম সৰস্বতীৰ হতুৱাই ভাগৱত আৰু মহাভাৰত সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰাইছিল; তেতিয়া মহাৰাজ নৰনাৰায়ণে নিজ ৰাজ্যত বিদেশী ভাষা আৰু সাহিত্য প্ৰচাৰৰ বাট মোকলোৱা নাছিল। সদৌ কামৰূপ-কোচবিহাৰ ৰাজ্যতে অসমীয়া ভাষা প্ৰচলিত আছিল। তিৰোতাসকলে মেখেলা চাদৰ পিন্ধিছিল। তিৰোতাসকলে মেখেলা চাদৰ পিন্ধিলে যি সৌন্দৰ্যৰ সৃষ্টি হয় তেনে সৌন্দৰ্য বোলে বিদেশী পৰ্যটকসকলে আন কতো দেখা নাই বুলি ইতিহাসে ৰিঙিয়াই আছে। কিন্তু 'আজিৰ অসমীয়া

তিৰোতা' সকলক আপুনি বঙ্গালী তিৰোতা বুলিব নে পঞ্জাবী বুলিব নে চুট বুট কৰা কোনোবা ইউৰোপীয়ান ভদ্ৰলোক (?) বুলিব ?

মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভায়েক শুক্লধ্বজে বৰ অসমক একে শাসনৰ ডোলেৰে বান্ধিবলৈ চেষ্টা কৰিছিল। ৰাজনৈতিক, ধৰ্মীয় আৰু ভৌগোলিক সূত্ৰে বৰ অসমৰ ঐক্য-বন্ধন চিঙি গ'লেও নৰনাৰায়ণৰ তত্বাৱধানত অনুবাদ হোৱা ভাগৱত, মহাভাৰতৰ খিলঞ্জীয়া সাহিত্য-গ্ৰন্থীৰ ঐক্য কেতিয়াও কোনেও চিঙিব নোৱাৰে। নৰনাৰায়ণ,শুক্লধ্বজৰ পৃষ্ঠপোষকতাত পুনৰ নিৰ্মিত কামাখ্যা মন্দিৰ বা শুক্লধ্বজৰ পুতেক ৰঘুদেৱৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা হাজোৰ হয়গ্ৰীব মাধৱ মন্দিৰ নিৰ্মাণত অন্তৰ্নিহিত থকা বৰ অসম গঢ়াৰ মানসিকতাৰ কথা নকলোৱেই বা !

মহাৰাজ নৰনাৰায়ণৰ অতি কাৰ্যদক্ষ সোঁহাত স্বৰূপ আছিল তেওঁৰ ভায়েক যুৱৰাজ শুক্লধ্বজ বা চিলাৰায়। প্ৰকৃততে চিলাৰায় নামটো তেওঁ আহোম ৰাজ্য বিজয়ৰ সময়তহে পাইছিল। চিলাৰায়ৰ প্ৰকৃত নাম শুক্লধ্বজহে। আহোম ৰাজ্য বিজয়ৰ সময়ত ভৰলী নদীৰ পাৰত তেওঁৰ ঘোঁৰাৰ পিঠিৰ পৰা জাপ মাৰি নৈ পাৰ হৈ চিলনীৰ দৰে চোঁ-মাৰি শত্ৰুৰ ওপৰত জপিয়াই পৰিছিল বাবে তেওঁক চিলাৰায় আখ্যা দিয়া হয় বুলি কাছাৰৰ ইতিহাসৰ পৰা জানিব পাৰি। চিলাৰায়ৰ প্ৰগাঢ় পাণ্ডিত্য, অসাধাৰণ শৌৰ্য-বীৰ্য, অস্বাভাৱিক নিঃস্বাৰ্থপৰতা আৰু অবিচলিত ভ্ৰাতৃপ্ৰেমৰ জ্বলন্ত প্ৰতীক হোৱাৰ বাবে তেওঁৰ কীৰ্তিত্ব অসম বুৰঞ্জীতেই কিয় ভাৰত বুৰঞ্জীতো সৰ্বজনবিদিত। চিলাৰায়ৰ বীৰত্বৰ বাবেই মোগল সম্ৰাট আকবৰেও কোঁচবেহাৰৰ ৰজা জনক সমীহ কৰি চলিছিল আৰু সমগ্ৰ ভাৰতৰ ৰজাসকলৰ ভিতৰত মহাৰাজ নৰনাৰায়ণক এক সুকীয়া মৰ্যাদাৰে সন্মান কৰিছিল। মহাৰাজ নৰনাৰায়ণে দ্বিতীয়বাৰ গৌড় ৰাজ্য আক্ৰমণ কৰি আকবৰৰ সৈতে গৌড় ৰাজ্য ভাগ কৰি লোৱাৰ পাছত ১৫৭১ চনৰ চ'ত মাহত গঙ্গাৰ পাৰত শুক্লধ্বজৰ গাত বসন্তই দেখা দিয়ে আৰু সেই অসুখতে নৰনাৰায়ণৰ ভায়েক শুক্লধ্বজ, সৰ্বসাধাৰণৰ চিলাৰায় আৰু যোদ্ধা সেনাসকলৰ মৰমৰ সংগ্ৰাম সিংহৰ পৰলোক হয়। এই জনা বীৰ যোদ্ধাৰ বাহু বলতেই কোঁচবিহাৰ ৰাজ্যৰ সীমা পশ্চিমে মিথিলা দেশ, পূবে অসমৰ পূব প্ৰান্ত, উত্তৰে হিমালয়ৰ নামনি, দক্ষিণে চট্টগ্ৰামৰ ওচৰৰ বেলাভূমি পৰ্যন্ত বিস্তৃত ভূখণ্ড অসমীয়াৰ নৃপতি কোঁচ ৰজাৰ অধীনত আছিল। ৰামায়ণ-মহাভাৰতৰ দিনৰে পৰা আৰম্ভ কৰি অসমৰ কোনো ৰজাৰ অধীনত এই বিশাল ভূ-খণ্ড কাহানিও নাছিল। সেই বীৰ চূড়ামণি চিলাৰায় পূব ভাৰতৰ এটি উজ্জ্বল নক্ষত্ৰ, সেয়েহে তেওঁক অসমৰ নেপোলিয়ন আখ্যা দিলে বিশেষ আপত্তিৰ থল নাই বুলি ভৱা হয়।

অসমৰ বৈষ্ণৱ আন্দোলনৰ গুৰিয়াল শ্ৰীমন্ত শঙ্কৰদেৱে মহাবীৰ চিলাৰায়ৰ আশ্ৰয় লভিহে মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিবলৈ সুযোগ পাইছিল। কাৰণ চিলাৰায়ৰ এগৰাকী ভাৰ্যা আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ সম্বন্ধীয়। প্ৰথম অৱস্থাত শঙ্কৰদেৱৰ প্ৰতি মহাৰাজ নৰনাৰায়ণৰ সু-দৃষ্টি নাছিল। চিলাৰায়ৰ কথাতহে গুৰুজনাৰ গুণাৱলীৰ কথা জানিব পাৰি শঙ্কৰদেৱক কোঁচ ৰজাৰ ৰাজসভাত ঠাই দিছিল। নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত পাছলৈ শঙ্কৰদেৱে কোঁচ ৰাজসভাত থাকি বহুমূলীয়া গ্ৰন্থৰাজি ৰচনা কৰিছিল। চিলাৰায় নিজেই এগৰাকী বৈষ্ণৱ আছিল; বিশেষকৈ তেওঁৰ ভাৰ্যাৰ প্ৰভাৱত পৰি।

পৰিশেষত অসমৰ সৰ্বকালৰ এই কীৰ্তিমন্ত সন্তান সকলক আজি আমি অসমীয়া লোকমাত্ৰেই শ্ৰদ্ধাঞ্জলি জনোৱাটো উচিত। হে বীৰসকল, হে মহান মনীষাসকল তোমালোকৰ কীৰ্তি-কাহিনীয়ে, তোমালোকৰ মহানতাই, তোমালোকৰ নিঃস্বাৰ্থপৰতাই, তোমালোকৰ ঐক্য বন্ধনৰ শক্তিয়ে আজিৰ অসমীয়াক ধন্য কৰক; আগবঢ়াই নিয়ক একালৰ শৌৰ্য-বীৰ্যৰে ভৰা বৰ অসমৰ পৰিবেশলৈ; অনুপ্ৰেৰণা দিয়ক তোমালোকৰ মহত্বপূৰ্ণ কাৰ্যাৱলীয়ে আজিৰ প্ৰজন্মক। সেয়েহে চাগে সাহিত্যৰথী বেজবৰুৱাদেৱে বিঙিয়াই গৈছেঃ

“বাজক দবা বাজক শঙ্খ
বাজক মৃদং খোল;
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল।” ☐

*******

“শিক্ষাই হৈছে মূল উপায়, যিয়ে মানৱ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনে।”
— এৰিষ্টটল





# শংকৰদেৱৰ নাট্য-কলা আৰু অংকীয়া নাটৰ সৌন্দৰ্য

গায়ত্ৰী বৰবৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

মহাকালে গ্ৰাস কৰিব ধৰা অসমীয়া জাতিক কালৰ মুখৰ পৰা ত্ৰাণ কৰোঁতা, অসমীয়া জাতিক পূৰ্ণজীৱন দিওঁতা, অসমান্য বহুমুখী প্ৰতিভাসম্পন্ন শ্ৰীমন্ত শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক। অসমীয়া নাট্য- কলাৰ আদি গুৰু। নাট্য- কলাক ধৰ্ম প্ৰচাৰৰ বাহন হিচাপে গ্ৰহণ কৰি পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয় এই ছখন নাট ৰচনা কৰে। এই নাটক কেইখন ৰচনা কৰাৰ আগতে শংকৰদেৱে চিহ্নযাত্ৰা নামে এখন নাট ৰচনা কৰিছিল। তথাপি চিহ্নযাত্ৰাক নাটক হিচাপে ধৰা নহয়। অভিনয় হিচাপে ধৰা হয় কাৰণ তাত সংলাপ নাছিল। চিহ্নযাত্ৰাই অসমৰ নাট্যজগতৰ প্ৰথম নাট্যাভিনয়। চিহ্নযাত্ৰা নাটৰ অভিনয় দেখুৱাই শংকৰদেৱে আশাতীতভাৱে সফল হৈছিল আৰু তেতিয়াৰ পৰা অসমত বৈষ্ণৱ ধৰ্ম দ্ৰুতভাৱে প্ৰচাৰ হৈছিল।

চিহ্নযাত্ৰাৰ অভিনয়ৰ অসামান্য প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি শংকৰদেৱে অভিনয়ক ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে স্থিৰ কৰে। ধৰ্ম প্ৰচাৰৰ বাহন হিচাপে অংকীয়া নাটসমূহ ৰচনা কৰে। এই অংকীয়া নাটৰ সৃষ্টিৰ গুৰিতে সংস্কৃত নাট, অসমীয়া ওজাপালি, পুতলা নাচ আদিৰ প্ৰভাৱ আছে। অংকীয়া নাট সৃষ্টিৰ ক্ষেত্ৰত মহাপুৰুষজনাই মধ্যযুগৰ ভাৰতীয় নাট্যানুষ্ঠানৰ পৰা প্ৰেৰণা লাভ কৰিছিল। অংকীয়া নাটসমূহ ৰচনাৰ কৰাৰ আগতে শংকৰদেৱে ভাৰতৰ বিভিন্ন তীৰ্থস্থানসমূহ ভ্ৰমণ কৰিছিল। ভ্ৰমণ কালত ভাৰতৰ বিভিন্ন ঠাইৰ বিভিন্ন নাট্যানুষ্ঠানসমূহৰ পৰা অভিজ্ঞতা সংগ্ৰহ কৰিছিল। সেই অভিজ্ঞতাসমূহে নাট সৃষ্টিৰ কাৰণে শংকৰদেৱক প্ৰেৰণা যোগাইছিল। সেয়েহে শংকৰদেৱৰ নাট সমূহত সংস্কৃত নাট, ওজাপালি, পুতলা নাচ আদিৰ প্ৰভাৱ পৰাৰ উপৰিও মধ্যযুগৰ ভাৰতৰ বিভিন্ন ঠাইৰ বিভিন্ন নাট্যানুষ্ঠানৰ দ্বাৰা প্ৰভাম্বিত হৈছিল।

শংকৰদেৱৰ অংকীয়া নাটত মধ্যযুগৰ ভাৰতীয় নাট্যানুষ্ঠানসমূহৰ ভিতৰত মৈথেলী নাট, সিংহলৰ কোল, নাটিম নৃত্য- নাট আৰু মুখাৰ ব্যৱহাৰ, দক্ষিণ ভাৰতীয় মূৰ্তি, চিত্ৰকলা, তাঞ্জোৰ অঞ্চলৰ ভাগৱত মেল নাট, তামিল আদি ঠাইত প্ৰচলিত যক্ষগান আদিৰ কিছু কিছু প্ৰভাৱ পৰিছিল। অংকীয়া নাটৰ লগত মৈথেলী নাটৰ কোনো সম্পৰ্ক স্থাপন কৰিব নোৱাৰিলেও মৈথেলী নাটৰ গীতি বাহুল্যৰ প্ৰভাৱ অংকীয়া নাটত পৰিছে। মৈথেলী নাট পাৰিজাত হৰণৰ প্ৰভাৱ কিছু অংকীয়া নাটৰ ওপৰত পৰিছে, কিয়নো শংকৰদেৱে এক অংকত পৰিসমাপ্তি ঘটোৱা আদৰ্শ এই নাটকখনৰ পৰা গ্ৰহণ কৰিছে বুলি অনুমান কৰিব পাৰি। কাৰণ সেই নাটখন অসমীয়া নাটৰ দৰে এক অংকীয়া।

অংকীয়া নাট বুলিলে সাধাৰণতে শংকৰদেৱৰ এক অংক বিশিষ্ট নাট কেইখনকে বুজা যায়। এই অংকীয়া নাট শব্দটো অৰ্বাচীন। অংক আৰু নাট দুয়োটা সমাৰ্থক শব্দ। মহাপুৰুষ জনাই নাট শব্দ ব্যৱহাৰ কৰিলেও অংকীয়া শব্দ ব্যৱহাৰ কৰা নাই। অংকীয়া নাট পৰৱৰ্তী লোকসকলৰ দ্বাৰা সৃষ্ট। কাৰণ মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা নাটকসমূহতকৈ পিছৰ নাট্যকাৰসকলে ৰচনা কৰা নাটকসমূহ কলা-কৌশলৰ ফালৰ পৰা পিছ পৰা আছিল। এই পিছপৰা নাটসমূহৰপৰা শংকৰদেৱৰ নাটসমূহক পৃথক কৰিবলৈ পিছৰ সন্ত - বৈষ্ণৱসকলে শংকৰদেৱৰ নাটসমূহক অংকীয়া নাট আখ্যা দিছে।

মহাকালৰ অপৰাজেয় শিল্পী হ'ল শ্ৰীমন্ত শংকৰদেৱ। তেওঁ শিল্প নৈপুণ্যতাৰ বাবেই অসমীয়া নাট্যকলাই পূৰ্ণাংগ ৰূপ পালে। শংকৰদেৱৰ অংকীয়া নাটৰ অভিনৱত্ব আৰু সৌন্দৰ্য প্ৰকাশৰ উজ্জ্বলতম দিশ হ'ল নাটসমূহত ৰসৰ সমাবেশ । সাহিত্যৰ প্ৰধান উদ্দেশ্য হৈছে ৰস সৃষ্টি কৰা। সাহিত্যৰ ৰস যেতিয়া পাঠকে উপলব্ধি কৰে তেতিয়াই পাঠকৰ অন্তৰত এক বিমল আনন্দ অনুভূত হয়। ভক্তি ৰসকে অন্তৰ্ভুক্ত কৰি বৰ্তমান সাহিত্যত দহবিধ ৰসে স্বীকৃতি লাভ কৰিছে। শৃংগাৰ, হাস্য, বীৰ, ৰৌদ্ৰ, কৰুণ, ভয়ানক, বীভৎস, শান্ত, অদ্ভুত আৰু ভক্তি। শংকৰদেৱৰ নাটকসমূহত এই দহোবিধ ৰসৰ সমাবেশ ঘটিছে। আনবিলাক সাহিত্যিক গুণৰ নিচিনাকৈ ৰস সমাবেশেও অংকীয়া নাটৰ সৌন্দৰ্য বৃদ্ধি কৰিছে।

শংকৰদেৱৰ নাটকত শৃংগাৰ ৰসে প্ৰধান আৰু প্ৰথম স্থান অধিকাৰ কৰিছে। পত্নীপ্ৰসাদ আৰু কালিয়দমন নাট দুখনৰ বাহিৰে বাকী সকলো কেইখন নাটকতে শৃংগাৰ ৰস পোৱা যায়। শৃংগাৰ ৰসৰ পাছতে হাস্য ৰসে স্থান পাইছে। অসমীয়া সাহিত্যত আদি যুগৰপৰাই হাস্য ৰসে প্ৰাধান্য লাভ কৰি আহিছে। প্ৰাক্ বৈষ্ণৱ যুগৰ কবিসকলৰ ৰচনাতো হাস্য ৰসৰ বিকাশ ঘটিছিল। 'হাস'(হাঁহিৰ ভাৱ ) হাস্যৰসৰ স্থায়ীভাৱ। শংকৰদেৱৰ বিভিন্ন ৰচনাত হাস্যৰসৰ সোৱাদ পোৱা যায়। পাৰিজাত হৰণ নাটকত টুটকীয়া নাৰদৰ কাৰ্যকলাপ বৰ্ণনা আৰু শচী সত্যভামাৰ কাজিয়া প্ৰসংগত হাস্যৰসৰ সোৱাদ পোৱা যায়। পাৰিজাত হৰণ নাটৰ দৰে ৰুক্মিণী হৰণ নাটকত বেদনিধি বাপুৰ কাৰ্যকলাপ বৰ্ণনাত হাস্যৰস পোৱা যায়।

শৃংগাৰ আৰু হাস্য ৰসৰ দৰে শংকৰদেৱৰ নাটকত বীৰ ৰসো পোৱা যায়। পত্নীপ্ৰসাদ নাটকৰ বাহিৰে শংকৰদেৱৰ আটাইকেইখন

নাটকত বীৰৰসৰ সমাৱেশ ঘটিছে। ইন্দ্ৰৰ অনুৰোধত শ্ৰীকৃষ্ণ কামৰূপলৈ আহি নৰকাসুৰক বধিবৰ হেতু নৰকাসুৰৰ লগত কৰা যুদ্ধ বৰ্ণনাত, সত্যভামাৰ বাবে পাৰিজাত আনিবলৈ গৈ ইন্দ্ৰৰ লগত কৰা যুদ্ধ বৰ্ণনাত সুন্দৰকৈ বীৰৰস প্ৰকাশ পাইছে। ৰুক্মিণীহৰণ নাটকৰ ৰুক্মবীৰ চৰিত্ৰত বীৰ ৰস ফুটি উঠিছে। ৰামবিজয় নাটত ৰামচন্দ্ৰই হৰধনুত গুণ লগোৱা প্ৰসংগতো বীৰৰসৰ প্ৰলেপ দেখা যায়। বীৰৰসৰ লগত ৰৌদ্ৰৰসৰ ওচৰ চপা সম্পৰ্ক। পাঠকৰ অন্তৰত ৰৌদ্ৰৰসৰ পিছতেই বীৰৰসৰ উদ্ৰেক হয়। 'ক্ৰোধ' ৰৌদ্ৰৰসৰ স্থায়ীভাৱ। অসমীয়া সাহিত্যত আদি যুগৰ পৰা বৰ্তমান যুগলৈকে ৰৌদ্ৰৰসে প্ৰাধান্য লাভ কৰি আহিছে। শংকৰদেৱৰ প্ৰায় কেইখন নাটতে ৰৌদ্ৰৰসৰ সোৱাদ পোৱা যায়। পাৰিজাত ফুলৰ বাবে ইন্দ্ৰ আৰু কৃষ্ণৰ মাজত হোৱা যুদ্ধত ইন্দ্ৰই কৃষ্ণৰ প্ৰহাৰ সহিব নোৱাৰি প্ৰাণ লৈ পলাবলৈ বাধ্য হয় তাকে দেখি কৃষ্ণই ইন্দ্ৰৰ পৰাজয় বুলি জানি হাঁহি হাঁহি খেদি গ'ল। পাৰিজাত হৰণ নাটকত এই প্ৰসংগতে ৰৌদ্ৰৰস পোৱা যায়।

অংকীয়া নাটত কৰুণ ৰসৰো সমাৱেশ ঘটিছে। 'শোক' কৰুণ ৰসৰ স্থায়ী ভাৱ। কালিয়দমন নাটকত দুষ্টক দমন কৰিবৰ বাবে কৃষ্ণই যেতিয়া কালি হ্ৰদত জপিয়াই অচেতন হৈ পৰিল সেই অৱস্থাত নন্দ যশোদাকে আদি কৰি গকুলবাসীৰ অন্তৰত কৰুণ আৰ্তনাদ ফুটি উঠিছে। পাৰিজাত নাপাই সত্যভামাৰ মনৰ যি সন্তাপ আৰু নৰক বধৰ পিছত বসুমতীৰ যি বিলাপ তাৰ মাজেদি পাৰিজাত হৰণ নাটকত কৰুণ ৰস প্ৰকাশ পাইছে।

এই শৃংগাৰ, হাস্য, বীৰ, ৰৌদ্ৰ, কৰুণ ৰসৰ উপৰিও শংকৰদেৱৰ নাট সমূহত শান্ত, ভয়ানক, অদ্ভুত আৰু বীভৎস ৰসৰ সোৱাদ পোৱা যায়। ৰুক্মিণীহৰণ আৰু ৰামবিজয় নাটকত কৃষ্ণ-ৰুক্মিণী আৰু ৰাম-সীতাৰ বিবাহৰ পিছত বিপক্ষৰ ৰজা বিলাকে কৃষ্ণক, পৰশুৰামে ৰামক বাট ভেটি ধৰোঁতে ৰুক্মিণী আৰু সীতাৰ যি কম্পন তাত ভয়ানক ৰস ফুটি উঠিছে।

অংকীয়া নাটৰ ভাষা হ'ল ব্ৰজাৱলী ভাষা। এই ব্ৰজাৱলী ভাষাৰ প্ৰয়োগে অংকীয়া নাটৰ সৌন্দৰ্য বঢ়াই তুলিছে। ব্ৰজাৱলী এটা কৃত্ৰিম সাহিত্যিক ভাষা। কেইবাটাও ভাষাৰ সংমিশ্ৰণতহে এই কৃত্ৰিম সাহিত্যিক ভাষা গঢ়লৈ উঠিছে। অসমীয়া ভাষাত ব্ৰজাৱলীৰ ভাষাৰ প্ৰয়োগ প্ৰথম শংকৰদেৱৰ অংকীয়া নাট আৰু বৰগীত সমূহতে পোৱা যায়। এই ব্ৰজাৱলী ভাষা প্ৰয়োগে অংকীয়া নাটক মহীয়ান কৰি তুলিছে আৰু অধিক জনপ্ৰিয় হোৱাত সহায় কৰিছে।

অংকীয়া নাটৰ সৌন্দৰ্যৰ আন এটা দিশ হ'ল নাটক বিলাকৰ চৰিত্ৰ। শংকৰদেৱৰ সাৰ্থক আৰু অনুপম সৃষ্টি হৈছে পাৰিজাতহৰণ নাটক। ক্ষুদ্ৰ পৰিসৰৰ ভিতৰতে বীৰ, ৰৌদ্ৰ, শান্ত, হাস্য আদি ৰসৰ সমাৱেশ ঘটাইছে আৰু চৰিত্ৰকেইটি অনুপমকৈ সৃষ্টি কৰিছে। এই নাটকখনৰ স্ত্ৰী চৰিত্ৰ কেইটি অধিক আকৰ্ষনীয়। এই নাটকখনত স্ত্ৰী চৰিত্ৰ চাৰিটা আছে। চৰিত্ৰ কেইটা হ'ল - সত্যভামা, ৰুক্মিণী, শচী আৰু ইন্দুমতী।

নাটখনত সত্যভামা আৰু শচীক ঈৰ্ষাপৰায়ণ আৰু গৰ্বিতা ৰূপত অংকন কৰিছে। সত্যভামা আৰু শচীৰ কাজিয়াখনৰ পৰা তেওঁলোকৰ চৰিত্ৰৰ কথা বুজি পোৱা যায়।

আনহাতে ৰুক্মিণীক এগৰাকী প্ৰকৃত নাৰী হিচাপে নাৰীসুলভ বিনয়তাৰে সৃষ্টি কৰিছে। স্বামী ভক্তি ৰুক্মিণী চৰিত্ৰৰ উজ্জ্বলতম ভূষণ। নাটখনৰ পুৰুষ চৰিত্ৰ কেইটা হ'ল শ্ৰীকৃষ্ণ, নাৰদ আৰু ইন্দ্ৰ। ইয়াৰ মূল চৰিত্ৰ হ'ল শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণ চৰিত্ৰৰ মাজেদি ভগৱানৰ মহিমা ফুটাই তুলিছে। টুটকীয়া আৰু কলহপ্ৰিয় নাৰদৰ চৰিত্ৰটি এক সাৰ্থক সৃষ্টি। পাৰিজাতহৰণ নাটত নাৰদৰ চৰিত্ৰটোৱে নাটখনলৈ সজীবতা কঢ়িয়াই আনিছে। ইন্দ্ৰ চৰিত্ৰটো বিনয়ী ৰূপত প্ৰকাশ পাইছে। ইন্দ্ৰক এজন বীৰ যোদ্ধা হিচাপে অংকন কৰিছে।

ৰাম বিজয় নাটত ৰাম, লক্ষ্মণ, দশৰথ, জনক, বিশ্বামিত্ৰ, পৰশুৰাম আদি চৰিত্ৰ কেইটি সুন্দৰভাৱে প্ৰকাশ কৰিছে। ৰামক এজন সৰল মনৰ ভক্তিপৰায়ণ শিষ্টাচাৰী যুৱক ৰূপে সৃষ্টি কৰিছে। ৰামচন্দ্ৰৰ চৰিত্ৰত দেৱত্ব আৰোপ কৰিলেও মনুষ্যত্ব গুণো প্ৰকাশ পাইছে।

এইদৰে শংকৰদেৱে প্ৰতিখন নাটকতে চৰিত্ৰবিলাক খুব সুন্দৰভাৱে উপস্থাপন কৰিছে আৰু প্ৰতিখন নাটকতে কৃষ্ণৰ ঐশ্বৰিক মহিমা প্ৰকাশ কৰিছে। ☐

❋❋❋❋❋❋❋❋

*"কোনোৱেবা চুই যায় কোনোৱে দূৰতে চায়*
*চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল,*
*সপোন আঁতৰি গ'লে দিঠকে জ্বলাই দিয়ে*
*বাটৰ কাষৰ মই বনৰীয়া ফুল।"*

— যতীন্দ্ৰনাথ দুৱৰা



# অতীত আৰু বৰ্তমানত অসমীয়া সমাজ

ৰাতুল বড়া
স্নাতক তৃতীয় বৰ্ষ

ভাৰতবৰ্ষৰ উত্তৰ-পূৱ সীমান্তত অসমীয়া সংস্কৃতি নামেৰে এটি বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিয়ে হাজাৰ বছৰৰো অধিক কাল ধৰি গঢ় লৈ উঠিছে। এই সংস্কৃতিৰ পূৰ্ণ পৰিচয় নোপোৱাকৈ কিছুমানে ইয়াক সংকীৰ্ণ আঞ্চলিক তথা সাম্প্ৰদায়িক আখ্যাৰে অভিহিত কৰে। কিন্তু এই সংস্কৃতিৰ পৰিসৰ যে যথেষ্ট উদাৰ, বহল, ভাৰতমুখীহে এই কথা দকৈ বিশ্লেষণ কৰিলেই ওলাই পৰে। অসমীয়া সংস্কৃতি বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক সমলেৰে গঢ়লৈ উঠিছে। এনেধৰণৰ সমন্বয়ৰ সংস্কৃতি পৃথিৱীৰ কোনো ঠাইতেই হয়তো গঢ়ি উঠিব পৰা নাই। এই অসমত গঢ়ি উঠা সভ্যতা-সংস্কৃতিক লৈ বুৰঞ্জীবিদসকলে মত পোষণ কৰে যে অসম নামৰ ভূ-খণ্ড এসময়ত প্ৰব্ৰজনকাৰীসকলৰ কাৰণে এটি পথহে আছিল মাত্ৰ। সময়ৰ সোঁতত ব্ৰহ্মপুত্ৰৰ সাৰুৱা উপত্যকা, অসমৰ পাট, এৰি, মুগা কাপোৰ আৰু লা, সোণ, হাতীদাঁত, জালুক আদি খ্যাতিসম্পন্ন সম্পদে প্ৰব্ৰজনকাৰীৰ মন আকৰ্ষণ কৰি ইয়াতে বাসস্থানৰ কাৰণে আমন্ত্ৰণ কৰি আনিলে।

অসমত প্ৰব্ৰজনকাৰীসকলে কেতিয়াৰপৰা বসবাস কৰিবলৈ লৈছে এই ক্ষেত্ৰত বুৰঞ্জী নিমাত। কিন্তু বুৰঞ্জীবিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কয় যে এক প্ৰখ্যাত মানৱ প্ৰজাতি অষ্ট্ৰ এচীয় লোকসকল অন্ততঃ খ্ৰীঃপূঃ ১৫শ বছৰৰ আগেয়েই অসমত উত্তৰ-পূবেদি সোমাই অসম তথা গোটেই ভাৰতবৰ্ষত বিয়পি পৰে। ইয়াৰ পাছত তিব্বত-বৰ্মী, আলপাইন, আৰ্য, টাই, চীন বিভিন্ন গোষ্ঠী, বিভিন্ন ফৈদৰ লোক নানা পথেদি অসমত সোমাই।

অসমীয়া সমাজ আৰু সংস্কৃতিক গঠন আৰু ক্ৰমবিকাশ অনুসৰি প্ৰাগৈতিহাসিক যুগৰপৰা বৃটিছ শাসনৰ আগলৈকে তিনিটা ভাগত বিভক্ত কৰা হৈছে ঃ

১) প্ৰাগৈতিহাসিক যুগ,
২) প্ৰাচীন যুগ আৰু
৩) মধ্য যুগ।

## ১) প্ৰাগৈতিহাসিক যুগ ঃ

প্ৰাগৈতিহাসিক যুগে খ্ৰীঃ ১ম আৰু ২ য় শতাব্দীৰ অগ্ৰৱৰ্তী কালছোৱাক সামৰে। খ্ৰীঃ১ম আৰু ২য় শতাব্দীৰ পৰা অসমৰ ঐতিহাসিক যুগৰ সূচনা বুলি ক'ব পাৰি। প্ৰাগৈতিহাসিক যুগৰ ক্ষেত্ৰত বুৰঞ্জীবিদসকলৰ হাতত উপযুক্ত যথেষ্ট সমল অভাৱ। যি এক সম্বল আছে সি প্ৰকৃত সন্ধান দিব নোৱাৰে। অসমৰ বৰাইল পাহাৰ, নগা পাহাৰ আদিত গুৱাহাটী লোকৰ গুহাত কিছু নিদৰ্শন পোৱা গৈছে আৰু গাৰো পাহাৰত প্ৰস্তৰ যুগৰ কিছু সম্বল পোৱা হৈছে। এই সকলোবিলাক সমল গোটাই এই যুগৰ সভ্যতাৰ বিষয়ে এতিয়াও বিশেষ জানিব পৰা হোৱা নাই।

## ২) প্ৰাচীন যুগ ঃ

খ্ৰীঃপূঃ ১ম-২য় শতাব্দীৰ পৰাহে ঐতিহাসিকভাৱে অসম বা কামৰূপৰ কথা জানিব পাৰি। এই কালছোৱাত তিব্বতবৰ্মী বিভিন্ন ফৈদবোৰে প্ৰাচীন যুগ আৰম্ভৰ আগৰপৰাই হিন্দুধৰ্ম গ্ৰহণ কৰিছিল। এই সভ্যতাৰ যোগেদিয়েই আৰ্য সংস্কৃতি প্ৰতিষ্ঠিত হয় প্ৰাচীন কামৰূপত। এই যুগত অসমত আৰ্য-সংস্কৃতি প্ৰধানত শৈৱধৰ্মৰ যোগেদি প্ৰচাৰ হয়। কিয়নো এই সভ্যতাই প্ৰায়ে এই ধৰ্মকে গ্ৰহণ কৰিছিল। হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল আন কেইটামান জাতিয়ে। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি তিব্বত-বৰ্মীয় চুতীয়া, জয়ন্তীয়াসকল আৰু অষ্ট্ৰীয় খাছীয়াসকল। খ্ৰীঃপূঃ প্ৰথম-দ্বিতীয় শতাব্দীৰপৰা খ্ৰীঃ নৱম-দশম শতাব্দীলৈকে এই সময়ছোৱাত বহুকেইটা ৰজাৰ বংশই অসমত ৰাজত্ব কৰিছিল। এই কালছোৱাত ৰাজবংশবোৰে দীৰ্ঘকাল শাসন কৰিবলৈ নোপোৱাৰ বাবে অসমত হিন্দুধৰ্ম তথা আৰ্য সংস্কৃতি সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ হোৱা নাছিল। খ্ৰীঃপূঃ প্ৰথম- দ্বিতীয় শতাব্দীৰপৰা খ্ৰীঃ নৱম- দশম শতাব্দীৰ পৰৱৰ্তী কাললৈকে প্ৰধানত শৈৱ বা শাক্ত ধৰ্মৰ যোগেদিহে হিন্দু ধৰ্মৰ বিভিন্ন ফৈদ আৰু গোষ্ঠীৰ লোকক হিন্দু সমাজৰ ভিতৰলৈ অনা হৈছিল। আনহাতেদি আন ফৈদ আৰু গোষ্ঠীবোৰৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, মাত-কথা, সুৰ-লয়, নৃত্য-গীত আদিক এই উমৈহতীয়া সংস্কৃতিৰ ভিতৰলৈ সোমোৱাই অনা হৈছিল। এই যুগতেই অসমৰ মন্দিৰবোৰত কিছুমান ঘৃণনীয় অনাৰ্য গোষ্ঠীৰ পূজা-পাতল, বলি- বিধান, আচাৰ- অনুষ্ঠান পুৰোহিত বা পূজাৰীসকলে সোমোৱাই ললে।

প্ৰাচীন যুগৰ আদি যুগত বৌদ্ধ ধৰ্মাৱলম্বী লোক থকাৰ কথাও জনা যায়। সপ্তম শতাব্দীৰ ভাস্কৰবৰ্মাৰ আগৰপৰাই ভাৰতবৰ্ষৰ আন অঞ্চলৰপৰা বৌদ্ধ ধৰ্মাৱলম্বী লোক বিভিন্ন প্ৰান্তইদি অসমলৈ আহিছিল বুলি বুৰঞ্জীত প্ৰকাশ। হিউৱেন চাঙৰ ভাৰত ভ্ৰমণৰ ভ্ৰমণকালত লিখা বৰ্ণনাৰপৰা জনা যায় যে ভাস্কৰবৰ্মাৰ বুদ্ধৰ প্ৰতি শ্ৰদ্ধা আছিল। অষ্টম-নৱম শতাব্দীত এই সকলোৰে ভিতৰত নৱগুপ্ত, নাগাৰ্জ্জুন আদি প্ৰধান।

প্ৰাচীন যুগত নানান গ্ৰন্থ কামৰূপত ৰচনা হোৱাৰ প্ৰমাণ পালেও সেইবিলাক প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক পৰিবৰ্তন, মাৰি-মৰক আদিত প্ৰায় লুপ্ত হোৱা বুলি অনুমান কৰা হয়। যি পোৱা হৈছে সিও নাম মাত্ৰহে। তথাপিও অনুমান কৰিব পাৰি যে শৈৱ আৰু শাক্ত ধৰ্মই

বিভিন্ন অনাৰ্য গোষ্ঠীৰ যথেষ্ট সংখ্যক লোকক এই যুগৰ প্ৰায় আদি ভাগতেই হিন্দু সমাজৰ অন্তৰ্ভুক্ত কৰি পেলাইছিল। প্ৰাচীন যুগত সংস্কৃত ভাষত বহুতো গ্ৰন্থ ৰচনা হোৱাৰ ইংগিত পোৱা যায়, কিন্তু সেই অনুপাতে আমাৰ সমাজত তেনে কিতাপ পোৱা নাই। প্ৰাচীন যুগত সংস্কৃত নাটক ৰচনা হোৱা বুলিও অনুমান কৰা হয়। সম্ৰাট শ্ৰীহৰ্ষৰ 'ৰত্নাৱলী'য়ে ইয়াৰ নিদৰ্শন। এই যুগৰ আন এটা উল্লেখনীয় সাহিত্যৰ বৰঙণি হৈছে মৌখিক সাহিত্য। প্ৰথম অৱস্থাত মৌখিক সাহিত্যৰ চৰ্চা হৈছিল যদিও বৰ্তমান এইবিলাকৰ কোনো প্ৰমাণ নাই। পঞ্চদশ শতাব্দীৰ পৰাহে এই সাহিত্য লিখিত অৱস্থাত প্ৰাপ্ত হয়। এই মৌখিক সাহিত্যবোৰৰ ভিতৰত উল্লেখনীয় হ'ল — আইনাম, বিয়ানাম, ডাইনীগীত, নাও খেলোৱাগীত, ডাকৰ বচন, ফকৰা-যোজনা, পটন্তৰ, সাধুকথা কাহিনীগীত ইত্যাদি। মৌখিক সাহিত্যৰ বহুতো গীত বা নাম আনুষ্ঠানিক, যেনে, আইনাম, বিয়ানাম, বিহুনাম ইত্যাদি। আইনাম, ধাইনাম, বিহুগীত, বিয়ানাম আদিত বিভিন্ন অমাৰ্য গোষ্ঠীৰ গীতৰ সুৰ-লয় আৰু বিহু আৰু হুচৰি নৃত্যৰ প্ৰভাৱ আছে। অসমীয়া লোকগীত আৰু লোকনৃত্যবোৰ এই যুগৰপৰা বিভিন্ন গোষ্ঠীৰ নৃত্য গীতৰ লগত জড়িত। ঢোল, পেঁপা, টকা, গগনা, বাঁহী, মাদল আদি কৰি যিবোৰ বাদ্য আছে সেইবোৰ অনাৰ্য গোষ্ঠীৰ সাংস্কৃতিক সম্পদ।

প্ৰাচীন যুগত তান্ত্ৰিক বৌদ্ধধৰ্মৰ প্ৰভাৱত যাদু আৰু মন্ত্ৰ চৰ্চা কামৰূপত যথেষ্ট আছিল। ইয়াৰ বাহিৰেও মন্ত্ৰ আৰু ঔষধ উভয়কে ব্যৱহাৰ কৰা বেজালি পুথিবোৰ এই যুগৰেপৰা চৰ্চা হ'বলৈ ধৰিছে। প্ৰাচীন যুগত অসমীয়া সমাজ আৰু সংস্কৃতিয়ে এইদৰে গঢ় লবলৈ আৰু বিভিন্ন দিশত প্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল যদিও এই যুগৰ শেষৰ ফালে অসমীয়া সমাজ আৰু সংস্কৃতিৰ অধঃপতন ঘটিবলৈ ধৰিলে। ইয়াৰ মূল কাৰণ দুটা প্ৰথম হ'ল প্ৰাচীন যুগৰ শেষৰ ফালে ৰাজতন্ত্ৰ দুৰ্বল হ'ল আৰু দ্বিতীয়তে তান্ত্ৰিক আৰু সহজীয়া বৌদ্ধধৰ্মৰ প্ৰভাৱ।

অসমৰ প্ৰাচীন নাম কামৰূপ আৰু প্ৰাগ্‌জ্যোতিষপুৰ। প্ৰাগ্‌জ্যোতিষ প্ৰকৃততে কামৰূপৰ ৰাজধানী আছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা মধ্য যুগৰ বা বৰ্তমানৰ অসমতকৈ বহুগুণে বেছি বিস্তৃত আছিল। অৱশ্যে এই বিশাল কামৰূপ সাম্ৰাজ্যত বসবাস কৰা সকলো লোকৰ মাজত এক জাতীয়বোধ বা এক সমাজবোধ আৰু এক সাংস্কৃতিক সমগোষ্ঠীয় মনোভাৱ সম্পূৰ্ণৰূপে গঢ় লৈ উঠিব পৰা নাছিল। পৰৱৰ্তীকালতো কামৰূপৰ ভিতৰত গোটেই অসম উপত্যকাৰ উপৰিও উত্তৰ বঙ্গৰ কিছু অংশ, ভূটানৰ কিছু অংশ, খাছীয়া পাহাৰ, গাৰো পাহাৰ আৰু শ্ৰীহট্ট জিলাৰ কিছু অংশ আছিল বুলি বুৰঞ্জীত পোৱা যায়।

৩) মধ্য যুগ ঃ

কামৰূপ ৰাজ্যৰ অন্তৰ্গত বহুতো সৰু সৰু শক্তি ছেগ বুজি মূৰদাঙি উঠিল। এইবোৰ ভিতৰত কছাৰী, চুতীয়া, বৰাহী, মৰাণ, ভূঞাসকলেই প্ৰধান। আহোমসকলে প্ৰবল প্ৰতাপী মোগলসকলৰ আক্ৰমণকো বাৰে বাৰে প্ৰতিহত কৰি অসমীয়া জাতিটোক স্বাভিমানী, আত্মনিৰ্ভৰশীল, কৰ্তব্যপৰায়ণ কৰি তোলাৰ উপৰিও আৰ্থিক উন্নতি আৰু সুদৃঢ় প্ৰতিৰক্ষা ব্যৱস্থাৰে উত্তৰ-পূব ভাৰতত অসমীয়া জাতিটোক সুপ্ৰতিষ্ঠা আৰু সুসজ্জিত কৰি তুলিছিল। আনহাতে মহাপুৰুষ শঙ্কৰদেৱৰ নেতৃত্বত হোৱা নৱ বৈষ্ণৱ আন্দোলন আৰু কোঁচৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত হোৱা সাংস্কৃতিক নৱ জাগৰণৰ ফলত অসমীয়া জাতিটো অধিক সুসংবদ্ধ আৰু সুসংস্কৃত হৈ উঠিছিল। মহাৰাজ নৰনাৰায়ণৰ দিনত কোঁচ ৰাজ্যৰ ৰাজধানী কোচবেহাৰ সাহিত্য-সংস্কৃতিৰ এক প্ৰাণকেন্দ্ৰ হৈ পৰিল। তেওঁৰ আগ্ৰহত বহুত কাব্য ৰাজ্যসভাত ৰচনা হৈছিল। ইয়াৰ ভিতৰত অসমীয়াত মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা ভাগৱত, ৰামসৰস্বতীয়ে ৰচনা কৰা মহাভাৰতৰ পদ্যৰ অনুবাদ, শ্ৰীধৰ কন্দলীয়ে জ্যোতিষ, বকুল কায়স্থই অঙ্কশাস্ত্ৰ আদি কিতাপ ৰচনা কৰে। এই ৰজাজনৰ ৰাজত্বকালত সমাজৰ প্ৰতি শ্ৰেণী মানুহক ভাগ কৰি একো একোটা অংশত বিভক্ত কৰি ইয়াত বিষয়ববীয়াৰ নিযুক্ত কৰা হৈছিল। এই সমাজ ব্যৱস্থাৰ ওপৰত মোগলসকলৰ প্ৰভাৱ পৰিছিল বুলি অনুমান কৰিব পাৰি। মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ পিছতেই কোচৰাজ্য থান-বান হৈ যায়। ইয়াৰ ভিতৰত চুতীয়া, তিৰুতবৰ্মী আদিয়েই প্ৰধান। এই সকলো বিলাকৰ পাছত আহোমৰ হাতত পৰাজয় হৈ আহোমৰ তলতীয়া হয়। আহোমৰ ৰজা চুহুংমুঙে চুতীয়াসকলক পৰাস্ত কৰি তেওঁলোকক তেওঁলোকৰ নিজ ৰাজ্যত অতি আদৰেৰে সংস্থাপন কৰি দিছিল। পাছত এই জাতিকেইটা অসমীয়া সমাজত ভোটা তৰাৰদৰে জিলিকি থাকে। মধ্যযুগত অসমীয়া জাতিটোক এটা শক্তিশালী শাসক জাতি হিচাপে গঢ়ি তোলাত আহোমৰ বৰঙণিক কোনেও নুই কৰিব নোৱাৰিছিল।

আহোম ৰজাসকলৰ আমোলত নৱ বৈষ্ণৱ প্ৰভাৱৰপৰা মুক্ত মৌখিক ৰসৰ কাব্য, পুৰাণ, নাটক আদিৰ চৰ্চা হৈছিল। আহোমসকলৰ আমোলত সংস্কৃতৰ কিছুমান নাটক ৰচনা কৰা হৈছিল। সংস্কৃত শব্দৰ প্ৰাধান্যৰে কিছুমান গোঁসানীৰ গীতো ৰচনা কৰা হৈছিল। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা উল্লেখযোগ্য ৰচনাবোৰ হ'ল ব্যৱহাৰিক বিষয়ৰ পুথিবোৰ। পশু-চিকিৎসা, পশুশিক্ষা জ্যোতিষ, আয়ুৰ্বেদ আদি বিভিন্ন বিষয় ওপৰত এই পুথিবোৰ ৰচনা কৰা হৈছিল। তাৰ ভিতৰত হস্তীবিদ্যাৰ্ণৱ, ঘোঁৰা নিৰ্দান, শেনৰ শিক্ষা আৰু চিকিৎসা আদি পুথিয়ে প্ৰধান। আহোম যুগত চিত্ৰকলা চৰ্চাৰ আভাসো পোৱা যায়। দৌল-দেৱালয় , মন্দিৰ আদিত অংকিত চিত্ৰৰ পৰাই ইয়াক অনুমান কৰিব পাৰি।

স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্ব কাললৈকে আহোম ৰাজ্যত কোনো বিদ্যালয়ৰ ব্যৱস্থা নাছিল। কিন্তু তেওঁৰ পত্নী বৰৰজা ফুলেশ্বৰীৰ চেষ্টাত সংস্কৃত শিক্ষাৰ কাৰণে এখন পাঠশালা ৰংপুৰত স্থাপন কৰে। অৱশ্যে ৰজাৰ পৃষ্ঠপোষকতাত ৰাজসভা আৰু অন্যান্য ব্যক্তিগতভাৱে সংস্কৃতজ্ঞ অধ্যাপকৰ ওপৰত শিক্ষাৰ ব্যৱস্থা আছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহই বঙালী সংকীৰ্তনৰ দল, আন সঙ্গীতজ্ঞ লোক আনি অসমত তাৰ শিক্ষা দিয়াইছিল। পখোৱাজ নামৰ বাদ্যযন্ত্ৰ বিধ অসমীয়া বাদ্যযন্ত্ৰৰ ভিতৰত





সোমোৱাই লোৱা হৈছিল । আহোম ৰজাসকলৰ দিনত পাটশিল্প, বয়নশিল্প, লৌহ শিল্প আদি শিল্পবোৰে বিশেষভাৱে উন্নতি লাভ কৰিছিল।

আহোম শাসনৰ শেষৰফালে স্বৰ্গদেউ লক্ষ্মীসিংহই আৰু এওঁৰ পুতেক গৌৰীনাথ সিংহৰ দিনত হোৱা মোৱামৰীয়া বিদ্ৰোহ, বৃটিছৰ লগত হোৱা সন্ধি আৰু মানৰ আক্ৰমণত আহোমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক অৱস্থাৰ অধঃপতন হৈছিল।

আজিৰ সমাজত ধৰ্মক লৈ কিছুমান সৰু সৰু ব্যভিচাৰৰ সৃষ্টি হৈছে। মূল সুঁতিৰপৰা এৰাই গৈ আজিৰ অসমীয়া সমাজে সুকীয়া সুকীয়া গোটত বিভক্ত হৈ নিজৰ মত সত্যত প্ৰতীয়মান কৰিবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত অসমীয়া সমাজৰ অংশীদাৰসকলে এই চিন্তা কৰাৰ আগতে উৎপত্তি স্থললৈ সদায় চকু ৰখা উচিত যাতে এই চিন্তা-প্ৰবাহে সমন্বয়ৰ মাজেদি গঢ়ি উঠা সমাজখনত গৰাখহনীয়াৰ সৃষ্টি কৰিব নোৱাৰে। ❐

আধাৰ গ্ৰন্থ ঃ

১) আসাম বুৰঞ্জী - গুণাভিৰাম বৰুৱা

২) অসমীয়া ভাষা আৰু সংস্কৃতি - ড° বিৰিঞ্চি কুমাৰ বৰুৱা

৩) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - ড° সত্যেন্দ্ৰনাথ শৰ্মা।

*******

## কুইজ

১। বিশ্বৰ প্ৰথম শ্বহীদ গৰাকী কোন?

২। মানৱ দেহত বিভিন্ন প্ৰকাৰৰ খনিজ লোণ বিভিন্ন পৰিমাণত থাকে। মানৱ দেহত সৰ্বাধিক পৰিমাণত থকা খনিজ পদাৰ্থবিধৰ নাম কি?

৩। ভাৰতৰ প্ৰথম 'ব্লাড বেংক'টো ক'ত আৰু কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

৪। স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম গৰাকী প্ৰতিৰক্ষা মন্ত্ৰী কোন?

৫। কোন গৰাকী ভাৰতীয় বিজ্ঞানীৰ নামেৰে আমেৰিকাৰ নিউইয়ৰ্ক মহানগৰৰ জেকছন হাইটছৰ ৭৪ নং পথৰ এছোৱাৰ নামকৰণ কৰা হৈছে?

৬। মহাকাশলৈ পঠোৱা প্ৰথম প্ৰাণী কি?

৭। পাইথাগোৰাছ আমাৰ সকলোৰে পৰিচিত। এতিয়া প্ৰশ্ন হ'ল পাইথাগোৰাছে প্ৰাচীন অলিম্পিকত এবাৰ কি খেলত চেম্পিয়ন হৈছিল?

৮। ভাৰতৰ ৰাজধানী দিল্লীত 'লটাচ টেমাল' নামৰ এটি প্ৰাথনা গৃহ আছে। এই প্ৰাথনা গৃহটো কোনটো ধৰ্মৰ ?

উত্তৰ ঃ

১। চক্ৰেটিছ, ২। কেলচিয়াম,
৩। ১৯৩৯ চনৰ চেপ্তেম্বৰত কলিকতাত,
৪। বলদেৱ সিং, ৫। কল্পনা চাওলা,
৬। এটা লাইকা নামৰ কুকুৰ, ৭। বক্সিং,
৮। হিন্দু ধৰ্মাৱলম্বীৰ।

*সংগ্ৰহ ঃ*
*ৰীমা শইকীয়া*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

# সাম্প্ৰতিক কালত সমাজ গঠনত যুৱক-যুৱতীৰ ভূমিকা

বিনীতা দত্ত
স্নাতক তৃতীয় বৰ্ষ

সমাজ, সমাজ হ'ল ব্যক্তিৰ সমষ্টি। অৱশ্যে এজন বা দুজন লোক লগ হ'লেই সমাজ সৃষ্টি নহয়। সমাজ সৃষ্টি হয় সামাজিক সমন্ধৰ আধাৰত। বহুতো লোক মিলাপ্ৰীতিৰে সংঘবদ্ধ হৈ একতাৰ ডোলেৰে যেতিয়া বাস কৰে সিয়েই সমাজ। মানুহে সমাজ সৃষ্টি কৰে সুখে-শান্তিৰে বসবাস কৰিবলৈ। সমাজ অবিহনে মানুহে মানুহ হিচাপে জীয়াই থাকিব নোৱাৰে। কোনোৱে সমাজ অবিহনে বাস কৰিবও পাৰে, তেতিয়া তেওঁৰ আৰু পাশুৰ মাজত কোনো পাৰ্থক্য নাথাকিব।

পঞ্চদশ শতিকাত যেতিয়া সমাজত অৰাজকতাই দেখা দিছিল, যেতিয়া চৌপাশে বিভিন্ন অপকৰ্মই গা কৰি উঠিছিল, তেতিয়া নৱসমাজক উদ্ধাৰৰ হেতু বৰদোৱাত শ্ৰীমন্ত শঙ্কৰদেৱে নৰৰূপে অৱতাৰ ধৰে। গুৰুজনাই পঞ্চদশ শতিকাতে তেৰাৰ এক শৰণ হৰি নাম ধৰ্মেৰে চৌদিশ ৰজনজনাই, সকলো সম্প্ৰদায়কে মোৰ বুলি সাৱটি লৈ, উচ্চ-নীচৰ প্ৰাচীৰ ভাঙি এক শুদ্ধ-নিকা সমাজ গঠন কৰি থৈ গৈছিল। বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদে অশেষ কীৰ্তি ৰাখি থৈ গ'ল। এইখন শঙ্কৰৰ দেশ, এইখন ৰাভা-জ্যোতিৰ দেশ। অত বছৰৰ আগতেই ইমান সুন্দৰকৈ গঠন কৰি যোৱা সমাজখন বৰ্তমান যিটো অৱস্থাত উপনীত হৈছেহি, সি বৰ পৰিতাপৰ বিষয়। সময় থাকোতেই ইয়াক নিৰাময় কৰাৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিবৰ সময় হ'ল। সাম্প্ৰতিক কালত যিবোৰ ঘটনা ঘটিছে, যিবোৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে, যুৱ সমাজে যি উচ্ছৃংখল অৱস্থাত ভৰি দিছে, ইয়াৰ সময় থাকোতেই প্ৰতিকাৰ নললে বৰ ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হ'ব। আমি আজি যুৱক-যুৱতীসকলেই মুখ্য ভূমিকা ল'ব লাগিব।

বৰ্তমান সমাজখনত মানৱতাবাদৰ বীজ অংকুৰিত নোহোৱা হৈ আহিছে। বৈচিত্ৰ্যৰ মাজত ঐক্য-সমন্বয়ৰ বান্ধোন ছিঙি প্ৰত্যেকেই স্বকীয় দৃষ্টিভংগীৰে সুকীয়াকৈ নিজকে পৰিচয় দিবলৈ বিচাৰিছে। আজি আমাৰ আনৰ অন্তৰক উপলব্ধি কৰাৰ ক্ষমতা নাই। স্নেহ-প্ৰীতি, একতাৰ এনাজৰী, ভ্ৰাতৃত্ববোধ বুলিবলৈ নাই। নিজক লৈ সকলো ব্যস্ত। এনেদৰেই যদি সমাজখন পৰিচালিত হৈ থাকে তেন্তে আমাৰ নিজক অসমীয়া বুলি ক'বলৈ একো নাথাকিব।

যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰী আৰু শিশুসকল সমাজ, দেশ তথা সমগ্ৰ মানৱ জাতিৰ আশা ভৰসাৰ থল। সমাজৰ গুৰি বঠা। যুৱ সমাজৰ চিন্তা-চৰ্চা আৰু কাৰ্য-দক্ষতাৰ ওপৰতেই এখন সমাজৰ প্ৰগতি নিৰ্ভৰ কৰে। সমাজৰ উত্তৰণত যুৱশক্তিৰ প্ৰচণ্ড ভূমিকা অনস্বীকাৰ্য। যুৱ শক্তি বিশ্বৰ অদ্বিতীয় শক্তি। বৃদ্ধসকলৰ শক্তি সামৰ্থ টুটি অহাৰ বাবে যি কাম সম্পন্ন কৰিব পৰা নাই, যুৱ সমাজে সংকল্প ল'লে খুব সীমিত সময়তে ইয়াক সমাধা কৰিব পাৰিব। আজিৰ যুৱ কালিলৈ দেশৰ মূল নাগৰিক হিচাপে পৰিগণিত হ'ব। সেয়েহে আমি যুৱক-যুৱতীসকলে অধ্যয়নৰ লগতে আন বহুতো দিশৰ দায়িত্ব পালন কৰিব লাগিব। বৰ্তমান উত্তপ্ত-যুৱ উচ্ছৃংখলতা নিৰাময়ৰ ব্যৱস্থা আমিয়েই কৰিব পাৰো। আমি প্ৰত্যেকেই নিজে নিজক সংশোধন কৰিব লাগিব। সৰুকালৰে পৰাই নিজকে সৎ, বিনয়ী আদি গুণৰ অধিকাৰী কৰিতুলিবলৈ অশেষ চেষ্টা কৰিব লাগিব। শিশুকালৰে পৰাই নৈতিক আৰু আধ্যাত্মিক জ্ঞান আহৰণ কৰিবলৈ যত্ন কৰিব লাগিব। যুৱক-যুৱতীসকলে নিজৰ স্বভাৱ-চৰিত্ৰ, ভাৱ- চিন্তা আদি নিজৰ নিয়ন্ত্ৰণত ৰাখিবলৈ যত্ন কৰিব লাগে।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। বিভিন্ন ন ন আৱিষ্কাৰ বিজ্ঞানে কৰিব ধৰিছে। আজি বিজ্ঞানে অসাধ্যকো সাধন কৰিছে। তথাপি এনে এক বিজ্ঞানৰ যুগতো বহুতো লোক অজ্ঞানতা, অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মাজত ডুব গৈ আছে। আজি শিক্ষিত যুৱক-যুৱতীসকলে বহি থাকিলে নহ'ব। বৈজ্ঞানিক দৃষ্টিভংগীৰে অবান্তৰ আৰু যুক্তিহীন কিছুমান ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আদিবোৰ ফঁহিয়াই চাব লাগে; সেইবোৰ নীতি, পৰম্পৰা কিমানদূৰ যুক্তিপূৰ্ণ বা যুক্তিহীন।

বৰ্তমান আমি যুৱক-যুৱতীসকলে পশ্চিমীয়া সংস্কৃতিৰ পদানুসৰণ কৰি জ্ঞান, শিক্ষা, স্বভাৱ-চৰিত্ৰ বিকৃত কৰি পেলাইছো। নিজৰ কৃষ্টি-সংস্কৃতি পাহৰি পেলাইছো। নৈতিকতা আৰু আধ্যাত্মিকতাৰ শিক্ষা সমূলি পাহৰি নিজ ধৰ্ম-সাহিত্যৰ প্ৰতি বিতশ্ৰদ্ধা হোৱাৰ প্ৰৱণতা দিনে দিনে বৃদ্ধি পাই আহিছে। নগ্নতাৰ আভাসেৰে বিকৃত কৰি বিভিন্ন জনৰ ৰুচিমুখৰ সাহিত্য সৃষ্টি হৈছে। আনে সৃষ্টি কৰিলে বুলিয়েই আমি জানো তাক অনুসৰণ কৰিলে হ'ব? যুৱক-যুৱতীসকলে আমি আমাৰ কৃষ্টি-সংস্কৃতিক ৰক্ষা কৰিব লাগিব। যুৱসমাজে সৎ ভাৱনাৰে কাম কৰিলে কৰিব নোৱাৰা কাম নাই। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেৰাৰ বিচিত্ৰ সাহিত্য সম্ভাৰেৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি গৈছে। বৰ্তমান আমি তেৰাৰ নীতি-আদৰ্শ গ্ৰহণ কৰি কৰ্মক্ষেত্ৰত আগুৱাই গ'লে নিশ্চয় সফল হম। তেওঁ যিদৰে সকলো প্ৰাণীকে আত্ম সম জ্ঞান কৰিছিল, সকলো সম্প্ৰদায়কে উচ্চ-নীচ ভেদ নাৰাখি সাৱটি লৈছিল, সেই আদৰ্শ যুৱক-যুৱতীসকলে গ্ৰহণ কৰিলে সমাজলৈ স্থিৰতা নামি আহিব। যুৱক-যুৱতীসকলে মানৱতাবাদ গ্ৰহণ কৰিব লাগিব।





মানৱতাই মানুহক সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক সাধনাৰ প্ৰেৰণা দিয়ে। মানুহক পশুত্বৰ পৰা মনুষ্যত্বলৈ, মনুষ্যত্বৰ পৰা দেৱত্বলৈ উত্তৰণ ঘটাই পূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰে।

একৈশ শতিকাৰ দুৱাৰডলিত উপনীত হৈ অমানৱীয় আচৰণেৰে, অবৈজ্ঞানিক মনোভাৱেৰে, অযুক্তিকৰ বচনৰে গঢ় লৈ উঠা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি নতুনৰ জন্ম দিবলৈ ধ্বজাবাহী কৰ্ণধাৰ যুৱক-যুৱতীসকল আগবাঢ়ি নাহিলে নিজে নিজৰ বিপদ চপাই লোৱা হ'ব। যুৱ অৱস্থাৰ পৰাই সৎ শিক্ষা, সজ গুণ, সজ উপদেশ, নম্ৰতা, সহনশীলতা, উদাৰতা, ক্ষমা-দয়া আদি গুণেৰে বিভূষিত হ'বলৈ যুৱক-যুৱতীসকলে নিৰন্তৰ সাধনা কৰিব লাগিব। তেতিয়াহে সমগ্ৰ জীৱনলৈ সৎ উপকাৰ সাধন কৰা হ'ব। যুৱ কালৰ পৰাই যদি মনত ভ্ৰাতৃত্ববোধ, মানুহক ভালপোৱা, উপকাৰ সাধন কৰা, বন্দনা কৰা মানৱতাবাদৰ আদৰ্শ গ্ৰহণ কৰা হয় তেতিয়া যুৱ শক্তিয়ে সমাজৰ ঐক-সংহতি আৰু সমন্বয় ৰক্ষা কৰিব নোৱাৰাৰ কাৰণ নাই।

যুৱ সমাজ সচেতন নহ'লে, বৃদ্ধসকলৰ ওপৰতে সমাজৰ সকলো দায়িত্ব এৰিলে প্ৰগতিবাদী সমাজ গঢ়াৰ আশা কৰা মিছা। সমাজগঢ়িবৰ জোখাৰে নিজকে উপযুক্ত ভাৱে গঢ়ি তুলি এই সজ উদ্দেশ্যক কাৰ্যকৰী কৰিবলৈ আমি যুৱ শক্তিয়ে বিশেষভাৱে সক্ৰিয় ভূমিকা পালন কৰিব লাগিব।

শেষত আমি যুৱ সমাজে সু-চিন্তাচৰ্চা, শৃংখলাবদ্ধতা, কৰ্তব্যনিষ্ঠা, আদৰ্শনিষ্ঠা, সমাজ সচেতনতা আৰু মানৱ প্ৰেমেৰে মানুহৰ লগত সু-সম্পৰ্ক স্থাপন কৰি সৰ্ব মানৱৰ সমন্বয় সাধিব পৰা মানৱতাবাদৰ আধাৰত এখন কল্যানকামী নৱ সমাজ গঢ়াৰ পণ কৰো আহা। □

## বিজ্ঞান-বাৰ্তা

☞ ছাইনাছ আৰু ছাইনাছাইটিছ কি?

◆ 'ছাইনাছ' শব্দটো লেটিন ভাষাৰপৰা উদ্ভৱ হৈছে। চিকিৎসা বিজ্ঞানত ইয়াৰ অৰ্থ হ'ল — হাড়ৰ ভিতৰত থকা গাঁত, তেজ যোৱা বহল নলী আৰু পুঁজ ওলোৱা পথ।

আমাৰ নাকৰ ওচৰত কেইডালমান অস্থিৰ ভিতৰত গাঁত বা কোটৰ আছে। এই কোটৰবোৰত বায়ু সোমাই থাকে আৰু নাকৰ ভিতৰৰ পৰা প্ৰতিটো কোটৰলৈ বায়ু ওলোৱা-সোমোৱা কৰাৰ বাট আছে। নাকৰ এই কোটৰৰ ভিতৰত জ্বলা-পোৰা, বিষ হোৱাকে 'ছাইনাছাইটিছ' বোলা হয়। সাধাৰণতে কপালৰ হাড়ডাল আৰু চকুৰ তলত, নাকৰ দুয়োকাষে থকা উৰ্ধ-হনুৰ ভিতৰত থকা কোটৰতে বেছিকৈ এনে বিষ, জ্বলা-পোৰা হয়। পানী লগা, ইনফ্লুৱেঞ্জা, দাঁতৰ অসুখ আদি হ'লে, দাঁত উঘালিলে, আঘাত পালে, নাকৰ ভিতৰত অস্ত্ৰোপচাৰ কৰিলে, নাকৰ ফুটা বহুদিন বন্ধ হৈ থাকিলে, নাকৰ দুই ফালৰ বিন্ধাৰ মাজত থকা বেৰা বা পাটখন একতীয়া হ'লে, নাকৰ ফুটা দুটাৰ পিছফালে থকা এডেনইড নামৰ গ্ৰন্থিৰ নিচিনা বস্তুটো ডাঙৰ হ'লে আৰু নাকৰ ভিতৰত বাহিৰা কিবা বস্তু সোমাই থাকিলে ছাইনাছাইটিছ হোৱা দেখা যায়। (বিজ্ঞানৰ আলোচনী সহায় লৈ)

সংগ্ৰহ - মৃদুল গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী ঃ ১৫ সংখ্যা ঃ ২০০২-২০০৩ বৰ্ষ

# চুটিগল্পৰ স্বৰূপ বিচাৰ

বিস্মিতা কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ

চুটিগল্পৰ জন্ম ঃ চুটি গল্প উনবিংশ শতাব্দীৰ অভিনৱ সাহিত্য সৃষ্টি। উনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাই ই এক বিশিষ্ট সাহিত্য কৰ্মস্বৰূপে স্বীকৃতি লাভ কৰে আৰু মধ্য আৰু শেষৰ উনবিংশ শতিকাত পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। সেয়ে হ'লেও প্ৰথম অৱস্থাত 'চুটিগল্প' এই নামটো ব্যৱহাৰ হোৱা নাছিল। জাৰ্মানীত 'E.T.W. Hoffman' এ ১৮১৪-১৮২১ ৰ ভিতৰত প্ৰকাশ কৰা আখ্যান সমূহক বুলিছিল 'Tales'; Johann Wndwig Tieck' এ তেওঁৰ একে দশকতে প্ৰকাশ কৰা উদ্ভট চুটি আখ্যান সমূহক বুলিছিল 'Die gemalde'; আমেৰিকাৰ চুটিগল্পৰ জনক Washington Jrving- এ ১৮১৯ খৃঃত প্ৰকাশ কৰা তেওঁৰ গল্পৰ সংকলনটিৰ নাম দিছিল 'The Sketch Book'; Jrving ৰ সমকালীন প্ৰখ্যাত আমেৰিকান গল্প লেখক Edgar Allan Poe এ তেওঁৰ গল্পসমূহক বুলিছিল Tales বা Articles; Nathanicl Hawthorne- এ তেওঁৰ গল্পসমূহক বুলিছিল Tales বা Sketches ইংৰাজী Tale শব্দটোৱে আৰু ফৰাছী Conte শব্দটোৱে 'কথা' বৰ্ণনা কৰা বা পুনৰবিন্যাস কৰা ভাব প্ৰকাশ কৰে। চুটিগল্প এনে এবিধ (কলা) সাহিত্য কৰ্ম যি 'Stands and speaks before the reader, the writer remaining impersonal objective'। লেটিন ভাষাৰ Historia ৰ পৰাই Story শব্দটো আহিছে। আধুনিক চুটিগল্প কাল্পনিক হৈয়ো বাস্তৱ জীৱন-নিৰ্ভৰ। উনবিংশ শতিকাৰ শেষলৈ ইউৰোপত প্ৰথম চুটিগল্পৰ জন্ম হয়।

প্ৰথম আধুনিক চুটিগল্পৰ পথিকসকল হৈছে — Washington Jrving (১৭৮৩-১৮৫৯)। ৰিপ্‌ভান্ উংকল'ৰ জনক, ঐতিহাসিক আৰু জীৱনী লেখক আৰভিঙে প্ৰথম আধুনিক চুটিগল্পৰ বাটকটীয়া হিচাপে ফাঙৰ অঁৰে দ্য বালজাকৰ নাম লোৱাটো উচিত বুলি ভাবে। কিন্তু চুটিগল্পৰ জন্মদাতা বুলি ক'লে ইউৰোপৰ লেখক বোকাছিয়ো, চ'চাৰ আৰু ফ্লাচোৱা বাৰেল এই তিনিজন লেখকক ধৰা হয়। চুটিগল্পৰ গল্পকাৰসকলৰ 'Perfect opportunity to project himself'।

**চুটিগল্পৰ সংজ্ঞা ঃ**

চুটিগল্পৰ স্বৰূপ বিচাৰ কৰিবলৈ যোৱাৰ লগে লগে ইয়াৰ সাধাৰণ সংজ্ঞাৰ কথাও আহে। কিন্তু চুটিগল্প এনে এক সংক্ষিপ্ত পৰিসৰৰ অথচ বহু বৰ্ণময় কলা যে, ইয়াৰ এটা নিখুঁত সংজ্ঞা আগবঢ়োৱা সম্ভৱ নহয়। সেইবাবে সাহিত্য সমালোচকৰ কথা বাদেই, সাহিত্য তত্ত্বৰ অভিধান প্ৰণেতা সকলেও চুটিগল্পৰ সামগ্ৰিক লক্ষণ বিশিষ্ট চমু সংজ্ঞা আগবঢ়াব পৰা নাই। উদাহৰণস্বৰূপে — Harry shaw এ চুটিগল্পৰ বিষয়ে সংজ্ঞাৰ পৰিবৰ্তে লক্ষণৰ প্ৰতি আঙুলিয়াই ক'লে যে, চুটিগল্প আপেক্ষিক ভাবে চমু বৰ্ণনা; য'ত এটা মাথোন কৰ্ম, এক চৰিত্ৰ আৰু এটা মাথোন পৰিস্থিতিৰ চিত্ৰন কৰা হয়। চুটিগল্পৰ বিষয়ে Harry shaw এ এইখিনি কোৱাৰ উপৰিও আৰু বহুখিনি ব্যাখ্যাৰ মাজেদি চুটিগল্পৰ বিষয়ে এটা ধাৰণা দিবলৈ যত্ন কৰিছে। সেইদৰে চুটিগল্পৰ বিষয়ে মন্তব্য কৰি Cuddan এ কৈছে যে, কোনো পৰিস্থিতি বিশেষ, কোনো ঘটনাংশ, বিশেষ ধৰণৰ অভিজ্ঞতা, চৰিত্ৰ আৰু কল্পনাৰ সৈতে চুটিগল্পৰ সম্পৰ্ক। সেইদৰে Lemon- এ চুটিগল্পৰ সংজ্ঞা দিবলৈ গৈ কৈছে যে, চুটিগল্পৰ গঠনৰ আটিলতাৰ বাবেই পূৰ্বৰ সাধুকথাৰ সৈতে পৃথক আৰু পৃথকতা স্পষ্ট হৈ পৰে কেন্দ্ৰীয় ঘটনা, কেন্দ্ৰীয় ভাৱ, ঘটনা বিন্যাস আৰু অধিক কলা সুলভ গঠন প্ৰণালীৰ বাবে।

উল্লিখিত ব্যাখ্যাধৰ্মী সংজ্ঞাবোৰৰ দৰেই Webster প্ৰভৃতি সমালোচকসকলে সংক্ষিপ্ত ৰূপত চুটিগল্পৰ সংজ্ঞা আগবঢ়াব পৰা নাই। বৰং এইবিধ সংক্ষিপ্ত পৰিসৰৰ সাহিত্যৰ বহু বৰ্ণময় বৈশিষ্ট্যৰ ব্যাখ্যাৰেহে চুটিগল্পৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰা দেখা গৈছে।

**চুটিগল্পৰ বৈশিষ্ট্য ঃ**

চুটিগল্প উপন্যাসৰ দৰেই কাহিনী সাহিত্য। 'চুটি' বিশেষণটোৰ অৰ্থ অতি ব্যঞ্জনাধৰ্মী। এনে কাৰণতে Hudson এ কৈছে যে ডাঙৰ উপন্যাস এখন চমুৱাই সৰু কৰিলেই চুটিগল্প নহয় অৰ্থাৎ তিনিশ পৃষ্ঠাৰ উপন্যাস এখন ত্ৰিশ পৃষ্ঠাত লেখা সাৰাংশই চুটিগল্প নহয়। বস্তুতঃ ধাৰণা যে, চুটিগল্পই জীৱনৰ দীঘল সময় সামৰি নলয়, ই জীৱনৰ অংশ বিশেষহে চিত্ৰন কৰে। কিন্তু বহু সময়ত এনে কিছুমান আবেদন পূৰ্ণ সাৰ্থক চুটিগল্প পোৱা যায়; যিবোৰত জীৱনৰ সৰহ ভাগ সময়কে সামৰি লোৱা হৈছে। উদাহৰণস্বৰূপে Washington Jrving ৰ 'Rip van winkle' আৰু 'La Parure' ৰ নাম গল্পটো।

আচলতে চুটিগল্পৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা চুটি শব্দটো বিশেষণৰূপে প্ৰয়োগ হ'লেও ই অভিধা অৰ্থ বহন নকৰে। ইয়াৰ এটা ব্যঞ্জনাৰ্থ আছে। চুটিগল্প হ'বলৈ হ'লে ইয়াৰ ভাৱ (Motive), পৰিকল্পনা (Plan) আৰু গঠন (Structure) পদ্ধতিয়ে বিষয়বস্তুক সংক্ষিপ্তৰূপ দিব পাৰিব লাগিব। এই ভাৱ পৰিকল্পনা আৰু গঠনক আটিল কৰি তুলিবৰ বাবে অনাৱশ্যক কথা, অনাৱশ্যক চৰিত্ৰ, অনাৱশ্যক ঘটনাক সযতনে পৰিহাৰ কৰি নিবিড় ৰসঘন কৰি তোলাত গুৰুত্ব দিয়া হয়। সকলো প্ৰকাৰৰ অনাৱশ্যক কথাক পৰিহাৰ কৰি চুটিগল্পক অধিক সাৰ্থক, অধিক কলাগুণসম্পন্ন আৰু ৰসঘন কৰি তুলিবৰ বাবে এক বিশেষ ধৰণৰ ৰচনা পদ্ধতিৰ প্ৰয়োজন।





চুটিগল্প আকৃতিত সংক্ষিপ্ত হ'ব পাৰে; কিন্তু সেই বুলি ইয়াত জীৱনৰ উজ্জ্বলতৰ দিশ প্ৰতিফলিত নোহোৱাকৈ নাথাকে। চুটিগল্পত আভ্যন্তৰ জীৱনৰ সত্য আৰু সৌন্দৰ্যক কলাসুলভভাৱে চিত্ৰিত কৰা হয়। চুটিগল্পত জীৱনৰ সত্য আৰু সৌন্দৰ্য চিত্ৰিত কৰোঁতে বৰ্ণনাৰ আশ্ৰয় লোৱা হয় যদিও সেই বৰ্ণনা উকা বৰ্ণনা নহয়; ই চিত্ৰধৰ্মী বৰ্ণনা।

**ঘটনা ঃ**

চুটিগল্প কাহিনী সাহিত্যৰ অন্তৰ্গত যদিও ইয়াত উপন্যাসৰ দৰে পূৰ্ণাংগ কাহিনী চিত্ৰিত নহয়। ইয়াত ঘটনাইহে বিষয়বস্তুৰ ৰূপ লয়। এই ঘটনাও বিক্ষিপ্ত নহয়। লক্ষ্যৰ ঐক্য, উদ্দেশ্যৰ ঐক্যৰ প্ৰতি সৰ্তক দৃষ্টিৰে চুটিগল্পৰ ঘটনাক একমুখী কৰি তোলা হয়।

চুটিগল্পৰ একমুখিতাৰ বাবেই এটা মাত্ৰ ধাৰণাইহে চুটিগল্পত নিগূঢ়ৰূপত আত্ম প্ৰকাশ কৰে। Brander Matthews এ ইয়াকে Unity of impression বুলি কৈছে। এটা মাত্ৰ মুখ্য ধাৰণাকে ভিত্তি কৰি চুটিগল্পত ধাৰণাৰ ঐক্য (Unity of impression) আৰু ফলশ্ৰুতি (Unity of effect) একমুখী হয় বাবেই চুটিগল্পই পাঠকক নিবিড় ৰসঘন আবেদন এটাৰ যোগান ধৰিব পাৰে।

**নাটকীয়তা ঃ**

চুটিগল্পই একক ধাৰণা আৰু একক ফলশ্ৰুতিৰে পাঠকৰ মনত ৰসনিবৃত্তি ঘটাবৰ বাবে নাটকীয় গুণৰো প্ৰয়োজন হয়। সেইবাবে চুটিগল্পত চৰিত্ৰৰ বহিৰ্সংঘাতকৈ অন্তৰ্সংঘাতক অধিক গুৰুত্ব দিব লগা হয়। সংঘাত শব্দৰ দুতৰপীয়া অৰ্থ আছে। আপাত অৰ্থত দুই বা তাতোধিক ব্যক্তি অথবা জাতিৰ সৈতে জাতিৰ সংঘাত। কিন্তু সাহিত্যৰ বেলিকা সংঘাতৰ অৰ্থ সুকীয়া। সাহিত্যত সংঘাতৰ অৰ্থ ধাৰণাৰ সৈতে ভিন্ন ধাৰণাৰ, দৃষ্টিভংগীৰ সৈতে পৃথক দৃষ্টিভংগীৰ আৰু জীৱন স্বপ্নৰ সৈতে স্বপ্ন ভঙা সমস্যাৰ সংঘাত। সেইবাবে চুটিগল্পত নাট্যগুণৰ অপৰিহাৰ্যতাৰ বিষয়ে W. Somerset Maughan এ মত পোষণ কৰি কৈছে যে, চুটিগল্প একক ঘটনা বিশেষৰ বৰ্ণনা আৰু এই বৰ্ণনাক উজ্জ্বল তথা হৃদয়গ্ৰাহ্য ৰূপ দিবলৈ হ'লে চুটিগল্পক নাটকীয় ঐক্য সূত্ৰৰে গাঁথিবই লাগিব।

**কাব্যধৰ্মিতা ঃ**

চুটিগল্প এনে এক কলা যে, ই কেৱল নাট্য গুণ বিশিষ্ট কাহিনী সাহিত্যই নহয়; ই কাব্য গুণধৰ্মী শিল্পও। চুটিগল্পই ৰসঘন পৰিস্থিতি সৃষ্টি কৰি পাঠকক বিমল আনন্দ দিবলৈ হ'লে ইয়াৰ ৰচনা পদ্ধতি গীতি কবিতাৰ দৰে কোমল আৰু আটিল হ'ব লাগিব। চুটিগল্পত নাট্যগুণ আৰু কাব্যগুণৰ উভয়ৰ সংযোগ সাধন হোৱাৰ বাবেই চুটিগল্প এক বিশিষ্ট কলা ৰূপে গণ্য হৈ আহিছে।

**চৰিত্ৰ ঃ**

চুটিগল্পৰ ঘটনাংশৰ লগতে ইয়াৰ আন এটা উল্লেখযোগ্য দিশ হ'ল চৰিত্ৰ। চৰিত্ৰ শব্দটোৱে সাধাৰণতে নৈতিকতাৰ অৰ্থ বহন কৰে। লেখকৰ দৃষ্টিভঙ্গী অনুসৰি গঢ়লৈ উঠা কাল্পনিক মানুহৰ ধাৰণাই চৰিত্ৰ। চৰিত্ৰৰ এই ধাৰণা বাস্তৱ মানুহৰ পৰাই গ্ৰহণ কৰা হয়। চৰিত্ৰৰ বৈচিত্ৰ্যতে গল্পৰ সফলতা নিৰ্ভৰ কৰে। স্বাভাৱিক চৰিত্ৰৰে নহয়।

সৃষ্টিশীল সাহিত্যৰ চৰিত্ৰ কাল্পনিক যদিও ইয়াক প্ৰত্যেকজনক ৰূপত নিৰ্মাণ কৰা হয় বাবেই ই পাঠকক বাস্তৱ মানুহৰ দৰেই ধাৰণা দিয়ে অথবা অনুভৱ কৰোৱায়। এনে কাৰণতে চুটিগল্পৰ চৰিত্ৰৰ সৈতে পাঠকৰ হৃদয়ানুভূতিৰ সম্পৰ্ক স্থাপন হয়।

চুটিগল্পৰ চৰিত্ৰই জীৱনৰ সামগ্ৰিকতা প্ৰকাশ কৰিব নোৱাৰিব পাৰে; কিন্তু চুটিগল্পৰ সীমিত পৰিসৰৰ ভিতৰতে চৰিত্ৰৰ মনোজগতৰ বৈচিত্ৰ্যপূৰ্ণ দিশ একোটা উদঙাই দেখুৱায়। চৰিত্ৰৰ মনোজগতৰ বিশ্লেষণ আৰু প্ৰকাশৰ মাজেদিয়ে লেখকৰ দৃষ্টিভঙ্গী অথবা জীৱন দৰ্শনো প্ৰকাশ পায়। সফল চৰিত্ৰ মানুহৰ মনোজাগতিক সত্য প্ৰকাশৰ উৎকৃষ্ট মাধ্যম আৰু সেইবাবে এজন মনোবিজ্ঞানীতকৈয়ো এজন সৃষ্টিশীল লেখকে মানুহৰ মনোজাগতিক মৌলিক সত্যৰ বহুখিনি সম্ভেদ দিব পাৰে। চুটিগল্পৰ চৰিত্ৰই সীমিত পৰিসৰৰ ভিতৰত নিজৰ মনোজগতৰ যি অংশ বিশেষ ব্যক্তিত কৰে; সেই ব্যঞ্জনাতেই জীৱনৰ নিগূঢ়তম একোটা সত্য পোহৰলৈ আহে। কিন্তু ইয়াৰ বাবে চুটিগল্প লেখকৰ সূক্ষ্ম জীৱন বীক্ষা আৰু সুদক্ষ প্ৰকাশ ক্ষমতাৰ প্ৰয়োজন।

**পৰিস্থিতি ঃ**

চুটিগল্পৰ বিষয়বস্তু আৰু চৰিত্ৰৰ লগতে পৰিস্থিতি নিৰ্মাণ কৌশলো এক অন্যতম বৈশিষ্ট্য। একোটা সংঘাতপূৰ্ণ পৰিস্থিতিয়ে চুটিগল্পৰ ভাৱৰ তীব্ৰতা, উৎকণ্ঠাৰ প্ৰাবল্য আৰু চৰিত্ৰৰ মানসিক সংঘাত তীব্ৰতৰ কৰি তোলাত সহায় কৰে। আনকি পৰিস্থিতিয়েই চুটিগল্পৰ আধাৰ বা বিষয়বস্তু স্বৰূপ। চুটিগল্পত কাহিনী বুলিলে সাধাৰণতে একোটা পৰিস্থিতিকেই বুজায়। কিন্তু সকলো পৰিস্থিতি চুটিগল্পৰ বাবে উপযুক্ত নহয়। আচলতে যিবোৰ পৰিস্থিতিয়ে চৰিত্ৰৰ মনোজগতক উজ্জ্বলাই তুলিব পাৰে; চৰিত্ৰৰ মানসিক সংঘাত তীব্ৰতৰ কৰি তোলাত সহায়ক হ'ব পাৰে; তেনে পৰিস্থিতিহে চুটিগল্পৰ বাবে প্ৰয়োজন।

**কলাৰ আবেদন ঃ**

চুটিগল্পৰ উপাদান অথবা ইয়াৰ যথাৰ্থ স্বৰূপ কি অথবা কেনে ধৰণৰ হোৱা উচিত সেইযাৰ কথা অবান্তৰ। কাৰণ চুটিগল্প যিহেতু সৃষ্টিশীল সাহিত্য; গতিকেই লেখকৰ সৃষ্টি প্ৰতিভাৰ কথাহে। আচলতে ভাষাৰ সংযম, ব্যঞ্জনাধৰ্মী ভাষাশৈলী, কাব্যময় বাণীভঙ্গী আৰু গভীৰ অন্তৰ্মুখী জীৱন- জিজ্ঞাসাৰেহে উৎকৃষ্ট চুটিগল্প সৃষ্টি কৰিব পৰা যায়। সময়ৰ লগে লগে সমাজৰ জীৱনধাৰা চিন্তা, ভাৱনা, দৃষ্টিভঙ্গী সলনি হয় আৰু এই বাবেই সময়ে সময়ে চুটিগল্পৰ আকৃতি আৰু প্ৰকৃতিও সলনি হয়। এনে কাৰণতে সৰ্বকালৰ বাবে প্ৰযোজ্য হোৱাকৈ চুটিগল্পৰ সংজ্ঞা দিয়া সম্ভৱ নহয়। কিন্তু ইয়াৰ যি কলাৰ মূল্য সি সৰ্বকালীন তাত সন্দেহ নাই।

চুটিগল্প যেন এটি পাখিলালী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোহে, তাৰ পাছত উৰা মাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ লহমাৰ আকুণ্ঠ মধুপান। ❑

# যুদ্ধোত্তৰ যুগৰ নাটক

লক্ষীপ্ৰিয়া বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

যুদ্ধৰ অগ্ৰবৰ্তী কালছোৱাত বিশেষকৈ চতুৰ্থ দশকৰ শেষৰ ফালে অসমৰ বিভিন্ন নগৰ আৰু গাঁৱৰ ৰঙ্গমঞ্চবোৰ সক্ৰিয় হৈ পৰিছিল। যুদ্ধৰ পৰৱৰ্তী কালত মঞ্চবোৰ ন-সাজেৰে সজ্জিতহৈ পৰিল। পাৰ্বতীপ্ৰসাদ বৰুৱাৰ দানেৰে ১৯৫৭ চনত ঘূৰণ মঞ্চ সাজি লৈ শিৱসাগৰ নাট্যসমাজ সক্ৰিয় হৈ পৰিছিল। এই যুগতে একাংকিকা নাটৰ সৃষ্টি হ'ল। অভিনয় জগতত চিনেমাৰ বাস্তৱবোধ আহি পৰাত যুদ্ধোত্তৰ যুগত পৌৰাণিক আৰু বুৰঞ্জীমূলক নাটকৰ আদৰ কমি আহিল। অৱশ্যে বুৰঞ্জীমূলক নাটকত কিছু বাস্তৱবোধ ৰক্ষা কৰিব পাৰি বাবে তেনে নাটকে এতিয়াও নিজৰ মান ৰক্ষা কৰি থাকিব পাৰিছে। তদুপৰি যুদ্ধৰ ব্যস্ততা আৰু বিভীষিকাই যেন আগৰ প্ৰহসনৰ খোলা হাঁহিৰ পৰা বঞ্চিত কৰিলে।

পঞ্চম দশকৰ আৰম্ভণিৰে পৰা সুৰেন্দ্ৰনাথ শইকীয়াৰ বোকোচা (১৯৪০), আপোচ, তগদিৰ (১৯৪৯) আৰু কুমুদ চন্দ্ৰ বৰুৱাৰ লিমিটেড কোম্পানী (১৯৪৫), তীৰ্থযাত্ৰী (১৯৪৬), গুডনাইট চাৰ (১৯০৬) আদি মুকলি হাঁহিৰ সুবিধা দিয়া কেইবাখনিও নাটিকা পাওঁ। শিৱপ্ৰসাদ বৰুৱাৰ কাণকটা (১৯৫৩) এই সময়ৰ অপূৰ্ব সমাহাৰ।

তলত এই সময়ত ৰচিত নাটকবোৰক চাৰিটা ভাগত ভগাব পাৰো।

(১) বুৰঞ্জীমূলক নাটক,
(২) একাংকিকা নাটক,
(৩) সামাজিক নাটক আৰু
(৪) এবছাৰ্ড নাটক।

**(১) বুৰঞ্জীমূলক নাটক ঃ**

বুৰঞ্জীমূলক নাটৰ ভিতৰত নগাঁও নাট্য সমাজৰ 'পিয়লি ফুকন'ৰ (১৯৪৮) নাম পোনতে লব পাৰি। নাটকখনৰ আটাইতকৈ ডাঙৰ গুণ ঐতিহাসিক পৰিৱেশ সৃষ্টি কৰিব পৰা সংলাপ শৈলী আৰু নায়কৰ চৰিত্ৰৰ স্পষ্ট অংকন।

লক্ষ্মীসিংহৰ ৰাজত্ব কালত সূৰ্য্যকুমাৰ ভূঞাৰ কোঁৱৰ বিদ্ৰোহৰ তিপমীয়া কোঁৱৰ মলৌৰ ষড়যন্ত্ৰৰ কথা লৈ সুনিপুণ অভিনেতা ফণী শৰ্মাই 'ভোগজৰা' (১৯৫৭) ৰচনা কৰিছে। এই নাটকতো বুৰঞ্জীৰ পৰিৱেশ সৃষ্টিত বুৰঞ্জীৰপৰা উদ্ধৃত ভাষাই বহুখিনি সহায় কৰিছে। বাস্তৱৰপৰা লিপিবদ্ধ কৰা বুৰঞ্জীৰ চৰিত্ৰবোৰৰ গাতো সেই যুগৰ বোল লাগি আছে।

প্ৰবীন ফুকনৰ 'মণিৰাম দেৱান' (১৯৪৮) আৰু 'লাচিত বৰফুকন'ত (১৯৪৮)। ঐতিহাসিক পৰিৱেশ দুৰ্বল, কিন্তু বুৰঞ্জীৰ কাহিনীক কাল্পনিক দৃশ্য আৰু চৰিত্ৰৰ সংযোগেৰে মূৰ্ত্ত কৰি তোলা হৈছে। বিয়াল্লিশৰপৰা স্বাধীনতাৰ উদয়লৈকে ছবছৰৰ ইতিহাস নাটিকত সোমোৱাবৰ যত্ন কৰি লিখা লক্ষ্মীকান্ত দত্তৰ 'মুক্তি আন্দোলন' (১৯৫৩) আৰু সুৰেন্দ্ৰনাথ শৰ্মাৰ 'কোশল কোঁৱৰ' (১৯৪৯) বিশেষভাৱে উল্লেখযোগ্য। সেইদৰে ১৮৯১ চনৰ মণিপুৰৰ স্বাধীনতা আন্দোলনৰ পটভূমিত অতুলচন্দ্ৰ হাজৰিকাই 'টিকেন্দ্ৰজিৎ' (১৯৫৯) ৰচনা কৰে। তেনে পটভূমিতে আব্দুল মালিকৰ 'ৰাজদ্ৰোহ' (১৯৫৮) সেই সময়ৰ ৰচনা।

**(২) সামাজিক নাটক ঃ**

চতুৰ্থ দশকতে সামাজিক নাট্যকাৰ ৰূপে দেখা দিয়া প্ৰবীন ফুকনৰ নতুন সামাজিক নাটক 'ডাঃ প্ৰমোদ', 'শতিকাৰ বান' (১৯৫৪), 'বিশ্বৰূপা' (১৯৬১), সত্যপ্ৰসাদৰ শিখা (১৯৫৭) আৰু জ্যোতিৰেখাত (১৯৫৮) সংলাপৰ ফালে বিশেষ দৃষ্টি ৰখা দেখা পোৱা যায়।

মধ্যবিত্ত জীৱনৰ পটভূমিত গিৰীন চৌধুৰীৰ 'মিনাবজাৰ' (১৯৫৮), অনিল চৌধুৰীৰ 'প্ৰতিবাদ' (১৯৫৩), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ 'অভিমান' (১৯৫৪) আৰু 'কঙ্কন' (১৯৫৬), দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'চাকনৈয়া' প্ৰায় একেটি থুলৰপৰা ওলোৱা।

ফণী শৰ্মাৰ 'কিয়' (১৯৬০), অমৰেন্দ্ৰ পাঠকৰ 'ইন্টাৰভিউ' (১৯৫৫), অভয় ডেকাৰ 'গৰাহখহনীয়া' আৰু 'ফেহুঁজালি' (১৯৫৫) আৰু প্ৰফুল্লকুমাৰ বৰুৱাৰ 'আশাৰ বালিচৰ' (১৯৫৪) এই সময়ৰ সজ প্ৰচেষ্টাৰ ভিতৰত ধৰিব পাৰি।

**(৩) একাংকিকা নাটক ঃ**

চতুৰ্থ দশকতে আৱাহনৰ পাতত লক্ষ্মীধৰ শৰ্মাই 'প্ৰজাপতিৰ ভুলেৰে' আধুনিক একাংকিকা নাটৰ পাতনি মেলিছিল। তেওঁৰ আন এখনি একাংকিকা 'দেশৰ কথা'। প্ৰবীন ফুকনৰ 'ত্ৰিবঙ্গ' (১৯৬২), বীণা বৰুৱাৰ 'এৰেলাৰ নাট' (১৯৫৫), ভোলা কটকীৰ 'বিভ্ৰাট', যোগেন চেতিয়াৰ 'তেনেহৰ সূঁতা', ভবেন্দ্ৰনাথ শইকীয়া 'পুতলা নাচ' আৰু 'অলংকাৰ'। জয়ন্ত বৰুৱাৰ 'মাছ' আৰু 'কাঁইট' আদি অনেক নবীন নাট্যকাৰৰ একাংকিকা নাটক বিভিন্ন মঞ্চত অভিনিত হৈছে।

শিশু নাটিকাৰ ভিতৰত মুক্তি নাথ বৰদলৈৰ 'ভক্ত প্ৰহ্লাদ' (১৯৪৯), কীৰ্তিনাথ হাজৰিকাৰ 'ফুটুকাফেন' আদি শিশুৰ কাৰণে ৰচিত নাটিকাই এটি বিশেষ অভাৱ পূৰণ কৰে।

**(৪) এবছাৰ্ড নাটক ঃ**

বিংশ শতাব্দীৰ মাজভাগত এদল অসমীয়া নাট্যকাৰে এবছাৰ্ড নাটক ৰচনাত মনোযোগ দিছে। এওঁলোকে বেকেট, আয়োনেস্কো আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নাটক লিখে। অৰুণ শৰ্মাই 'নিবাৰণ ভট্টাচাৰ্য' (১৯৬৭), 'আহাৰ' (১৯৮১) আদিত নতুন আদৰ্শ আঁকিবলৈ প্ৰযত্ন কৰিছে। মহেন্দ্ৰনাথ বৰঠাকুৰৰ 'জন্ম', হিমেন বৰঠাকুৰৰ 'বাঘ', বসন্ত শইকীয়াৰ 'মানুহ আৰু পশু' এনে একোটি যত্ন। অসমীয়া নাট্য জগতত নতুন প্ৰযত্নৰ ভিতৰত শক্তিশালী এক আন্দোলন ৰূপে ভ্ৰাম্যমান নাট্যগোষ্ঠীবোৰৰ কৰ্মকুশলতাই নাট্যাকাশ উজ্জ্বলাই আছে। ❑



# অপসংস্কৃতি দূৰীকৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

পল্লৱী চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ

অপসংস্কৃতিৰ বিষয়ে কোৱাৰ আগতে প্ৰথমতে সংস্কৃতিৰ বিষয়ে কোৱাটো নিতান্ত প্ৰয়োজন।

**সংস্কৃতি কি ?**

সংস্কৃতিৰ পৰিভাষা — যিবিলাক কাৰ্য শৰীৰ আৰু মনৰ বিকাশৰ ভাব আৰু সমাজ কল্যাণৰ অৰ্থে মানুহে সৃষ্টি কৰিছে তাকেই সংস্কৃতি বোলা হয়। বৈয়াকৰণিক বিশ্লেষণ মতে সম উপসৰ্গৰ লগত কৃ ধাতু আৰু ক্তিন্ প্ৰত্যয় যোগ হৈ সংস্কৃতি হৈছে। এই সংস্কৃতি শব্দটোৰ ব্যুৎপত্তিত এটা পৰমাৰ্থিক তত্ব নিহিত হৈ আছে। দৰাচলতে সংস্কৃতিয়ে এটা জাতিৰ সমগ্ৰ সৃজন -প্ৰতিভাক প্ৰতিনিধিত্ব কৰে। এটা জাতি বা এখন সমাজে জীৱন সুন্দৰ কৰাৰ স্বাৰ্থত সৃষ্টি কৰা বস্তুগত আৰু ভাবগত সকলো শিল্পকৰ্ম তথা শিল্পাচৰণক সংস্কৃতিয়ে সাঙুৰি লয়। সংস্কৃতি হৈছে জাতি বা সমাজএখনৰ সৌন্দৰ্যবোধ, সৃজন-প্ৰতিভা আৰু মানৱতাবোধৰ পৰিচায়ক।

**অপসংস্কৃতি কি ?**

অভিধানত অপ শব্দৰ দুটা অৰ্থ পোৱা যায়। এটা হ'ল অহিত যিটোৱে কাৰো হিত চিন্তা কৰিব নোৱাৰে। আনটো অৰ্থ হ'ল পানী বা জল। ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম এই পঞ্চ ধাতুৰে মানুহৰ দেহ গঠন হৈছে। পানীৰ প্ৰয়োজন সৰ্বত্ৰ। পানীৰ অবিহনে প্ৰাণ ৰক্ষা নপৰে। কিন্তু সেই পানী মিহলালে গাখীৰ ভেজাল হয়। নিচাযুক্ত পানীয় গ্ৰহণ কৰিলে মানুহৰ হিতাহিত জ্ঞান লুপ্ত হয়। নদীৰ পানী বাঢ়ি বানপানীৰ সৃষ্টি হ'লে মানুহৰ অপকাৰ হয় ইত্যাদি। তেনেকৈ সংস্কৃতিৰ লগত অপ যোগ হ'লে গাখীৰৰ দৰে সংস্কৃতিও ভেজাল হয়।

**সংস্কৃতিৰ প্ৰভাৱ ঃ**

সংস্কৃতি হৈছে সমাজৰ দান। সভ্যতা আৰু সংস্কৃতি অঙ্গাঙ্গীভাৱে যুক্ত। পৃথিৱীৰ অন্য দেশৰ সংস্কৃতিৰ লগত ভাৰতীয় সংস্কৃতিৰ কিছু প্ৰভেদ আছে। পাশ্চাত্য দেশবিলাকৰ সভ্যতা আৰু সংস্কৃতি প্ৰধানকৈ বহিৰঙ্গমূলক। বাহ্যিক আচৰণতে সেইটো প্ৰকাশ পায়। কিন্তু ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বহিৰঙ্গ ৰূপ থাকিলেও এটা আন্তৰিক আৰু আধ্যাত্মিক ভাৱ-ৰূপ আছে। সেইটো হ'ল আত্মাক জনাৰ চেষ্টা। এই আত্মিক সাধনাত ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূল সত্য সমন্বয় সাধনত প্ৰকাশ পায়। পৰম সহিষ্ণুতা, চৰম ত্যাগ, আত্মদমন, অহিংসা আৰু কৰুণাই হ'ল ভাৰতীয় সংস্কৃতিৰ মূলকথা। যিটো অন্যান্য দেশসমূহত বৰকৈ দেখা নাযায়। ইউৰোপ আদি কিছুমান দেশত কেৱল ভোগ; কিন্তু ভাৰতত ত্যাগৰ দ্বাৰাহে ভোগ।

**অপসংস্কৃতিৰ প্ৰভাৱ ঃ**

কিছুদিনৰ পৰা পাশ্চাত্য উন্নত দেশবোৰৰ যুৱক-যুৱতীসকলৰ কাৰ্যাৱলী আৰু চিন্তাধাৰাত দুখ লগাকৈ অৱক্ষয় ঘটিছে। তেওঁলোকৰ যেন নিজৰ ওপৰতে আস্থা নাইকিয়া হৈ গৈছে নতুবা অভিভাৱকসকলৰ ওপৰত আস্থা হেৰুৱাই পেলাইছে। ফলত মাদক দ্ৰব্য সেৱন কৰি এটা উচ্ছৃংখল জীৱন যাপন কৰিছে। আনফালে দূৰদৰ্শন আদিত প্ৰদৰ্শিত পাশ্চাত্য দেশবিলাকৰ পোছাক-পৰিচ্ছদ, ৰীতি-নীতি অনুকৰণ কৰি ভাৰতৰ যুৱক-যুৱতীসকলে নিজস্বতা হেৰুৱাই পেলাইছে; ত্যাগৰ আদৰ্শৰ পৰা আঁতৰি আহি ভোগবাদী দৰ্শনৰ প্ৰতি আকৃষ্ট হৈছে।

**অপসংস্কৃতি দূৰীকৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ**

ছাত্ৰ জীৱন হৈছে আহৰণ আৰু সঞ্চয়ৰ জীৱন। এইছোৱা সময়তেই ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰাৰ লগতে নিজস্ব সাংস্কৃতিক চেতনাৰে নিজকে সংস্কৃতিবান ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিব লাগিব। অপসংস্কৃতি দূৰীকৰণত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা অতুলনীয়। কাৰণ এজন ছাত্ৰই ভৱিষ্যত দেশৰ নাগৰিক। গতিকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে জাতীয় জীৱন তথা সমাজ জীৱন কদৰ্য কৰি তুলিব আচৰণ তথা কৰ্মৰপৰা নিজকে আঁতৰাই থৈ আৰু আনকো সজাগ কৰি দি পাবত গজা ৰঘুমলাবোৰ নিশেষ কৰিবলৈ যত্ন কৰা উচিত। কাৰণ অতীতৰ বুকুতে যেনেদৰে বৰ্তমান ঠিক তেনেদৰে বৰ্তমানৰ বুকুতে ভৱিষ্যত লুকাই থাকে।

এখন দেশৰ সৰ্বাঙ্গীন বিকাশৰ বাবে জাতীয় জীৱনৰ অৱদান অপৰিহাৰ্য। সুস্থ সংস্কৃতিয়ে জাতিৰ প্ৰাণ প্ৰবাহক নিৰ্মল আৰু পুষ্ট কৰি তোলে। কিন্তু তাৰ বিকৃতিয়ে বিকাশ অৱৰুদ্ধ কৰে,জাতীয় জীৱন দূষিত কৰে। সেয়েহে জীৱনৰ বিকাশত সুস্থ সংস্কৃতিৰ একান্ত প্ৰয়োজন। ❑

*শিক্ষক এজন মমবাতিৰ দৰে, যি নিজে গলি আনক পোহৰ বিলায় — সুভাসচন্দ্ৰ বসু।*

(গল্প)

# নীৰৱ সাক্ষী



ৰণজিৎ খাৰিয়া
স্নাতক তৃতীয় বৰ্ষ

কাষত বহি যেতিয়া মাকে প্ৰাঞ্জনাৰ লগত ৰং তামাচা কৰে, কথা পাতে, হাঁহে তেতিয়া প্ৰাঞ্জনাৰ বুকুখনে ইচাট-বিচাট কৰে। এক চূড়ান্ত হতাশাত ভোগে তাই। কিবা এটা অনামী যন্ত্ৰণাত তাইৰ ভিতৰখন ধৰ ফৰাই উঠে। মনৰ তাগিদাত তাইৰ কিবা এটা কৰিবলৈ মন যায় কিন্তু অবাঞ্ছিতভাৱে তাই থমকি ৰব লগা হয়। নিমিখতে মনৰ সকলো আশা-ভৰসা শিথিল হৈ পৰে। লগে লগে তাই চকু দুটা মুদি দিয়ে টোপনি অহাৰ মতলবত। কিন্তু লাভ একো নাই। তাইৰ চেষ্টা অথলে যায়।

সামান্য গাটো কাটি কৰি বেৰত ওলমি থকা ঘড়ীটোলৈ চালে তাই। দহ বাজি প্ৰায় পাৰ হওঁ হওঁ। ঘৰৰ প্ৰায়বোৰ মানুহেই ভাত ঘুমটি মাৰিলেই। সাৰে আছে মাথো তাই আৰু মাক। এই পৰতো কোনোবাই নিজৰ ব্যস্ততাৰ মাজতে কক্ বকাই থকাটো তাইৰ বাবে অসহ্যকৰ হৈ পৰিছে। তাইৰ বুকুখন চট্‌ফটাই উঠিছে। ঘড়ীৰ কাঁইটৰ দৰে অনবৰতে ঘূৰি থকা মানুহজনীয়ে সুখ বা আৰাম নামৰ অনুভূতিৰ বিষয়ে যেন একেবাৰে অজ্ঞ। ভাগৰ আৰু জিৰণি তেওঁৰ বাবে আকাশ-পাতাল। পুৱাৰ পৰা ৰাতি দুপৰলৈকে চকৰীৰ দৰে ঘূৰিয়েই তেওঁ অনুভৱ কৰে এক আচুতীয়া আমেজ। দুখ-বেদনাক তেওঁ কাহানিও প্ৰশ্ৰয় দিয়া নাই, সেই কাৰণে সত্তৰ বয়সৰ অনুপাতে তেওঁৰ গাত বাৰ্দ্ধক্যৰ আঁচোৰ অলপ বেছিকৈ অংকুৰিত হৈছে। সদায় পৰৰ আল পইচানত ব্যস্ত থকা মানুহজনীৰ নিজৰ দেহটোৰ যোগ-বিয়োগৰো খিয়াল নাই। কৰ্মই তেওঁৰ একমাত্ৰ ধৰ্ম। সেই কাৰণে ক'তো অকণো খুঁত নথকাকৈ কৰি গৈছে তেওঁৰ কৰণীয়খিনি আৰু কৰিয়েই থাকিব জীৱনৰ অন্তিম পৰলৈকে।

ঘৰখনৰ বাকীবোৰে যেতিয়া ভাত ঘুমতি মাৰে, চকামকা সপোনবোৰ দেখে, সেই পৰতো নিজৰ বন- বাৰিত ডুবি থাকে তেওঁ। ভাগৰে হেঁচি হেঁচি ধৰিলেও তেওঁ পালেঙলৈ যাব নোৱাৰে। কম টোপনিৰ বাবেই যে দুৰ্বল দুৰ্বল লাগে, অনবৰতে হামিয়াই থাকে, সেইটো তেওঁ খুব ভালদৰেই বুজে। কিন্তু অলপ জিৰাই লোৱাৰ তেওঁৰ আজৰি নাই।

কেতিয়াবা ক'ৰবাত তেওঁ উজুতি খাব লগা হয়; দিছো বুলি ভাবি! দুবাৰেই দিলো নেকি! কেতিয়াবা নিমখ অলপ কম, কেতিয়াবা অলপ বেছি হয়। হ'বই বুলি কোনোৱে সহজে নললে তেওঁ দুখ পায়। কিন্তু তেওঁৰ অপ্ৰকাশ্য দুখ কোনোৱেই উমান কৰিব নোৱাৰে। বাকী বোৰৰ আলপইচান ধৰি থাকোতেই পুৱাৰ চাহপানী টুপিও শান্তিৰে খাবলৈ নাপায়। ক'ব নোৱাৰাকৈয়ে তেওঁৰ পানীকণ সদায় চেঁচা হয়। একে শোহাই তেওঁ পি থ'ব এবাতি চেঁচা পানী। খাব লাগে কাৰণে লোকক তপত চাহ খোৱাই নিজে ল'ব লগা হয় চেঁচা চাহৰ সোৱাদ। সেই উশাহ ল'বলৈ উৱাদিহ নোহোৱা সময়খিনিতো আহি ওলায় আলহী-অতিথি, জ্ঞাতি-কুটুম। তেওঁলোকক যাচিব লাগে তামোল-চালি, চাহ-জলপান। উপায় নাই। তাৰ মাজতো দেউতাকে গা-তিয়াই আহি বনিয়নটো বিচাৰি হাহাকাৰখন কৰে। সেইটোও বিচাৰি আনি দিব লাগে। ইটো- সিটো কৰি থাকোতেই দুপৰীয়াৰ সাজৰ বাবে আকৌ পাক ঘৰলৈ ঢাপলি মেলিবলগীয়া হয়। খুব উদ্যমেৰে লাগি যায় ৰন্ধা-বঢ়া কামত। ৰন্ধাৰ পৰত খাওঁতাবোৰৰ বিভিন্ন ভঙ্গীৰ মুখাৱয়বে তেওঁক সঁকিয়াই থাকে কিবা-কিবিবোৰ। কোনোৱে নেখায় জ্বলা, কোনোৱে ভাল পায় অকণমান বেচি জ্বলা। কোনোৱে আলুগুটি ভাল পায়, কোনোৱে নেখায় আলু। কোনোৱে শাকত তিতা কেৰেলা দিলে সাত জাপ মাৰে, কাৰোবাক সাত গোৰ মাৰিলেও উঠা টান। কোনোৱাটোৱে আকৌ মাছত টেঙা দিলেহে ভাল পায়, কোনোৱাটোৱে ভাল পায় মচমচীয়াকৈ ভঁজা ৰঙা ৰঙা মাছ। খোৱাত কাকো নিৰাশ নকৰাৰ মতলবতে তেওঁ হেতাখন লৰাই থাকে আলফুলে, অতি সাৱধানে।

কেতিয়াবা তেওঁ ৰন্ধাৰ কায়দাটো অলপ বেলেগ কৰে। নিজৰ ইচ্ছা মতে কিবা এটা কৰি চাবলৈ মন যায়। তাতে লাগি যায় কেচ কালটো। খোৱাৰ পাতত বহি জক জকাই উঠে গোটেই মখা। ভোৰ ভোৰাই ভোৰভোৰাই খোৱা দেখিলে তেওঁৰ অন্তৰত খুব বেয়াকৈ দুখ লাগে। কিবা দোষী দোষী লাগে নিজকে। তেতিয়াই বিসৰ্জন দিয়ে নিজস্ব কিবা জুতিৰ কথা। খাওঁতাৰ জুতিয়েই তেওঁৰ জুতি। ইয়াত তেওঁৰ কোনো অনুযোগ নাই। নাই কোনো আপত্তি।

দুপৰীয়া ভাত ঘূমতিৰ পৰত তেওঁ ক্ষন্তেক আজৰি পায়। সেই সময়ত আহে তেওঁ নিজৰ কামলৈ, নিজৰ বাবে কিবা এটা কৰিবলৈ। নিজৰ বিষয়ে অলপ চিন্তা কৰিবলৈ। সেই কথাবোৰ চিন্তা কৰিবলৈ বহা তেওঁৰ প্ৰিয় জেগাডোখৰ হ'ল তাঁতৰশাল। য'ত তেওঁ বিচাৰি পায় সৃষ্টিৰ এক আচুতীয়া আমেজ। সৌন্দৰ্যৰ অমল উৎস। নিজৰ ভাবতে ডুবি থাকে তেওঁ এক সুকীয়া মাধুৰ্যত। তেতিয়া তেওঁ সম্পূৰ্ণৰূপে পাহৰি পেলায় তেওঁৰ ওপৰত জপা সকলো লেঠা। আনকি পাহৰি পেলায় তেওঁ প্ৰাঞ্জনাৰ কথা। তাইৰ পৰিচৰ্যাৰ কথা। এই সময়খিনি একান্তই তেওঁৰ নিজৰ সময়। এইখিনি সময়ত কোনোবাই আমনি দিলে তেওঁ হয়তো খুব বেয়া পায়। বৰ আহুকাল পায়। অন্তত এই সময়খিনিত তেওঁ নিজৰ বাবে কিবা এটা ভাবিলৈ আজৰি পায়! কিন্তু এই নিৰিবিলি সময়খিনিতে তেওঁৰ ভাৱত যতি পেলাই দিয়ে প্ৰাঞ্জনাৰ দেউতাক অহাৰ উমানটোৱে। ঘৰ সোমাৱেই থৰ কাছুটিখন হেৰুৱা মানুহটোক অকণমান ৰ'ব বুলি ক'বলৈ তেওঁৰ নেথাকে সাহস। তেওঁৰ শুশ্ৰূষাৰ প্ৰাথমিক প্ৰস্তুতিত অজানিতে ক'ৰবাত কেনা লাগে বুলি তেওঁৰ ল'ৰা- ঢপৰাখন লাগে। উশাহ সলাবলৈও তেওঁৰ তৰণি নোহোৱা হয়। হঠাৎ টান কথা এযাৰ শুনিবলগীয়া হয় বুলি তেওঁ বৰ ভয় খায়। সদায় দেখা মানুহটোকে তেওঁৰ অচিনাকী অচিনাকী লাগে। ভয় কৰিব লগা অচিনাকী মানুহজনে কেতিয়াবা অকণমান কথাতে ভয়ঙ্কৰ কুৰুক্ষেত্ৰৰ সূত্ৰপাত কৰি দিব পাৰে। সেয়ে তেওঁ বৰকৈ ভয় খায়।

সন্ধিয়াৰ আগে আগে আৰম্ভ হয় তেওঁৰ নৈমিত্তিক ৰুটিনখন। বাৰীত এৰাল লগাই থোৱা গৰুকেইটাক টনাটনি কৰি থকা তেওঁৰ অৱস্থাটো দেখিলে হাঁহি চেপি ৰাখিব নোৱাৰা হয়। গৰুকেইটাক গোহালিত পঘা লগোৱাৰ পাছত, হাঁহ-কুকুৰাকেইটা গোটাই আনি গৰালত ভৰাই থয়। ছাগলীকেইজনী চপাই আনে। গাহৰিটোক এক চৰিয়া দানা সানি দিয়ে। উধৰ পৰা মূধলৈ চোতালখন সাৰে। ফুৱাই ফুৱাই জাকটো জ্বলায়। গোহালিত সোমাই গৰুকেইটাক গাত হাত ফুৰাই ফুৰাই কিবা-কিবিবোৰ কৈ থাকে সিহঁতক; বুজক নুবুজক বৰ আপোন কাৰোবাক কৈ থকাৰ দৰে।

বাকীবোৰ যেতিয়া নিজ নিজ পালেঙলৈ যায়, তেতিয়াও তেওঁৰ বহুত বাকী থাকে। তেওঁ পাক ঘৰটো অঁটাই, বাচনবোৰ ধুই-পখালি সামৰি থয়। মাজে মাজে তেওঁ পিছদিনাৰ কথা ভাবি ভাবি দুই-এটা কাম আগুৱাই ৰাখে। সামৰণিত তেওঁ যায় প্ৰাঞ্জনাৰ ওচৰলৈ। প্ৰাঞ্জনাৰ লগত ব্যস্ত হৈ থকা সময়কণত, তেওঁ বেচ হাঁহি-তামাচা কৰি কথা পতা মানুহ যেন লাগে। কিন্তু এগৰাকী মাতৃৰ অন্তৰৰ ভাৱ অনুমান কৰাটো সহজ নহয়। প্ৰাঞ্জনাৰ প্ৰতি থকা তেওঁৰ কৰণীয়খিনি খুব নিখুঁত ভাৱে সামৰি তেৰোঁ বিচনাত পৰি দিয়ে চিটখাই; কিবা এটা সুখৰ আবেশত। টোপনি অহা ঠিক ৃাগে আগে আটাইবোৰৰ শোৱনি কোঠাবোৰ তদন্ত কৰি আহে। কাৰোবাৰ আঠুৱাখন ঠিক কৰি আহে, কাৰোবাৰ কোঠাত জ্বলি থকা লেম্পটো নুমোৱাই থৈ আহে। বিচনাত পৰাৰ অলপ পাছতে তেওঁৰ মনটো খু-দুৱাই থাকে। পিছ দুৱাৰখনৰ সম্পৰ্কত নিশ্চিত হ'ব নোৱাৰে তেওঁ। এলেহুৱা ভাৱ এটাৰে আকৌ এবাৰ দুৱাৰখন চাই আহে তেওঁ।

গাঁৱৰ বিয়াই-সভাই, সকামে-নিকামে তেওঁ নোযোৱাকৈ নাথাকে। গাঁওখনত নতুন জোঁৱাই এটা আহিলে, ন-ছোৱালী এজনী আহিলে, টৌতে খৰ মাৰি তেওঁ এপাক গৈ আহে। তেওঁৰ মনত এটা ৰমৰমীয়া ভাৱ অনুভৱ হয়। এই বিলাকলৈ ওলাই আহিলে তেওঁৰ মনটো বৰ মুকলি মুকলি লাগে।

কাৰোবাৰ দৌৰি ফুৰা ছোৱালীজনীয়ে গাত চাদৰ লোৱাৰ খবৰটোৱে তেওঁৰ মনত বৰকৈ আঘাত দিয়ে। মাতৃত্বৰ অন্তৰৰ পৰম গৌৰৱ নিমিখতে চুৰমাৰ হৈ যায়। তেওঁৰ বুকুখনত কিবা এটাই চেপি চেপি কাহানিবাৰে পৰা তেওঁ আলফুলে সাঁচি সামৰি যোৱা বহু আশা-অভিলাষ, কিছুমানৰ স্বপ্ন ভংগৰ এক অনামী বেথাই তেওঁক কাতৰ কৰি দিয়ে। বৰ কাতৰ কৰি দিয়ে তেওঁক। বৰ দুখ দিয়ে তেওঁক। অজলা সপোন কিছুমানৰ অৰ্থহীনতাত তেওঁৰ নিজলৈ বৰ বেজাৰ লাগে। নামহীন শূন্যতাৰ আৱেশেৰে তেওঁৰ বুকুখন ভৰি পৰে। এই শূন্য উদাস ভাৱটোৱে তেওঁৰ জীৱনটোক কিবা বৈচিত্ৰ্যহীন কৰি পেলায়। এগৰাকী মাতৃৰ পৰম আকাংক্ষিত কল্পনা-জল্পনাবোৰ হঠাতে পোলোকা মাৰে। তেওঁ সম্পূৰ্ণভাৱে একান্ত একপক্ষীয় হৈ যায়। নিজৰ একমাত্ৰ কন্যা সন্তান প্ৰাঞ্জনাৰ কথাকে ভাবি থাকে। যাক কেঁচুৱাৰ পৰা যোল্ল বছৰেই হাতত ধৰি ধৰি খোজ কঢ়াব লাগে। হাতত ধৰি ধৰি বাহিৰ-ভিতৰ কৰিব লাগে। ভাৱবোৰে তেওঁৰ বাক্‌ৰোধ কৰি পেলায়। কিন্তু তেওঁ ধৈৰ্য নামৰ অনুভূতিটো চিনি পায় বাৰুকৈ। তেওঁ কাকো দুখ নিদিয়ে। হয়তো এয়া তেওঁৰ ভাগ্যৰ পৰিণাম। হয়তো এইবোৰ তেওঁৰ কৰ্ম ফলো হ'ব পাৰে। যেনে কৰ্ম তেনে ফল ভোগ কৰিবই লাগিব। ভাগ্যৰ বিপক্ষে মাত মতাৰ কাৰো সাহস নাই। তেওঁ নিজকে সান্ত্বনা দিয়ে কিন্তু অন্তৰৰ দুখক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে।

প্ৰাঞ্জনাৰ খুব বেয়া লাগে। বেয়া লাগে তাইক মাকৰ অৱস্থা দেখি। তেওঁৰ অন্তৰৰ বিষাদবোৰে তাইৰো অন্তৰখন চেদেলি-ভেদেলি কৰি দিয়ে। মাকৰ সমান নহ'লেও, তাইৰো এখন অন্তৰ আছে। দুখ-সুখ অনুভৱ কৰিব পৰা। মাকৰ ওচৰত তাইৰ বশ্যতা স্বীকাৰ কৰিবলৈ খুব মন যায়। কিন্তু তাইৰ জানো কিবা দোষ আছে! থাকিব পাৰে জানো! কি বুলি মাকক সান্ত্বনা দিয়ে তাই। সম্ভৱ জানো? জৰুৰী জানো? এয়া যে নিয়তিৰ লীলা। সকলো সন্তানৰ আঁৰতে লুকাই থাকে মাক-বাপেকৰ অবৰ্ণীয় অপ্ৰকাশ্য আশা-ভৰসা। ই অমুক হ'ব। এই তমুক হ'ব। কিন্তু কেইজনৰ সেই আশা-অভিলাষ বাস্তবায়িত হয়। কেইজনে সেই সুদূৰৰ উজ্জ্বল দীপৰ কাষ চাপিব পাৰে। বহুতৰ হয়তো স্বপ্নবোৰ স্বপ্ন হৈয়ে ৰয়। কল্পনা-অভিলাষবোৰ অভিশাপ হৈহে কাষ চাপি আহে। সন্মুখৰ বাস্তৱবোৰ ধূঁৱলি-কুঁৱলি যেন হৈ পৰে। বুকুৰ আশা বুকুতে উৰলি যায়।

প্ৰাঞ্জনা মাকৰ কৃত্ৰিমতা দেখি আচৰিত হয়। তেওঁ যেন সেইবোৰৰ ব্যতিক্ৰম। কাৰো আগত প্ৰকাশ নকৰে, তেৰোঁ যে 'দুখ' নামৰ কিবা এটা অনুভূতি কঢ়িয়াই ফুৰিছে; সেই গোপনীয়তাক, কৃত্ৰিমতাক তাই কিন্তু খুব ভালদৰে উমান কৰিব পাৰে। বুকুৰ ভিতৰত এহোপা দুখ-বেদনা দমাই থোৱা মাকক অনবৰতে উৎফুল্লিত দেখি, প্ৰাঞ্জনাই উচুপি উঠে নীৰৱে। অতি নীৰৱে কোনোৱেই নেদেখাকৈ। হয়! উপায় কি? তাই যে নিমিত্ত মাথোন। কিবা কৰোঁ বুলি ক'লে একো কৰিব নোৱাৰে তাই। সেই সুবিধা যে তাই লগত লৈ অহা নাই। ভগৱানে তাইক সম্পূৰ্ণৰূপত পঠিওৱা নাই। তাই যে এটা আধৰুৱা জীৱন। তাই যে জন্মতে পংগু। নীৰৱ সাক্ষী হৈ ৰোৱাৰ বাদে তাই কৰিব কি! □




হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী ঃ ১৫ সংখ্যা ঃ ২০০২-২০০৩ বৰ্ষ

# ঘৰ-সংসাৰ

বিপ্লৱ দত্ত
স্নাতক প্ৰথম বৰ্ষ

ক্ষেত্ৰ কমলৰ একমাত্ৰ সমল কৃষি। বৰপুত্ৰ অনন্ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ। একমাত্ৰ কন্যা পূজা উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী আৰু সৰু পুত্ৰ দিগন্ত হাইস্কুল শিক্ষান্ত বৰ্ষৰ ছাত্ৰ। সাদৰি পৰিকাৰ মালতীৰ সহযোগত ক্ষেত্ৰকমলে ঘৰখনৰ কতো যতি নপৰাকৈ চলায় নিছে।

বছৰটোৰ নিয়মীয়া কেওটা খেতিয়েই ক্ষেত্ৰকমলে নিয়াৰিকৈ কৰে। কৃষি-মাটি সীমিত। তথাপিও উন্নত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰি ক্ষেত্ৰকমলে অঞ্চলটোৰে এজন আগশাৰীৰ খেতিয়ক হিচাপে প্ৰতিষ্ঠিত হৈছে। কেতিয়াবা ৰেডিঅ', দূৰদৰ্শনৰ পৰা মানুহ আহি সাক্ষাৎকাৰ লয়। প্ৰকাশৰ আশ্বাস দিয়ে। এবাৰ সন্ধিয়া দূৰদৰ্শনত গিৰিয়েকৰ প্ৰগ্ৰেম দেখি আনন্দত মালতীয়ে কাক কওঁ কাক নকওঁ কৰি থাকোতেই ক্ষেত্ৰকমলে পথাৰত কঠিয়াভাৰ পেলায় আহি ভিতৰত সোমাইছিল। দিগন্ত পঢ়াত ব্যস্ত আছিল আৰু পূজা পাকঘৰত কাম কৰি আছিল।



মালতীয়ে আনন্দতে গিৰিয়েকক সাবট মাৰি ধৰাত অবাক হৈ ক্ষেত্ৰকমলে চেপা মাতেৰে ক'লে ছেঃ কি কৰাহে, বোকায় পানীয়ে আহিছো এৰা এৰা। সিহঁতশালে দেখিলে কি ভাবিব বাৰো? ল'ৰা-ছোৱালী ডাঙৰ হ'ল ------।

পাছত ক্ষেত্ৰকমলে দূৰদৰ্শনৰ প্ৰগ্ৰেমৰ কথা জানিব পাৰি ৰান্ধনী ঘৰত ঘৈনীয়েকৰ লগত কেনে হ'ল নহ'ল ইত্যাদি কথা পাতি পাতি ভাত খালে। খোৱা বোৱাৰ পিছত সকলো বিছনাত পৰিল।

মাজৰাতি দুৱাৰত কোনোবাই টুকুৰিওৱা শুনি মালতীয়ে গিৰিয়েকক জগালে। দুৱাৰ খুলাৰ লগে লগে তিনিজন যুৱক সোমাই আহিল। তেওঁলোকে ৰাতিৰ বাকী সময়ছোৱা তাত আশ্ৰয় লব বুলি কোৱাত ক্ষেত্ৰকমলে নিৰাশ্ৰয়ক আশ্ৰয় দিব লাগে বুলিয়ে থাকিবলৈ কৈ তেওঁলোকৰ চমু পৰিচয় লয়। তেওঁলোকক ক্ষেত্ৰকমলে কিন্তু সন্দেহৰ চকুৰে চালে। যাবৰ পৰত সিহঁতক তেওঁ ক'লে তোমালোকৰ এজনক মোৰ চিনাকী চিনাকী লাগিছে। কিন্তু তোমালোকে যি পৰিচয় দিছা সি মোৰ চিন্তাত আউল লগাইছে। কিন্তু ------ বাৰু যেই কি নহওক তোমালোকে যে নিষিদ্ধ সংগঠনৰ সদস্য এই কথা মই ধৰিব পাৰিছো। এইদৰে ৰাতিখন আহি আমনি নকৰিবা। কাৰণ আন্ধাৰত অহা ব্যক্তিজন নিজৰ সন্তান হ'লেও সন্দেহ কৰিবলৈ অৱকাশ থাকে। বৰঞ্চ দিনে পোহৰে আহিবা সকলোৰে দেখাকৈ।

ল'ৰাকেইজন গ'লগৈ। আৰু তাৰ থিক দুদিনমানৰ পাছত ক্ষেত্ৰকমলৰ ঘৰখনত হাহাঁকাৰ লাগিল। হালখন লৈ পথাৰলৈ যাবলৈ ওলোৱা ক্ষেত্ৰকমলক ৫০-৬০ জনমান পখৰা-পখৰি গছ পাতৰ ৰঙৰ পোছাক পিন্ধা বন্দুক ধাৰীয়ে কাকো সোধ-পোছ নকৰাকৈ ধৰি লৈ যায়। মালতীয়ে কান্দি-কাতি বাউলি হৈ মানুহটোক এৰি দিবলৈ খাতিলে যদিও কামত নাহিল। মানুহটোৰ তিনিদিন কোনো খা-খবৰ নাই। ঘৰখনলৈ অমাৱস্যাৰ ঘোৰ অন্ধকাৰ নামি আহিল। বাপেকৰ অপহৰণৰ খবৰ পাই বিশ্ববিদ্যালয়ৰ পৰা অনন্তও আহিল। খা-খবৰ কৰি সি যাবতীয় কাম-কাজ কৰি দেউতাকক সেনা আৰু আৰক্ষীৰ হাতৰ পৰা মুকলি কৰি আনিলে। তেওঁৰ অপৰাধ মাত্ৰ উগ্ৰবাদীক আশ্ৰয় দিয়া। অৱশ্যে কথাটো মিছাও নহয়। ক্ষেত্ৰকমলে সকলো বিৱৰি ক'লে, তথাপিও তেওঁক বৰ বেয়াকৈ মাৰধৰ কৰিলে। ক্ষেত্ৰকমলে খেতিত হাত দিব নোৱাৰা হ'ল। কিছুদিন class খতি কৰি অনন্তই খেতিটো উঠাই থৈ গ'ল। লাহে লাহে ক্ষেত্ৰকমলে কাম কৰিব পৰা হ'ল যদিও আগৰ বল বুকু নাইকিয়া হ'ল।

আনফালে অনন্তই সুখ্যাতিৰে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈ চাকৰিৰ সন্ধানত দিন কতাবলৈ ধৰিলে। দিগন্ত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ৰ ছাত্ৰ হ'ল। ঘৰৰ কামত হাত দিব পৰা হ'ল। সি দেউতাকৰ বৃত্তিটো জীয়াই ৰাখিবলৈ মনে প্ৰাণে প্ৰয়াস কৰিলে।

ক্ষেত্ৰকমলৰ একমাত্ৰ জীয়েক পূজা উচ্চতৰ মাধ্যমিক সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে এদিন ঘৰতে আটায়ে গধূলি ভালকৈ এসাজ খাবলৈ যো-জা কৰিলে। ওচৰৰ দুই এঘৰ মানুহো মাতিলে। সেই ৰাতিটো ক্ষেত্ৰকমলৰ ঘৰখনৰ বাবে কালৰাত্ৰি আছিল। সকলো খাই বৈ ঘৰা ঘৰি যোৱাৰ পিছত ৰাতি ১১ মান বজাত পখৰা পখৰি পোছাক পিন্ধা ১২ জনমান যুৱক ক্ষেত্ৰকমলৰ ঘৰৰ দুৱাৰ ভাঙি ভিতৰত সোমায়। তেওঁলোকৰ প্ৰত্যেকৰে হাতত অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ আছিল। ঘৰৰ সকলোকে এটা কোঠাত ৰচিৰে বান্ধি ক্ষেত্ৰকমলৰ জীয়েক পূজাক ধৰিলৈ যায়। পূজাক ধৰি নিয়াৰ তিনিদিন মানৰ পাছত তাইৰ মৃতদেহ ক্ষেত্ৰকমলৰ গাৱঁৰ কাষেৰে যোৱা এখন নদীৰ বালিচৰত পোৱা গ'ল। ইতিমধ্যে গেলিবলৈ আৰম্ভ কৰা পূজাৰ মৃত্যদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জিলালৈ প্ৰেৰণ কৰা হ'ল। তিনিদিন মানৰ পাছত পূজাৰ মৃতদেহ আৰক্ষীয়ে ক্ষেত্ৰকমলৰ ঘৰত পেলায় থৈ যায়হি।



ইতিমধ্যে পঞ্চাছ শতাংশ গেলি যোৱা মৃতদেহটোৰ উৎকট গোন্ধে সমস্ত গাঁওখন ছানি ধৰে। আধা গেলি যোৱা পূজাৰ দেহটো গাঁৱৰ মানুহে চিতাত তুলিবলৈ অস্বীকাৰ কৰাত ক্ষেত্ৰকমলে দুই পুত্ৰৰ সৈতে হিন্দু নিয়ম ভংগ কৰি বাৰিৰ পিছফালে এটা ডাঙৰ গাত খান্দি পুতি থয়। এই খবৰ গাঁৱৰ মানুহে জানিব পাৰি ক্ষেত্ৰকমলক এঘৰীয়া কৰে। মালতীয়ে কান্দি-কাতি ৰাইজক ক্ষমা বিচাৰে যদিও এনে পাপৰ কোনো ক্ষমা নাই বুলি গাঁওবুঢ়াই মালতীক নানা ধৰণৰ তিৰস্কাৰ কৰে।

এই ঘটনাবিলাকৰ কিছুদিনৰ পাছত অনন্তই এটা ডাঙৰ কোম্পানীত সংস্থাপন পাই বাহিৰলৈ প্ৰশিক্ষণৰ বাবে ওলাই গৈছিল। কিন্তু নিয়তীৰ কি নিষ্ঠুৰ পৰিহাস; এক মটৰ দুৰ্ঘটনাত অনন্তৰ মৃত্যু হয়। ইতিমধ্যে মানসিকভাৱে ভাগি পৰা ক্ষেত্ৰকমলে এই খবৰ পাই শিলপৰা কপৌৰ দৰে হ'ল। ঘৰৰ যাবতীয় খৰছ, দিগন্তৰ পঢ়া খৰছ আদিয়ে তেওঁক জুৰুলা কৰিলে। মালতীৰ চুলিকোচাত বেছিকৈ বাৰ্ধক্যৰ ৰং ধৰিলে।

দিগন্ত চিন্তিত হ'ল। ঘৰখনৰ অৱস্থা দেখি তাৰ উঠি অহা ডেকা মন চমকি গ'ল। এদিন সি পঢ়া শুনা সাং কৰি ঘৰুৱা কামত লাগিল।

সময়ৰ কোবাল গতিত ক্ষেত্ৰকমলৰ ঘৰখনত এক আচহুৱা পৰিৱেশৰ সৃষ্টি হ'ল। দিগন্তৰ লগৰ বুলি দলে দলে যুৱকৰ সমাৱেশ ঘটিল ক্ষেত্ৰকমলৰ ঘৰত। সেনা-আৰক্ষীৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গ'ল। ক্ষেত্ৰকমলো বুঢ়া হ'ল। মানসিক চিন্তা, শাৰীৰিক নিৰ্যাতনৰ বলি হৈ ক্ষেত্ৰকমলে এদিন নিজৰ আপোন পৃথিৱীখনৰ পৰা চিৰ বিদায় মাগিলে। আনফালে দিগন্তও অন্তৰ্ধান হ'ল।

জৰাজীৰ্ণ ঘৰটোত মালতীয়ে অকলশৰীয়া হৈ নিষ্ঠুৰ নিয়তীৰ নিৰ্মম অত্যাচাৰত মৃত্যুৰ ক্ষণ গণি থাকিল।। □

---

## মিচিং লোকগীত

"গন্মুৰ পঃল আদাক্‌কুবং কাজে মিচিঙা,
তাক্‌তগ ঔচাৰ চাদাৰক্‌কুবং মিচিঙা,
দুঃদাং আপ্‌পুন পুন্‌কুবং মিচিঙা,
চয়উ পীত্তাং কাবদুংকুবং মিচিঙা,
কাজে কাজে কাজে কাজে মিচিঙা।"

ভাবাৰ্থ ঃ ফাগুন মাহ আহি পালেহি, পচোৱা বতাহ বলিছে,
কপৌফুল ফুলিছে, কুলি চৰাই বিনাইছে, — ব'লা মিচিং ৰাইজ,
আলি আঃয়ে বিহু মাৰোঁগৈ ব'লা।

উৎস গ্ৰন্থ ঃ অসমীয়া লোক-সাহিত্য,
সম্পাদনা ঃ ড° প্ৰফুল্লদকুমাৰ বৰুৱা

# সংগীতা, আশা আৰু ......

নৱজ্যোতি দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সময় গৈ গৈ বেলি ডুবাৰ মুহূৰ্ত আহি পালেহি। এই সময়খিনিতে চাগে ভগৱানে নৰসিংহ ৰূপধৰি হিৰণ্য কশিপুক বধ কৰিছিল। সংগীতাৰ মনটো উত্তাৱল হৈ পৰিল। তাই তেতিয়া অলপো পলম নকৰি ঠিকাদাৰ চলিহাৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ বুলি বাট ললে। চলিহাৰ ঘৰত তাই কাম কৰে। অলপ সহায় বিচাৰি তাই আজি চলিহাৰ ঘৰলৈ গৈছিল।

ঘৰৰ কিছু দূৰৰ পৰা তাই সিহঁতৰ ঘৰৰ চোতালত বহুতো মানুহ চাকি লেম্প আদি লৈ গোট খোৱা দেখিবলৈ পালে। তাইৰ দেহত ক্ষন্তেকতে এক বিজুলি প্ৰবাহ চালিত হ'ল। তাইৰ মনত নানান চিন্তা আহি একগোট হ'ল। তাই তেনেকৈয়ে আহি আহি সিহঁতৰ ঘৰৰ পদূলি মুখ পালেহি কিন্তু তেতিয়ালৈ তাই একো উৱাদিহ পোৱা নাছিল। হঠাৎ সেই মানুহজাকৰ কোনোবা এজনে কোৱা শুনিবলৈ পালে — "হে'ৰা বুবুল, কেনেকৈনো ইয়াৰ এই অৱস্থা হ'ল?"

কাৰণো কি অৱস্থা হোৱাৰ কথা ক'বলৈ ধৰিছে তেতিয়ালৈ সংগীতাই একো জনাই নাছিল। তেতিয়া আন এজনে ক'লে,

"আজি ইয়াৰপৰা চহৰ অভিমুখে যোৱা গাড়ীখনত সন্ত্ৰাসবাদীয়ে বোমা ফুটোৱাত ২৪ জনৰ মৃত্যু হোৱাৰ কথা শুনিবলৈ পাইছিলো। সেই গাড়ীত ইও এজন যাত্ৰী আছিল। হায়, এতিয়া বিধবা মাকজনীৰ কি অৱস্থা হ'ব! ইয়েই তাইৰ একমাত্ৰ সম্বল আছিল। তাকো আজি বিধতাই তাইৰ বুকুৰ মাজৰপৰা কাঢ়িলৈ গ'ল।"

তেতিয়াহে তাইৰ গাত চেতনা আহিল। তাই নিজৰ কাণকে বিশ্বাস কৰিব নোৱৰা হ'ল। পদুলি মুখৰপৰাই তাই চিঞৰ মাৰি মানুহৰ মাজেৰে দৌৰি চোতালৰ মাজত থোৱা অসীমৰ মৃতদেহৰ সন্মুখত বৈ গ'ল। তাই কান্দিব নোৱৰা হৈ গ'ল।

গাঁৱৰে ওচৰৰ দুই এজনী তিৰোতাই তাইক তাৰ পৰা আঁতৰাই নিবলৈ যত্ন কৰিলে।

কেৱল অসীমৰ বাহিৰে সংগীতাৰ আপোন বুলিবলৈ আৰু কোনো নাই। এটা সৰু জুপুৰী ঘৰ। এজাক বৰষুণ দিলে চালখনৰ দুই এঠাইৰপৰা পানী বাগৰি আহি মজিয়াখন বোকাময় কৰি তোলে। বেৰবোৰো তেনেই অৱস্থা নাইকিয়া। জাৰৰ দিনত বেৰৰ ফাকেৰে বতাহ হো-হোকৈ সোমাই আহে। তাতেই বহু কষ্ট কৰি দুয়োটা প্ৰাণী কোনোমতে জীয়াই আছিল। লোকৰ ঘৰৰ চুৰা-পাতনি পেলাই বহু কষ্ট কৰি বিধবা মাকজনীয়ে অসীমক পঢ়াই শুনাই স্নাতকোত্তৰ ডিগ্ৰীটো লোৱাত সম্বল জোগাইছিল। তাই সকলো দুখ মূৰ পাতি লৈছিল একমাত্ৰ অসীমৰ বাবে। অসীমৰ মাজতেই তাই সুখৰ চানেকি দেখিবলৈ পাইছিল। সি এদিন চাকৰি কৰিব আৰু তেতিয়া তাই তেনেকৈ লোকৰ ঘৰত কাম কৰিব নালাগিব।

আজিলৈকে অসীমে চাকৰিৰ বাবে বহুতো ইণ্টাৰভিউ দিছে আৰু ভালো হৈছে। কিন্তু চাকৰি সি নাপায়, পাই অইন কোনো ধনীৰ ল'ৰা বা ছোৱালীয়ে। আজিৰ এই যুগত ভেটি নিদিয়াকৈ কোনোবাই চাকৰি জানো পাইছে। এইবোৰ কথাকৈয়ে কেতিয়াবা মাকৰ আগত সি সৰু



ল'ৰাৰ দৰে কান্দে। তাৰ নিজৰ ওপৰতেই ধিক্কাৰ জন্মে। সি থকাতে জানো মাকে অইনৰ ঘৰত কাম কৰিব লাগে!

সি আজিও লাভ নোহোৱা এটা ইণ্টাৰভিউ দিবলৈ চহৰলৈ গৈছিল। মাক সংগীতাই চলিহাৰ ঘৰলৈ গৈছিল অলপ সহায় বিচাৰি। ঘৰত চাউল-পাত একো নাই। চহৰৰপৰা ইণ্টাৰভিউ দি আহি ৰাতি লঘোনে-ভোকে থাকিবনে! সেয়ে সংগীতাহ গধূলিৰ সাজটো যোগাৰ কৰিবৰ বাবেই চলিহাৰ ঘৰলৈ গৈছিল।

ওচৰ-চুবুৰীয়া তিৰুতাবিলাকে সংগীতাক আঁতৰাই নিবলৈ চেষ্টা কৰিলে যদিও কিন্তু আঁতৰাই নিব নোৱাৰিল। তাই অসীমৰ কাষত বহি অদ্ভুত ধৰণে হাঁহিবলৈ ধৰিলে। সংগীতাইযে মানসিক ভাৰসাম্য হেৰুৱাই পেলালে সেই কথা চোতালত গোটখোৱা সকলোৱে বুজিলে পালে। তিৰোতাকেইজনীয়ে অৱশেষত তাইক তাৰ পৰা আঁতৰাই লৈ গ'ল। কিন্তু তাইৰ হাঁহি কোনেও ৰোধ কৰিব নোৱাৰিলে। তাই তাইৰ বুকুত, কপালত আচুৰি আচুৰি মাথোন হাঁহি গ'ল। কেৱল হাঁহি আৰু হাঁহি! এক অন্তহীন হাঁহি..........!!

কালিলৈ হয়তো তাই ৰাস্তাৰ কাষত মৰি পৰি থকা কুকুৰ পোৱালিএটাকে মৰমেৰে বুকুত সাবটিলৈ ক'ব,"অসীম, তোৰ কি হৈছে হোঁ! চাচোন চা, তোলৈ মই কি আনিছো চা....!

সংগীতাক দেখিলে কোনে বুজিব সন্ত্ৰাসবাদেযে তাইৰ দৰে আৰু কিমানৰ জীৱনলৈ আন্ধাৰ নমাই আনিছে। ❑





# এক মিঠা অনুভূতি

সন্ধ্যা গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

পৃথিৱীত এতিয়া জোনৰ আগমন। এতিয়া নাই এই পৃথিৱীত দিনৰ ব্যস্ততা। দিনত ব্যস্ত সকলো প্ৰাণীয়েই এতিয়া নিদ্ৰাদেৱীৰ কোলাত। চাৰিওফালে মাথো নিস্তব্ধতা। অ'ত ত'ত দুই এটা ভতুৱা কুকুৰৰ ভোক ভোকনিৰ বাদে একো নাই।

বাস্তৱে হাতত পিন্ধি থকা ঘড়ীটোলৈ চালে। ৰাতি এক বাজিছে। অলপ আগলৈকে হুলস্থুলীয়া পৰিবেশ সৃষ্টি কৰি থকা কোঠাটো এতিয়া সম্পূৰ্ণ স্তব্ধ। মদৰ নিচাত পংকজ আৰু দিবাকৰ শুই পৰিছে বিচনাত। বহি আছে মাথো বাস্তৱ আৰু শংকৰ। বাস্তৱে শেষৰ পেগটো পেটৰ ভিতৰলৈ থেলি দি টেবুলৰ ওপৰত থকা চিগাৰেটৰ পেকেটটোৰ পৰা চিগাৰেট এটা তাৰ ওঠত গুজি দি অগ্নি সংযোগ কৰি ক'লে, 'শংকৰ মই যাওঁ।' 'আৰে ইমান ৰাতি নালাগে যাব শুই থাক' শংকৰে ক'লে। কিন্তু শংকৰে জানে বাস্তৱে যাওঁ বুলি ক'লে যেতিয়া আৰু নৰয়। আগতেও সি তেনেদৰে গৈছে। তাৰ এইটো অভ্যাস। যিটো কৰো বুলি কয় সি কৰেই। গতিকে তাক অলপ আগবঢ়াই দিওঁ বুলি ভাবি সি বহাৰ পৰা উঠি ক'লে,'ব'ল তোক আগবঢ়াই দিওঁ।' 'নাই নালাগে, তোৰ খোজৰে থৰ নাই শুই থাক। মই পাৰিম।' এই বুলিকৈ বাস্তৱে পকী ৰাস্তাটোত উঠি ঘৰলৈ বুলি খোজ ললে। পৃথিৱীত সুন্দৰ জোনাক। বাস্তৱৰ জোনাক ভাল লাগে। সঁচাকৈ জোনৰ কি বিচিত্ৰ ৰূপ। নিৰ্জনতাত ডুবগৈ থকা পৃথিৱীক এক বিচিত্ৰ ৰূপত সজাই তুলিছে জোনাকে। কিন্তু কিমান দিনলৈ থাকিব এই জোনাক! অমাৱস্যাৰ ঘোৰ অন্ধকাৰ এই পৃথিৱীলৈ হয়তো আকৌ আহিব। তাৰ জীৱনটোক বেদনাৰে গ্ৰাস কৰাৰ দৰে পৃথিৱীকো গ্ৰাস কৰিব অন্ধকাৰে। তেতিয়াই হেৰাই যাব পৃথিৱীৰ এই বৈচিত্ৰ্য, এই সুন্দৰ্য। ঠিক তাৰ জীৱনৰ সকলো আশা-কল্পনা হেৰাই যোৱাৰ দৰে! কথাষাৰ মনলৈ অহাৰ লগে লগে বাস্তৱৰ মনটো সেমেকি উঠিল। সি বহি পৰিল ঘৰৰ আগত থকা সেই পুলটোৰ ওপৰত। যিটো পুলৰ ওপৰত বহি সি আগতে জোনৰ পোহৰত কবিতা লিখিছিল। প্ৰেমৰ কবিতা। হায়! হায়! তাৰ দুখেৰে ভৰা জীৱনটোত নতুন আশাৰ, নতুন কল্পনাৰ ৰেঙনি সিঁচি দিছিল সেই সংগীতাই। সংগীতাৰ মৰমতে আপ্লুত হৈ সি কবিতা লিখিছিল। কিন্তু ভবা নাছিল তাৰ সকলো আশা-কল্পনা নিমিষতে চাৰখাৰ হৈ যাব বুলি। সংগীতাই কৰা প্ৰতাৰণা তাৰ বাবে হৈ পৰিল এজাক অভিশপ্ত কাল ধুমুহা আৰু সেই ধুমুহাই তাৰ জীৱনৰ মুখচটোকে উৰুৱাই লৈ গ'ল। বেদনাৰে ভৰা তাৰ হৃদয়খনত যেন কিহবাই খোচা-বিন্ধা কৰিবলৈ ধৰিলে। সি উচুপি উঠিল। সংগীতাই দিয়া সকলো মৰম-স্নেহ তাৰ চকুৰ আগত ভাহি উঠিল। কিন্তু সেই মৰম-স্নেহত সি প্ৰেমহে অন্তৰ্নিহিত হৈ থকা বিচাৰি পালে। সংগীতাই কোৱাৰ দৰে ভ্ৰাতৃ সুলভ মৰম-স্নেহ ক'তো বিচাৰি নাপালে। তেন্তে সংগীতাই তাক কিয় মিচাই ককায়েকৰ দৰে ভবা বুলি ক'লে! কিয় তাক প্ৰতাৰণা কৰিলে! সি বুজিলে তাৰ ভুল হোৱা নাই, সি ঠিকেই বুজিছে। সংগীতাই ভয় কৰে দৰিদ্ৰতাক। সি দৰিদ্ৰ। সি জানে, সি বুজে ছোৱালীবোৰ মহা স্বাৰ্থপৰ। স্বাৰ্থ ৰাখিহে সিহঁতে কাৰোবাক ভাল পায়। সেই কাৰণেই সি কোনো ছোৱালীৰ প্ৰেমত পৰা নাছিল। কিন্তু সংগীতাক সি সেই ছোৱালীবোৰতকৈ সম্পূৰ্ণ পৃথক বুলি ভাবিছিল আৰু সেইটোৱেই তাৰ জীৱনত আটাইতকৈ ডাঙৰ ভুল হৈছিল। সংগীতাও আন ছোৱালীবোৰৰ দৰে স্বাৰ্থলোভী, নহ'লেনো তাই ধনী ব্যৱসায়ী সৰ্বেশ্বৰ গগৈৰ একমাত্ৰ পুত্ৰ পলাশ গগৈৰ প্ৰেমত পৰেনে? যিদিনা সংগীতাক সি তাৰ কবিতাৰ ভাষাৰে ভালপোৱাৰ প্ৰস্তাৱ দিছিল, সেই দিনাৰ পৰাই সংগীতা হৈ পৰিছিল মাতবোল কৰিব নোৱাৰা এক বোবা ছোৱালী। এক অসহ্য বেদনা বুকুত সাবটিলৈ সিওঁ আঁতৰি আহিছিল। আঁতৰি অহাৰ বাদে তাৰ আৰু কোনো উপায় নাছিল। কাৰণ সংগীতাই তেতিয়া পলাশৰ লগত প্ৰেম সাগৰত আশাৰ নাও মেলি দি ভাহি ফুৰিছিল। সংগীতাই তাক প্ৰতাৰণা কৰাৰ দিনা সি বিচনাত পৰি মাথো কান্দিছিল। সেইদিনা অতীতৰ বেদনাৰে ভৰা স্মৃতিবোৰ টুকুৰা-টুকুৰ হৈ তাৰ মানসপটত ভাহি উঠিছিল।

সি চতুৰ্থ শ্ৰেণীত থাকোতেই তাৰ দেউতাক ঢুকাইছিল। দৰিদ্ৰ হোৱাৰ বাবে ডাঙৰ পুতেক হৈয়ো সি তাৰ দেউতাকৰ মৃতদেহত মুখাগ্নি কৰিবলৈ পোৱা নাছিল। কাৰণ টকাৰ অভাৱত মেডিকেলতেই তাৰ দেউতাকৰ মৃতদেহ পৰি থাকিল। দেউতাকৰ ফালৰ কোনো আপোন মানুহ নথকাত, আপোন মানুহৰ মৰম-স্নেহৰ পৰা বঞ্চিত হৈয়ে একমাত্ৰ

মাকে তাক, তাৰ বায়েক-ভনীয়েক আৰু ভায়েকক বহুত কষ্ট কৰি পঢ়ুৱাই ছিল। কঠিন জীৱনৰ বাটত মাকে মাথো অকলেই আগবাঢ়িবলগীয়া হৈছিল। জীৱনৰ বাটত কেতিয়াবা উজুটি খায় মাকে ৰাতি বিচনাত পৰি উচুপি কন্দা সি কেবাদিনো শুনিছিল। এনেকৈয়ে মাকে সিহঁতক আগবঢ়াই নিছিল, পঢ়ুৱাইছিল। ভালদৰে খাবলৈ পিন্ধিবলৈ নোপোৱাকৈয়ে সিহঁতে পঢ়িছিল। বহু কষ্ট কৰি সি বি. এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। কিন্তু লাভ কি হ'ল ! একো নাই। সি বি. এ. পাচ কৰা আজি দহ বছৰ হ'ল। বৰ্তমান ধনৰ ৰাজত্ব চলা দেশত, ধনৰ জোৰত সকলো কৰিব পৰা দেশত ধন দিব নোৱাৰাৰ বাবে সি যে যিকোনো চাকৰি এটাও নাপায় তাৰ প্ৰমাণ ইতিমধ্যে সি পাই থৈছে। ইফালে টকাৰ অভাৱত সি ব্যৱসায়ও কৰিব নোৱাৰে। মাটি বেচি ব্যৱসায় কৰিবলৈও ঘৰৰ ভেটিটোৰ বাদে তাৰ একো নাই। ল'ন ল'বলৈও ঘোচ দিব লগা হোৱা কাৰণে সি ল'নও পোৱা নাই। গতিকে সি জীৱন মৰুভূমিত খোজ কাঢ়ি কাঢ়ি ভাগৰি পৰি মাথো বহি আছে। মাকৰ সামান্য ইনকমত খাই থাকি তাৰ মগজুৰ কাম নাইকীয়া হৈ গৈছে। ইফালে সংগীতাই দিয়া আঘাতে তাৰ মনটোক আৰু দুৰ্বল কৰি তুলিছে। সকলোফালৰ পৰা তাক মাথো ব্যৰ্থতাই আৱৰি ধৰিছে। তাৰ ভাব হয় সি যেন অকল ব্যৰ্থ জীৱন কটাবলৈহে পৃথিৱীলৈ আহিছিল। কেতিয়াবা সি ভাবে তাৰ শৰীৰৰ ভিতৰত সোমাই থকা ক্ষুদ্ৰ বায়ুকণ ডিঙিত ৰছী এডাল লগাই উলিয়াই দিওঁ বুলি, কিন্তু নোৱাৰে আৰু নোৱাৰাৰ কাৰণেই সি মদ খায়, চিগাৰেট খায়। মদ, চিগাৰেট খাইয়ে তাৰ জীৱনটো শেষ কৰি দিয়াৰ তাৰ ইচ্ছা। মদ, চিগাৰেট খাবলৈ তাক টকাও নালাগে। সি মাত্ৰ শংকৰহঁতৰ দৰে জুৱাৰীবোৰৰ লগত ঘূৰিলেই হ'ল।

এটা ফেঁচাই বিকট চিঞৰ এটা মাৰি তাৰ মূৰৰ ওপৰেদি পাৰ হৈ যোৱাত সি চক্‌খাই উঠিল। ঘড়ীটোলৈ চালে তিনিটা বাজিছে। হঠাৎ তাৰ মাকলৈ মনত পৰিল। প্ৰতিদিনে ৰাতি মাকে টোপনি খতি কৰি তালৈ অপেক্ষা কৰে। তাৰ এই পৰিৱৰ্তনত মাকে বৰ দুখ পাইছে। যোৱাকালি মাকে খঙত কান্দি কান্দি কোৱা কথাকেইষাৰলৈ তাৰ মনত পৰিল। "বাস্তৱ তোৰ কি হৈছে, মদ খাই খোজ থৰক-বৰক কৰি ৰাতি এডোখৰত ঘৰ সোমাবহি। ভাত নাখাব, বাপেৰেতো মদ খাইয়ে মৰিল। তয়ো মদ খাবলৈ ধৰিছ। এইখিনি কৰিবলৈকে তোক ইমান কষ্টৰে ডাঙৰ-দীঘল কৰিলো। মোক মাৰি পেলা তাৰ পাছত এইবোৰ যি কৰ কৰি থাকিবি, মোৰ সহ্য নহয়। যদি মাৰিব নোৱাৰ তেন্তে মদ এৰ। তই যদি মদ নেৰ তেন্তে মই নিজেই কিবা এটা কৰিম, তোৰে শপত খাই কৈছো চাই থাকিবি।" বাস্তৱৰ মাকৰ উগ্ৰতাৰ মাজতো সেমেকি উঠা মুখখনিলৈ মনত পৰিল। তাৰ মনটোও সেমেকি উঠিল। সঁচাকৈ তাক মাকে বহুত কষ্ট কৰি ডাঙৰ কৰিলে। কিন্তু মাকেতো নাজানে তাৰ অন্তৰত কিহৰ জুই জ্বলিছে। মাকে কোৱা শেষৰ কথাকেইটা তাৰ ঘপহকৈ আকৌ মনত পৰিল। "তই যদি মদ নেৰ তেন্তে মই নিজেই কিবা এটা কৰিম, তোৰে শপত খাই কৈছো।" নাই-নাই সি মাকক কেতিয়াও হেৰুৱাব নিবিচাৰে। বাপেকক হেৰুৱাই সি যি অকলশৰীয়া অনুভৱ কৰিছে তাৰ বাবে সেয়া বৰ যন্ত্ৰণাদায়ক। মাককো হেৰুৱাই সি আকৌ অকলশৰীয়াহৈ যন্ত্ৰণাপৃষ্ট হ'ব নিবিচাৰে। সি মদ নেৰা বাবে মাকে সঁচাকৈ কিবা যদি কৰি দিয়ে! কথাটো ভাবি তাৰ শৰীৰটো কঁপি উঠিল। কিন্তু সি জানো মদ এৰিব পাৰিব! সি জানো মদৰ অবিহনে সংগীতাৰ মৰম-স্নেহ পাহৰিব পাৰিব ! সি এটা কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। সি মদ এৰিব পাৰিব লাগিব কাৰণ সি মাকক হেৰুৱাব নিবিচাৰে। কেতিয়াও নিবিচাৰে! সংগীতাই আৰু কাহানিও তাৰ কথা নাভাবে, তাৰ কাষলৈ ঘূৰি নাহে ! সি জানে, গতিকে সেই সংগীতাকলৈ সি তাৰ মাকক, তাৰ জীৱনটোক কেতিয়াও শেষ হ'বলৈ দিব নেৰাৰে। কেতিয়াও নোৱাৰে। সি আজিৰ পৰা মদ কোনোদিনেই নাখায়। মানুহৰ জীৱন মানেই হৈছে কিছুমান ঘাত-প্ৰতিঘাতৰ সমষ্টি। সেই ঘাত-প্ৰতিঘাতৰ মাজতো নিজকে লিপিত খুৱাই চলি যাব পৰাজনহে প্ৰকৃত মানুহ। সি পাৰিব। ঘাত-প্ৰতিঘাতেৰে ভৰা তাৰ জীৱনটোক সি আগুৱাই নিবই লাগিব। সি সংগীতাকো দেখুৱাব, সি বাস্তৱ। সেই বাস্তৱ, যি বাস্তৱৰ কাষৰপৰা হেজাৰজনী সংগীতা আঁতৰি গ'লেও সি আৰু ভাগি নপৰে। তাৰ হৃদয়ত লেশমানও দুখৰ অনুভূতি জাগ্ৰত নহ'ব। সি বাস্তৱ। সেই বাস্তৱ ; যি বাস্তৱে এটা সুখৰ দিন তাৰ বেদনাৰে ভৰা জীৱনটোলৈ এদিন আজুৰি আনিব। কথাবোৰ ভাবিয়েই তাৰ মনটো পাতল-পাতল লাগি গ'ল। এক মিঠা অনুভূতিৰে তাৰ মনটো ভৰি পৰিল। সি বহাৰ পৰা উঠি ঘৰলৈ বুলি খোজ ল'লে। তেতিয়া জোনটো পশ্চিম আকাশৰ শেষ প্ৰান্তত। ❑

❖❖❖❖❖❖❖❖

### কৌতুক

এজন ভাৰতীয় সৈনিকে হোটেল এখনত পৰঠা খাবলৈ সোমালে। চবিজত বেছি জলা পাই হঠাৎ তেওঁ চিঞৰি উঠিল —

'পানী লাউ পানী লাউ'।

হোটেল বয়টোৱে ক'লে — 'পানী লাউ নহয়, আজি চবজি ৰঙালাউহে।

*মৃদুল গগৈ*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*





# মৰহা ফুলৰ সুগন্ধি বিচাৰি

শেৱালী বড়া
স্নাতক দ্বিতীয় বৰ্ষ

" এন্ধাৰ হ'ব নোৱাৰো
মচি দিব নোখোজো
পাখি মেলা অতীতক কি দৰে পাহৰো ......"

জুবিনৰ এই গানটো হেনো অলিৰ বৰ প্ৰিয়। এই গানটোৱে তাইক সোঁৱৰাই দিয়ে নীলৰ লগত জড়িত থকা অতীতৰ মধুৰ স্মৃতিবোৰৰ কথা। উস্ কি যে আনন্দৰ বন্যাৰে ভৰি পৰিছিল সেই দিনবোৰ! সিহঁত দুয়োটায়ে কামনা কৰিছিল সিহঁতৰ মাজত থকা মৰমৰ এনাজৰিডাল কোনো দিনে চিঙিবলৈ নিদিয়ে। হাজাৰ বাধা নেওচি হ'লেও চিৰজীৱন এই জৰিডাল ধৰি ৰাখিব। কিন্তু সেয়া বাস্তৱত পৰিণত নহ'ল। সময়ৰ কোৰাল সোঁতত নীলে পাহৰি পেলালে সিহঁতৰ মাজত থকা সেই জৰিডালক আৰু সিহঁতৰ ভৱিষ্যতৰ কথা।

নীল আছিল অলিৰ জীৱনত প্ৰথম পোহৰ বিলাওঁতা, যি জন নীলক তাই ভাল পাইছিল নিজৰ জীৱনত কৈয়ো অধিক। যাক এদিন নেদেখিলে থাকিব নোৱাৰিছিল, যাৰ খবৰ নাপালে পাগলৰ দৰে হৈছিল, যাক লৈ অনেক স্বপ্ন ৰচিছিল। খাওঁতে, শোওঁতে কেৱল নীলৰ প্ৰতিচ্ছবিয়ে তাইক বাৰুকৈয়ে আমনি দিছিল। আৰু নীল, সিও দেখিছিল তাইৰ দৰে ৰঙীন সপোনবোৰ। তাইক পাবলৈ সি পাগলৰ দৰে হৈছিল।

নীলৰ পৰা তাই প্ৰেমৰ প্ৰথম অভিজ্ঞতা লাভ কৰিছিল। নীলৰ সংস্পৰ্শত প্ৰেমৰ মিঠা মিঠা অনুভূতি উপলব্ধি কৰিছিল। স্বপ্নবিভোৰ দিনবোৰ ক্ৰমে বাগৰি গৈছিল । সিহঁতৰ প্ৰেম সাগৰত অলেখ টৌ উঠা নমা কৰিছিল। তেওঁলোকে হিয়া দিয়া নিয়া কৰিছিল অতি সংগোপনে; ঘৰৰ কোনেও নজনাকৈ।

ঠিক তেনে সময়তে অলি গুচি যাব লগা হ'ল চহৰৰ এখন নাম জ্বলা কলেজত ডিগ্ৰী লোৱাৰ মানসেৰে । তাই যাব খোজা নাছিল। কিন্তু মাক বাপেকৰ একমাত্ৰ সন্তান হোৱা হেতুকে যাবলগীয়া হ'ল নিজৰ আপোনজনক এৰি থৈ। যোৱাৰ আগতে নীলে কৈছিল ঃ

"তুমি বাৰু চহৰত মোক এৰি থাকিব পাৰিবানে? মোৰ যে সদায় তোমালৈকে মনত পৰি থাকিব। মই বাৰু কেনেকৈ তোমাৰ অবিহনে দিনবোৰ পাৰ কৰিম ! তুমি চহৰত থাকি মোক পাহৰি নোযোৱাতো ? ছ'ৰি অলি, চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয় বুলি কথা এষাৰ আছে। তোমাৰ ক্ষেত্ৰত যাতে এয়া নহয়।"

চহৰৰপৰা অলিয়ে সপ্তাহত এখনকৈ চিঠি দিয়াৰ কথা দিছিল। সঁচাকৈয়ে তাই নীললৈ চিঠি দি আছিল, কিন্তু নীলে তাইৰ চিঠিৰ উত্তৰ দিবলৈ মন নকৰা হ'ল। নীলে লগৰীয়াৰ লগত পৰি নানা বেয়া বস্তুত মুখ দিছিল । মুঠতে নীল লাহে লাহে বেয়া পথলৈ অগ্ৰসৰ হৈছিল।

অলিয়ে নীলৰ এনেকুৱা পৰিৱৰ্তনত আচৰিত হৈছিল আৰু তাক নানা বুজনি দিছিল। কিন্তু তাইৰ সেই বুজনি কোনো কামত নাহিল। তাইৰ কোনো কথা নীলে শুনিব নিবিচাৰিছিল । মাথোন কৈছিল ঃ

"নিজক এবাৰ ভালকৈ চাইলৈহে লোকক সমালোচনা কৰিবা ।"

সেইদিনাৰপৰা অলিয়ে তাক একো কথা কোৱা নাছিল। নীলৰ এইবিলাক কথাই অলিক বাৰুকৈয়ে আঘাত দিছিল।

কিছুদিনৰ পাছত অলিয়ে যেতিয়া গম পালে যে নীল আন এজনী ছোৱালীৰ প্ৰেমত পৰিছে, তেতিয়া তাই নিজকে বিশ্বাস কৰিব পৰা নাছিল । নাই ই কেতিয়াও হ'ব নোৱাৰে। যি নীলক তাই হৃদয়ৰ সমগ্ৰ সত্তাৰে ভাল পাইছিল সেই নীলে তাইক আজি প্ৰতাৰণা কৰি কিদৰে বাৰু আন এজনীৰ হৃদয়ত প্ৰেমৰ বীজ সিঁচিবলৈ গুছি যাব। কি দিব পৰা নাছিল তাক অলিয়ে। কিয় বাৰু সি তাইৰ মৰমক স্বীকৃতি নিদিলে। নানা চিন্তাই অলিক বলিয়া কৰি তুলিছিল। নীল আছিল আচলতে ঠগ, প্ৰবঞ্চক আৰু স্বাৰ্থলোভী লোক।

সেই দিনাৰপৰা অলিয়ে এটা নতুন জীৱনৰ পাতনি মেলিলে। গোটেই পুৰুষ জাতিটোৰ প্ৰতি তাইৰ বিতৃষ্ণা জন্মিবলৈ ধৰিলে। এজনীৰ লগত ভালপোৱাৰ অভিনয় কৰি কিদৰে বাৰু আন এজনীৰ লগত এখন নাটক ৰচনা কৰিব পাৰে!

লাহে লাহে দিনবোৰ পাৰ হৈ গ'ল। অলিয়ে জীৱনত দ্বিতীয়বাৰৰ বাবে লগ পালে এজন পুৰুষক। তেৰোঁ অলিৰ দৰে একেটা পথৰে যাত্ৰী। ব্যৰ্থ প্ৰেমৰ স্মৃতি বুকুত বান্ধি তেওঁ আহিছিল অলিৰ জীৱনলৈ।

জিত, আছিল অলিৰ জীৱনৰ দ্বিতীয় জন পুৰুষ। সেইজন জিতে প্ৰথমেই তাইৰ আগত নিজৰ প্ৰেমৰ বৃতান্ত দাঙি ধৰিছিল ঃ

"জানা অলি, তুমি যদি মোক অকণমান মৰম দিব নিবিচৰা, তেতিয়া হয়তো মই চিৰজীৱন ব'ঠাবিহীন নাৱৰ দৰে পাৰাপাৰহীন জলধিত উটি ভাহি থাকিব লাগিব। তুমি মোৰ হৃদয়ৰ নিভৃত কোণত বহু দিনৰপৰাই সোমাই আছিলা, মই কিন্তু তোমাক খুলি ক'ব পৰা নাছিলো কিবা এটা অজান শংকাত। জানোচা তুমি মোক নিৰাশ কৰা!"

জিতৰ কথা শুনি অলিয়ে কি ক'ব একো ভাবি পোৱা নাছিল। মনৰ মাজত কিবা এটা মিঠা অনুভূতি জাগি উঠিছিল। মুখেৰে একো ক'ব পৰা নাছিল। মাথোন মনে মনে ভাবিছিল, জিত তুমি মহান! তুমি মোৰ জীৱনৰ ছাঁইবোৰ আঙঠালৈ ৰূপান্তৰিত কৰিব পাৰিবা। জিত, সঁচাকৈয়ে তুমি মোক ভাল পাবানে চিৰজীৱন? — কিবা এটা অজান পুলকত তাইৰ মন নাচিবলৈ ধৰিছিল।

জিতৰ লগত যেতিয়া অলিৰ প্ৰেম বিনিময় হৈছিল, তেতিয়া তাইলৈ নীলে এটা ক্ষুদ্ৰ কাগজৰ টুকুৰা দিছিল আৰু তাত লিখিছিলঃ

"অলি তুমি মোক কৈছিলা, মই তোমাৰ বাদে আন কাৰো প্ৰেমত নপৰো বুলি। কিন্তু এতিয়া তুমি এয়া কি কৰিলা। তুমি মোক এৰি গুছি গ'লা বহু দূৰলৈ। মই যে তোমাক এৰি অলপো থাকিব নোৱাৰা হৈছোঁ। প্লিজ অলি, তুমি মোক অকণমান মৰমৰপৰা বঞ্চিত নকৰিবা, তুমি মোক নিৰাশ কৰিবলৈ চেষ্টা নকৰিবা, মাথো এবাৰলৈ মোৰ কথা ভাবিছোৱাঁ।"

নীলৰ চিঠি পঢ়ি অলিয়ে নীললৈ লিখিছিল ঃ

"তুমি মোৰপৰা এতিয়া বহু দূৰত। কাৰণ মইতো এতিয়া আন এজনৰ প্ৰেমত বন্দী। তেওঁকতো মই তোমাৰ বাবে প্ৰতাৰণা কৰিব নোৱাৰো। যি জন জিতে মোৰ সুখ দুখৰ সমভাগি হৈছে, সেই জন জিতক মই কোনো দিনে ঠগিব নোৱাৰিম, তেওঁ মোৰ বাবে এপাহ মৰহি যাব ধৰা ফুলৰ সৌৰভ বিলাওঁতা। তেওঁ নহা হ'লে কিজানি মই মোৰ জীৱনত সফলতা অৰ্জন কৰিব নোৱাৰিলোহেঁতেন। জানা নীল, জীৱনত তুমি ভাল পাবলৈ শিকিলা কিন্তু ইয়াৰ মূল্য দিব নোৱাৰিলা। তুমি পাহৰি গ'লা প্ৰেম যে ভগৱানৰ এক অমূল্য দান। মোৰ মাথোন এটাই কামনা তুমি যতেই নাথাকা তাত যেন সুখেৰে থাকিব পাৰা। তোমাৰ ভৱিষ্যত জীৱনলৈ মোৰ ফালৰপৰা বহুত শুভেচ্ছা থাকিল।" তেনেতে ক'ৰবাৰ পৰা জুবিনৰ এটি গানৰ কলি ভাহি আহি তাইৰ কাণত পৰিল .................

"জোনাকে কাণে কাণে আহি ক'লে
নিবিড় অবুজ ভাষাৰে
তুমি মোৰ মাথো মোৰ....।" ❐

✲✲✲✲✲✲✲✲✲



অসমীয়া সাহিত্য জগতত 'ভাঙনি-কোঁৱৰী' বিশেষণেৰে বিভূষিতা, 'সাহিত্য একাডেমী বঁটা' (১৯৯৯ চনৰ বাবে) বিজয়িনী নিৰুপমা ফুকন।



# অনুতাপ

জিমি কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ

বহুত দিন হ'ল গল্প এটা লিখিম বুলি ভবা। ভাবিছিলো এইবাৰ যেনে তেনে কলেজৰ আলোচনীখনলৈ এটা গল্প পঠিয়াম। পিছে ভাবি থাকোতেই সময়বোৰ পাৰ হৈ গ'ল। গল্প কিন্তু লিখাই নহ'ল। গল্পৰ কথা ভাবি থাকোতেই ঘড়ীটোৱে পুৱা ৯ বজাৰ সংকেত দিলে। এনেতে মা মোৰ কোঠালৈ সোমাই আহি ক'লে, "পম্পী, তোক আজি মুন্নীয়ে সিহঁতৰ ঘৰলৈ মাতিছিল নহয়, যাব নেকি? যাব যদি যা সোনকালে আহিবি। মই লৰালৰিকৈ কাপোৰ পিন্ধি হাতত বেগটো লৈ মুন্নীহঁতৰ ঘৰলৈ ওলাই গলো। ইফালৰপৰা বিক্ৰম এখন অহাত সেইখন ৰখাই উঠি ল'লো। বিক্ৰমখনত বেছি মানুহ নাই অহা মুঠেই দুজনহে আহিছে। মই ভালকৈ বহি খিৰিকীৰে বাহিৰলৈ চালো। ইতিমধ্যে গাড়ীখন চলিবলৈ আৰম্ভ কৰিলে। মোৰ মনত পৰিল কোনোবা এটা বছৰৰ জানুৱাৰী মাহৰ শেষৰফালে মই তাইক মানে মুন্নীক ভণ্টি পাতি লৈছিলো। তাইও মোক নিজৰ বায়েকৰ দৰেই ভাবিছিল। বৰ মৰম লগা ছোৱালী। মোক পম্মীবা বুলি মাতে। মুন্নী পঢ়া শুনাতো বৰ ভাল। ব্যৱহাৰ পাতিও নম্ৰ। পিছে তাইৰ হঠাতে কি হ'ল জানো! এইবাৰ পৰীক্ষাৰ ৰিজাল্ট বেয়া কৰিলে। সেইকাৰণে মই খঙতে সিহঁতৰ ঘৰলৈ যোৱা নাছিলো। কালি বজাৰত মই তাইক লগ পাইছিলো। কিবা জৰুৰী কথা আছে বুলি মোক তাই জোৰকৈ মাতি পঠিয়াইছে। জৰুৰী কথাটোনো কি তাকে ভাবি গৈ থাকোঁতেই সিহঁতৰ ঘৰৰ ওচৰ পালোহি। গাড়ীখন ৰখাবলৈ কৈ মই নামি আহিলো। ড্ৰাইভাৰক পইছা দি মুন্নীহঁতৰ গেটখন খুলি সোমাই গ'লো। মোক দেখি মুন্নী দৌৰি আহি ক'লে, "পম্পীবা আহিলা, মই তোমাৰ কাৰণেই অপেক্ষা কৰি আছিলো।"

মই তাইকসুধিলো, "ঘৰত আৰু কোনো নাই নেকি মুন্নী?" "মা-দেউতা বজাৰলৈ গৈছে আৰু দাদাই তাৰ বন্ধু এজনৰ ঘৰলৈ গৈছে।" এইবুলি মুন্নীয়ে মোক তাইৰ কোঠালৈ লৈ গ'ল। "তুমি বহা পম্পীবা, মই তোমাৰ কাৰণে চাহ কৰো।" অলপ পাছতে তাই দুকাপ চাহ লৈ আহি ক'লে, "তুমি জানো জানা পম্পীবা, তোমাক মই আজি কিয় মাতিছিলো। আজি মই তোমাক এনে কথা কম যি কথা আগতে কোনোদিনে কোৱা নাই।

তাই মোৰফালে নোচোৱাকৈ ক'বলৈ ধৰিলে, "জানা পম্পীবা, H. S. L. C. পৰীক্ষা পাছ কৰি জুলাই মাহৰ ১৭ তাৰিখে কলেজলৈ নতুনকৈ গৈছো। সেইদিনা ৰাতিপুৱা সোনকালে শুই উঠি কাম বন কৰি গা-পা ধুই কলেজলৈ ওলালো। নতুনকৈ কলেজলৈ যাম বুলি মনত আনন্দ লাগি আছিল। মোৰ লগৰ কেইজনীৰ সৈতে গৈ কলেজৰ গেটৰ ওচৰ পোৱাত মনলৈ ভয় ভয় ভাব এটা আহিল। ভয় ভাৱেৰেই লগৰ ছোৱালীকেইজনীৰ লগত নিজৰ ৰুমত সোমালো। ৰুমত সোমায়েই দেখিলো আমাতকৈ ডাঙৰ দাদা, বাইদেউসকলে নতুনকৈ অহা ল'ৰা-ছোৱালীবোৰৰ সৈতে চিনাকী হৈছে। মোৰ ওচৰলৈও এজন দাদা আহিল। তেওঁ মোক অন্য এটা ৰুমত চিনাকী হ'বলৈ মাতি নিলে। মই লাজ আৰু ভয়ত সংকোচ মনেৰে দাদাজনৰ পাছে পাছে যাবলৈ ধৰিলো। তেওঁ মোক এটা ডাঙৰ কোঠালৈ লৈ গৈ বহিবলৈ দিলে। মই বহাৰ লগে পাছত তেওঁ মোৰ পৰিচয় ল'লে। প্ৰথমে মোৰ ভয় লাগিছিল যদিও পাছলৈ ভয় নাইকিয়া হ'ল। কিয়নো তেওঁ মোৰ পৰিচয় লোৱাৰ বাদে অন্য একো প্ৰশ্নই সোধা নাছিল। মোৰ পৰিচয় লোৱাৰ পাছত তেওঁৰো পৰিচয় মোক দিছিল। তাৰ পাছত মোক পঠিয়াই দিছিল। বেয়া নাপাবলৈও কৈছিল। তেওঁৰ ব্যক্তিত্বত মই বৰ অভিভূত হৈ পৰিছিলো। ধীৰ-স্থিৰ শান্ত এই ল'ৰাজনে মোৰ অন্তৰ কঁপাই তুলিছিল প্ৰথম দেখাতেই। এনেকৈ এদিন দুদিন কৰি সময়বোৰ পাখীলগা কাঁড়ৰ দৰে গৈ আছিল।

সেই ল'ৰাজনৰ নাম আছিল প্ৰিয়ম। স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। এদিন প্ৰিয়মে মোক প্ৰেমৰ প্ৰস্তাৱ দিলে। মইও সেই প্ৰস্তাৱটো স সন্মানেৰে গ্ৰহণ কৰিলো। লাহে লাহে আমাৰ প্ৰেমে পাহি মেলিলে। তেওঁ মোক আৰু মই তেওঁকলৈ বহু মধুৰ স্বপ্ন ৰচিলো। যেনিয়েই চাওঁ তেনিয়েই প্ৰিয়ম। প্ৰিয়ম যেন সৰ্বত্ৰ বিৰাজমান। খাওঁতে, শোওঁতে, উঠোতে বহোতে, পঢ়োতে সকলোতে কেৱল প্ৰিয়ম আৰু প্ৰিয়ম। সেই সময়ত মই প্ৰিয়মৰ কাৰণে পাগল আছিলো। সেই কথা আমাৰ ঘৰত কোনেও গম নাপাইছিল। সদায় কথা লুকাই নাথাকে, এদিন আমাৰ ঘৰত প্ৰিয়মৰ কথা গম পালে। মা-দেউতাই মোক বুজালে মৰমেৰে "মাজনী পঢ়ি থকা সময়ত এনেকুৱা কাম নকৰে নহয়। তুমিও প্ৰথম কলেজলৈ গৈছাহে। তুমি আমাৰ অতি মৰমৰ একমাত্ৰ ছোৱালী, বহু আশা আছে তোমাৰ ওপৰত। ভাল নাম কৰিবলৈ হ'লে কঠোৰ সাধনাৰ প্ৰয়োজন। ভালদৰে এতিয়াৰপৰা পঢ়িলেহে পাছত তোমাৰ নাম উজ্বল হ'ব। তুমি যদি এতিয়াৰ পৰা নপঢ়ি নুশুনি কলেজৰ ল'ৰাৰ লগত প্ৰেমত মচগুল হৈ থাকা তেতিয়া বহুত বেয়া কথা হ'ব মাজনী। ল'ৰাজনকো ভালকৈ পঢ়িবলৈ কবা। সি তোমাৰ নিজৰ দাদাৰ দৰে।

একেখন কলেজত পঢ়ি থকা ল'ৰা-ছোৱালী নিজৰ ভাই-ভনীৰ নিচিনা নহয় জানো? আজিৰপৰা তোমালোকে নিজৰ দাদা-ভণ্টি হিচাপে থাকিবা দেই। তেওঁকো কথাটো ভালকৈ বুজাই ক'বা, তুমিতো এজনী কলেজত পঢ়া ছোৱালী। তেওঁক কথাটো বুজাই ক'লে নিশ্চয় বুজি পাব।"

"জানা পম্পীবা,সেইদিনা মই মা-দেউতাৰ কথা শলাগিলো যদিও অলপো সলনি নহ'লো। মা-দেউতাই কোৱা কথাবোৰ মই ঘূণাক্ষৰেও প্ৰিয়মক নক'লো। কথাটো ক'লে জানোচা প্ৰিয়ম মোৰ ওচৰৰপৰা আঁতৰি যাব। সেই ভয়তে মই তাক একো নক'লো। প্ৰিয়ম আঁতৰি গ'লে মইযে নিথৰুৱা হৈ যাম। এইকথা ভাবি মই তাক বেচি ভাল পাবলৈ ধৰিলো। কেণ্টিনত চাহ খোৱা, ফুৰিবলৈ যোৱা, কৃষ্ণচূড়াৰ তলত বহি কথা পতা ইত্যাদিবোৰ মা-দেউতা আৰু দাদাৰ অলক্ষিতে কৰিবলৈ ধৰিলো।

মা-দেউতাই ভাবিলে আমাৰ মাজনী জনা-বুজা ছোৱালী, তাই সৰুৰেপৰা সকলো কথা শুনে। এতিয়াও আগৰ দৰে তাই আমাৰ কথা নিশ্চয় শুনিছে। কিন্তু মইযে মা-দেউতাৰ কথা নুশুনিলো, সেই কথাৰ ভু তেওঁলোকে নাপালে। মই বহু বেচিকৈ প্ৰিয়মৰ প্ৰেমৰ আৱেষ্টনীৰ মাজত সোমাই পৰিলো।

কিন্তু ভাগ্যই মোক বৰ বেয়াকৈ প্ৰতাৰণা কৰিলে। এদিন শুনিবলৈ পালো প্ৰিয়মে স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকৰ ছোৱালী এজনীৰ প্ৰেমত পৰিছে। মই প্ৰথমে বিশ্বাস কৰা নাছিলো। মোৰ দৃঢ় বিশ্বাস প্ৰিয়মে কেতিয়াও মোক পাহৰিব নোৱাৰে। তাৰ দুচকুৰ ভাষাত যেন মোক নাপাহৰাৰ প্ৰতিশ্ৰুতি আছে। ইমান নিৰ্জু প্ৰকৃতিৰ ল'ৰা প্ৰিয়মে এনে কাম নকৰে বুলি মই মনতে ভাবিলো। কিন্তু এদিন গম পালো অকল প্ৰিয়মেই নহয় বহুতো ল'ৰাই সেই ছোৱালীজনীৰ প্ৰেমত পৰিবলৈ বিচাৰিছে। ছোৱালীজনীৰ নাম তৃষ্ণা। দেখিবলৈও বৰ ধুনীয়া। দেখিবলৈ যেনেকৈ ধুনীয়া তেনেকৈ মাতষাৰো তাইৰ মিঠা। প্ৰিয়ম আৰু বাকী ল'ৰাবোৰে তৃষ্ণাক জনাই দিছে তাইৰ মানত সিহঁতৰ ভিতৰত আটাইতকৈ ভাললগা ধুনীয়া ল'ৰাটো কোন ? যিটো ল'ৰাকে তৃষ্ণাই ভাল লগা বুলি ক'ব সেইটো ল'ৰাই তাইৰ প্ৰেমত পৰিব।

মই মনতে ভাবিলো এনেকৈও প্ৰেম হয়নে? সিহঁতে প্ৰেমৰ মূল্যই বুজি নাপায়। তৃষ্ণাই যদি প্ৰিয়মকেই ভাল লগা বুলি কয় তেতিয়া মোৰ অৱস্থা কি হ'ব? এই কথা ভৱাৰ লগে লগে মোৰ অন্তৰাত্মা কঁপি উঠিল। তাই প্ৰিয়মক ভাল নাপালে সি পুনৰ মোৰ ওচৰলৈকে ঘূৰি আহিব। আহিয়েই মোৰ ওচৰত সি ক্ষমা বিচাৰিব নিশ্চয়। যিটো ল'ৰাই এজনী ছোৱালীক ভালপাই থকা অৱস্থাত অন্য এজনী ছোৱালীৰ ওচৰত প্ৰেম নিবেদন কৰে, সেই ল'ৰাটোক মই কোন সতেৰে বিশ্বাস কৰোঁ। সি হয়তো মোৰ লগত ধেমালি কৰিছিল। কিন্তু মোৰ লগত কিয় ধেমালি কৰিছিল? মইতো এতিয়া সৰু ছোৱালী হৈ থকা নাই মোৰ লগত ধেমালি কৰিবলৈ। সি মোক কিয় ভালপোৱাৰ অভিনয় কৰিছিল। মই তাক কেতিয়াও ক্ষমা নকৰোঁ। প্ৰিয়ম ইমান ঠগ, প্ৰৱঞ্চক বুলি স্বপ্নতো ভবা নাছিলো। সেই কথা ভাবি মই উন্মাদিনী হৈ পৰিলো।

ল'ৰাবোৰে ছোৱালীবোৰক কি বুলি ভাবিছে। ল'ৰাবোৰে ভাৱে ছোৱালীবোৰ ফুল আৰু সিহঁত ভোমোৰা। ভোমোৰাই নিজ ইচ্ছামতে এপাহ ফুলত পৰি মৌ চুহি অন্য এপাহ ফুললৈ উৰি যাবগৈ আৰু ফুলবোৰে উৰিব নোৱাৰি থকা ঠাইতে মৰহি যাব। এই কথা কেতিয়াও হ'ব নোৱাৰে। ছোৱালীবোৰৰো একোটা নিজস্ব সত্বা আছে। এইবাৰ প্ৰিয়মক উচিত শিক্ষা দিম বুলি মনতে ঠিক কৰিলো।

কিন্তু এটা সময়ত মোৰ ভুল ভাগিল। প্ৰিয়ম কোনোদিনেই মোৰ ওচৰলৈ ঘূৰি নাহিল। তৃষ্ণাই তাকেই ভাল বুলি কোৱাত তাইৰ প্ৰেমত পৰিল প্ৰিয়ম। তাৰ লগৰবোৰে সিহঁতৰ প্ৰেমক হাঁহি আৰু হাত চাপৰিৰে সমৰ্থন জনালে। যেনেকৈ মোৰ সৈতে প্ৰিয়মৰ প্ৰথম প্ৰেম হোৱাত এটা পাৰ্টি দিছিল, ঠিক তেনেকৈ এতিয়াও পুনৰ তৃষ্ণাৰ সৈতে প্ৰিয়মে আৰু এটা পাৰ্টি দিছে।

তৃষ্ণাৰ লগত প্ৰিয়মৰ ভালপোৱাৰ কথা জানি মই নীৰৱে আঁতৰি আহিলো। ইফালে মোৰ পৰীক্ষাও ওচৰ চাপিছেহি। মোৰ বেচিকৈ দুখ লাগিল প্ৰিয়মৰ দৰে বাহিৰত শান্ত কিন্তু মহা ঠগ এটাক মা-দেউতাতকৈ বেচি বিশ্বাস কৰাৰ কাৰণে। প্ৰকৃত দোষ মোৰেই আছিল, কিয়নো সি মোক ভালপাওঁ বুলি কোৱাৰ লগে লগে মই হঁা বুলি ক'ব লাগেনে? মই নহ'ব বুলিও ক'ব পাৰিলোহেঁতেন। মোৰ পঢ়িবলৈ মন নোযোৱা হ'ল। এটা ভাৰাক্ৰান্ত মনেৰে পৰীক্ষা দিলো। মই যদিও পঢ়াত ভাল আছিলো এইবাৰ ৰিজাল্ট বেয়া হ'ল মোৰ। এফালে ৰিজাল্ট বেয়া আনফালে প্ৰিয়মৰ প্ৰতাৰণা। মোৰ মনটো বিষাদেৰে পৰিপূৰ্ণ হৈ পৰিল।

মই এতিয়াহে উপলব্ধি কৰিব পাৰিছো মা-দেউতাই দিয়া উপদেশ অগ্ৰাহ্য কৰাৰ কাৰণেই আজি মোৰ এই অৱস্থা। পঢ়াত ভাল ছোৱালী এজনীয়ে হঠাৎ ৰিজাল্ট বেয়া কৰাত মা-দেউতাৰ লগতে দাদাও বেজাৰত ম্ৰিয়মান হৈ পৰিছে। মোৰ বাবেই আজি তেওঁলোকৰ চকুত অশ্ৰু নিগৰিছে। ইমান মৰম আৰু আলাসত উঠা ছোৱালীজনীয়ে কিহৰ দুখত ৰিজাল্ট বেয়া কৰিলে সেই কথা মা-দেউতাক সকলোৱে প্ৰশ্ন কৰে। মোৰ বাবেই আজি মা-দেউতা সকলো মানুহৰে আগত লাজত পৰিব লগা হৈছে।

পম্পীবা, মই তোমাৰ আগৰ শপত খাই কৈছো এইবাৰৰ পৰা এনে ভুল মই কেতিয়াও নকৰো। সকলোকে মই ভাল ৰিজাল্ট কৰি দেখুৱাম। ডাঙৰে কোৱা সকলো কথাই শুনিম। মা-দেউতা আৰু দাদাৰ মুখত হাঁহি বিৰিঙাম। এইবাৰ মোক সকলোৱে ক্ষমা কৰি দিয়া। দ্বিতীয়বাৰ এনে ভুল নকৰো" বুলিকৈ মুন্নীয়ে সশব্দে কান্দি উঠিল। এটা সময়ত তাইৰ কান্দোনটো উচুপনিলৈ ৰূপান্তৰিত হ'ল। মই তাইৰ চুলিখিনিত হাত ফুৰাই দিলো। তাই মোৰ কোলাতে মোৰটো গুজি দিলে। মুন্নীক মই কি বুলি সান্ত্বনা দিওঁ ভাষাই বিচাৰি নাপালো। মোৰ মুখেৰে এটা শব্দও ওলাই নাহিল। তাইৰ অনুতাপ আৰু দুখৰ কথা শুনি মোৰ চকুতো দুটোপাল অশ্ৰু বাগৰি আহিল।

ঘৰলৈ ঘূৰি আহোতে ভাবিলো আজিয়েই এটা গল্প লিখি কলেজ আলোচনীলৈ পঠাব লাগিব। গল্পৰ বিষয় হ'ব পম্পীৰ অনুতাপ। ❑



# ভগ্ন হৃদয়ৰ উচুপনি

*বৰ্ণালী কাকতি*
স্নাতক প্ৰথম বাৰ্ষিক

"মোৰ অনুভৱে অনুভৱে
তোমাৰ প্ৰেমৰ গুণ গুণ শব্দ
এনেকৈ ৰু-ৰুৱাই জ্বলে
যে তাৰ ছাই ভৰি পৰে
মোৰ বুকুৰ বাহিৰে ভিতৰে
সম্ভৱতঃ তোমাৰ প্ৰগলভ প্ৰেমে
মোক ছাই কৰি পুৰি নিব ক্ৰমে।।" *(হীৰুদা)*

প্ৰেম এক একান্ত অনুভৱ। বুকুৰ মাজত তাৰ অকলেই অহাযোৱা। প্ৰেমৰ লগত মিহলি হৈ থাকে বিষাদ আৰু নিসংগতা। হীৰুদাৰ এই কবিতাটো পঢ়ি অংকিতাই কথাবোৰ ভাবি থাকিল। তাইৰ এই কবিতাটোৰ লগত যেন তাইৰ জীৱনৰ কাহিনীও খুব খাপখুৱাকৈ মিলি গৈছে। আচৰিত হৈ পৰে তাই। তাই জানো ভাবিছিল জীৱনটো ইমান বিষময় হৈ পৰিব বুলি, ইমান বেদনাদায়ক হৈ পৰিব বুলি। হয়তো নভবাকৈয়ে বহু কিবা কিবি হৈ যায়। সৰুতে দেউতাকৰ আঙুলিত ধৰি ঘূৰি ফুৰোতে দেউতাকে তাইক প্ৰায়ে কৈছিল — 'মাজনী, মানুহৰ জীৱনটো সংগ্ৰামেৰে পৰিপূৰ্ণ। প্ৰতিটো খোজ সাৱধানে দিবা, চাবা যাতে পিচলি নপৰা।' দেউতাকৰ সেই কথাবাৰ তাইৰ কাণত আজিও বাজি থাকে। তাইৰ এই দুখৰ মুহূৰ্তবোৰত যদি আজি দেউতাক থাকিলহেঁতেন। বুকুভেদি এক তপত হুমুনিয়াহ ওলাই আহে। কি যে এক বিচিত্ৰ জীৱন। তাই জানো ভাৱিছিল, যেতিয়া তাইৰ জীৱনটো উপভোগ কৰাৰ সময় আহিব, তেতিয়া তাই সম্পূৰ্ণ একলশৰীয়া হৈ পৰিব। আজিতো তাই একেবাৰে অকলশৰীয়া। জীৱনটোত যদি জটিলতাই নাথাকে তেন্তে জীৱনৰ সৌন্দৰ্য ক'ত? নিজেই নিজকে প্ৰশ্ন কৰে অংকিতাই। কিন্তু উত্তৰ তাই বিচাৰি নাপায়। অংকিতাৰ নিসংগ জীৱনৰ সুযোগ ল'বলৈ বহু ব্যক্তি তাইৰ ওচৰলৈ আহে। কিন্তু অংকিতা নিৰ্বিকাৰ। সাতাইশে গৰকা তাইৰ যৌৱনৰ লগত অন্য কাৰোবাক তাই সাঙুৰিব নিবিচাৰে। তাই এই নিঃসংগ জীৱনটো উপভোগ কৰিয়ে ভাল পায়। কিহৰ বাবে ইমান ত্যাগ? তাইৰ হৃদয়ৰ সঁচা অনুভুতিখিনিৰ বাবে? নে দেৱাশীষৰ বাবে? দেৱাশীষ .......... ! দেউতাক প্ৰতাপ চৌধুৰীৰ মৃত্যুৰ পাছত তেওঁৰ চাকৰিটো আৰু বিশাল সম্পত্তিৰ অধিকাৰিণী অংকিতাৰ ব্যস্ততাৰ অন্ত নাই। কিন্তু আজি তাই কিয় ইমান আবেগিক হৈ পৰিছে। কিয় বাৰে বাৰে অতীতৰ দিনবোৰে আমনি কৰিছে।

অংকিতাৰ জন্মৰ তিনিমাহৰ পাছতেই মাকক হেৰুৱাই দেউতাকৰ ছত্ৰছায়াত ডাঙৰ হৈ তাই এদিন যৌৱনৰ দুৱাৰডলি পালেহি। দেউতাকে কোনোদিনে তাইক মাকৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। তাই সৰুৰে পৰাই পঢ়াত ভাল আছিল। স্থানীয় কলেজতে বি. এ. সম্পূৰ্ণ কৰি তাই এম. এ কৰিবলৈ যাব লগা হৈছিল পুণেলৈ। দেউতাকক অকলে এৰি থৈ যোৱাৰ ইচ্ছা তাইৰ অকনো নাছিল। প্ৰতাপ চৌধুৰী এই ক্ষেত্ৰত আঁকোৰগোজ। বহু বুজনিৰ শেষত যেনিবা অংকিতা মান্তি হ'ল। দুটা বছৰ খুউব কষ্টেৰে পুণেত থাকিল। ফাইনেল পৰীক্ষা দি পুনৰ তাই আহিবৰ হ'ল যোৰহাটৰ আপোন ঘৰলৈ। তাই আহিবলগীয়া দিনটোৰ কথা আগতীয়াকৈ ফোন কৰি দেউতাকক জনাইছিল। আৰু দেউতাকে তাইক চাৰপ্ৰাইজ দিবৰ বাবে তাইক আনিবলৈ এয়াৰপৰ্টলৈ নিজে নগৈ পঠাইছিল দেৱাশীষক।

প্ৰতাপ চৌধুৰীৰ ঘৰত দেৱাশীষৰ আগমণৰ আঁৰত অন্য এক কাহিনী লুকাই আছে। দেৱাশীষৰ ঘৰ যোৰহাটৰ এখন ভিতৰুৱা গাঁৱত। সেনাৰ সন্ত্ৰাসত পিতৃ-মাতৃ আৰু একমাত্ৰ ভনীয়েকক হেৰুৱাই দেৱাশীষ একেবাৰে অকলশৰীয়া হৈ পৰিছিল। হতাশাগ্ৰস্ত দেহ আৰু মন লৈ সি পগলাৰ দৰে ঘূৰি ফুৰিছিল। আৰু এদিন অসতৰ্ক মুহূৰ্তত আহি পৰিছিলহি প্ৰতাপ চৌধুৰীৰ কাৰৰ সন্মুখত। তাৰ মানে এক্সিডেণ্ট !!! চৌধুৰীয়ে খুউৱ ভয় খাইছিল। ডাক্তৰৰ চিকিৎসাত দেৱাশীষ সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিছিল। দেৱাশীষৰ মুখেৰে চৌধুৰীয়ে গম পাইছিল তাৰ জীৱনৰ মৰ্মান্তিক কাহিনী। দেৱাশীষৰ প্ৰতি তেওঁৰ মন সমবেদনাৰে ভৰি পৰিল। দেৱাশীষক তেওঁৰ ঘৰতে ৰাখিলে। নিজ পুত্ৰৰ দৰে মৰম কৰিছিল।



ঘৰখনৰ সৰু সুৰা কথাত চকু দিয়া, প্ৰতাপ চৌধুৰীক অফিচলৈ অনা-নিয়া কৰা, বজাৰ-সমাৰ কৰা আদি কামৰ দায়িত্ব দেৱাশীষৰ ওপৰত। মাত্ৰ ছমাহৰ ভিতৰতে ঘৰখনৰ প্ৰতিটো কথা দেৱাশীষে জানিছিল।

আজি অংকিতা আহিব। দেৱাশীষ এয়াৰপৰ্টত উপস্থিত হৈ বিমান যাত্ৰীসমূহৰ মাজত অংকিতাক বিচাৰি ফুৰিছিল। অকস্মাৎ তাৰ চকুত পৰিছিল ব্লুজীন্‌ছ আৰু হোৱাইট চাৰ্ট পৰিহিতা এজনী মৰম লগা ছোৱালী। কিছু সময় ছোৱালীজনীক লক্ষ্য কৰি সি নিশ্চিত হ'ব পাৰিছিল যে সেইজনীয়ে অংকিতা। কাৰণ প্ৰতিটো এলবামতে ভৰি থকা ফটো চাই তাৰ অংকিতাক চিনি পোৱাত অকনো অসুবিধা নহ'ল। অংকিতাই ইফালে সিফালে চাই দেউতাকক দেখা নাপাই আচৰিত হ'ল। দেৱাশীষে তাইৰ ওচৰলৈ আহি সুধিলে — 'তুমি অংকিতা চৌধুৰী ?'

তাৰফালে নোচোৱাকৈয়ে তাই উত্তৰ দিছিল — 'ইয়েছ'। সি পুনৰ কৈছিল 'আজি তোমাক নিবলৈ দেউতাই মোক পঠাইছে।' এটা অচিনাকী ল'ৰাৰ মুখত তেনেকুৱা কথা শুনি অংকিতা আচৰিত হ'ল। তাৰ মুখলৈ তাই অঁকৰাৰ দৰে চাই থাকিল।

'বিশ্বাস হোৱা নাই যদি সৌখন চোৱা তোমালোকৰেই গাড়ী আৰু এয়া চাবি মোৰ হাতত।' — দেৱাশীষে কাৰখন পাৰ্ক কৰি থোৱা ঠাইলৈ আঙুলিয়াই দি ক'লে। অংকিতাই দেখিলে, হয়তো সেইখনচোন দেউতাকৰেই কাৰখন। তাই একো নামাতি দেৱাশীষৰ পাছে পাছে গৈ গাড়ীত বহিল। যোৰহাট টাউনৰ পৰা সিহঁতৰ ঘৰ এক কিলোমিটাৰ মান আঁতৰত। আহি থাকোতে তাই সেই ল'ৰাটোৰ কথাই ভাবি আহিল। এই অচিনাকী ল'ৰাটো কোন ? ক'ৰ ল'ৰা আছিল ? সিহঁতৰ কোনোবা আত্মীয় নেকি ? ইত্যাদি বহুত প্ৰশ্নই একেলগে জুমুৰি ধৰিলেহি। হঠাৎ কাৰখন ৰখাই দিলতহে তাই সম্বিত পালে। ঘৰচোন পালেহিয়েই। গেটখোলাৰ শব্দ শুনি প্ৰতাপ চৌধুৰী বাহিৰলৈ ওলাই আহিল। দেউতাকক দেখা পাই অংকিতাই দৌৰি গৈ সাৱটি ধৰিলে। ইমানদিনৰ মূৰত মৰমৰ জীয়েকক কাষত পাই প্ৰতাপ চৌধুৰী আনন্দত ক'ব নোৱাৰা হৈ পৰিল। দেৱাশীষে আঁতৰৰ পৰাই লক্ষ্য কৰিলে। সিহঁতৰ ঘৰখনলৈ মনত পৰি তাৰ বুকুখন বিষাই গ'ল।

'মাজনী তুমি দেৱাশীষৰ লগত চিনাকি হ'লানে নাই ?' অংকিতাই তেতিয়াহে জানিলে সেই ল'ৰাটোৰ নাম যে দেৱাশীষ। তাই তাৰ বিষয়ে জানিবলৈ উৎসুক হৈ পৰিল। 'মাজনী, তুমি আগতে মুখ হাত ধুই ফ্ৰেছ হৈ লোৱা। পাছত সকলো কম।'

ৰাতি বহু দেৰিলৈকে অংকিতাৰ টোপনি নাহিল। দেউতাকৰ মুখেৰে দেৱাশীষৰ জীৱনৰ কৰুণ কাহিনী শুনি অংকিতাক কিবা এক দুখবোধে আৱৰি ধৰিলে। বাৰে বাৰে দেৱাশীষৰ কথাই মনলৈ আহি থাকিল। তাইৰ প্ৰায় সমবয়সীয়া ল'ৰাটোৰ প্ৰতি অংকিতাৰ হৃদয়খন মৰমেৰে উপচি পৰিল। বিচনাৰ পৰা উঠি তাই খিড়িকীখন খুলি দিলে। এমুঠি জোনাক কোঠাৰ ভিতৰলৈ সোমাই আহিল। তাইৰ মন গ'ল বাহিৰৰ জোনাকবোৰ যেন আঁকোৱালি ধৰিব। তাই বাহিৰলৈ ওলাই আহিল। বাহিৰৰ পৰিবেশে তাইক আৰু চঞ্চল কৰি তুলিলে।

লাহে লাহে দেৱাশীষ অংকিতাৰ লগতো সহজ হৈ পৰিল। বজাৰ কৰিবলৈ যোৱা, ক'ৰবাত ফুৰিবলৈ যোৱা, চিনেমা চাবলৈ যোৱা আদি সকলো ক্ষেত্ৰতে অংকিতাৰ একমাত্ৰ সংগী হ'ল দেৱাশীষ। অংকিতাই তাৰ লগত সৰু সৰু কথাতে কাজিয়া কৰে, অভিমান কৰে। সিহঁতৰ এই বন্ধুত্বত প্ৰতাপ চৌধুৰী খুব সুখী হ'ল।

'প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি।  
নিঃশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি  
ফুৰে শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।'

অংকিতাৰ জীৱনলৈ প্ৰেম আহিল অতি সংগোপনে, নীৰৱে, নীৰলে। দেৱাশীষৰ উপস্থিতিয়ে অংকিতাৰ হৃদয়লৈ পৰিৱৰ্তন কঢ়িয়াই আনিছে। তাৰ ব্যক্তিত্ব, কথা কোৱাৰ ষ্টাইল, মিঠা বৰণীয়া মৰম লগা মুখখন, এই সকলোবোৰ তাইৰ ভাল লাগে। সি তাইৰ কাষত থকা সময়খিনি অংকিতাৰ খুউব আপোন, খুউব মধুৰ। তাক লৈ তাই বহু কিবা কিবি কল্পনা কৰে। সি বাৰু তাইৰ মনৰ কথাবোৰ অনুভৱ কৰিব পাৰেনে ? দেৱাশীষে কথাবোৰ কয় বিপ্লৱীৰ দৰে। অংকিতাই তাৰ মনৰ কথাবোৰ ধৰিব নোৱাৰে। সেইবাবে তাইৰ প্ৰেমক অপ্ৰকাশিত আৰু গোপন হৈয়ে থাকিবলৈ দিলে।

দিনবোৰ অতিবাহিত হৈ যোৱাৰ লগে লগে অংকিতাই লক্ষ্য কৰিছে দেৱাশীষ যেন অলপ সলনি হৈছে। সি তাইৰ লগত কথা পাতিবলৈ প্ৰায় এৰি দিছে। অনবৰতে যেন সি এটা বিষাদ ভৰা মন কঢ়িয়াই লৈ ফুৰে। কিবা এটা বিপদৰ ইংগিত পাই অংকিতাৰ বুকুখন কঁপি উঠিল।

কিন্তু নিয়তি হয়তো খুবেই নিষ্ঠুৰ। এদিন হঠাৎ দেৱাশীষ নাইকিয়া হৈ গ'ল। ক'লৈ গ'ল সি ? পুলিচেও একো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। দেৱাশীষৰ অনুপস্থিতিয়ে অংকিতাৰ হৃদয়খন ভাঙি চুৰমাৰ কৰি পেলালে। এনেদৰে গুছি যাবলৈ তাৰ বাৰু অকনো বেয়া নালাগিল নে ? ইমান নিষ্ঠুৰ নে সি ? দেৱাশীষৰ একো খবৰ নাপাই প্ৰতাপ চৌধুৰীও ভাগি পৰিল। তাৰ চিন্তাতেই হাৰ্টৰ অসুখ থকা চৌধুৰীয়ে অংকিতাক অকলশৰীয়া কৰি এদিন গুছি গ'ল তৰাৰ দেশলৈ .....। আৰু অংকিতা। মৰমৰ দেউতাকক হেৰুৱাই তাই যে নিঃসংগ হৈ পৰিল। তাই হিয়া ঢাকুৰি কান্দিলে। তাইৰ দুখ দেখি পৃথিৱীৰ প্ৰত্যেকটো বস্তুৰেই যেন চকুপানী ওলাল। দেৱাশীষৰ ওপৰতেই তাইৰ খং উঠিল। কিয় আহিছিল সি সিহঁতৰ জীৱনলৈ ? অংকিতাক দুখৰ সমুদ্ৰত এৰি দিবলৈ ? দেউতাকৰ মৃত্যুৰ বাবে যে একমাত্ৰ সিয়েই দায়ী। ক'লৈ গ'ল বাৰু সি ? বিপ্লৱীৰ দৰে কথাকোৱা দেৱাশীষ সঁচাকৈয়ে বিপ্লৱী হ'ল নেকি ? মাক-দেউতাক আৰু ভনীয়েকৰ মৃত্যুৰ বাবে সি যদি বিপ্লৱ কৰিছে তেন্তে তাইৰ দেউতাকৰ মৃত্যুৰ বাবে তাই তাক দোষ দিব পাৰিব জানো ? তাইৰ হৃদয়ৰ সমগ্ৰ সত্বাজুৰি থকা দেৱাশীষক তাইৰ দোষ দিবলৈ মন নগ'ল। তাই যে তাক ভাল পায়। তাই ভাবিলে দেৱাশীষ পুনৰ ঘূৰি আহিব তাইৰ ওচৰলৈ। তাইৰ এই নিঃসংগ জীৱন সোণোৱালী কৰিবলৈ। আহিবনে ? তাই উচুপি উঠিল। কিন্তু তাইৰ ভগ্ন হৃদয়ৰ উচুপনি কোনোবাই শুনিব জানো ? শুনিবনে ..... ???





# বেদনাৰ অশ্ৰুকণা

বিজয় দত্ত  
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ৰিংকীৰ মনটো আজি বৰ ভাগৰুৱা হৈ পৰিছে। আগৰ সেই স্ফুৰ্তিবোৰ যেন কেতিয়াবাই তাইৰ মনৰ পৰা হেৰাই গ'ল। কেৱল চিন্তাৰ সাগৰতে সকলো সময়তে তাই ডুব গৈ থাকে। ঘৰৰ ভিতৰতে ইটো-সিটো কৰিয়ে তাই দিনবোৰ অতিবাহিত কৰি আহিছে।

ৰিংকীৰ দেউতাক আছিল এজন অৱসৰপ্ৰাপ্ত শিক্ষক। দেউতাকৰ অৱসৰৰ টকা কেইটাৰে কোনোমতে তাইৰ লগতে ভনীয়েক-ভায়েকৰ সৈতে চাৰিজনীয়া পৰিয়ালটি চলি আছে। মাকে সিহঁতক এৰি যোৱা আজি বহু বছৰ হ'ল। মিনাক্ষীয়ে বহু কষ্টৰে ওচৰৰে কলেজখনৰপৰা বি.এ. পৰীক্ষাত পাছ কৰিলে।

বিশ্ববিদ্যালয়ত পঢ়াৰ সপোন আৰু সপোন হৈয়ে থাকিল। অন্যহাতে ভায়েক জিতুল আৰু ভনীয়েক পিংকীয়েও এদিন এইচ এচ এল চি পৰীক্ষাত উত্তীৰ্ণ হল। সিহঁত দুটোকো তাই ওচৰৰে কলেজখনতে নাম ভৰ্তি কৰাই দিলে। ওচৰতে কলেজখন নথকা হ'লে হয়তো জিতুল আৰু পিংকীৰ কলেজীয়া জীৱনৰ পাতনি মেলিবলৈ ভাগ্যতে নিমিলিলেহেঁতেন।

মাক নথকাৰ বাবে ঘৰখনৰ ডাঙৰ ছোৱালী হিচাপে ৰিংকীৰ ওপৰতে ঘৰৰ সকলো দায়িত্ব পৰিল। জিতুল আৰু পিংকীয়ে কলেজত পঢ়াৰপৰা ঘৰখনত খৰচৰ মাত্ৰাও বাঢ়িবলৈ ধৰিলে। ৰিংকীৰ বি.এ. পাছ কৰা আজি প্ৰায় তিনিবছৰ পাৰ হ'ল। চাকৰি বিচাৰি বহুত আবেদন জনালে, কিন্তু ন'হল। তাই ভাবে অন্ততঃ জিতুল আৰু পিংকীক পঢ়োৱাবৰ বাবেই যদি সাধাৰণ চাকৰি এটা পোৱা হ'লে !

টিউছন কৰি পোৱা টকাকেইটা চাকৰি বিচাৰি ঘূৰি ফুৰোতেই শেষ হয়। ইফালে দেউতাকৰ স্বাস্থ্যও দিনে দিনে বেয়াৰ ফালে গতি কৰিছে। দেউতাকৰ মুখলৈ চালেই তাইৰ দুচকুৰপৰা চকুলো বাগৰি আহিব ধৰে।

কিবা কিবি কথাবোৰ ভাবি বহি থাকোঁতে কেতিয়া যে 'গৌতম' ভিতৰলৈ সোমাই আহিল ৰিংকীয়ে গমকে নাপালে। তাইৰ কাষৰ চকীখনত বহি গৌতমে হাঁহি মাৰি ক'লে, 'কিহৰ ভাবনাত মগ্নহে ৰিংকী ?' ফালে চাই হাঁহি এটা মাৰিলে যদিও মুখেৰে একোকে নক'লে। গৌতম হৈছে ৰিংকীহঁতৰ সম্বন্ধীয় ককায়েক। নিজৰ বাই-ভনী নথকাত ৰিংকীহঁতক গৌতমে বৰ মৰম কৰে। সেয়ে সিহঁতৰ দুখৰ কথা জানিব পাৰি গৌতমে তাইক ৰেল বিভাগৰ কাৰ্যলয়ত খালি হোৱা পদ এটিৰ বাবে আবেদন জনাবলৈ বহুবাৰ অনুৰোধ কৰাত চাকৰিৰ প্ৰতি স্পৃহা হেৰাই যোৱা সত্বেও আবেদন জনালে। এই চাকৰিৰ ইণ্টাৰভিউৰ স্থান আছিল গুৱাহাটীত। ৰিংকীয়ে আবেদন জনোৱাৰ পাছতো এই ইণ্টাৰভিউত বহিবলৈ অকনো ইচ্ছা কৰা নাছিল। কিন্তু পিংকী আৰু জিতুলৰ ভৱিষ্যতৰ কথা ভাবিয়ে গুৱাহাটীলৈ ৰাওনা হ'বলগীয়া হ'ল। যথাসময়ত পিংকী আৰু জিতুলক দেউতাকক নিয়মীয়াকৈ ঔষধবোৰ খোৱাবলৈ বুজাই বঢ়াই ৰিংকীয়ে দেউতাকক সেৱা জনাই গুৱাহাটীমুখী হ'ল।

গুৱাহাটীলৈ গৈ তাই কেইবাদিনো থাকিবলগীয়া হ'ল। কাৰণ ইণ্টাৰভিউ হোৱা দিনটোতে কোনোবা এটা সংগঠনে ২৪ ঘণ্টাৰ বাবে অসম বন্ধৰ ঘোষণা কৰিলে। সেয়ে ইণ্টাৰভিউ কেইবাদিন মানৰ বাবে পাছ পৰিল।

দহ দিনৰ পাছত তাই ইণ্টাৰভিউ দি ঘৰলৈ উভতি আহিল। আনদিনা জিতুলে দৌৰি আহি পদুলিৰ পৰা বেগটো নিয়ে। কিন্তু সেইদিনা জিতুলৰ হেঁতা পৰা মুখখন দেখি তাই আচৰিত হ'ল। ভিতৰলৈ সোমাই আহি দেখে ভনীয়েক পিংকীয়ে বিচনাত পৰি কান্দি আছে। দেউতাকক কোঠাত নেদেখি তাই সুধিলে, 'দেউতাক তহঁতে ক'লৈ নিলি ?' জিতুল আৰু পিংকীয়ে হিয়া ঢালি কন্দাৰ বাদে একো উত্তৰ দিব নোৱাৰাত পিংকীৰ বান্ধৱী মিনাক্ষীয়ে ক'লে , 'বাইদেউ ! দেউতাই যোৱাকালি এই সংসাৰ এৰি .....।' কথাষাৰ শুনা মাত্ৰকে ৰিংকীয়ে বজ্ৰপাত পৰা মানুহৰ দৰে জঠৰ হৈ পৰিল। পৃথিৱীখনৰ চাৰিওফালে যেন তাই অন্ধকাৰ দেখা পালে। বিচনাত বাগৰি পৰি তাই কিমান সময় যে কান্দি পেলালে নিজেও ক'ব নোৱাৰিলে। সেই দিন ধৰি ৰিংকীয়ে সদায়ে কান্দি আহিছে। বেদনা ভৰা এই জীৱনৰ কথা হয়তো কোনেও নুবুজিব। হয়তো কোনেও উপলব্ধি কৰিব নোৱাৰিব তাইৰ বেদনাৰ অশ্ৰু কণা যে কিমান তপত !!

# অপেক্ষাৰ অন্তত

মিনাক্ষী বড়া
স্নাতক প্রথম বর্ষ

দেওবাৰ । সময় প্ৰায় ৮ বাজি পাৰ হ'ল। আজি কলেজ বন্ধ। সেয়ে মৃণালিয়ে পলমকৈ বিচনাৰপৰা উঠি অভ্যাসবশত দৈনিক বাতৰিখন হাতত লৈ কোমল চকীখনত অতি আলাহেৰে দেহাটি এৰি ঘৰৰ বন কৰা ল'ৰা ৰঘুক চাহ একাপ বিচাৰি বাতৰিখনত চকু ফুৰালে । বাতৰিখনৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ আখৰেৰে লিখা হৈছে 'উগ্ৰপন্থীৰ গুলিত দুজন নিহত।'

আজিকালিৰ বাতৰিত গুলিয়া-গুলিৰ বাহিৰে অন্য একো ভাল খবৰ নাপায় বুলি বাতৰিখন লুটিয়াব খোজোতেই বিকাশৰ নামটো দেখি চকু ৰৈ গ'ল। বিকাশৰ নামটো পায় মৃণালিৰ বুকুখন কিবা অজান শিহৰণত বাতৰিটো নপঢ়ি নোৱাৰিলে। বাতৰিটোত লিখিছে, 'যোৱা নিশা মাজুলিৰ এখন ভিতৰুৱা গাঁৱত উগ্ৰপন্থী আৰু সেনাৰ মাজত হোৱা গুলিয়া-গুলিত দুজন উগ্ৰপন্থী নিহত হয়। তাৰে এজন দলটোৰ সচিব বিকাশ চৌধাৰী বুলি চিনাক্ত কৰা হৈছে।' বাতৰিটো পঢ়ি তাই কিমান সময় চকুৰ পানীৰে নেদেখা হৈ আছিল তাই ক'ব নোৱাৰে।

'বাইদেউ চাহ আনিলো।' হঠাৎ ৰঘুৰ মাতত তাই নিজকে সংযত কৰিলে ।

'ৰঘু তই কাষতে বহ' বুলি ৰঘুৰ হাতৰপৰা চাহকাপ লৈ দিঘলীয়াকৈ হোহা এটা মাৰিলে।

'ৰঘু তই মোক আজি বহুত দিনৰপৰা মই কিয় এনেদৰে সময়, দিন আৰু বছৰবিলাক পাৰ কৰিছো তাকে সুধি আছিলি। আজি তোৰ প্ৰশ্নৰ উত্তৰ দিম।' মৃণলিয়ে বৰ উদাসভাবে ক'বলৈ আৰম্ভ কৰিলে,

"সেয়া আজিৰপৰা প্ৰায় ২৪ বছৰৰ আগৰ কথা। আমি তেতিয়া গাঁৱৰ ঘৰত আছিলো। মোৰ দেউতা গাঁৱৰে হাইস্কুল এখনৰ প্ৰধান শিক্ষক আছিল। মই দেউতাৰ স্কুলত অষ্টম শ্ৰেণীত নাম ভৰ্তি কৰিছিলো। তাতে চিনাকী হৈছিলো বিকাশ চৌধাৰী নামৰ ল'ৰাটোৰ সৈতে। সি তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। প্ৰথমে চিনাকী আৰু পাছলৈ এই চিনাকীয়ে আমাৰ এৰাব নোৱাৰা সম্পৰ্ক হৈ উঠিলে। আমি দুয়ো একেলগে ভৱিষ্যতৰ ৰঙীন সপোন ৰচনা কৰিছিলো।

সময় পাৰ হৈছিল তীব্ৰ বেগী কাঁড়ৰ দৰে। এদিন ভাল ৰিজাল্ট কৰি সি হাইস্কুলৰ দেওনা পাৰ কৰিলে। বিকাশৰ ঘৰৰ আৰ্থিক অৱস্থা ভাল নোহোৱাৰ বাবে ইচ্ছা থাকিও চহৰৰ ভাল কলেজ এখনত নাম ভৰ্তি কৰিব নোৱাৰিলে। গাঁৱৰে নতুনকৈ খোলা কলেজখনতে নামভৰ্তি কৰিলে। মই তাৰ পাছৰ বছৰতে প্ৰথম বিভাগত মেট্ৰিকৰ দেওনা পাৰ হ'লো।

জান ৰঘু, সিদিনা মোৰ ৰিজাল্ট পায় সি নিজকে পাহৰি পেলাইছিল। সি নিজকে পৃথিৱীৰ আটাইতকৈ সুখী মানুহ বুলি ভাবিছিল। তাক দেখি এনে লাগিছিল যেন সকলো আনন্দ আহি তাৰ মুখতে থুপ খাইছে। সি মোক সেইদিনা এটা উপহাৰো দিছিল।

মৃণালিয়ে বহাৰ পৰা উঠি কাষতে থকা আলমাৰিৰপৰা এটা 'কলম' আনি ৰঘুৰ হাতত দিলে। 'এইটো চা বিকাশে দিয়া।'

মোৰ ঘৰখনৰ আৰ্থিক অৱস্থা ভাল আৰু ঘৰখনৰ একমাত্ৰ কন্যা হিচাপে গুৱাহাটীৰ এখন ভাল কলেজত নাম লগাবলৈ দেউতাই নিৰ্দেশ দিলে। দেউতাৰ কথা পেলাব নোৱাৰি মই গুৱাহাটীতে পঢ়িবলৈ ঠিক কৰিলো। মই গুৱাহাটীত পঢ়িবলৈ যোৱাৰ দিনা সি মোক এষাৰ কথা কৈছিল ঃ

'মৃণালী তুমি মোৰ জীৱনৰ গুৰি বঠা, তোমাৰ প্ৰেৰণা আৰু মৰমেৰে আজি ইমানখিনি পালোহি।' তাৰ কথা প্ৰতিটো ক্ষণত মই মনত ৰাখি নিয়মিতভাবে চিঠি-পত্ৰ আদান-প্ৰদান কৰিছিলো। এদিন বিকাশে গাঁৱৰ কলেজখনৰপৰাই অৰ্থনীতি বিজ্ঞানত মেজৰ লৈ বি. এ. পাছ কৰিলে। সাধাৰণ দুখীয়া ঘৰৰ ল'ৰা বাবে শিক্ষা জীৱন সিমানতে শেষ কৰি চাকৰি এটা বিচৰাৰ সিদ্ধান্ত ললে। চাকৰি বিচাৰি ইটো অফিচৰ পৰা সিটো অফিচলৈ আৰু বৰমূৰীয়াসকলৰ পেট ভৰাওতে ঘৰৰ মাটি কেইবিঘা বন্ধকত সোমাল। একমাত্ৰ গৰুহালো বেমাৰত মৰিল। মাজে মাজে সি তাৰ দুখৰ কথা তথা বৃদ্ধ পিতাক আৰু অসুখী মাকৰ কথা মোলৈ চিঠিত লিখিছিল। এদিন ভাবিব নোৱাৰাকৈ তাৰ হাতেৰে লিখা এখন চিঠি পাই আচৰিত হ'লো। আজিও সেই চিঠিখন মই বৰ মৰমেৰে সামৰি ৰাখিছো। তাত লিখা আছিল ঃ

'মৃণালী আজি অ'ত দিনে আমাৰ যি সম্পৰ্ক আছিল সেই সকলোবিলাক এটা সপোন বুলি পাহৰি যোৱা। কিয়নো আজি মই যি বাটেৰে বাট বুলিছো সেয়া অতি ভয়ঙ্কৰ।'

তেতিয়াৰ পৰাই বিকাশৰ কোনো খবৰ বাতৰি পোৱা নাই। সদায় বাট চাওঁ সি অহাৰ আশাৰে। এইদৰেই পাৰ কৰিছো আজি ইমান দিন।

ৰঘু, বিকাশ আজি আৰু এই পৃথিৱীত নাই । অভাৱেই তাৰ স্বভাৱ নষ্ট কৰিলে । সি সন্ত্ৰাসবাদী হ'ল । যোৱা ৰাতি সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত বিকাশ নিহত হ'ল । এয়া চা, বাতৰিত লিখিছে ।"

এই বুলি কৈ মৃণালিয়ে এজনী সৰু ছোৱালীৰ দৰে ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। তাইক সান্ত্বনা দিবলৈ ৰঘুৰ তেতিয়া কোনো ভাষা নাছিল। □



# নিসংগতা যেতিয়া সংগী হয়

বৰ্ণালী দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

আজিও আহিছিল সি। নীলাক দুটামান কিবাকিবি কথা কৈ গুছি গৈছিল। সদায় শুনাবোৰ ; যেনে, 'জানা নীলা, মই অত্যন্ত ক্লান্ত হৈ পৰিছো, নিসংগতা মোৰ বাবে অসহ্যকৰ, অভিশাপ, মই নিসংগ হৈ জীয়াই থাকিব নোৱাৰো। মই 'এমি'ৰ অবিহনে জীয়াই থাকিব নোৱাৰো। এমিক মই বহুত ভালপাওঁ, মই ....... ।'

সি মানে আকাশ হাজৰিকা, আকাশ মোৰ শৈশৱৰ খেলৰ লগৰীয়া, কৈশোৰৰ বন্ধু আৰু যৌৱনৰ প্ৰথম আলহী। সি মোৰ বাবে এটা মিঠা সপোন হৈ আহিছিল। সৰু হৈ থাকোতে এখন বিশাল আকাশৰ কল্পনা কৰিছিলো। কিন্তু আকাশতকৈও এক বিশাল সত্বাই মোক আৱৰি ধৰিছিল। সেই সুগভীৰ দুচকু; য'ত আছিল মৰমৰ আবেদন। সেই ভাজ লগা চুলি, সেই সুন্দৰ হাঁহি, সেই পুৰুষসুলভ সত্বাই মোক আচ্ছন্ন কৰিছিল। মই আকাশৰ প্ৰেমত পৰিছিলো, হৃদয়ৰ সমস্ত ভালপোৱাৰে তাক ভাল পাইছিলো। কিন্তু ....... ।

হয়তো ভুল মোৰেই । বুজাই নাছিলো, মই জনা আকাশ আৰু বাস্তৱৰ আকাশৰ মাজত ইমান প্ৰভেদ। জীৱনত মই তাকেই সত্য আৰু শেষ বুলি ভাবিছিলো। কি যে এক ভীষণ চলনাৰ বলি হৈ সি মোৰ একনিষ্ঠ ভালপোৱাক লৈ হেতালি খেলিলে । আকাশৰ সেই অন্তহীন নিৰ্ম্মমতা আৰু হঠকাৰিতাৰ বলি হৈ মই হেৰুৱাই পেলাইছিলো জীৱনৰ গতিশীলতা, মই যেন ৰৈ যাম একে ঠাইতে। কঠোৰ সাধনা আৰু বহুত আশাৰে মই গঢ়িব বিচাৰিছিলো এখন সুখৰ আৰু আদৰ্শৰ সংসাৰ। কিন্তু এতিয়া মই বৰ অসহায়ভাৱে উপলব্ধি কৰিছো, নিষ্ঠুৰ সময়ে কেনেকৈ মানুহৰ আত্মাৰ নাম, পৰিচয় মচি আঁকি দিয়ে এডোখৰ দুৰাৰোগ্য ঘাঁ। অৱশ্যে হয়, ভুল মোৰেই, আকাশৰ নামটোৰ দৰেই তাৰ হৃদয়খনো বিশাল বুলি ভাবি মই ভুল কৰিছিলো। কিন্তু মোৰ দোষ কি?

অনুৰাগ শইকীয়া তাৰ নাম, যাৰ পৰোচনাত পৰি আকাশে মোৰ বাধাহীনভাৱে চলি থকা জীৱনৰ গতি স্তব্ধ কৰি পেলালেহি। কি অপকাৰ কৰিছিলো মই অনুৰাগৰ। অনুৰাগক মই বন্ধুৰ দৰেই ভাবিছিলো, কিন্তু সি! সি মোক ভাল পাইছিল, ব্যক্তও কৰিছিল, কিন্তু মই স্পষ্টভাৱেই কৈছিলো আকাশৰ কথা, হয়তো এয়াই দোষ হ'ল মোৰ, অনুৰাগে হয়তো এই কথা সহ্য কৰিব পৰা নাছিল। আৰু সেইবাবেই কিজানি... ।

'সমুদ্ৰ' মোৰ ওচৰ সম্পৰ্কীয় দাদা, আমাৰ ঘৰলৈ সঘনাই আহযাহ কৰে, খবৰ-খাতি লয়। মা-দেউতহঁতেও যথেষ্ট মৰম কৰে তাক। মোকো নিজৰ ভনীৰ দৰেই ভাৱে। তেজৰ সম্পৰ্ক নাথাকিলেও সি আমাৰ ঘৰৰ এজন হৈ পৰিল। এই সমুদ্ৰক কেন্দ্ৰ কৰিয়েই অনুৰাগে মোৰ আৰু আকাশৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সম্পৰ্কটোৰ ইতি পেলাবলৈ যৎপৰোনাষ্টি চেষ্টা চলাইছিল, অৱশ্যে সফলো হৈছিল সি।

সেইদিনাই আছিল মোৰ জীৱনৰ আটাইতকৈ দুখময় দিন। যিদিনা আকাশে অনুৰাগৰ পৰোচনাত পৰি সমুদ্ৰদাক বাটত বেয়া ব্যৱহাৰ কৰিছিল। মোৰ লগত সন্দেহ কৰিছিল। তাৰ পৰিণতিত এখন ডাঙৰ কাজিয়া। উস! ভাবিলে শিঁয়ৰি শিঁয়ৰি উঠো তাৰ পৰৱৰ্তী দিনবোৰৰ কথা। নাজানো কেনেদৰে জীয়াই আছিলো, মনে মাত্ৰ বিচাৰিছিল সেই যন্ত্ৰণাবোৰৰ পৰা ৰক্ষা পাবলৈ। যিকোনো উপায়েৰে, ও যিকোনো উপায়েৰে। এইখিনি সময়ত মই শাৰিৰীকভাবেও বৰ দুৰ্বল হৈ পৰিছিলো। বাহিৰৰ জগতখনৰ সন্মুখীন হ'বলৈ ভয় কৰিছিলো, লোকনিন্দাৰ ভয়ত, কৰ্কথনাৰ ভয়ত। মাজে মাজে আইনাৰ সন্মুখত থিয় হৈ আজিও চাও, আইনাত প্ৰতিফলিত মোৰ এই ১৯ বছৰীয়া দেহ, মন, কেনেকৈ সহ্য কৰিছো মই এই বেদনা।

আকাশক মই বুজাইছিলো, যত্ন কৰিছিলো আমাৰ মাজৰ সম্পৰ্কটো জীয়াই ৰাখিবলৈ, কিন্তু আকাশে কৈছিল,

'সকলো জনা আছে এমি, তুমি প্ৰকৃততে কেনেকুৱা ছোৱালী।



কাৰ লগত তোমাৰ কেনেকুৱা ৰিলেছন, আচলতে আচলতে তুমি এজনী Characterless ছোৱালী ............. ।'

'আকা ..... শ!' আৰ্তনাদ কৰি উঠিছিলো মই।

'আকাশ, তুমি এনেদৰে ক'ব পাৰিলা মোক। এয়াই তোমাৰ ভালপোৱা?'

'এয়াই নহয় এমি, আৰু শুনিবা নি? আচলতে তুমি, তুমি ........।

'নাই নালাগে আকাশ, যথেষ্ট হ'ল।'

এই ঘটনাৰ পাছতো আকাশ আৰু মোৰ মাজৰ সম্পৰ্ক চলি থাকিল, অৱশ্যে আনিশ্চয়তাৰ মাজত। আচলতে আকাশে মোক প্ৰতাৰণাহে কৰি আছিল। সৌ সিদিনাহে গমপালো, যিদিনা আকাশে প্ৰীতিক নিজমুখে কৈ থকা শুনিলো। আকাশে কৈছিল, 'আচলতে মই এমিক চতুৰাইছো, খেলিছো তাইৰ লগত। একো নাই মোৰ অন্তৰত তাইৰ প্ৰতি। তাইৰ দৰে এজনী Characterless .......। আচলতে মই এগৰাকী বেলেগ ছোৱালীক ভাল পাওঁ, কৈ দিবা তোমাৰ মৰমৰ বাইদেউৰাক।'

উস! অসহ্য, আৰু কিমান সহিম! নোৱাৰো মই। মই মৰি যাম। আঁতৰি গৈছিল আকাশ মোৰ কাষৰ পৰা। স্ব-ইচ্ছাৰে, আৰু মোক ৰাস্তাই ঘাটে য'তেই পাই, অপমান কৰিছিল, অশ্লীল বাক্য কৈছিল, অপমানসূচক চিএঞৰ মাৰিছিল। আৰু বহুত কিবাকিবি কৰিছিল। আৰু মই হৈ পৰিছিলো এটা সুপ্ত জ্বালামুখী। নীৰৱ দৰ্শকৰ দৰে, নীৰৱ শ্ৰোতাৰ দৰে সকলো সহ্য কৰিছিলো, ভিতৰত একুৰা প্ৰচণ্ড জুই পুহি ৰাখিছিলো, নুমাই যোৱা জুইৰ উত্তাপ সহ্য কৰিব পাৰি, কিন্তু দগমগাই জ্বলি থকা জুইৰ উত্তাপ বৰ অসহনীয়। আৰু সেইবাবে মইও সুযোগৰ অপেক্ষাত আছিলো। মোৰ অন্তৰত বহল হৈ গৈ থকা ঘাঁবোৰ শুকুৱাবলৈ।

অৱশেষত সেই সুযোগ আহিল, আকাশে নিজেই দিলে সেই সুযোগ। মোক তিলতিলকৈ মৃত্যুমুখলৈ ঠেলি দিয়া আকাশেই, মোৰ মুখৰ হাঁহি কাঢ়ি নিয়া সেই আকাশেই আজি কয়, সি মোক ভাল পায়, পাহৰিব নোৱাৰে।

কিযে আচৰিত সময়, কিয়ে আচৰিত মানুহৰ মন। মই কিন্তু আকাশক বিশ্বাস নকৰো, নোৱাৰো কৰিব। ভয় লাগে মোৰ।

হয়তো আজিও সি নীলাক একেবোৰ কথাই ক'বলৈ আহিছিল। নীলাই কি ক'লে নাজানো। কিন্তু মই ভাবিছো, আকাশক লগ ধৰি ক'ব লাগিব,

'আকাশ, তুমি বহুত পলম কৰিলা। এতিয়া আৰু তোমাক দিবলৈ মোৰ একো নাই। মই এতিয়া এটা শূন্যৰ দৰেহে জীয়াই আছো। তুমিতো মোক বহুত জ্বলালা আকাশ, জ্বলাই জ্বলাই মোৰ সমগ্ৰ সত্বাটোকে ছাৰখাৰ কৰি দিলা তুমি। এতিয়া কি বিচাৰি আহিছা মোৰ শূন্য জীৱনটোলৈ? নাই আকাশ, তুমি মোক পাহৰি যোৱা। নিসংগতা কেনেকুৱা লাগে অনুভৱ কৰা এবাৰ। মইওতো নিসংগ পৰিছিলো তোমাৰ অবিহনে আৰু এতিয়া নিসংগতাই মোৰ প্ৰিয় সংগী। নালাগে মোক তোমাক। মই নিসংগ হৈ জীয়াই থাকিব বিচাৰো। নাজানো আকাশ, কি কৰিবলৈ ওলাইছো। ভুলেই নে শুদ্ধ। তুমি মোৰ জীৱনৰ পৰা একেবাৰে আঁতৰি যোৱা আকাশ। আকাশ, আচলতে কি জানা, হৃদয়খনতো এখন চুৱাকাঁহী নহয় যে, কোনোবাই এবাৰ চুৱা কৰাৰ পাছত পুনৰ ধুই নিকা কৰি অইন কাৰোবাক দিব পাৰি। গতিকে কৈছো, মোক অকণমান শান্তিৰে জীয়াই থাকিবলৈ দিয়া। অন্যথা তুমি মোৰ চিতাত মুখাগ্নি কৰিবাহি ........।' □



২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত মহাকাশযান কলম্বিয়াৰ দুৰ্ঘটনাত ভাৰতীয় বিজ্ঞানী কল্পনা চাওলাৰ মৃত্যু হয়। সম্প্ৰতি এইগৰাকী ভাৰতীয় মূলৰ বিজ্ঞানীৰ নামেৰে আমেৰিকাৰ নিউইয়ৰ্ক মহানগৰৰ জেক্‌ছন হাইটছৰ ৭৪ নং পথৰ এছোৱাৰ নামকৰণ কৰা হৈছে।



# ৰিক্ত হৃদয়ৰ বেদনা

*ভাস্কৰজ্যোতি শইকীয়া*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

হেল্ল' ভণ্টী, কাম হিয়েৰ, হঠাৎ অচিনাকী কণ্ঠস্বৰটো শুনি অনিতাৰ বুকুখন টিপিং কৰি উঠিল, কিন্তু নাৰ্ভাচ নহৈ তাই লাহেকৈ ক'লে, 'কাক মাতিছে?'

'তোমাকে মাতিছো, জলদি আঁহা।'

এদল ল'ৰাৰ মাজৰেই এজনে হিৰ'ৰ ভংগীমাৰে সুধিলে, 'নতুনকৈ আহিছা?'

ঃ হয়।

ঃ নাম কি?

ঃ অনিতা বৰুৱা। অনিতাৰ পোনপটীয়া উত্তৰ শুনি ল'ৰাকেইটাই হয়তো থতমত খাইছিল। এটায়ে ক'লে, 'মৃত নে জীৱিত।'

ঃ আপোনালোকৰ লগত দেখোন কথাই পাতি আছো। সেই প্ৰশ্নৰ উত্তৰ মোতকৈ আপোনালোকেহে ভালদৰে জানে।

হঠাৎ এটাই ভয়ে ভয়ে ক'লে, 'প্ৰিন্সিপাল চাৰ!' আটাইকেইটা ল'ৰাই তৎক্ষণাত পলাই পত্ৰং দিলে।

অনিতাৰ কলেজৰ প্ৰথম দিনটো এনেদৰেই পাৰ হৈ গ'ল।

আজি তাইৰ কলেজৰ দ্বিতীয় দিন। কলেজৰ চৌহদত প্ৰৱেশ কৰিয়েই তাই তাইতকৈ এবছৰৰ ছিনিয়ৰ ল'ৰা দুজনক বাৰান্দাত ৰৈ থকা দেখিলে। তাৰে এজনক প্ৰথম দেখিয়েই তাইৰ মনটো ভাল লাগি গ'ল। তাই যেন সেই ল'ৰাজনকেই বিচাৰি ফুৰিছিল। সেই ল'ৰাজনেই যেন তাইৰ হিয়াৰ মাজত থকা খালী ঠাই টুকুৰা পূৰ কৰি দিব।

সিদিনা কলেজৰপৰা গৈ তাই সেই ল'ৰাজনৰ লগত কেনেকৈ চিনাকি হ'ব পাৰি তাৰ উপায় ভাবিবলৈ ধৰিলে। তাই বহুতো উপায় ভাবিলে, কিন্তু সেই উপায়বোৰ অৱলম্বন কৰিবলৈ গ'লে হয়তো তাই লাজ পাব পাৰে। শেষত যেনিবা তাই এটা সহজ উপায় ভাবি উলিয়ালে। পিছদিনা তাই কলেজত ল'ৰাজনক দেখিয়েই তাইৰ মনটো ইচাত বিচাত কৰিবলৈ ধৰিলে। তাই সেই ল'ৰাজনৰ কাষেদি যোৱাৰ চলেৰে ল'ৰাজনৰ লগত এটা খুন্দা মাৰি দিলে আৰু লগে লগে তাই তাইৰ হাতত থকা বহীখন মাটিত পেলাই দিলে।

ঃ অহ ছ'ৰি, তাই তলমূৰ কৰি ক'লে।

ঃ আই এম ছ' ছ'ৰি বুলি কৈ ল'ৰাজনে লগে লগে অনিতাৰ বহীখন মাটিৰপৰা তুলি অনিতাৰ হাতত দিলে আৰু সি অনিতাৰ নামটো জানিব বিচাৰিলে। অনিতাই তাইৰ নামটো ক'লে আৰু তাইও ল'ৰাজনৰ নামটো সুধিলে।

ল'ৰাজনৰ নাম অজয় হাজৰিকা।

এনেদৰেই সিহঁতৰ মাজত গঢ়ি উঠিল আত্মীয়তা আৰু বন্ধুত্ব। দুয়ো দুয়োৰে অজানিতেই পৰস্পৰে পৰস্পৰৰ হিয়াৰ কাষ চাপি গ'ল। দুয়ো পৰিবৰ্তিত হ'ল 'জয়' আৰু 'নিতা' লৈ। ক'ব নোৱাৰাকৈয়ে সিহঁতে ইজনে সিজনক লৈ সপোন ৰচাত বিভোৰ হ'ল।

সপোন দেখাটো স্বাভাৱিক। দেখিবই। সকলোৱে সপোন দেখে। জয় আৰু নিতাই প্ৰেমৰ আদি পাঠ লৈয়ে সিহঁত দুয়োৰে সহযোগিতাত অদূৰ ভৱিষ্যতে গঢ়ি উঠিব লগা এক সুন্দৰ তথা আনন্দময় জীৱনৰ বহু ৰঙীন সপোন দেখিবলৈ ধৰিলে। কল্পনাৰ বালিঘৰ সাজিলে। সিহঁতে চিৰজীৱন পৰস্পৰে পৰস্পৰৰ সুখ-দুখৰ সমভাগী হোৱাৰ কথা দিলে। সিহঁতে কল্পনা কৰিলে এখন ৰঙীন পৃথিৱী; যি খন পৃথিৱীত জয় আৰু নিতাৰ বাহিৰে নাথাকিব অন্য কোনো।

প্ৰকৃতিৰ দৰেই সিহঁতৰ জীৱনলৈও পৰিবৰ্তন আহিল। হায়াৰ ছেকেণ্ডাৰীৰ শিক্ষা সম্পূৰ্ণ কৰি এদিন ডাক্তৰ হোৱাৰ ইচ্ছাৰে অজয় অনিচ্ছা সত্বেও গুছি গ'ল কলিকতালৈ। সেইদিনা নিতাৰ বৰ দুখ লাগিছিল। সিদিনা অজয়ে নিতাক কৈছিল,

ঃ অনিতা তুমি চিন্তা নকৰিবা, মই একেবাৰে যোৱা নাই নহয়। মই ডাক্তৰি পাছ কৰাৰ পাছতে তোমাৰ কাষলৈ ঘূৰি আহিম।

সেইদিনা তাইৰ মুখৰপৰা এষাৰ কথাও বাহিৰ নহ'ল। তাইক শোকে খুন্দা মাৰি ধৰিলে। নিজকে তাই বৰ অকলশৰীয়া অনুভৱ



কৰিলে। ভৱিষ্যত জীৱনৰ প্ৰতি লক্ষ্য ৰাখিয়েই তাই নিজকে সান্ত্না দিয়াৰ চেষ্টা কৰিলে। চিঠিৰ দ্বাৰাই সিহঁতে সঘনে যোগাযোগ ৰক্ষা কৰি চলিলে।

অনিতাইও এদিন হায়াৰ ছেকেণ্ডাৰী পাছ কৰিলে। স্থানীয় কলেজত নপঢ়ি তাই ইচ্ছা কৰিয়েই চহৰৰ এখন কলেজত নাম ভৰ্তি কৰিলে। মাক-বাপেকৰ আগত ধৰা নপৰিবৰ বাবেই তাই বাছি ল'লে হোষ্টেলৰ জীৱন। ঘৰ এৰি আহিবৰ সময়ত তাই যন্ত্ৰণাত উচুপি উঠিছিল। হোষ্টেলৰ প্ৰথম দিনা অনিতাৰ যিমান ভাল লাগিল, সিমান বেয়াও লাগিল। এফালে নিজ পিতৃ-মাতৃ, আপোনজনৰ লগত বিচ্ছেদৰ বিৰহ বেদনাত তাই যিমান দুখ লাগিল, সেইদৰে হোষ্টেলৰ বিভিন্ন ঠাইৰ ছাত্ৰীসকলৰ লগত মিলিত হৈ সিমানেই আনন্দও লাগিল।

হোষ্টেলৰ জীৱনৰ প্ৰথম কেইদিন তাই বৰ অস্বস্তিত কটাইছিল। তাইৰ হোষ্টেলত অলপো মন বহা নাছিল। ৰাতি বিচনাত পৰাৰ সময়ত তাইৰ ঘৰলৈ বৰ মনত পৰিছিল। আৰু তাইৰ বৰকৈ মনত পৰিছিল নিজৰ প্ৰিয়জন জয়লৈ।

এনেদৰেই দিনৰ পাছত মাহ, মাহৰ পাছত বছৰ পাৰ হৈ গ'ল। অনিতাইও এদিন ইউনিভাৰ্ছিটিৰ স্নাতকোত্তৰ উপাধি ল'লে। আনফালে অজয়েও ডাক্তৰী পাছ কৰি ঘূৰি আহিল। সিহঁতে দুয়ো সমাজত নিজকে প্ৰতিষ্ঠা কৰি ল'লে। অনিতাই এখন কলেজৰ অধ্যাপিকা হিচাপে আৰু অজয়ে নিজকে ডাক্তৰ হিচাপে প্ৰতিষ্ঠা কৰিলে।

সিহঁতৰ জীৱনৰ চৌৱিশটা বসন্ত পাৰহৈ গ'ল। পৃথিৱীৰ প্ৰতিটো বস্তুৰেই পৰিবৰ্তন হ'ল। কিন্তু পৰিবৰ্তন নহ'ল অনিতা আৰু অজয়ৰ। সিহঁতৰ আত্মিক সম্পৰ্ক আগৰ দৰেই সঁচা হৈ ৰ'ল।

সূৰ্যক যি দৰে কোনেও ঢাকি ৰাখিব নোৱাৰে, সেই দৰে সত্যকো কোনেও লুকুৱাই ৰাখিব নোৱাৰে। নিতা আৰু জয়ৰ প্ৰণয়ৰ কথা নিতাৰ মাক-দেউতাকে গম পালে।

ঃ নিতা আমি এইবোৰ কি কথা শুনিছো? নিতাৰ মাকে গম্ভীৰ স্বৰেৰে নিতাক ক'লে। কিন্তু নিতাই এষাৰো নক'লে। মাকে আকৌ ক'লে, 'আমি এই সম্পৰ্ক ভাল পোৱা নাই। তোক আমি ইমান পঢ়োৱালো, কিন্তু তই এনেকোৱা কৰিবি বুলি ভবা নাছিলো। শুন নিতা, তই এইবোৰ এৰ আৰু এই কথাটো তোৰ দেউতাৰেও মুঠেই ভাল পোৱা নাই। তোৰ কাৰণেতো আমি ইতিমধ্যে গুৱাহাটীৰ ল'ৰা এজন ঠিক কৰিছো।'

নিতাই ভাবিলে কিয় তাইৰ ঘৰখনে তাইক নোসোধাকৈ এনে কাম কৰিলে! কিয় সিহঁতে এবাৰো ভাবি নাচালে যে তাইবোতো কিবা নিজা চিন্তা থাকিব পাৰে! কিন্তু .....কিন্তু ঘৰখনে নিবিচৰা অজয়ক তাই যে পাহৰিব নোৱাৰে। তাৰ জীৱনৰ পৰা আঁতৰিও আহিব নোৱাৰে। তাইৰ মনটো সেমেকি উঠিল। তাইৰ দুচকুৰে দুটোপাল তপত চকুলো বাগৰি আহিল। তাইৰ হিয়া ঢকিয়াই কান্দিবলৈ মন গ'ল। তাই ভাবি নাপালে কিয় তাইৰ ঘৰখনে অজয়ক বিচৰা নাই।

যথাসময়ত তাইৰ বাবে সুদূৰ গুৱাহাটীৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিল। যাক তাই পোনচাতেই নাকচ কৰি দিলে। তাইক বেদনাই অস্থিৰ কৰি তুলিলে........।

দুখৰ দিনবোৰ ক্ৰমে অতীতৰ বুকুত জাহ যাবলৈ ধৰিলে। বহুতো চেষ্টা কৰিলে তাই মাক-দেউতাকক মান্তি কৰিবৰৈ। কিন্তু তাইৰ সকলো চেষ্টা, সকলো অনুৰোধ অথলে গ'ল। তাই বহু কষ্ট কৰি জয়ক এদিন লগ কৰিলে।

ঃ জয়দা, মই আপোনাক ভালপোৱাৰ মূল্য দিব নোৱাৰিলো।'

ঃ নিতা, তুমি এইবোৰ কি কথা কৈছা। জয়ে নিতাৰ কথা শুনি আচৰিত হ'ল।

ঃ মই সঁচা কথাই কৈছো জয়দা। তুমি তোমাৰ ভাল লগা দ্বিতীয় এজনী নিতাক বিয়া কৰোৱা। নিতাৰ মাক দেউতাক যে তেওঁলোকৰ মিলনৰ ক্ষেত্ৰত অন্তৰায় হৈ পৰিছে,সেই কথা জয়ক তাই বিৱৰি ক'লে।

ঃ শুনা নিতা, মই এনে ভুল কেতিয়াও নকৰো। গোটেই জীৱনটো চিৰকুমাৰ হৈয়ে কটাম। তথাপি সেই কাম মই কৰিব নোৱাৰো। মই চিৰদিন তোমাৰেই হৈ ৰম নিতা। তোমাৰপৰা দূৰত থাকিলেও, চকুৰ আঁতৰ হ'লেও তুমি মোৰ মনৰ আঁতৰ হ'ব নোৱাৰা। মই তোমাৰ নিচেই কাষতেই আছো। মই কি ভাবো জানা নিতা, এইখন পৃথিৱীত নহ'লেও মৃত্যুৰ পাছত সিখন পৃথিৱীত নিশ্চয় আমাৰ মিলন হ'বই। এই জনমত নহ'লেও বাট চাই ৰম নিতা। আমাৰ এই পবিত্ৰ ভালপোৱাক মই কেতিয়াও অপমান নকৰো নিতা। কেতিয়াও নকৰো ......। নিতাই কোনোমতে জয়ক আকৌ এবাৰ অনুৰোধ কৰিলে।

ঃ প্লিজ, জয়দা আপুনি মোৰ এই অনুৰোধ ৰক্ষা কৰক।

ঃ নিতা মই তোমাৰ এই অনুৰোধ ৰক্ষা কৰিব নোৱাৰিম। পুৰণি কথাবোৰ পাহৰি নাযাবা। মোৰ এনেদৰেই জীৱনটো পাৰ কৰি ভাল লাগিছে। মই এনেদৰেই সুখী নিতা। মই এই জীৱন তোমাৰ মৰম-ভালপোৱাক লৈয়ে কটাই দিম। অতীতৰ স্মৃতিবোৰেই মোক জীয়াই থাকিবৰ বাবে প্ৰেৰণা যোগাব। মোক বুজিবলৈ চেষ্টা কৰা নিতা।

অজয় আছিল সুউচ্চ হিমালয়ৰ দৰে দৃঢ়, স্থিৰ। সি নিজৰ স্থিতিত অটল হৈয়ে ৰ'ল। সি অজেয়। পৰাজয় কেতিয়াও স্বীকাৰ নকৰে।

সেইদিনা নিতাই ঘৰত আহি হেঁপাহ পলুৱাই কান্দিলে। এই কান্দোন, বেদনা, চকুলো নিজৰ বাবে নহয়, আপোনজনৰ বাবে। অজয়ৰ অকৃত্ৰিম মৰমৰ বাবেই তাই কান্দিছে।

আজি আবেলিটো নিতাই কান্দি কান্দিয়েই পাৰ কৰি দিলে। দিনমণিয়ে নিজৰ কৰ্তব্য পালন কৰিলে। প্ৰকৃতিৰ বুকুলৈ আন্ধাৰ নামি আহিল। তাইৰ আজি আন্ধাৰহে ভাল লাগিল। যেনেদৰে ৰঙা গোলাপৰ পাহিতকৈ কাঁইটবোৰকে কেতিয়াবা ভাল লাগিছে। গাঁৱৰ নামঘৰৰপৰা ডবা, শংখৰ ধ্বনি ভাঁহি আহিছে। সুদূৰৰ মচজিদৰ পৰা অহা আজানৰ সুৰ ৰিণি ৰিণিকৈ তাইৰ কাণত পৰিছেহি। চহৰৰ গীৰ্জা ঘৰৰ ঘণ্টাৰ কোববোৰ কোনোৱাই তাইৰ বুকুত হাতুৰীৰে কোবোৱাৰ দৰে লাগিল। তাই ৰিক্ত হৃদয়ৰ যন্ত্ৰণাত বিচনাতে পৰি ৰ'ল...........................।□



# অভিনয়ৰ অন্তত

নীতামণি হাজৰিকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



কিতাপখন লৈ মই হোষ্টেলৰ বাৰান্দাত থকা চকিখনত গাতো এৰি দিলো। হয়তো মোৰ ভাগৰখিনি সহিব নোৱাৰি বেতৰ চকিখন কেৰকেৰাই উঠিল। কিতাপখন হাতত লৈছো যদিও পঢ়িবলৈ মন যোৱা নাই। ঘৰৰ সন্মুখৰ ৰাস্তাটোৰেদি কিমানযে মানুহ অহা যোৱা কৰিছে তাৰ হিচাপ জানো কোনোবাই ৰাখিছে? অৱশ্যে এইবিলাক খবৰ ৰাখিবলৈ প্ৰয়োজনেই বা ক'ত। এই ব্যস্ত পৃথিৱীত কোনে কাৰ বাবে খবৰ ৰাখিব! সকলোৱে নিজৰ নিজৰ কামত অগ্ৰসৰ হৈছে। স্কুল, কলেজ, অফিচ-কাছাৰি, কোন যে ক'লৈ গৈছে!

ৰাস্তাৰ ফালে মই এনেয়ে চাই আছোঁ। তেনেতে মোৰ সন্মুখেৰে পাৰ হৈ যোৱা মোৰ বান্ধৱী বীনিক দেখি মোৰ হঠাৎ মনত পৰিল আজিৰেপৰা যে আমাৰ কলেজত বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হৈছে। বীনিৰ খেলৰ প্ৰতি বৰ ৰাপ আছে। হাইজাম্প, দৌৰ, বেডমিণ্টন আদি খেলত তাই বৰ পাৰ্গত। সেইবাবে আজি তাই সোনকালে কলেজলৈ গৈছে।

মহাবিদ্যালয় সপ্তাহ আৰম্ভ হ'লে মোৰ এৰি থৈ অহা স্কুলীয়া জীৱনটোৰ কথা বৰকৈ মনত পৰে। আজিও মোৰ মনত পৰিছে। মোৰ লগৰ মিতা, চিমি, বীণি, মৃণালী, সংগীতা আদিলৈ মনত পৰিছে। আমি আটাইকেইজনী বৰ ভাল বান্ধৱী আছিলো। আমাৰ স্বভাৱ চৰিত্ৰৰো ইজনীৰ লগত সিজনীৰ কিছু কিছু মিল আছে। ক'ৰবালৈ ওলাই গ'লেও আটাইকেইজনী একেলগে যাওঁ। মৃণালীক 'ব' আখৰটোৰ এটা গান গাবলৈ ক'লে তাই বৰ আনন্দত তাইৰ প্ৰিয়তমক উদ্দেশ্যি গায় ঃ 'বহুতো প্যাৰ্ কৰতি হু তোমকো চনম'।

মই তেতিয়া নৱম মানৰ ছাত্ৰী। আমাৰ স্কুলৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। মই খেল খেলি ভালপাওঁ যদিও খেল উপভোগ কৰাটো বেছি ভাল পাইছিলো। সেইবাবে মই সদায় চাবলৈহে যাওঁ।

এদিন আমি আটাইকেইজনী বান্ধৱীয়ে খেল চাই থাকোতে এজন ল'ৰাই বৰকৈ আমাৰ ফালে চাই থকা দেখিলো। মাত্ৰ ময়ে যে দেখা পাইছিলো তেনে নহয়, সিহঁতকেইজনীয়েও দেখিছিল। তেনেতে মিতাই মোক ক'লে,

ঃ প্ৰীতি, চোৱাঁচোন, তোমালৈ সেই ল'ৰাজনে ইমান ৰ লাগি চাই আছে! মোৰ হলে বৰ ভয় লাগিছে। প্লিজ প্ৰীতি, মোক মাজত সোমাবলৈ দিয়ানা।

তাইৰ এনে কাৰ্যত আমি আটাইয়ে হাঁহিলো। অৱশ্যে হাঁহিব লগা কথা নহয়, তাই তেনেকুৱাই। আজিও তাৰ ব্যতিক্ৰম ঘটা নাই। সেইবাবে আমি তাইক ভয়-পাদুৰী বুলি জোকাওঁ।

এনেদৰেই কেইবাদিনো গুছি গ'ল। আমিও চাওঁ ল'ৰাজনলৈ, ল'ৰাজনেও আমালৈ চাই থাকে। কিন্তু এদিন হঠাৎ মোৰ ওচৰলৈ আহি এটা মিঠা হাঁহি উপহাৰ দি মোক ক'লে —

ঃ প্ৰীতি, আহিলা ?

ঃ ওঁ, আহিলো। তুমি কেতিয়া পালাহি ? মই সুধিলো।

ঃ এই অলপ সময় হ'ল।

ঃ প্ৰীতি, মই তোমাক এটা কথা ক'ব বিচাৰো। যদি বেয়া নোপোৱা .......! তেওঁ ক'লে।

ঃ বেয়া! বেয়া কিয় পাম? আশাকৰো তুমি মোক ভাল কথাই ক'বা! মই ক'লো।

ঃ নাজানো, মোৰ কথাটো তুমি ভালপোৱা নে নোপোৱা। অ'

ৰ'বা, প্ৰথমে মই মোৰ চিনাকীটো দি লওঁ।

মোৰ নাম অংকুৰদীপ চৌধুৰী। ঘৰ ডিব্ৰুগড়তে। মা-দেউতা, দাদা আৰু মোৰ বাহিৰে আমাৰ ঘৰত আৰু অন্য প্ৰাণী নাই । মা ঘৰত থাকে, দেউতাই অ, এন, জি, চিত চাকৰি কৰে। দাদাই গুৱাহাটীত পি, জি, কৰি আছে। আৰু মোকতো দেখিছাই। মানে, কি জানা প্ৰীতি, আমাৰ ঘৰত মোৰ ভণ্টী নাই। গতিকে মোৰ একমাত্ৰ ভনীজনী যদি তুমি হোৱা, তেন্তে মই বহু সুখী হ'ম। মই নিজকে ভাগ্যবান বুলি ভাবিম। মই তোমাৰ বিষয়ে সকলো জানো প্ৰীতি। তোমাৰোতো ঘৰত দাদা নাই। মই শুনিছো, তুমি পঢ়া-শুনাতো বৰ পাৰ্গত।

ঃ এহ, কিবোৰ যে কোৱা! ক'তনো ভাল। তুমি মোৰ বিষয়ে ইমানকৈ জানিলা, অথচ মই তোমাক জনা নাছিলো। তোমাৰ ভনী বাৰু হ'ম, যদিহে মোৰ এটা চৰ্ত মানি লোৱা।

ঃ কি চৰ্ত প্ৰীতি? মই সকলো চৰ্ত মানি ল'বলৈ প্ৰস্তুত আছোঁ।

ঃ চৰ্তটো হ'ল, তোমাৰ মুখত মই যাতে আজীৱন ভণ্টী শব্দটো শুনিবলৈ পাওঁ। কোৱাঁ, মোৰ চৰ্তটো মানি ল'বানে?

ঃ নিশ্চয় প্ৰীতি। মই তোমাৰ সকলো চৰ্ত মানি লম।

ঃ লম নহয়, লৈছো বুলি কোৱাঁ? মই ক'লো।

ঃ লৈছোঁ। বাৰু যাওঁ প্ৰীতি, মায়ে আজি সোনকালে ঘৰলৈ যাবলৈ কৈছে।

ঃ বাৰু যোৱা, মই ক'লো।

সঁচাকৈয়ে সময় চিৰপ্ৰবাহমান। সময়ে কাৰো বাবে অপেক্ষা নকৰে। কিছুমান সময়ে মানুহক দি যায় বহুতো সুখ আৰু, আৰু কিছুমান সময়ে মানুহক দি যায় মৰ্মান্তিক বেদনা। সময়ৰ প্ৰবল সোঁতত উটি গ'ল এসময় মোৰ মৰমৰ আৰু শ্ৰদ্ধাৰ অংকুৰদা ।

কিছুদিন আমাৰ মাজত দাদা-ভনীৰ পবিত্ৰ মৰম-স্নেহৰ আদান প্ৰদান ঘটিল। মই মোৰ দাদা নথকাত এজন মৰমীয়াল তথা দয়ালু দাদা বিচাৰি পাইছো। ইয়াতকৈও সুখৰ কথা কি হ'ব পাৰে বাৰু!

প্ৰকৃতিৰ নিয়ম অনুসৰি সময়বিলাক অতি সোনকালে আগবাঢ়িবলৈ ধৰিলে। দিন যায়, মাহ আহে। এদিন ৰাস্তাত স্কুলৰপৰা আহি থাকোতে অংকুৰদাই মোক লগ ধৰি এখন চিঠি দিলে। কিন্তু অন্যদিনাৰ চিঠিতকৈ সেইদিনা চিঠিখন বহু পৰিবৰ্তন দেখিলো। লিখিছিল ঃ

প্ৰীতি,

মৰম ল'বা। । জানা প্ৰীতি, মই তোমাক আজি অ'তদিনে ভণ্টী হিচাপে ভাবিব নোৱাৰিলো। মই তোমাক বহুত ভালপাওঁ। মই তোমাক মোৰ জীৱনৰ লগৰী কৰিম বুলি ভাবিছোঁ। প্ৰীতি, তুমি মোক ক্ষমা কৰি দিবা। ................ মই তোমাক কেতিয়াও আনৰ হ'বলৈ দিব নোৱাৰো। কেতিয়াও.......... ।

তোমাৰ 'অংকুৰদীপ'

চিঠিখন পঢ়ি মই বৰ বিপাঙত পৰিলো। আগতে মিতাক খুউব হাঁহিছিলো ভয়-পাদুৰী বুলি। কিন্তু মোৰোচোন তেতিয়া বৰ ভয় লাগিছিল।

বিপদৰ ভয়ত মইও অংকুৰদালৈ ভালপোৱাৰ মিছা অভিনয় কৰি মিঠা মিঠা ভাষাৰে চিঠি দি যাবলৈ ধৰিলো। কিন্তু মই এই ভনী শব্দটো কেতিয়াও পাহৰা নাছিলো। চিঠিৰ উত্তৰ এদিন দেৰি হ'লেই তেওঁ মোক টান কথা শুনাই। মই অলপো সুখী হ'ব পৰা নাছিলো। অনবৰতে চিন্তাই মোক খুলি খুলি খাবলৈ ধৰিলে। এফালে ঘৰত গম পাই যোৱাৰ চিন্তা, আনফালে মোৰ পঢ়া শুনা কৰাৰ চিন্তা। মই অংকুৰদাক শ্ৰদ্ধা কৰো, কিন্তু মোৰ হৃদয় দিব নোৱাৰো। কোনো মানুহেই কাৰোবাক ভালপাবলৈ জোৰ কৰা উচিত নহয়। অংকুৰদাই মোক তেওঁৰ মূৰৰ ওপৰত আসন পাতি বহুৱাব পাৰে, কিন্তু, বুকুৰ মাজত বহুৱাব নোৱাৰে। কেতিয়াও নোৱাৰে ।

মই লাহে লাহে গম পালো দীপদাৰ স্বভাৱ-চৰিত্ৰৰ কথা। অনবৰতে খং কৰে, মদ, ভাং, চিগাৰেট, খাই থাকে। তাৰ উপৰি ঘৰত, লগৰ সমনীয়াৰ লগত অনবৰতে কাজিয়া কৰি থাকে। আৰু আনফালে মই তেওঁৰ সম্পূৰ্ণ বিপৰীত। তথাপিও যিমান পাৰো মই তেওঁক ভাল পথলৈ আনিবলৈ বহু চেষ্টা কৰিছিলো। ভাবিছিলো মই ভাল পথলৈ আনিব পাৰিম। কিন্তু নোৱাৰিলোঁ ।

মই লাহে লাহে তেওঁৰ কাষৰ পৰা অতি সোনকালে আঁতৰি আহিবৰ চেষ্টা কৰিলো। মই নৱম মানত থাকোতে তেওঁ দশম মানত। অৱশ্যে এবাৰ ক্লাছত ৰৈ দিছিল। ক্লাছ শেষ হোৱাৰ লগে লগে তেওঁ বাহিৰলৈ আহি দুৱৈৰ পৰাই মোলৈ ফ্লাইং কিছ মাৰে। মই মাত্ৰ চাই থকাৰ বাহিৰে আন একো কৰিব নোৱাৰোঁ।

বাস্তৱৰ কঠিন আঘাতত চুৰমাৰ হৈ যায় আমাৰ সোণালী সপোন, ৰঙীন কল্পনা। বাস্তৱকতো আমি অস্বীকাৰ কৰিব নোৱাৰো। সকলো মাক-দেউতাকে সন্তানৰ ভৱিষ্যত উন্নতিৰ কামনা কৰে। সেয়ে মোকলৈও আমাৰ ঘৰখনে মোৰ ভৱিষ্যত উজ্বল কামনা কৰে।

মই পঢ়াত গুৰুত্ব দিলো ।

ইতিমধ্যে মই মেট্ৰিক পৰীক্ষাত বহিলো। কিছুদিনৰ মূৰত মোৰ ফলাফলো ওলাল। মই প্ৰথম বিভাগত উত্তীৰ্ণ হ'লো। ঘৰত মোক ডিব্ৰুগড়ত নপঢ়াওঁ বুলি ক'লে আৰু যোৰহাটৰ এখন কলেজত নামভৰ্তি কৰি দিলে। লগতে হোষ্টেলো মোৰ বাবে ঠিক কৰি দিলে। মোৰ লগত গ'ল মাত্ৰ 'পিংকী'।

সকলোৰেপৰা বিদায়লৈ যাবলৈ ওলালো। অংকুৰদাকো লগ পালো। তেওঁ মোক নতুন জীৱনৰ বাবে শুভেচ্ছা যাচিলে। যাওঁতে মই ক'লো,

ঃ অংকুৰদা, তুমি অন্য এজনী প্ৰীতি বিচাৰি লবা। যাতে ওৰে জীৱনটো তোমাক স্নেহ-প্ৰীতিৰে বান্ধি ৰাখিব পাৰে। যাওঁ, বেয়া নাপাবা।

ঃ বাৰু যোৱা, তোমাৰ কথাবিলাক পালন কৰিবলৈ চেষ্টা কৰিম।

হোষ্টেলৰ জীৱন মোৰ ভাল লাগিল। দুবছৰ হোষ্টেলতে কটালো। দুবছৰত এদিনো ঘৰলৈ নগ'লো । এদিন পিংকীক লগ ধৰিলো এপাক ঘৰৰ পৰাই আহোঁ বুলি। গাড়ীৰপৰা নমা ঠাইতে অংকুৰৰ লগৰ এজনে এখন দোকান দি আছে। তাতে অংকুৰদাহঁত বহি থাকিব পাৰে ! মই





যোৱা দেখিলে জানোচা কিবা বিপদ ঘটে! তথাপিও ওলালো। মোৰ পচন্দৰ নীলা চুৰিদাৰ এযোৰ পিন্ধি শিৰত ৰঙাকৈ অকণমান সেন্দূৰ ললো। লগতে এটা সৰুকৈ কপালত ফোট। আইনাত নিজকে এবাৰ চালো। সঁচাকৈ এজনী ন-বোৱাৰীৰ দৰেই দেখিলোঁ। মোৰ বেগত এটা পানীৰ বটল ভৰাই ঘৰলৈ বুলি গাড়ীত উঠিলো।

যথাসময়ত মই গৈ পালো আৰু গাড়ীৰ পৰা নামিয়েই দেখিলো অংকুৰদা মনোজৰ দোকানত বহি আছে। লগত আছে ৰাজ, নয়ন, প্ৰদীপহঁত। মই সিহঁতৰ ওচৰত গৈ মাত লগালো। আৰু ভাল বেয়া খবৰ ললো । প্ৰদীপে মোৰ কপালৰ ফালে চাই শিৰত সেন্দূৰ দেখি চিঞৰি দিছিল,

ঃ আৰে! তই অন্তত আমাক নিমন্ত্ৰণটো দিব পাৰিলিহেতেন!

ঃ ৰ'বাচোন, ইমান চিঞৰিছ কিয়? আচলতে কি জানা, তোমালোকক মাতিম বুলি ভাবিছিলো, কিন্তু দৰা ঘৰৰ মানুহে বৰ খৰধৰ কৰাত মোৰ বন্ধু-বান্ধৱী কাকো নিমন্ত্ৰণ দিব নোৱাৰিলো। তোমালোকে মোক ক্ষমা কৰি দিবা হাঁ। অংকুৰদা, তুমিও মোক ক্ষমা কৰি দিবানে? মই তৎক্ষণাত বুদ্ধিতো উলিয়ালো।

ঃ কিহৰ ক্ষমাৰ কথা কৈ আছা ? অংকুৰক পাৰ্টি খুজিব নোৱাৰো নেকি? জানা প্ৰীতি, অংকুৰৰ বিয়া পতা বেছিদিন হোৱাই নাই। ব'লা পাৰ্টিটো হোটেলতে খাওঁগৈ। — প্ৰদীপে ক'লে ।

ঃ ব'লা তেন্তে। — অংকুৰে ক'লে।

হোটেলত বহি কথা পাতিলো। মই চাহৰ অৰ্ডাৰ দিলো, কিন্তু অংকুৰে ক'লে,

ঃ মই চাহ নাখাওঁ প্ৰীতি, তুমি খোৱা, মই অন্য কিবা খাম।

মই আচৰিত হৈ গ'লো অংকুৰৰ আচৰণত। যিজন ল'ৰা আগতে ইমান বেয়া আছিল, এতিয়া ইমান পৰিবৰ্তন। মই মনতে বৰ সুখ পালো, অন্ততঃ তেওঁ ভাল হৈ গ'ল। তাৰ পাছত মই তেওঁক সুধিলো।

ঃ অংকুৰদা, কোৱাচোন, বিয়া কেতিয়া পাতিলা, ছোৱালীৰ ঘৰ ক'ত?

ঃ কি কম তোমাক প্ৰীতি ? মা-দেউতাৰো বয়স হৈ অহাৰ বাবে দেউতাই গোলাঘাটত এজনী ছোৱালী চাই মোৰ লগত বিয়া পাতি দিলে। বচ, বৰ্তমান সুখেৰে খাই আছো। বাৰু এতিয়া কোৱাচোন, তোমাৰ খবৰ কি? —তেওঁ ক'লে ।

ঃ মোৰো সেই একেই জানা, দেউতাৰ বয়স হৈ অহাত যোৰহাটৰ এজন দৰা অহাত মোৰ বিয়াখন খৰধৰকৈ পাতি দিলে। এতিয়া যোৰহাটতে আছোঁ ।

কথা-বতৰা পাতি আমি ঘৰলৈ বুলি খোজ দিলো। কিন্তু ঘৰ পোৱাৰ আগতে মোৰ সেন্দূৰখিনি মচি ল'বলৈ নাপাহৰিলো। পিংকীয়েই মচি দিলে ।

দুদিনমান ঘৰত থাকি হোষ্টেললৈ পুনৰ ঘূৰি আহিলো —মনত এক অনামি বিষাদ লৈ ।

ঃ প্ৰীতি, অ' প্ৰীতি, ভাত খোৱাহি আহা আক'। তুমি অথনিৰে পৰা কি চিন্তা কৰি আছা? এবাৰ মাজে মাজে হাঁহিছা, কিতাপখন লৈছা যদিও পঢ়া নাই। ভাত খাবলৈও পাহৰিলা আজি। তাৰ উপৰি আজি কলেজলৈ নোযোৱা নেকি? ঘৰৰপৰা অহাৰ পাছত তুমি দেখোন প্ৰায়ে কিবা চিন্তা কৰি থাকা ? কি হ'ল অংকুৰদাৰ স্মৃতিয়ে আমনি কৰিছে নেকি ?

পিংকীৰ মাতত মোৰ সম্বিত ঘূৰিল। পিংকী মোৰ ৰুমমেট্ । ৰুমমেটেই কেৱল নহয়, তাই মোৰ অতি প্ৰিয় বান্ধৱী । দুবছৰে হোষ্টেলত একেলগে আছোঁ । তাই মোৰ মনৰ কথা বুজি পায় ।

লৰালৰিকৈ মুখ হাত ধুই ভাতৰ টেবুলত বহিলো। ইমান ভোক লাগি আছিল যদিও গমেই পোৱা নাছিলো— অতীত স্মৃতি ৰোমন্থন কৰি কৰি।

ঃ পিংকী, আজি কলেজত খেলহে আছে, আজি নাযাওঁ দিয়া। সময় বা কিমান হ'ল চোৱাচোন। —মই ভাত খাই থকাৰপৰাই সুধিলো ।

ঃ বাৰ বাজি পোন্ধৰৰ মিনিট। ময়ো আজি কলেজলৈ নাযাওঁ। বতৰো সিমান ভাল নহয়; তোৰ মনটোৰ দৰেই ডাৱৰীয়া । — পিংকীয়ে ক'লে।

মই পিংকীৰ মুখলৈ চালো— তাই যেন মোৰ মনৰ প্ৰতিটো আখৰ, প্ৰতিটো শব্দ, প্ৰতিটো বাক্য ইতিমধ্যে পঢ়ি পেলাইছে । □

**ফকৰা**

"ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা
ৰুদ্ৰক নিদিবা ঠাই।
মহা মহা মহন্তক মৰিয়াই মাৰিবা
তেহে পাবা বৈকুণ্ঠত ঠাই।।"

এই ফকৰাফাঁকিৰ অৰ্থ হ'ল সত্ব, ৰজঃ, তমঃ, গুণ আৰু ৰিপুসমূহক বশ কৰিব পাৰিলেহে ধৰ্মীয় অভিষ্টত সিদ্ধি লাভ কৰিব পাৰি।

উৎস গ্ৰন্থ ঃ 'অসমীয়া লোকসাহিত্য', সম্পাদনা ঃ ড° প্ৰহ্লাদকুমাৰ বৰুৱা

# প্ৰতাৰণা

মমী গগৈ (মৰমী)
স্নাতক দ্বিতীয় বাৰ্ষিক

'অপূৰ্ণতাৰ বাবহে প্ৰেম মধুৰ।'

পূজাই জানে বিবেক কেতিয়াও উভটি নাহে, সি উভটি আহিব নোৱাৰে। সি হয়তো মহাৰাষ্ট্ৰৰ মাৰাঠীবোৰৰ মাজতেই হেৰাই গ'ল। তথাপিতো তাইৰ মনে মানিব নোখোজে। সি যেন তাইৰ হৃদয়লৈ পুনৰ আহিব — জোনাক হৈ।

হৃদয়ৰ তাগিদী বিহীনভাৱেই তাই খোলা খিৰিকীখনেৰে বাহিৰলৈ চাই পঠালে......। দৃষ্টিৰে ঢুকি পোৱালৈকে চাই, তাই আকৌ বুকুৰ মাজলৈ টানি আনিলে এবুকু উদাসীনতা........!

...........এনেকৈয়ে দিনবোৰ পাৰ হৈ যায়। বহাগ আহে, কুলিয়ে তাইৰ ভঙা কলিজাত বিনায়। এপৰ দুপৰকৈ পাৰ হৈ যায় চকুলোৰে সিক্ত উজাগৰী নিশা। কাহিলি কাহিলি পুৱা চিলমিল টোপনিৰ সপোনত তাই বিবেকক দেখে। তাৰ লগত পাৰ কৰা অতীতৰ মধুৰ স্মৃতিবোৰ............! গিৰ্ গিৰ্কৈ তাইৰ দুচকুৰে নামি আহে বিষাদৰ দুধাৰি তপত চকুলো। গাৰুটোৱে সাৱটি লয় তাইৰ দুচকুৰ লুণীয়া সোৱাদ। ...... বহাগ যায়গৈ।

কালিৰ সেই চিঠিখনে পূজাক বৰ বেয়াকৈ কন্দুৱালে। তাই ভবা নাছিল বিবেকে যে তাইক এনেকৈ প্ৰতাৰণা কৰিব। আজি আৰু তাইৰ কলেজলৈ যোৱা নহ'ল। হোষ্টেলৰ বেডত পৰি ৰ'ল— অতীতৰ স্মৃতি ৰোমন্থন কৰি। অতীতত হৈ যোৱা ঘটনাবোৰৰ প্ৰতিটো মুহূৰ্তৰ স্মৃতি এটা এটাকৈ তাইৰ মানসপটত সজীৱ হৈ ভাহি উঠিল।

বিবেকক তাই প্ৰথম লগ পাইছিল হোষ্টেলৰ ভিজিটিং ৰুমত, তাইৰ দাদাকৰ লগত। এনেদৰেই আৰু কেইবাদিনো বিবেকে পূজাক ভিজিট কৰিবলৈ আহিছিল, কোনোবা দিনা অকলে। দিনবোৰ বাগৰিছিল। লাহে লাহে সিহঁত সহজ হৈ পৰিছিল। এদিন বিবেকৰ এষাৰ কথাই পূজাক বহুত কথাই ভাবিবলৈ বাধ্য কৰাইছিল। সি কৈছিল,

ঃ পূজা, মই তোমাক ভালপাওঁ। আশাকৰো মোৰ প্ৰস্তাৱত তুমি সঁহাৰি নজনোৱাকৈ নাথাকা। অৱশ্যে মই তোমাক আজিয়েই উত্তৰ দিবলৈ কোৱা নাই। তুমি ভাৱি চাবা। উত্তৰ সোনকালেই জনাবা।

তাৰ কথা শুনি পূজাই মুখেৰে একো মাতিব পৰা নাছিল। বেদনা গধুৰ মন লৈ তাই নিজৰ ৰুম পাইছিলহি। কিয়নো পূজাই বিবেকক দাদা হিচাপেহে লৈছিল। বিবেকৰ প্ৰ'পজেলটোৰ কথা পূজাই হোষ্টেলৰ কাকো কোৱা নাছিল। আনকি তাইৰ অন্তৰঙ্গ বান্ধৱী অৰ্কিডাকো।

সত্য জানো লুকাই থাকিব পাৰে! লাহে লাহে হোষ্টেল, কলেজ সকলোতে বিবেক আৰু পূজাৰ কথাবোৰ জনা-জনি হৈ গৈছিল। এদিন তাই ক্লাছ শেষ হোৱাৰ পাছত বিবেকক লাইব্ৰেৰীলৈ জোৰ কৰি লৈ গৈছিল। দুয়ো এচুকৰ টেবুলএখনত বহি পৰিছিল। তাই অতি ধৈৰ্যৰে আৰু অতি কষ্টেৰে ক'বলৈ ধৰিছিল,

ঃ চোৱা বিবেকদা, মইও তোমাক ভালপাওঁ। কিন্তু দাদা হিচাপেহে। কাৰণ তোমাৰ আৰু মোৰ মাজত বহুতো বাধাৰ প্ৰাচীৰ আছে। তোমাৰ আৰু মোৰ মাজত জাতি-ধৰ্মৰ প্ৰভেদ আছে। যিহেতু তুমি হ'লা এটা সম্প্ৰদায়ৰ ল'ৰা আৰু মই হ'লো আনএটা সম্প্ৰদায়ৰ ছোৱালী। গতিকে তোমাৰ মোৰ ঘৰখনে কেতিয়াও আমাৰ সম্পৰ্কটো মানি ল'ব নিবিচাৰিব। তাৰ উপৰি তুমি প্ৰতিষ্ঠিত হ'বলৈ বহু সময় লাগিব। গতিকে আমাৰ প্ৰেম কেতিয়াও সফল নহ'বগৈ। তুমি মোক ভণ্টী হিচাপেই ল'বা। ইয়াৰ বাহিৰে আন সম্পৰ্ক ৰখাত মই তোমাক সহায় কৰিব নোৱাৰিম। পৰীক্ষাৰ বাবে ভালকৈ পঢ়া। এইবোৰকে ভাবি সময় নষ্ট নকৰিবা। পৰীক্ষাৰ বাবে শুভেচ্ছা থাকিল। — কৈয়েই তাই লাহেকৈ লাইব্ৰেৰীৰপৰা গুছি আহিছিল।

বিবেকৰ ফাইনেল পৰীক্ষাৰ দিন চমু চাপি আহিছিল। কিন্তু সি বোলে পঢ়াত একেবাৰে মন দিব পৰা নাছিল। পঢ়াৰ টেবুলত হেনো তাক পূজাৰ প্ৰতিচ্ছবিয়ে বৰ আমনি কৰিছিল। পূজাই সমন্ধীয় দাদাক এজনৰ দ্বাৰা গম পাইছিল এই কথা।

বহুত ভাৱি-চিন্তি এদিন পূজাই অৰ্কিডাৰ হাতত বিবেকলৈ বুলি এখন চিঠি দি পঠাইছিল। চিঠিত তাই তাৰ প্ৰেমৰ স্বীকৃতি দিছিল। নানা মিঠা মিঠা ভাষাৰে পৰীক্ষাৰ বাবে সাজু হ'বলৈ উপদেশ দিছিল। জীৱনৰ প্ৰতিক্ষণতে তাই তাৰ ওচৰত থকাৰ প্ৰতিশ্ৰুতি দিছিল।

ঃ Congratulation Bibekda! তোমাৰ সাফল্যত মই আজি বিৰাট সুখী। পূজাই আগবঢ়াই দিছিল তালৈ অনা ৰজনীগন্ধা ফুলৰ থোপাটো।

ঃ Thanks my dear. আনন্দ তথা বহুত মৰমেৰে বিবেকে গ্ৰহণ কৰিছিল ফুলৰ থোপাটো।

দুয়োটা সোমাই গৈছিল ওচৰৰ ৰেষ্টুৰেণ্টখনলৈ। বিবেকে বহুত





কিবা-কিবি অৰ্ডাৰ দিছিল। বিভিন্ন কথা-বতৰাৰ মাজেৰে খাই উঠি বিবেকে পূজাক হোষ্টেলত থবলৈ গৈছিল।

যোৱাকালিয়েই বিবেকহঁতৰ ফাইনেল পৰীক্ষাৰ ৰিজাল্ট ওলাল। বিবেক আৰু তাইৰ দাদাক নৱই ভাল পাৰছেন্টেজ লৈ B.Sc. পাছ কৰিছে। প্ৰত্যেক মাক-দেউতাকে বিচাৰে তেওঁলোকৰ সন্তান সুখত থাকক, এটা ভাল চাকৰি কৰক। বিবেক আৰু নৱৰ মাক-দেউতাকেও সিহঁতৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই M. Sc. কৰিবৰ বাবে সুদূৰ মহাৰাষ্ট্ৰৰ পুণে ইউনিভাৰছিটিলৈ পঠোৱাৰ চিন্তা কৰিলে। এদিন দুদিনকৈ গৈ থাকোতে নিৰ্দিষ্ট দিনটো আহি পালেহি। চঞ্চলা পূজাৰ মনত ঠাই ল'লে দুখ, নৈৰাশ্যই। প্ৰিয়জনৰ বিচ্ছেদত বাউলী হৈ পৰিছিল তাই। কাৰণ বিবেক যাবগৈ সুদূৰ মুম্বাইলৈ বুলি।

ঃ পূজা, বিবেক আহিছে। অৰ্কিডাৰ মাতত তাই খক্মক্কৈ সাৰপাই উঠিছিল। কান্দি কান্দি কেতিয়ানো নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিছিল তাই গমেই নাপালে। ফুলি থকা চকুকেইটাত পানী অলপ ছটিয়াই পিন্ধি থকা চুৰিদাৰযোৰৰ ওপৰতে চুৰ্ণীখন লৈ তাই ওলাই আহিল ভিজিটিং ৰুমলৈ।

বিবেক তাত আগৰপৰাই বহি আছিল। তাক দেখি তাইৰ শোকে খুন্দা মাৰি ধৰিছিল। কোনোমতে ঢাকি ৰাখিছিল চকুপানীখিনি। তাৰ চকুলৈ তাই চাব পৰা নাছিল। চকুলৈ চালেই তাইৰ চকুপানী ওলাই আহিব।

বিবেকৰো অৱস্থা একেই হৈছিল। পৰা নাছিল বিচ্ছেদৰ যন্ত্ৰণা সহ্য কৰিব। তথাপিও বেদনাখিনি ঢাকি ৰাখি সহজ হ'বলৈ চেষ্টা কৰিছিল।

ঃ পূজা! পূজা! প্লিজ ইমান মন মাৰি নাথাকিবা। প্লিজ পূজা, তুমি এনেকৈ মন মাৰি থাকিলে মই তাত কেনেকৈ শান্তিৰে থাকিম পূজা! প্লিজ, তুমি অলপ বুজিবলৈ চেষ্টা কৰা। প্লিজ!!

পূজাই একো মাত নমতা দেখি বিবেকে তাইৰ মুখখন ওপৰলৈ দাঙি দিলে। হৰ্ হৰ্কৈ বাগৰি আহিল তাইৰ দুচকুৰে দুধাৰি তপত চকুলো।

ঃ মোৰ জানো দুখ লগা নাই পূজা, তোমাক এৰি যাবলৈ! তুমি জানো নিবিচাৰা মোৰ এটা ভাল চাকৰি হওক। তুমি নিবিচাৰা জানো আমি দুয়ো একেলগে সুখেৰে জীৱন কটোৱাটো। তুমি অবুজ নহ'বা পূজা। আমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই মই পুণেত পঢ়িবলৈ যাব লাগিব। মোৰ এটা চাকৰি নহ'লে আমি কেনেকৈ জীয়াই থাকিম? তুমি বুজা ছোৱালী, অবুজ হ'লে নহ'ব। আৰু মইতো মাহত দুখনকৈ চিঠি তোমালৈ পঠামেই। তুমি চিন্তা নকৰিবা। বহুত কিবা-কিবি বুজাইছিল সি। একো ক'ব পৰা নাছিল তাই তেতিয়া। মাথো চাই ৰৈছিল বিবেকৰ বেদনাভৰা দুচকুলৈ। অলপ সময়ৰ পাছত বিবেক গুছি গৈছিল দুখমনেৰে। স্থানুৰ দৰে কিমান সময় তাই তাত বহি আছিল তাই ক'ব নোৱাৰিছিল সেইদিনা।

বিবেক গুছি গৈছিল মহাৰাষ্ট্ৰলৈ। আঁতৰত থাকিলেও সিহঁত এটা আনটোৰপৰা মনৰ আঁতৰত নাছিল। প্ৰত্যেক মাহতে দুখনকৈ চিঠি পাইছিল পূজাই বিবেকৰ পৰা। তাইও দিছিল তাৰ প্ৰত্যেকখন চিঠিৰ উত্তৰ। বিবেকৰ চিঠি পালেই তাই আনন্দত আত্মহাৰা হৈ পৰিছিল। তাৰ চিঠি পালেই তাই উত্তৰ লিখাত ব্যস্ত হয়। চলি গৈছিল সিহঁতৰ ভালপোৱা চিঠিৰ মাজেৰেই। সিহঁতৰ সমান সুখী এই পৃথিৱীত যেন আৰু কোনো নাই!

কিন্তু যোৱাকালিৰ সেই চিঠিখনে পূজাক একেবাৰে বোবা কৰি পেলাইছিল। তাই তাৰপৰা এনেকুৱা এখন চিঠি পাব বুলি আশা কৰা নাছিল। কিয়নো বিবেকেই আছিল তাইক প্ৰেমৰ প্ৰথম পাঠ দিওঁতা। বহুত ভালপাই তাক। কিন্তু পূজাই জনা নাছিল তাইৰ প্ৰথম প্ৰেমেই, তাইৰ অতি মৰমৰ বিবেকেই যে তাইক প্ৰতাৰণা কৰিব। তাই বিবেকক সঁচা অন্তৰেৰে ভাল পাইছিল। কাৰণ তাই খেলুৱৈ নাছিল। কিন্তু বিবেকে তাইৰ সঁচা প্ৰেমক সঁচা অন্তৰেৰে গ্ৰহণ কৰিব নাজানিলে। তাইৰ জীৱনৰ কালৰাত্ৰি হৈ অহা বিবেকৰ চিঠিখন পুনৰ চকুৰ আগত মেলি ল'লে ঃ

পূজা,

বিশেষ এটা কাৰণত চিঠিখন লিখিব লগা হ'ল। পূজা, তুমি মোক পাহৰি যোৱা। বৰ্তমান মই মোৰ সংসাৰ লৈ ব্যস্ত। মই ইয়াৰে মাৰাঠী ছোৱালী এজনী বিয়া কৰালো। নাম অনুৰাধা। গতিকে তুমি মোক পাহৰি যোৱাটোৱেই উচিত হ'ব, নহয় জানো? চিঠি দি আৰু মোক আমনি নকৰিবা। বৰ্তমান মই বহুত সুখত আছোঁ। অসমলৈ আৰু উভটি নাযাওঁ। ইতি —

বিবেকদা

চিঠিখন পূজাই কেইবাবাৰো পঢ়িলে। কান্দি কান্দি তাই ভাগৰি পৰিছিল। তাইৰ দুখত ভাগি পৰা তাইৰ প্ৰিয় বান্ধৱী অৰ্কিডা, অংকিতা, নিশা, চিন্ময়ীহঁতে তাইক বহুত বুজাইছিল। বিবেকে চিঠিত লিখিছিল তাক পাহৰি যাবলৈ। কিন্তু তাইৰ কাৰণে জানো এইটো সম্ভৱ? যাক তাই নিজতকৈয়ো বেছিকৈ ভাল পাইছিল, নিজৰ অন্তৰাত্মাই যাক বিচাৰিছিল, তাক জানো পাহৰিবলৈ ক'লেই ইমান সহজতে পাহৰিব পাৰি? আনে পাৰিলেও পূজাই অন্ততঃ নোৱাৰে। বহুত বেছি ভালপাই পেলাইছিল তাক। কেনেকৈ পাহৰিব অতীতৰ সুমধুৰ কল্পনাবোৰ! প্ৰতিশ্ৰুতিবোৰ!

"মৰমৰ উপহাৰ অশ্ৰু যদি হয় অঙ্গীকাৰ মানে কি
প্ৰতাৰণা হয় যদি প্ৰেমৰে পৰিণাম
প্ৰতিশ্ৰুতি বাৰু কি?"

কোনোবাই বজাই দিছিল ডেক্টো। তাইৰ বেদনাগধুৰ মনটোক আৰু আঘাত দিয়াৰ আশাৰেই আচৰিত ধৰণে দুখলগা গানটো বাজি উঠিছিল। টপ্ টপ্কৈ নামি আহিছিল অশ্ৰুৰ বন্যা। পূজাই এতিয়াহে উপলব্ধি কৰিছে এদিন অৰ্কিডাই কোৱা কথাবোৰেই সঁচা হ'ল। বৰ্তমান প্ৰকৃত ভালপোৱাৰ কোনো মূল্য নাই।

"Life is full of puzzles, so always think yourself and believe yourself."

সঁচাকৈয়ে আজিকালি কাকোৱেই বিশ্বাস কৰিব নোৱাৰা হৈছে।

খুব আপোন কোনোবাইও ঠগিব পাৰে আজিৰ দিনত! কিমান ভাল পাইছিল, কিমান বিশ্বাস কৰিছিল তাই বিবেকক। তথাপিও তাইৰ বিশ্বাস, তাইৰ ভালপোৱাক দুভৰিৰে গচকি বিবেক আঁতৰি গ'লগৈ তাইৰ ওচৰৰপৰা চিৰ জীৱনলৈ। কেনেকৈ বাৰু তাই সহ্য কৰে ইমান ডাঙৰ আঘাত।

তেতিয়াৰপৰাই পূজা ঘৰতে সোমাই থাকিবলৈ ল'লে অলপো উৎসাহ-উদ্দীপনা নোহোৱাকৈয়ে। গতানুগতিকতাৰ মাজেৰে মাথো জীয়াই আছে; জীয়াই থাকিব লাগে বাবে।

এদিন পূজা মোমায়েকৰ ঘৰত বিয়া খাবলৈ গ'ল। অৱশ্যে তাই নিজেই যোৱা নাছিল। মাক-দেউতাকে বাৰে বাৰে ক'লতহে তাই বিয়া খাবলৈ যাবলৈ সন্মত হৈছিল। লগতে আছিল ভনীয়েকৰ একান্ত অনুৰোধ। বাধ্যত পৰি যাব লগা হৈছিল বিয়ালৈ।

"Of course I am guilty
As I love you.
Aren't you guilty too
Of being so lovely !"

মোমায়েকৰ ঘৰৰে বিয়াত পূজাক এটা ল'ৰাই পচন্দ কৰিলে। ল'ৰাটো পূজাৰ মামীয়েকৰ সম্বন্ধীয় ভায়েক। শুনা মতে বহুত ভাল ল'ৰা বোলে। নাম ৰূপম,জুনিয়ৰ ইঞ্জিনীয়াৰ। বহুতো মানুহে কৈছে সিহঁতৰ খাণ্ডানটো বোলে বৰ ভাল। বহুত সম্প্ৰতিৰ মালিক। এটাই ল'ৰা। বস্তুবাদী আদৰ্শৰে অনুপ্ৰাণিত নহয় সিহঁতৰ পৰিয়াল।

পূজাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি সিহঁতৰ পৰিয়ালে তাইক বিয়া দিয়াত আপত্তি নকৰিলে। পূজাৰ বয়সো হৈ আহিছে, তাতে আজিৰ যুগত ৰূপমৰ দৰে এটা ল'ৰা পোৱাটো বহুত ভাগ্যৰ কথা।

কিন্তু পূজা? পূজা সন্মত হোৱা নাছিল বিয়াত বহিবলৈ। সমগ্ৰ ল'ৰা জাতিটোৰ প্ৰতিয়েই তাইৰ বিশ্বাস হেৰাই গৈছিল। সন্মত কৰাব পৰা নাছিল তাইক বিয়াত বহিবলৈ।

ঃ চা, দি! মানি লৈছো তই বিবেকক ভাল পাৱ। কিন্তু তাৰ বাবে তোৰ জীৱনটো তই কিয় ধ্বংস কৰিব বিচাৰিছ?

ঃ তাক যে পাহৰিব নোৱাৰো ভণ্টী।

ঃ পাহৰিব নোৱাৰিলে নহ'ব। তই তাক পাহৰি যাবই লাগিব। ইমান ভাল পাইছিলি তাক কিন্তু সি জানো তোৰ নিঃস্বাৰ্থ প্ৰেমৰ উচিত মূল্য দিলে? কি দৰকাৰ তাৰ দৰে এটা প্ৰতাৰকৰ বাবে জীৱনটো ধ্বংস কৰিবলৈ? হৃদয়ৰপৰা তাৰ নাম মচি পেলা, দি। জানো, কষ্ট হ'ব! তথাপিও ............ । থোকা-থুকি হৈছিল ভনীয়েকৰ মাতটো।

ঃ ভণ্টী, হৃদয়ৰ গভীৰতম কোণৰ পৰা যাক ভালপোৱা হয়, তাক কেনেকৈ ইমান সহজতে পাহৰিব পাৰি? আচৰিত হওঁ, মানুহ কেনেকৈ হঠাতে এনেদৰে সলনি হ'ব পাৰে বাৰু! মানুহে ইমান সহজে মানুহক পাহৰি যাব পাৰেনে? পাৰেনে প্ৰেম ভালপোৱাক এনেদৰে উপেক্ষা কৰিব? এই কথা মই নুবুজিলো, ভণ্টী। অসংখ্য প্ৰশ্নৰ আবেষ্টনীত আজি বন্দী মই। মুক্ত হোৱাৰ সকলো পথেই যেন মোৰ ৰুদ্ধ। কিয় এনে হয় বাৰু? জীৱনটো বাৰু এনেকুৱাই নেকি? পূজাৰ দুচকুৰে নিগৰি আহিছিল দুটোপাল তপত চকুলো।

জীৱনটো হয়তো এনেকুৱাই, দি। যি জীৱনক গভীৰভাৱে লয়, সি সহ্য কৰিব নোৱাৰে দুখ-যন্ত্ৰণা। কিন্তু যিয়ে জীৱনক সহজভাৱে গ্ৰহণ কৰিব পাৰে, সি চলি যাব খুব নিয়াৰিকৈ। বিবেকে সহজভাৱে লৈছিল তোৰ প্ৰেমক, তাৰ জীৱনটোক। সেইবাবে সি বেলেগৰ লগতো সংসাৰ কৰি সুখী হ'ব পাৰিলে। দি, জীৱনটোক সহজভাৱে ল'বলৈ শিক। দেখিবি তোৰো জীৱনটো সুন্দৰ হৈ পৰিছে।

দি, তই ৰূপমৰ প্ৰস্তাৱটো গ্ৰহণ কৰ। সি তোৰ বাবে বহুত আশাৰে বাট চাই আছে। আৰু কি জান! তোক নাপালে বোলে জীৱনত সি আৰু কেতিয়াও বিয়া নকৰায়। এটা ল'ৰা বেয়া হ'ল বুলি সকলো ল'ৰাই বেয়া নহয়। ৰূপমে তোক বহুত সুখত ৰাখিব। ঘৰৰ সকলোৰেই মন তালৈ দিবলৈ। মাত্ৰ তোৰ অনুমতিৰ বাবেই বাট চাই আছে সকলোৱে।

ঃ মই বিয়া সোমাম, ভণ্টী। ৰূপমলৈকে সোমাম।

ঃ সঁচা দি! আনন্দতে সাৱটি ধৰিছিল তাই বায়েকক।

দৌৰ মাৰি ওলাই গৈছিল ভনীয়েক। হয়তো ঘৰৰ বাকীবোৰ মানুহক খবৰটো দিবলৈ।

লাহে লাহে তাই ৰূপমক ভালপাই পেলাইছে। আৰু বেছি!

'প্ৰেম হয়তো এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰাই' *(হীৰুদা)* □

## কৌতুক



জীয়েক ঃ দেউতা, আপোনাৰ জন্ম ক'ত হৈছিল?
দেউতাক ঃ যোৰহাটত।
জীয়েক ঃ দেউতা, মাৰ জন্ম ক'ত হৈছিল?
দেউতাক ঃ শিৱসাগৰত তোমাৰ মাৰাৰ জন্ম হৈছিল।
জীয়েক ঃ আৰু মোৰ ক'ত জন্ম হৈছিল দেউতা ?
দেউতাক ঃ ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত।
জীয়েক ঃ তেন্তে, দেউতা, আমি তিনিও একেলগ হ'লো কেনেকৈ?

*মৃদুল গগৈ*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*



*ৰস-ৰচনা*

# 'মোক আপোনালোকে চিনি পায়েই.....'

*বিপুল ভৰালী*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

নমস্কাৰ, মোক চিনি পাইছে চাগে! মোক চিনি নোপোৱা মানুহ নাই বুলি ক'লে বঢ়াই কোৱা নহ'ব চাগে। মোক বৰ্তমান তৃতীয় শ্ৰেণীত পঢ়া ল'ৰাৰপৰা বুঢ়ালৈকে, মতা-মাইকী লিঙ্গভেদে সকলোৱে ধুনীয়াকৈ ব্যৱহাৰ কৰে নাইবা কৰিবলৈ শিকিছে। মোক পৃথিৱী যিকোনো ঠাইতে সহজে পাব পাৰে। মোৰ জন্ম কাহিনী মই ভালদৰে নাজানো যদিও মোৰ ককা আৰু আজু ককা বৰ্তমান জীৱিত। মোৰ ককাৰ নাম 'ভাং'। ভাং পৃথিৱীৰ সৰ্বত্ৰতে বিৰাজমান। কিছুমানে ইয়াক গাঞ্জা নাইবা শিৱবাবাৰ প্ৰসাদ বুলিও জানে। আজো ককাৰ নাম 'কানি' বুলি সকলো জানে। আজো ককা কানিৰপৰাই হিৰ'ইন, ব্ৰাউন্স চুগাৰ আদি নাতি-পুতিৰ জন্ম হৈছে। নতুন প্ৰজন্মই এইবোৰ ভালদৰে চিনি পায়। মই যিমান জনপ্ৰিয় ঠিক মোৰ ককা তথা আজো ককাও সিমানে জনপ্ৰিয়।

আমি ককাই-ভাই তিনিটা। ডাঙৰটোক 'বৰপাত' বোলে; যিটোক বুঢ়ালোকে চুৰত নাইবা পেপৰ হিচাপে প্ৰায়ে ঘৰে-পথাৰে ব্যৱহাৰ কৰা দেখা যায়। আৰু সৰুটোক 'ক'লা চাদা' নামেৰে জনা যায়; যিটো তামোল ভাইটিৰ লগত ব্যৱহাৰ কৰা হয়। মই হৈছো মাজো, মোক 'বগাচাদা' বুলি জনা যায় আৰু কিছুমানে মৰমতে 'চুখা' বুলিও কয়। খেনোৱে খৈনী বোলে।

অ' আপোনালোকক ক'বলৈ পাহৰি গৈছোঁ যে মোৰ এজন পাৰ্টনাৰ আছে; যিজন নহ'লে মই হেনো একো কামত নাহোঁ,সেইজন পাৰ্টনাৰ হ'ল 'চূণ'। আমি কিন্তু কোনোএজনেই বিয়া কৰোৱা নাই, মানে অবিবাহিত।

মোক আজিকালি সৰু ল'ৰাবোৰেও ব্যৱহাৰ কৰা দেখি মোৰ খুব আনন্দ লাগে। গৰু চৰাবলৈ যোৱা সৰু ল'ৰা বোৰে কোৱা শুনো মই হেনো সিহঁতৰ ওচৰত নাথাকিলে গৰু চৰোৱা যেনেই নালাগে।

মই স্কুল-কলেজ আদিটো খুব ব্যস্ত হৈ থাকো। ছাৰহঁতে বুজাই থাকিলেও ল'ৰাবোৰে মোক ব্যৱহাৰ কৰিবলৈ এৰি নিদিয়ে। বেঞ্চৰ তলত যেতিয়া সিহঁতে মোক বৰ আলফুলকৈ মালিচ কৰি থাকে, তেতিয়া মোৰ খুব ভাল লাগে। অনুভৱ হয়, মই যেন স্বৰ্গতহে আছোঁ। তেওঁলোকৰ মোৰ প্ৰতি ইমান মৰম। মইও কিন্তু মৰম নিদিয়া নহয়, মৰমতে নিচা লগাই শোৱাই থৈ দিওঁ।

মই হেনো সৰু-সুৰা টেনছন হে দূৰ কৰিব পাৰো। মোৰ আংকল মানে 'চুলাই' খুড়া নাইবা 'দোকানী' মামাই হেনো ডাঙৰ ডাঙৰ টেনছন দূৰ কৰিব পাৰে।

মোক মহিলা সকলেও ব্যৱহাৰ কৰে। বৰ ভাল লাগে তেওঁলোকৰ মোৰ প্ৰতি আসক্তি দেখি! মহিলাসকলৰ ওচৰত মই চিৰঋণী। কাৰণ তেওঁলোকে মোক পুৰুষৰ সমানে গুৰুত্ব সহকাৰে লৈছে। মোক যিসকলে ব্যৱহাৰ কৰা নাই, ব্যৱহাৰ কৰি চাব পাৰে। মই সকলো সময়তে সকলোকে সহায় কৰিম।

মোৰ বাসস্থান বুলিবলৈ নিৰ্দিষ্ট ঠাই নাই। কাৰোবাৰ ঢাৰিৰ তলত, কাৰোবাৰ টেমাত, কাৰোবাৰ পলিথিনৰ পেকেট আদি য'তে সুবিধা পাওঁ তাতে মোৰ বাসস্থান। গতিকে মোক য'তে পায় ত'তে অৰ্থাৎ গাড়ীয়ে-মটৰে, ঘৰে-বাহিৰে, স্কুলে-অফিছে ব্যৱহাৰ কৰিব পাৰে; মোৰ ধূলি উৰুৱাই আনৰ চকুৰ পানী, নাকৰ পানী উলিয়াব পাৰে, গাড়ীৰ কাষৰ ছিটত বহি যোৱা যাত্ৰীক হাঁচিয়াই হাঁচিয়াই তত নোপোৱা কৰিব পাৰে, মুঠতে যি ইচ্ছা তাকে কৰিব পাৰে।

মোৰ আৰু বেছি বৃত্তান্ত নিদিওঁ। অৱশেষত মোক ব্যৱহাৰ কৰা সকলক 'অশেষ ধন্যবাদ' আৰু মোক ব্যৱহাৰ নকৰা সকলক মাত্ৰ 'ধন্যবাদ' যাচি গুড্‌বাই, টা টা....... । □





# সৰলৰ আনন্দ

প্ৰাঞ্জল দিহিঙ্গীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সৰলে ফুৰিবলৈ বুলি তাৰ মোমায়েকৰ ঘৰলৈ গ'ল। মোমায়েকৰ ঘৰত সৰলে সকলোৰে পৰা মৰম, স্নেহ, আদৰ পাই আৰু মনৰ ফুৰ্তিতে খেলা-ধূলা কৰি সি আনন্দতে আপোন পহৰা হৈ পৰিল। হঠাৎ এদিন সি মোমায়েকৰ পঢ়া কোঠাৰ খিড়িকীখনেৰে ভিতৰত এটি অবাঞ্চিত দৃশ্য দেখা পাই থৰ হৈ গ'ল। সি চকুফুৰাই দেখিবলৈ পালে যে মোমায়েকৰ মেজৰ কিতাপৰাজিৰ মাজত এটা সৰু সজাত অকণমানি চৰাই পোৱালি এটা আবদ্ধ কৰি থোৱা আছে। চৰাইটোৰ পাখি দুখন নীলা, মূৰটো হালধীয়া আৰু ঠোঁটটো অলপ ৰঙা বৰণৰ। চৰাইটোৱে চুইট, চুইট কৈ অবিৰাম চিঞৰি আছে। চুইট-চুইটকৈ যেন চৰাইটোৱে সৰলক মাতিছে আৰু সি আবদ্ধ হৈ থকা সজাটোৰ পৰা যেন থকা মুক্ত কৰিব বাবে কাতৰভাৱে সৰলক অনুৰোধ জনাইছে।



এই দৃশ্যই সৰলে মোমায়েকৰ ঘৰত পোৱা সকলোখিনি আনন্দ যেন খন্তেকতে নিঃশেষ কৰি পেলালে। সি মনতে ভাবিলে যে তাৰ মোমায়েক এজন প্ৰখ্যাত অধ্যাপক আৰু জ্ঞানী ব্যক্তি হিচাপেই পৰিচিত। কিন্তু, কিন্তু তাৰ মোমায়েকে এই সৰু চৰাইটোৰ স্বাধীনতাখিনি কিয় হৰণ কৰিছে? সৰলে নিজকে নিজেই প্ৰশ্ন কৰিলে।

সৰলে এই চৰাইটোৰ বিষয়ে আইতাকক সোধাত আইতাকৰ পৰা সি গম পালে যে মোমায়েকে এই চৰাইটোৰ ওপৰতে কিবা-কিবি পৰীক্ষা চলাই আছে বোলে; সেইবাবে এই চৰাইটো বন্দী কৰি থৈছে। তাৰ মনটো খেলি-মেলি লাগি গ'ল; তাৰ অন্তৰখন গধুৰ-গধুৰ লাগিল। এনেবোৰ কথা তাৰ মনলৈ অহাত মোমায়েকৰ প্ৰতি থকা শ্ৰদ্ধা, ভালপোৱাও যেন লাহে লাহে কমি আহিবলৈ ধৰিলে।

চৰাইটোক মুকলি কৰি দিবলৈ তাৰ খুউব ইচ্ছা গ'ল। সৰলে মনতে গুণ-গুণালে —

'অকণমানি চৰাইটোক
দেখি লাগিছে বেথা।
সজা খুলি দিম মই
মাৰিবি তই উৰা।'

কিন্তু সি যে উপায়হীন! কাৰণ মোমায়েকে সদায় কোঠাৰপৰা ওলাই যোৱাৰ সময়ত দুৱাৰখনৰ তলা মাৰি থৈ যায়। কিন্তু এদিন তাৰ সেই সৌভাগ্য উপজিল। সৰলৰ মোমায়েকৰ এজন বন্ধু অহাত মোমায়েকে কোঠাৰ দুৱাৰখন খুলিয়েই তাৰপৰা ওলাই গ'ল। সৰলে তৎক্ষণাত কোঠাটোৰ ভিতৰত সোমাল। যদিও সি জানিছিল যে চৰাইটো মুকলি কৰি দিলে সি মোমায়েকৰ ওচৰত এটা ডাঙৰ অপৰাধ কৰা হ'ব; তথাপিও সি সজাটোৰ ওচৰলৈ গৈ সজাটোৰ দুৱাৰখন লাহেকৈ খুলি দিলে। চৰাইটোৱে সজাৰ পৰা ওলাই খিড়িকীত পৰিল, আৰু সৰলৰ ফালে চাই পাখি দুখন বহলকৈ মেলি আকাশলৈ উৰা মাৰিলে। সৰলে একান্তমনেৰে চৰাইটোৱে উৰি যোৱাৰ ফালে একেথৰে চাই ৰ'ল। তেতিয়াৰ পৰাহে তাৰ অন্তৰখন বৰ পাতল পাতল লাগিল এটি বন্দী 'বিহগী' মুক্ত কৰি দিয়াৰ অমল আনন্দত। ☐

"বিৰহৰ এটোপাল চকুলো মিলনৰ হেজাৰ আনন্দতকৈও মহান" — মাইকেল এঞ্জেল



# দুখৰ বেদনা

ময়ুৰী চেতিয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

দুৱাৰত ঘটং ঘটং শব্দ হোৱাত মই সাৰ পাই উঠি ঘড়ীটোলৈ চাই দেখো যে নটা বাজিলেই। বিচনাৰ পৰা উঠি মায়ে বাকি দিয়া চাহ কাপ খাই বাইকখন লৈ প্ৰণৱহঁতৰ ঘৰলৈ বুলি গ'লো।

প্ৰণৱ আৰু মই হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ। মই চাৰিদিন মান কলেজলৈ যোৱাই নাই। সেয়েহে কলেজত দিয়া নোট কেইটা আনিব লাগে। সিহঁতৰ ঘৰৰ পদুলিমুখ পাই দেখো যে সিহঁতৰ ঘৰত মানুহৰ সমাগম ঘটিছে। কাৰণটো বুজিবলৈ বেছি সময় নালাগিল। প্ৰণৱৰ একমাত্ৰ ভনীয়েক নিৰুৰ আজি শান্তি বিয়া হৈছে। মই প্ৰণৱক বাৰান্দাত আমন জিমনকৈ বহি থকা দেখিলো। সি মোক দেখি থিয় হ'ল আৰু মোক বহিবলৈ ক'লে। তাৰ ওচৰতে থকা বেতৰ চকীখনতে বহিলো। সি মোক অহাৰ কাৰণ সুধিলে, মই তাক নোট কেইটাৰ কথা ক'লো। সি মোক নোট লিখা বহীখন দি ক'লে,

ঃ দেখিছই নহয় বিনোদ, দেউতাৰ সকাম হৈ গৈছেহে আকৌ একমাত্ৰ ভন্টীৰ বিয়া। ইফালে পইচা এটা হাতত নাই। মোৰ কি কৰো কি নকৰো লাগিছে। বাইকক কিবা এটা নোখোৱালেও নহ'ব। ইমান যে আশা কৰিছিলো ভন্টীৰ বিয়া হ'লে ধুম-ধামেৰে পাতিম বুলি আৰু কি জান মাৰ সিদিনা অসুখ হলত ডাক্তৰক দেখুৱালত কেঞ্চাৰ হৈছে বুলি কৈছে। ভাল ডাক্তৰক দেখুৱাবলৈ কৈছে। এইবুলি কৈ সি কোনো কথা ক'ব নোৱাৰা হ'ল আৰু উচুপিবলৈ ধৰিলে। মই এতিয়া কি কৰো কি নকৰো ভাবি জেপত হাতখন ভৰাই চালো, পইচা এক হেজাৰ আছে। দেউতাই সিদিনা দৰমহা পোৱাৰ বাবে দিছিল। মই খৰচ নকৰি জেপতে ভৰাই থলো। আমাৰ ঘৰততো কোনো অসুবিধাই নাই। ভাইটি, মই, মা আৰু দেউতা আমি এই সৰু পৰিয়ালটো সুখতেই খাই বৈ আছো। কিন্তু প্ৰণৱহঁতৰ যে ইমান দুখ! মই তাক পইচাখিনি দি ক'লো,

ঃ ল প্ৰণৱ, এই পইচা এহেজাৰেৰে মাৰ অসুখৰ যত্ন লবি। ভন্টীৰ কথা ভাবিব নালাগে। মই বাৰু ঘৰত সুধি চাম দেউতাই টকা অলপ দিব পাৰিব নেকি। মই ঘৰৰ পৰা আঁহো ভাত খোৱা নাই নহয়, ভাত খাই আঁহো। প্ৰণৱে ক'লে,

ঃ ধন্যবাদ বিনোদ, ইমান বিপদত যে সহায় কৰিছ কিন্তু ইমানখিনি পইচা যে দিছ মাইতে তোক গালি নাপাৰিব নে?

ঃ নাপাৰে প্ৰণৱ, মা-দেউতাই কি জান, মানুহে কেৱল জন্ম ললেই নহয়, মানুহে মানুহক মৰম-চেনেহ আৰু সহায় কৰিব লাগিব। বাৰু মই যাওঁ দেই।

বিনোদে ঘৰত মাক-দেউতাকক প্ৰণৱহঁতৰ ঘৰৰ সকলো কথা বিৱৰি ক'লে। মাক-দেউতাকে বিনোদক লগত লৈ প্ৰণৱহঁতৰ ঘৰ পালেগৈ আৰু প্ৰণৱৰ মাকৰ লগত কথা পাতিলে। সেই সময়ত প্ৰণৱে বিনোদে দিয়া পইচাখিনিৰে বজাৰ কৰি আহি ঘৰ সোমাইছিলহি। বিনোদৰ মাকে এটা কথা মন কৰিলে যে — প্ৰণৱৰ মাকৰ লগত কথা পাতি থাকোতে বিনোদৰ দেউতাকে প্ৰণৱৰ মাকৰ মুখলৈ একেৰাহে চাই আছিল। বিনোদৰ দেউতাকে কোনো দিন মাইকী মানুহৰ মুখলৈ একেৰাহে চাই থকা নাছিল। আজিনো বাৰু কিয় ইমানকৈ চাইছিল, মাকে ভাবিলে। যথা সময়ত প্ৰণৱহঁতৰ ঘৰৰ পৰা তেওঁলোকে বিদায় ল'লে।



ঘৰলৈ আহি পোনেই মাকে বিনোদৰ দেউতাকক সুধিলে,

ঃ আপুনি বাৰু প্ৰণৱৰ মাকৰ মুখলৈ একেৰাহে কিয় চাই আছিল?

তেতিয়া দেউতাকে এটা হুমুনিয়াহ কাঢ়ি ক'লে,

ঃ প্ৰণৱৰ মাকক দেখি মোৰ এনে ভাব হৈছিল যে — মই মোৰ হেৰুৱা ভনী মিনতীৰ লগত কথা পাতিছো! কথাতো সঁচা যেন লাগেনে তোমাৰ?

বিনোদৰ মাকে কথাটো বুজিব নোৱাৰি বিনোদৰ দেউতাকৰ মুখলৈ একেৰাহে চাই থাকিল। দেউতাকে ক'লে,

ঃ এবাৰ মই আৰু ভন্টীয়ে পূজালৈ গৈছিলো। হঠাৎ তাই পুতলা নাচ চাবলৈ বুলি মোৰ ওচৰৰ পৰা দৌৰ মাৰিলে আৰু সেই দিন ধৰি মই তাইক বিচাৰি নাপালো। আজি বিগত ৩২ বছৰৰ মূৰত ভন্টীক দেখা পাইছো। সেই জনীয়েই মোৰ ভন্টী মিনতী। ব'লা আমি আকৌ প্ৰণৱৰ ঘৰলৈ গৈ প্ৰণৱৰ মাকক কথাটো সত্য হয়নে নহয় সুধি চাওঁ।

বিনোদৰ মাক আৰু দেউতাকে প্ৰণৱৰ মাকৰ ওচৰলৈ বুলি ৰাওনা হ'ল।

ঃ প্ৰণৱৰ মাকে কিছুসময় চিন্তা কৰি ক'লে — মোৰো আপোনাক দেখি মোৰ হেৰুৱা দাদাৰ নিচিনা লাগিছে। পূজালৈ গৈ মই হঠাৎ আপোনাক বিচাৰি নাপায় কান্দি থকাত মানুহ এজনে মোক তেওঁৰ ঘৰলৈ নি অইন চাকৰৰ নিচিনাকৈ মোক ৰাখিলে। মই পিছত জানিব পাৰিলো যে মানুহজনে সৰু সৰু ল'ৰা-ছোৱালীবিলাকক নি কিছুদিন ঘৰত ৰাখি বিক্ৰী কৰি দিছিল। কিন্তু মোক কিয় জানো বিক্ৰী নকৰি অলপ পঢ়াই শুনাই ওচৰৰে জীৱন শইকীয়ালৈ বিয়া দিলে। আৰু তেওঁলোকৰ ঘৰত হাজিৰা কৰি মোক আৰু ল'ৰা-ছোৱালী দুয়োটাক পঢ়াইছিল। কিন্তু নিয়তিৰ কি পৰিহাস, গাঁৱৰ আন মানুহবোৰৰ লগত গ্ৰহণী ৰোগত দেউতাকে মৃত্যুক সাৱটি ল'লে।

তেওঁ কান্দি-কান্দি কথাই ক'ব নোৱাৰা হ'ল। ককায়েকে বহুত দিনৰ মূৰত হেৰুৱা ভনীয়েকক পাই ডিঙিত ধৰা ধৰি কৈ কান্দিবলৈ ধৰিলে।

এনেতে ভাড়াঘৰৰ মালিকে ভাড়া বিচাৰি আহি ভাড়া নিদিয়াৰ বাবে গালি পাৰিবলৈ ধৰিলে আৰু যদি ভাড়া দিব নোৱাৰে তেনেহ'লে আজিয়ে ঘৰ খালী কৰি দিব লাগিব বুলি ক'লে।

তেতিয়া বিনোদৰ দেউতাকে ভাড়া ঘৰৰ মালিকক ভাড়াখিনি দি দিলে। ভনীয়েক আৰু ল'ৰা-ছোৱালীকেইটাক নিজৰ ঘৰলৈ লৈ আনিলে। বিনোদৰ মাকে ভালেই পালে ননদ জনীক পায়।

এনেকৈয়ে কিছুদিন যোৱাৰ পাছত প্ৰণৱৰ মাকৰ অসুখটো বেছি হ'বলৈ আৰম্ভ কৰিলে। বিনোদৰ দেউতাকে বাহিৰলৈ চিকিৎসা কৰিবৰ ভনীয়েকক লৈ গ'ল। কিন্তু ভনীয়েকৰ অসুখ ভাল কৰিব পৰাৰ ক্ষমতা কাৰোৱেই নাছিল। সেয়েহে এদিন প্ৰণৱ, বিনোদ তথা বিনোদৰ মাক দেউতাকক কন্দোৱাই মাকৰ প্ৰাণ পক্ষী চিৰদিনৰ অসীম দিগন্তত বিলীন হৈ গ'ল। ❑

❖❖❖❖❖❖❖❖❖

## ৰস !!

*চহৰত বাস কৰা নৱ-দম্পতী এহালৰ কিবা কাৰণত মনো মালিন্য ঘটি ইটোৱে সিটোক মাতবোল নকৰা হ'ল যদিও পিছত মাতবোল কৰিবলৈ ইচ্ছা থকা স্বত্বেও সন্মানৰ খাতিৰত কোনেও আগভীয়াকৈ নমতা দেখি এদিন গিৰিয়েকে বুদ্ধি কৰি ঘৈণীয়েককে দেখুৱাই দুপৰীয়া লেম্প এটা জ্বলাই ব্যস্ত হৈ কিবা বিচাৰি থকাৰ চল কৰিলে। দিন দুপৰতে গিৰিয়েকে লেম্প জ্বলাই কিবা বিচাৰি থকা দেখি আচৰিত হৈ ঘৈণীয়েকে সুধিলে —*

*ঃ কি বিচাৰিছেনো আপুনি ?*

*ঃ হেঃ, কি বিচাৰিমনো আৰু ! তোমাৰ মাতটোকেহে !— জয়ৰ উল্লাসেৰে হাঁহি হাঁহি গিৰিয়েকে উত্তৰ দিলে। ❑ সংগ্ৰহঃ মিনাৰ্ভা কোঁৱৰ*





# হতাশ মন

নৱনীতা বড়া
স্নাতক তৃতীয় বৰ্ষ

পুৱাৰে পৰা উপাসনাৰ কিয় জানো মনটো ভাল লগা নাছিল। কিয় ভাল লগা নাছিল, সেইটো হয়তো উপাসনাই নিজেই ক'ব নোৱাৰে। কিন্তু কিবা এটা ভাৱনাই তাইক খুবেই আমনি কৰিছিল। তাই মনলৈ মাত্ৰ এটাই কথা আহিছিল। আজি ৰাতি সিহঁতে নৈশ বাছত ঘৰ মুখে ৰাওনা হ'ব লাগিব। আজিৰ এই দিনটো কেনেদৰে পাৰ হ'ব তাই গমকে নাপাব। এফালে ঘৰলৈ যোৱাৰ কথা। কিমান দিনৰ মূৰত যে তাই ঘৰৰ মানুহবিলাকক লগ পাব। তাই এই দিনটোলৈকে যে কিমান বাৰ আঙুলিৰ মূৰত হিচাপ কৰিছিল, তাৰ ঠিক নাই। কাৰণ তাই আগতে এনেদৰে অকলশৰে ঘৰৰ পৰা আঁতৰি ক'তো থাকি পোৱা নাই। প্ৰথম দুদিনমান তাইৰ এনে লাগিছিল, যেন তাই ঘুৰিবলৈ নহা হ'লেই ভাল আছিল। কিন্তু সেই অস্বস্তি কম সময়ৰ বাবেহে টিকিছিল। পাছত নতুন ঠাইখনেই সম্পূৰ্ণ নিজৰ এডোখৰ পৰিচিত ঠাই হৈ পৰিছিল। তাত লগ পোৱা প্ৰায় মানুহৰ কথোপ-কথনে উপাসনাক বেছি আকৰ্ষিত কৰি তুলিছিল। তালৈ ঘুৰিবলৈ অহা মানুহখিনিৰ সান্নিধ্যত তাই এনে উপলব্ধি হৈছিল যেন মানুহবোৰক তাই নিচেই সৰুৰে পৰা লগ পাই আহিছে। অতি কম দিনৰ ভিতৰতে মানুহবোৰৰ সৈতে উপাসনা আত্মিয়তা গঢ়ি উঠিছিল। তাই নিজেই ক'ব পৰা নাছিল, তাই কিমান দুৰ মানুহৰ মাজলৈ সোমাই পৰিছিল। আৰু আজি এই ঠাইডোখৰৰ পৰা ঘৰলৈ ৰাওনা হ'ব লাগিব, য'ত তাই সোমাই পৰিব লাগিব ৰাস্তা-পদুলিৰ চিন চাপ নোহোৱা এডোখৰ গাঁৱলীয়া ঠাইত। য'ত গাড়ী এখন নিবলৈ চিন্তা কৰিব লাগিব। কাৰণ কেতিয়াবা আঘোণ মাহতো সেই ঠাইত বোকা নুশুকাই। য'ৰপৰা এখন দোকানৰ বাবে এক কিলোমিটাৰ মান ওলাই আহিব লাগিব। বস্তু পাবলগীয়াটো পালেই; নাপালে সাধাৰণ এটা কাপোৰ সীয়া বেজি কিনিবলৈকো সাত আঠ কিলো মিটাৰ আহিব লাগিব। যিকি নহওক নিজৰ জন্ম ঠাই যেতিয়া যিমানেই বেয়া নহওক কিয় নিজৰ আপোন ঠাই। হঠাৎ উপাসনাই বুকুৰ মাজত এটা বিষ যেন অনুভৱ কৰিলে। এই ঠাইডোখৰৰ স্মৃতি তাই যেন সমগ্ৰ জীৱনতো পাহৰিব নোৱাৰিব। আগতে তাই বহুবাৰ ফুৰিবলৈ গৈছে, কিন্তু এনে অনুভৱ কোনো এডোখৰ ঠাইতে নহ'ল। কিয় নহ'ল হয়তো তাই কোনো ঠাইলৈ ফুৰিবলৈ অকলশৰে যোৱা নাছিল। ঘৰৰ আন কাৰোবাৰ সৈতে গৈ দুই তিনিদিন থাকি আহিছিল। কিন্তু এইবাৰ তাই ঘৰৰ পৰা আঁতৰি পেহীয়েকৰ ওচৰত আছেহি। তাই যেন এইবাৰ নিজকে অলপ বেলেগ ৰূপত সজাইছে। পেহীয়েক-পেহাক চাকৰিলৈ ওলাই যোৱাৰ পাছত তাই অকলশৰে ঘৰত থাকিবলগীয়া হয়। আৰু দিনটোৰ বাবে তাই নিজে সময় অতিবাহিত কৰিবৰ কাৰণে তাই নিজেই নিজকে প্ৰস্তুত কৰি কামৰ তালিকা প্ৰস্তুত কৰি লয়। কোন সময়ৰ পৰা কোন সময়লৈ উল গুথিব, কিমান সময়ৰ পৰা কিমান সময়লৈকে টি, ভিৰ চিৰিয়েল চাব আৰু কোন সময়ত ভাত ৰান্ধিব তাৰ মাজতে অহা ফোন ৰিচিভ কৰাকে আদি কৰি এখন দিনজোৱা কাৰ্যসূচী তাই প্ৰস্তুত কৰি লয়। আজিৰ দিনটোৰ কাৰ্যসূচী কেনেদৰে পাৰ কৰিব এই কথা ভাবোতেই হঠাৎ পেহীয়েকৰ মাতত উপাসনাই চক খাই উঠিল,

'উপাসনা এইফালে আহচোন।'

'মই কথা এটা ভাবিছো, আৰু পেহাৰকো কৈছো ৰাতি গাড়ীত যোৱাতকৈ এতিয়া দিনৰ গাড়ীতে যোৱাই ভাল হ'ব। কাৰণ ৰাতিৰ গাড়ীত যাবলৈ অলপ সমস্যা হ'ব। কালিৰে পৰা এই কিন-কিনিয়া বৰষুণজাকে বহুতো আমনি লগাইছে। আকৌ যদি কালিলৈ পুৱালৈকে বতৰটো একো ৰূপত থাকে তেতিয়া বহুতো অসুবিধা হ'ব। গতিকে......।'

'দিনত যাবলৈ দেখোন মই আগৰে পৰাই কৈ আছিলো।'

পেহীয়েকৰ কথা শুনি উপাসনাই তপৰাই উত্তৰ দিলে যদিও তাইক এক বুজাব নোৱাৰা অনুভূতিয়ে বেৰি ধৰিলে। যিহেতু তাই সেই অনুভূতিৰ কথা পেহীয়েকক ক'ব নোৱাৰে। যাৰ কাৰণে তাই আজি ইমান মতলীয়া হৈ আছে, সেই কথাত পেহীয়েকে তাইক কণমানো সমৰ্থন নকৰে। পেহীয়ক উচ্চাকাংক্ষী। কিন্তু উপাসনা! পেহীয়েকৰ দৰে তাইৰতো কোনো উচ্চাকাংক্ষা নাই। উপাসনাই ল'ৰা লৰিকৈ যাবলৈ সাজু হৈছিল। যদিও যাবলৈ সাজু হৈছিল উপাসনাৰ মনটো লগে লগে ঢাপলি মেলিছিল তাইৰ অজানিতেই মনৰ মাজত থিতাপি লোৱা কবিৰৰ ওচৰলৈ। কবিৰ আছিল অতি সহজ সৰল। প্ৰথম অৱস্থাত কবিৰক দেখি যি মনোভাৱ হৈছিল, পাছত ইয়াৰ সম্পূৰ্ণ বেলেগ ৰূপ লৈছিল। উপাসনাই ভাবিবই পৰা নাছিল, কবিৰক ইমান কাষতে যে লগ পাব। উপাসনাই কবিৰক লগ পাইছিল তাইৰ জন্ম দিনত। এইবাৰ উপাসনাৰ জন্মদিনৰ কেক কটাইছিল পেহীয়েক-পেহাকে। তালৈ নিমন্ত্ৰণ কৰা এগৰাকী বিশিষ্ট অতিথিৰ লগত আহিছিল কবিৰ। মানুহগৰাকী কবিৰৰ সৰু মাহীয়েক আছিল। সেই দিনাই কবিৰৰ সৈতে উপাসনাৰ দেখা-সাক্ষাৎ। তাৰ পাছত ক্ৰমান্বয়ে কবিৰ ফুৰিবলৈ আহিছিল মাহীয়েক, মামাক আদিৰ লগত। তেতিয়াতো উপাসনাৰ কোনো ভাব মনত সঞ্চিত হোৱা নাছিল। এইদৰেই দিন যোৱাৰ পাছত এদিন এটা প্ৰগ্ৰেম লৈছিল ভালুকপুঙলৈ যোৱাৰ। যাত্ৰাটো কৰিছিল বাইকেৰে। যাত্ৰাটোত বাৰ

জনীয়া গ্ৰুপ এটা আছিল। প্ৰত্যেকেই নিজ নিজ বাইকত বহিছিল আৰু উপাসনাৰ পাল পৰিছিল কবিৰৰ লগত। যাত্ৰা আৰম্ভ হ'ল, কবিৰে ক্ৰমান্বয়ে উপাসনাক ঠাইবিলাক চিনাকী কৰি গ'ল। এইফালে অমুকলে, সেইফালে তমুকলৈ ইত্যাদি। ক্ৰমান্বয়ে যেতিয়া নামেৰি অভয়াৰণ্যৰ মাজেৰে বাইক চলিবলৈ ধৰিছিল তেতিয়া উপাসনাই আনন্দত চিঞৰি উঠিছিল। তাই মনত আনন্দ লাগিছিল যদিও মনৰ মাজত কোনোবা অকণমান ঠাই কিবা খালী খালী যেন লাগিছিল......... । আজি তাইৰ সকলো থাকিও যেন একোৱেই নাই............ ।

যেতিয়া উপাসনাহঁত ভালুকপুং পাইছিলগৈ তেতিয়া অলপ অলপ বৰষুণ পৰি আছিল। পাহাৰীয়া ঠাই, এনেও প্ৰায়ে বৰষুণ হয়। তথাপিও সেই বৰষুণ নেওচি ভালুকপুঙৰ পৰা ছয় সাত কিলোমিটাৰমান আগত থকা টিপিলৈ উঠিছিল। টিপিৰ মনোৰম প্ৰাকৃতিক পৰিবেশত তাই আপোন পাহৰা হৈ মনৰ জোৰত অজানিতে কবিৰক সাৱট মাৰি ধৰিছিল। পাছ মুহূৰ্ততে উপাসনাৰ জ্ঞান ঘূৰি আহিছিল। তাই এয়া কি কৰিলে? তাইৰ মনৰ মাজত নানা প্ৰশ্নই আগুৰি ধৰিলেহি। উপাসনাৰ মুখৰ মাত নোহোৱা হ'ল। তাইৰ এই পৰিবৰ্তন দেখি কবিৰে মাত লগালে —

'কি হ'ল উপা? ৰৈ গলা যে! তোমাৰ কি এই ঠাইবিলাক ভাল লগা নাই?'

'...................... ।'

উপাসনাই একো মাতিব নোৱাৰিলে। হয়তো কবিৰেও অনুভৱ কৰিছে; এখন বাইকত এহাল ডেকা গাভৰু আৰু তাতে উপাক সি ফুৰাবলৈ আনিছে। বৰ্তমান সি উপাৰ সাৰথি। উপাৰ এনে আনন্দ দেখি কবিৰৰ ভাল লাগিল। কিয়নো সি তাইক ফুৰাবলৈ আনি সফল হৈছে। পাহাৰৰ পৰা নমা ঝৰ্ণা বিলাকত উপাসনাই মতলীয়া হৈ কিমান যে পানী চুইছিল! সৰ্বশৰীৰ তিতাৰ পাছত তেওঁলোক টিপিৰ পৰা উভতিছিল। উপাসনাৰ এনেকুৱা লাগিছিল যেন ঠাইডোখৰত একো উপভোগ কৰিবলৈকে নাপালে, ঘূৰিবৰ হলেই। ঘূৰি আহোতে বাটত অজস্ৰ কথাৰে কবিৰক বুৰাই পেলাইছিল। তাই এই ঠাইলৈ আকৌ আহিব। অলপ উপভোগ কৰিব পৰাকে আহিব। কোন ঠাইত কেনে ধৰণেৰে ফটো উঠাব ইত্যাদি বহু কথা কৈ আহিছিল। ক্ৰমান্বয়ে বাইকে গতি লৈছিল । ফেৰ-ফেৰীয়া বতাহজাকে গাত ঠাণ্ডা লগাইছিল। উপাসনাই পাৰেমানে কবিৰৰ কাষ চাপি বহিছিল।

পাছদিনা ক্ৰিং ক্ৰিং ফোনৰ শব্দ হৈছিল। উপাসনাই ফোন উঠাই লৈছিল।

'হেল্লো ............!'

'হেল্লো, কোনে কৈছে ?

'মই কবিৰে কৈছো ।'

'অ' মই উপাসনা, কওঁকচোন।'

'কালি ফুৰিবলৈ গৈ কেনেকুৱা লাগিল ?'

'ভালেই'

'উপা, মই তোমাক কথা এটা ক'ব খোজো ।'

'কি কথা ?'

'তোমাক মই বিয়া কৰাব বিচাৰোঁ ...........'

উপাৰ যেন ক'বলৈ একো ভাষা নাছিল। তাইৰ মুখ বন্ধ হৈ পৰিছিল। কিয় জানো তাই না কৰিব পৰা নাছিল। তথাপিও তাই অকলে এই সিদ্ধান্ত ল'ব নোৱাৰে বুলি কবিৰক জনাই দিলে। এইদৰে আৰম্ভ হৈছিল সিহঁতৰ মাজত ফোনৰ যোগে কথোপকথন। কবিৰে প্ৰত্যেক দিনাই ফোন কৰিছিল সেই নিৰ্দিষ্ট সময়ত যেতিয়া ঘৰত বাকী কোনো নাথাকে। বহু সময় কথা পাতে। সেই ফোনটোৰ বাবে উপাই কিয় জানো ইমান ব্যাকুল হৈ পৰে। এইদৰে উপাসনাই কবিৰৰ কাষ কেতিয়া চাপিছিল নিজেই নাজানে। হয়তো কবিৰেও। কিন্তু উপাসনাই কেতিয়াও কবিৰক কথা দিয়া নাছিল। কিন্তু মনে যে নামানে হৃদয়ৰ বুজনি। মুখেৰে প্ৰকাশ নকৰিলেও কাৰ্যই প্ৰকাশ কৰিলে। আজিও কবিৰে ফোন কৰিব ঠিক একেই সময়ত । আজিয়ে উপাসনাৰ কবিৰৰ সৈতে ইয়াত শেষ কথা পতা হ'ব । বাতিৰ গাড়ীত উঠাবলৈও কবিৰহঁতেই আহিব। যাবৰ সময়ত দেখা সাক্ষাৎ হৈ যাব। এই সাক্ষাৎ আৰু যে কিমান দিনলৈ নহ'ব তাৰ সীমা নাই। হয়তো একেবাৰে নহবও পাৰে।

'উপা ওলাই ৰেডি হলিনে? গাড়ী পাবহি এতিয়া।'

পেহীয়েকৰ মাতত উপাসনাই ভাব ৰাজ্যৰপৰা বাস্তৱলৈ ঘূৰি আহিল। তাইৰ যাবৰ সময় তেনেই কাষ চাপিল। আঠ বজাত গাড়ী পাবহি। আঠ বাজিবলৈ আৰু দহ মিনিট বাকী। উপাই লৰালৰিকৈ বেগ উলিয়াই গাড়ীৰ বাবে উলাই আহিল। উপাই ৰাস্তাৰ ইফালে সিফালে চকু ফুৰাবলৈ ধৰিলে। কিজানিবা কাৰোবাক দেখা পায়েই। কিন্তু নাই, কোনো নাই । কবিৰ অহাৰ কথা আছিল। কিন্তু নাহিল কিয়? আঠ বাজি তিনিমিনিট যোৱাৰ লগে লগে গাড়ী আহিল। হতাশ মন লৈ উপাসনা গাড়ীত বহিল, লগত তাইক থবলৈ অহা পেহাক। উপাসনাই বিষাদৰ নিশ্বাস এৰিলে। গাড়ী ক্ৰমে আগবাঢ়িবলৈ ধৰিলে। গাড়ীত বহি উপাসনাই মাথো ভাবিবলৈ ধৰিলে আহিবৰ সময়ত কবিৰে বাৰু তাইক লগ কৰিবলৈ নাহিল কিয় !! ❐

********

মলিয়ন অন্তৰ চাফা কৰা একমাত্ৰ উপায় ভগৱানৰ প্ৰতি ভক্তি আৰু প্ৰেম — গুৰু নানক।



# বেদনা

*মমতাজ বেগম*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

খৰ ধৰকৈ কাম বন কৰি ৯ বজাত কলেজলৈ বুলি ওলাই আহিলো। ৯-১৫ বজাত ইংৰাজী ক্লাছ আছে। আজি গীতালী বাইদেউৰ ক্লাছ। গীতালী বাইদেউ মোৰ বৰ প্ৰিয়। আমাৰ ঘৰৰ পৰা কলেজলৈ খোজ কাঢ়ি গ'লে প্ৰায় ১০ মিনিটমান সময় লাগে।

গেটৰ সন্মুখৰ পৰাই দেখিলো কলেজৰ বাৰাণ্ডাত ময়ূৰী, নমিতা, মুনমীহঁতৰ লগত পাপুদা বহি আছে। পাপুদাক দেখি মোৰ মনতো ভাল নালাগিল। অকল ময়ূৰীক মাত লগাই শ্ৰেণী কোঠাত সোমালো।

কোঠাটোৰ প্ৰথম বেঞ্চ এখনত মই বহিলো চকুৰ আগত ভাঁহি উঠিল পাপুদাক লগ পোৱাৰ সেই প্ৰথম দিনটোলৈ। পাপুদাই মোক ৰেগিং কৰিবলৈ নিছিল। ৰেগিঙত পাপুদায়ে বেয়া ব্যৱহাৰ কৰা নাছিল। সেই ৰেগিঙৰ পাছৰেপৰাই পাপুদা মোৰ প্ৰেমত পৰিছিল আৰু ময়ো পৰিছিলো। উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকতেই পাপুদাৰ সৈতে মোৰ আত্মীয়তা গঢ়ি উঠিছিল। পাপুদা তেতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। পাপুদা কলেজত পঢ়ি থাকোতেই আমাৰ মাজত অজানিতে গঢ়ি উঠিছিল অকৃত্ৰিম বন্ধুত্ব আৰু ভালপোৱা।

বি. এ. ফাইনেল দি পাপুদাই ব্যৱসায় কৰিছিল। আনে যেনেদৰে চাকৰি বিচাৰি ফুৰে, তেনেদৰে কিন্তু পাপুদাই চাকৰি বিচৰা নাছিল। তেওঁ প্ৰথমে সৰু ব্যৱসায় কৰিছিল। ময়ো সুখী হৈছিলো পাপুদাই নিজৰ ভৰিত থিয় হ'বলৈ শিকাৰ কাৰণে। তেতিয়াৰ পৰা মই পাপুদাক খুব কম লগ পাইছিলো। যিহেতু তেতিয়া তেওঁৰ কলেজৰ সৈতে সম্বন্ধ নাছিল।

মই এতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। আজি দুবছৰে পাপুদা আৰু মোৰ ভালপোৱাৰ মাজত ক'তো কেনা লগা নাই। আমাৰ ভালপোৱা বোৰ বেছিহে গভীৰ হৈ গৈছে। 'কিন্তু'! এই শব্দটো দেখাত সৰু যদিও তৰি মজিতে মোৰ অজস্ৰ বেদনা সোমাই আছে।

এইবাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকলৈ অহা ছোৱালী এজনীৰ লগত আমি চিনাকী হ'লো। তাই বৰ দুষ্ট। তাই আমাক অসন্মান কৰিলে। ছোৱালীজনীৰ নাম ৰিংকু। পাপুদাৰ লগত কলেজলৈ আহি থাকোতে পাপুদাক ক'লো ছোৱালীজনীৰ বিষয়ে। তেতিয়া পাপুদাই ক'লে, চাবা জোন, মই তাইক ঠাণ্ডা কৰি দিম। মই তেতিয়া পাপুদাক কৈছিলো, 'নোৱাৰে' আপুনি। তেতিয়া পাপুদায়ে কৈছিল বাজি মাৰিবা। মই কৈছিলো, মাৰিম।

সেই বাজিত পাপুদা জিকিল। তেতিয়াৰ পৰাই পাপুদা সঘনাই কলেজলৈ আহিবলৈ ধৰিলে। ছোৱালীজনীৰ লগত পাপুদাৰ বেলেগ এটা সম্বন্ধ গঢ়ি উঠিল। মোৰ চকুৰ আগতে ৰিংকুৰ লগত হাঁহি ধেমালি কৰি বহি থাকে। প্ৰথম কেইদিনমান একো চিন্তা কৰা নাছিলো। কিন্তু পিছলৈ ভাবিবলৈ বাধ্য হৈছিলো।

আজি প্ৰায় এমাহ মানেই হ'ল পাপুদাই মোক নমতা। মইযে মুঠেই সহিব পৰা নাই পাপুদাৰ এই আচৰণ। আজিকালি ৰিংকুৱে মোক দেখিলে হাঁহে। মই ভাবো পাপুদায়ে মোৰ কথা নিশ্চয় তাইৰ আগত কৈছে। মই কেতিয়াবা নিজকে বৰ অকলশৰীয়া অনুভৱ কৰো।

আকাশ পাতাল চিন্তা কৰি বহি আছো। ল'ৰাবোৰৰ কোনো বিশ্বাস নাই। মোৰ স্কুলীয়া জীৱনত বৰ মৰমৰ বান্ধৱী এজনী আছিল। তাইৰ নাম মমী। হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মই নাম লগালো নিতাইপুখুৰীৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত আৰু তাই লগালে শিৱসাগৰ কলেজত। তাই ঘৰলৈ আহিলে প্ৰায়ে মোক সুধে পাপুদাৰ কথা। মই তাইক নিবিড় ভাবে কৈ যাওঁ পাপুদাৰ কথা।

এইবাৰ ঈদত ঘৰলৈ আহোতে পাপুদাৰ কথা সুধিছিল। মই তাইক কৈছো, মমী তুমি মোক বেলেগ কথা সোধা, কিন্তু পাপুদাৰ কথা নোসুধিবা। তেতিয়া মমীয়ে দুখ মনেৰে মোক কৈছিল, মোৰ জীৱনত এজনীয়ে বান্ধৱী আছিল, সেইজনীয়ে তুমি। আৰু তুমিও মোৰ পৰা কথা লুকুৱাব বিচাৰিছা। তুমি মোক বিশ্বাস নকৰা। তাইৰ কথাবোৰ শুনি মোৰ বহুত দুখ লাগিল। তেতিয়া তাইক মই কৈছিলো, চোৱা মমী, তোমাক মোৰ বেদনাৰ কথাবোৰ মুখেৰে ক'ব নোৱাৰো। তুমি মোক বেয়া নাপাবা মমী। আমাৰ কলেজৰ পৰা আলোচনী এখন প্ৰকাশ পাব। সেই আলোচনী খনতে মই এটা গল্প দিম। যদি গল্পটো প্ৰকাশৰ যোগ্য হয় প্ৰকাশ পাব। যদি যোগ্য নহয় প্ৰকাশ নাপায়। তেতিয়া মই তোমালৈ চিঠিতে লিখি পঠাম মোৰ হৃদয়ৰ বতৰা, তুমি পঢ়িবা। তুমিতো গল্পটোৰ নাম নাজানা। মই কৈছো শুনা, মোৰ গল্পটোৰ নাম 'বেদনা'। ❐



# কবিৰ ঘৰ

কবিতা
মানুহৰ
সুন্দৰতম
অনুভূতিৰ
বাঙ্ময়
প্ৰকাশ

"শিতানত থকা বকুলজোপাত
শুনিলো তোমাৰ মাত,
সাৰপাই দেখো চন্দন সুবাস
আমোল-মোলাই গাত।"

— নলিনীবালা দেৱী

# হেমন্তকাল

গীতালী শইকীয়া
প্ৰবক্তা, ইংৰাজী বিভাগ

(উইলিয়াম শ্বেইক্সপিয়েৰ প্ৰতি কৃতজ্ঞতাৰে)

হালধীয়া পাতখিলা
বতাহত কেনেকৈ কঁপিছে চোৱাঁ,
এই মুহূৰ্ততে সৰি পৰিব
সেউজীয়া এটা সপোনৰ অৱশিষ্ট।

যোড়শী সাজ-সজ্জা সোলোকাই
তৰুণ গছবোৰ এনেকৈ নগ্ন হ'ব
ছটাছটে এৰাই যোৱা
যেন এক ভগ্ন পৰিত্যক্ত মন্দিৰ।

পাণ্ডুৰ আকাশত হেমন্তৰ গীত
ধূলিৰে ফাকুখেলি
শুকান পাতৰ ওপৰেৰে
মৰমবাই খোজ দি আহিব শীত।

সোণালী ধানেৰে পথাৰ ভৰিছে
কনটিলৌৰে সৌৱা নৰাপেঁপা বজাইছে।
হেমন্ত বসন্তৰ চঞ্চল কল্লোল নাই
গ্ৰীষ্মৰ প্ৰচণ্ড উত্তাপ নাই।

কদম ফুলৰ হাঁহি নাই।
সৃষ্টিৰ উন্মাদনাও নাই।
হেমন্ত ক্লান্ত পথিকৰ
শেঁতা পৰা এটা আবেলি

কনটিলৌৰ পেঁপাত বজা
বিষাদ মধুৰ সুৰ।
নদীখন তৰাং হৈছে
ব'লা নামি যাওঁ

এটা বালিঘৰ সাজোঁ
বালিৰ ওপৰত আঙুলিৰে
আমাৰ নাম লিখোঁ।
সৌৱা চোৱা,

শুকান পাতবোৰ
আমাৰ ফাললৈকে উৰিব ধৰিছে। ❖









# অকলশৰীয়া নাবিক

বিতুলচন্দ্ৰ গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জীৱন মহাসাগৰত
পাৰ বিচাৰি নোপোৱা
মই এজন নাবিক।
আজি মোৰ একো নাই,
আছে মাথো আশা, কল্পনা।
নিষ্ঠুৰ নিয়তিক সাক্ষী কৰি
সম্মুখলৈ আগবাঢ়ি গৈ আছো।
হৃদয়ৰ পাত লুতিয়াই মই
কবিতা লিখিছো।
সৌ সিদিনা
মোৰ কবিতাৰ ভাষাৰে
তোমাক মনৰ কথা ক'লো।
অতীতৰ বেদনাক
এটা দুস্বপ্ন বুলি ভাবি
মোৰ হৃদয়খনত
তোমাৰ প্ৰতিচ্ছবিকেই ঠাই দিলো।
কি পালো বিনিময়ত,
একো নাই।
সকলো জানিও, সকলো বুজিও
তুমি মোক একো নোকোৱা।
মোৰ বাবে আজি তুমি মাথো
আকাশৰ জোন হৈ ৰ'লা।
পোৱা-নোপোৱাৰ দোমোজাত থাকি,
মহাশূন্যই বিৰাজ কৰা জীৱনৰ
মোৰ হৃদয়খনত
তোমাৰ প্ৰতিচ্ছবিকেই সাৱটি ধৰি,
আজিও মই আগবাঢ়ি গৈ আছো।
অনুভৱ কৰিছো
জীৱন মহাসাগৰত আজি,
সঁচাকৈ পাৰ বিচাৰি নোপোৱা,
মই এজন অকলশৰীয়া নাবিক। ❖

# সংগ্ৰাম

বিতোপন চেলেং
স্নাতক প্ৰথম বৰ্ষ

আই তই নকৰিবি দুখ,
সংগ্ৰাম কৰিছো আমি
ঘূৰাই আনিম প্ৰকৃতিৰ বুকুলৈ
দৌৰাত্ম্য আঁতৰাই পুনৰ সুখ।
ডাঙৰ পদবীহঁতে ভ্ৰাতৃহঁতক হাতত অস্ত্ৰ দি
কৰাইছে বিক্ষুব্ধ।
চৌদিশে বাজি উঠিছে খাৰ-বাৰুদৰ শব্দ,
কৰি আছো প্ৰচেষ্টা আই
মোৰ ধ্ৰুৱবিশ্বাস, হ'ব এইবোৰ স্তব্ধ।
ভায়ে ভায়ে লাগিছে কন্দল,
হয়তো কোনো মাতৃৰ একোটি সমল
হয়তো তাৰো মৃত্যু হ'ব
যেন সোঁতত ঘৰ-বাৰী ভাঙি নিয়া বাৰিষাৰ প্লাৱন।
এফালে সেনাবাহিনী,আনফালে বিপ্লৱী
মাজত জনগণ যেন এক বৃহৎ প্ৰলোভন।
ধৃতি হেৰুৱাই স্বদেশীৰ মুখা পিন্ধি
অন্যায় ব্যভিচাৰ কৰি কলুষিত কৰিছে
ধৰিত্ৰী আই,
ইহঁতৰ পোতক তুলি
নিদিওঁ তোমাৰ বুকুত অকণমানো ঠাই।
নেকান্দিবা আই,
আছো তোমাৰ পুত্ৰ এতিয়াও জীয়াই। ❖

# মোৰ হেঁপাহৰ দাৰ্জিলিং

*প্ৰীতিলতা সোনোৱাল*
*স্নাতক প্ৰথম বৰ্ষ*

মোৰ হেঁপাহৰ দাৰ্জিলিং
তুমি কেনে আছা?
গভীৰ তমসা উজাগৰে শেতেলিত
তোমাৰ ওখ ওখ পৰ্বতত
জ্বলি থকা সেই এশ এগছি চাকিয়ে
মোৰ দেহ মন আলিঙ্গন কৰেহি।

গৈ পোৱা হ'লেই
তোমাৰ টাইগাৰ শিলত বহি
ধেই কথা তোমাৰ কাণে কাণে
ক'লোহেঁতেন।
প্ৰেমৰ, হেঁপাহৰ অনেক কথা .........।

কিয়ে মাদকতা আছে ওখ ওখ পৰ্বতৰ
সেউজ ঘাঁহনিত
বিপুল শান্তি আছে।
তৰালি আকাশৰ তলত
জ্বলি থকা এশ এগছি চাকিত।

মোৰ হেঁপাহৰ দাৰ্জিলিং
এইবাৰ শৰততে মই তোমাৰ ওচৰলৈ
গৈ আছো।
তোমাৰ টাইগাৰ শিলত বহি
ধেই কথা পাতিম
প্ৰেমৰ, হেপাহৰ অনেক কথা .........।। ❖



# মানুহ

*দিগন্ত গগৈ*
*প্ৰবক্তা, অসমীয়া বিভাগ*

মানুহ কবিতাৰ দৰে
সজ্ঞাতীত।

মানুহ শব্দটো কিমান গৌৰৱমণ্ডিত আৰু অৰ্থপূৰ্ণ
অথচ মানুহ কি ভয়ানক! কি বিভৎস!

মানুহ মহত্তম আনন্দ আৰু অলিখিত যন্ত্ৰণাৰ বাহক
ভাল-বেয়া, সুন্দৰ-অসুন্দৰ, সৎ-অসৎ,সৰলতা,
কপটতা, জটিলতাৰ সমাহাৰ।

মানুহ হ'ল প্ৰজ্ঞা, সহৃদয়তা আৰু আত্মিক সৌন্দৰ্যৰ
মূৰ্তিমান প্ৰতিৰূপ।

জগতৰ যতমানে জঘন্য কৰ্ম আৰু পাশৱিক আচৰণ
তাৰ স্ৰষ্টা আৰু কৰ্তা মানুহ।

মানুহ সমস্ত মহৎ, ন্যায় আৰু মহিমাৰ উৎস।

মানুহ উত্তপ্ত বালিময় মৰুৰ দৰে
মানুহ শান্ত-সমাহিত নদীৰ দৰে
মানুহ কবিতাৰ দৰে
সজ্ঞাতীত। ❖







# নিয়ৰ

*লক্ষীপ্ৰিয়া বৰুৱা*
*স্নাতক দ্বিতীয় বৰ্ষ*

ৰ'দ পাই নিয়ৰ কণা
জিক মিক কৰে,
বনত লগা নিয়ৰ বোৰে
মৰম বিচাৰে।
সোণোৱালী নিয়ৰ ৰূপজিলিকা
কচু পাতত নাচে,
ধৰিব খোজিলেই তাতে
সৰি সৰি পৰে।
নিয়ৰৰ টোপাল সৰি
দূৰৱিত পৰে,
নিয়ৰৰ মুকুতা হৈ
জিকমিকাই থাকে।
জাৰৰ ৰাতি সাৰ পাও
নিয়ৰৰ শব্দত
প্ৰাণমন ভৰি যায়
অজান আনন্দত। ❖



# জালুকবাৰী

*সংকল্প চেতিয়া*
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

এতিয়া ------
এই নিঃসংগতাত
তোমাৰ স্মৃতিয়ে পচোৱাৰ দৰে
এন্ধাৰৰ আঁৰে আঁৰে
মোক জোকাই যায়,
খেজুৰ গছৰ পাতৰ আঁৰত
জোনৰ সেমেকা পোহৰ
ভাঁহি আছে অঘৰী মেঘৰ দৰে
সাৰে আছে দূৰণিত অযুত তৰালি।
সাৰে আছো মই
জালুকবাৰীত ------
এবুকু বেদনা লৈ
তোমাৰ স্মৃতিৰ। ❖



# সপোনৰ পম খেদি

*স্বপ্নাৰেখা পাঠক*
*স্নাতক প্ৰথম বৰ্ষ*

মোক এতিয়া কোনোবাই
সপোনৰ কথা ক'লে
বৰ ভয় লাগে
ক'ব নোৱাৰো কিয় বুকুৰ ভিতৰখন
ইমানকৈ কঁপি উঠে।

এদিন সপোনৰ পমখেদি
মই আৱিষ্কাৰ কৰিছিলো এখন পৃথিৱী
য'ত সূৰ্য নাছিল
তাৰ আটাইবোৰ ঘৰ জুইয়ে পুৰি পেলাইছিল
ধোঁৱাত ধূসৰিত হৈ পৰিছিল পোৱা মঙহৰ গোন্ধ
ঠিক সেইখিনিতেই
মই হেৰুৱাই পেলাইছিলো
মোৰ উমাল বুকুৰ
সেউজীয়া সপোনটো।

সেয়েহে মোক এতিয়া কোনোবাই
সপোনৰ কথা ক'লে
বৰ ভয় লাগে
ক'ব নোৱাৰাকৈ বুকুৰ ভিতৰখন
বৰকৈ কঁপি উঠে। ❖



# নিঃশব্দ অন্তঃসত্ত্বা পৃথিৱী

ৰুণামণি গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



এজাক শিশুৰ হাঁহিৰ কিৰিলিত
ফুলপাহ ফুলাৰ কথা আছে।

এটি ভয়াৰ্ত আৰ্তনাদৰ বিস্ফোৰণত
ৰাতিটো নামি অহাৰ কথা আছে।
সূৰ্যটো বুকুত গুজি গোটেই নিশা
অকলশৰে আছে অন্তঃসত্ত্বা পৃথিৱী।
বতাহত ৰু-ৰুৱাই বৈ আছে বহুতো খবৰ
ক্ষুধা আৰু যন্ত্ৰণাক্লিষ্ট শ্বহীদ কৃষকৰ।

পথাৰত হালি-জালি থাকে শালিধানৰ,
সেই সোণালী ঠোকৰবোৰ।
গাভৰুৰ খমখমীয়া ৰিহাৰ মাজত জ্বলি থকা,
জুইকুৰাই জ্বলাই দিয়ে শোষকৰ শোষণ।

এক উন্মোক্ত, নিদাৰুণ শোষণ,
মই মাথো দিব খুজিছো এটি খবৰ,
এই সকলো সহ্য কৰি নিঃশব্দে
আছে অন্তঃসত্ত্বা নীৰৱ পৃথিৱী। ❖

# মই নীৰৱে নদীৰ কাষত বহো

নৰজ্যোতি দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



মই নিজানে নদীৰ কাষত বহো
মোৰ গোটেই গাত বৰষুণ চটিয়াই দৌৰে
কবিতাবোৰ
গল্পবোৰ
মই নিজানে নদীৰ কাষত বহো
আকাশৰ চিলিঙত বহি তৰাবোৰে জপিয়াই উঠে
মই নীৰৱে নদীৰ কাষত বহো
আৰু গল্পবোৰ কবিতাবোৰ শেষ হোৱাৰ পিছত ঘৰলৈ
উভতি আহো।
মই নিজান নদীৰ কাষত বহো
আৰু তৰাবোৰলৈ চাই হাঁহো
মই এক উন্মাদ প্ৰেমিক
আকাশৰ চিলিঙত বহি তৰাবোৰ নাচি থাকে ------। ❖

# হেমাহি

উৎপল গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



গধূলি পৰত আলিবাটত টাও দিবলৈ যাওঁ,
ঘৰত আহি দেউতাৰ পৰা গোৱাল গালি খাওঁ।
দেউতাৰ ভয়ত পঢ়া টেবুলত হয়হে মাথোন বহা,
আগ পাছ শুনি থাকোতেই নহয় মুঠৈই পঢ়া।
নকলকে সাক্ষী কৰি পৰীক্ষা দিবলৈ যাওঁ,
খোচোং খাচাং কৰি থাকোতেই কত ডক্ৰিও খাওঁ।
যিদিনা মোৰ ৰিজাল্ট ওলালে নকৰিলো মই পাছ,
যমদূত যেন দেউতা আহি দিলেহি ঠাঁচ ঠাঁচ।
সেই দিনাই ভাবিলো মই নিজক নঠগো আৰু,
পাৰো বা নোৱাৰো টেবুলত বহি পঢ়িম যিমান পাৰো। ❖





# জোনাকৰ চোতালত তেজৰ কবিতা

(বন্ধু বাতুলৰ হাতত)

দীপক দত্ত
প্ৰাক্তন ছাত্ৰ



গভীৰ নিশা,
দুৱাৰখন বন্ধ কৰি
শুই থাকে মোৰ প্ৰিয় বন্ধু।
কেতিয়াবা নোশোৱাকৈ কটাই দিব পাৰে সি
ভাগৰে হেঁচা মাৰি ধৰা
এটা সমগ্ৰ ৰাতি।
যৌৱনৰ ৰং নুবুজা বয়সতে
নিবিষ্ট নিবন্ধ হৈ
কিয়নো এৰি আহিছিলি তই,
তোৰ ঘৰ, তোৰ আপোন মানুহ।
তোৰ বাট ইমান পিছল,
নেৰানেপেৰা বৰষুণ,
কেনেকৈ পাৰ হবি তই এঢলীয়া বাট?
খুপি খুপি উঠিব লাগিব পাহাৰ,
নামিব লাগিব খুপি খুপি,
দুহাতে কঢ়িয়াব লাগিব
বাস্তৱে হেঁচা মাৰি ধৰা কিছুমান
নিষিদ্ধ ভৱিষ্যত।
হ'ব দে,
জোনাকৰ চোতালত তেজৰ কবিতা পঢ়ি
আহিলি যেতিয়া
কটাম বুলি তোৰ সোণালী যৌৱন
এক কণ্টকময় পথত
তোৰ সাহসী বুকুতে লিখিম মই
নতুন কবিতা
কবিতা নতুন
স্বাধীনতাৰ কবিতা।
স্বাধীনতাৰ স্বপ্ন খেদি
গাঁও আৰু চহৰৰ অলিয়ে গলিয়ে
চিঞৰি উঠিব,
আকাশে বতাহে লিখা ৰ'ব
কোনোবা দৈৱকী মাতৃয়ে
প্ৰসৱ কৰা অষ্টম সন্তানৰ। ❖

# অতিথিৰ অপেক্ষাত

নীতা গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



মোৰ বুকুৰ ভিতৰত গঢ়িছো,
সৰুকৈ হ'লেও এটি সেউজীয়া বালিঘৰ।
হেঁপাহেৰে সেউজীয়া উদ্যানৰ
আকাংক্ষাৰ বাট কাটি,
হৃদয়লৈ বান্ধিছো ৰঙীন সপোনৰ আলি।
'মৰম'ৰ পদূলি, বকুলৰ শাৰী,
আৰু নাহৰৰ পুলি।
তাতে কপৌ ফুলো লগাইছো,
তোমাৰ ভমকাফুলীয়া খোপাৰ বাবে।
তুমি আহিবা বুলি
তুমি আহিবা ............।

তুমি আহিলেই সজাই তুলিম
সেই 'প্ৰেমৰ বালিঘৰ'।
কাষতে থকা নিৰ্জন নিজৰাটোৰ
পাৰতে বহিম
জোনাকৰ সন্ধ্যা।
উপভোগ কৰিম সেই নিজৰাৰ
জিলমিল জোনাক ৰাতিৰ
গভীৰ সৌন্দৰ্য
আৰু তেতিয়াই পাতিম আমি বহু কথা .......।
প্ৰেম ........,
জীৱন ........,
সপোন ........,
আৰু গল্প কবিতাৰ।
তুমি শুনিবা তোমাৰ কবিতা।
আৰু মইও শুনাম
ইমান দিনে সাঁচি ৰখা,
সেউজীয়া 'প্ৰেমৰ কবিতা'। ❖

# জীৱনৰ অনুভৱ

উদিৎ চাহ
স্নাতক প্ৰথম বৰ্ষ

মোৰ জীৱনৰ এটি দুটি পল
কিমান যে হেঁপাহেৰে ভৰা,
অলপমান সুখ, আনন্দ আৰু
কিমান যে দুখেৰে ভৰা।

জীৱনত আছে বহু সপোন
মনত আনন্দ দিয়া,
আৰু আছে বহুক্ষণ,
মাথো নিৰাশাৰে ভৰা।

সপোনবোৰ মোৰ
আঁতৰি যায় বাস্তৱ জগতৰ পৰা
নাজানো নুবুজো
জীৱন কি যে ৰহস্যৰে ভৰা। ❖

# তোমাৰ অপেক্ষাত

মমী গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

তোমালৈ অপেক্ষা কৰোঁতেই
পাৰ হৈ গ'ল বহু দিন
তথাপিও দেখোন তোমাৰ কোনো
খবৰেই নাই !

মৃদু মলয়া এছাটিয়ে দিছিল
তুমি অহাৰ বতৰা।
কিন্তু ! তুমি নাহিলা
হয়তো মোৰেই মনৰ ভ্ৰম আছিল
মিছাতেই ভাবিছিলো তুমি আহিবা বুলি
সাজিছিলো অলেখ কল্পনাৰ কাৰেংঘৰ।

তুমি নাজানা কিমান অশ্ৰু সৰিছে দুচকুৰেদি
প্ৰতিটো পল অনুপল কেনেকৈ
পাৰ কৰিছো তুমি নাজানা
হৃদয়ত হেঁচি ৰাখিছো তপত হুমুনিয়াহ
তাৰ বাহিৰে কোনো উপায় নাই
ভাবিছিলো তোমাক জনাম মোৰ মনৰ খবৰ।
কিন্তু! জনাবলৈ ভয় লাগিল
জানোচা তুমি সঁহাৰি নিদিয়া!

খুব অভিমান হয় জানা, তোমাৰ ওপৰত।
এদিনতো আহিব পাৰা মোৰ ওচৰলৈ
মই কেনে আছোঁ, চাবলৈ জানো
অলপো মন নাযায়?

মই ৰৈ আছোঁ তোমাৰ বাবে।
তোমাৰেই অপেক্ষাত। ❖

# বুকুৰ আপোন

বৰ্ণালী দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মনত পৰেনে জোন
এদিন যে তুমি মই
নিজান নীৰৱ নদীৰ পাৰত পাতিছিলো
হিয়াৰ গোপন কথা।

অমল প্ৰেমৰ অনুভূতিয়ে
ভাল পাইছিলো তোমাক
কিন্তু নাপালো বুজি তোমাৰ মায়া।
তুমিয়েইতো মোৰ জীৱনৰ আঁউসীৰ অন্ধকাৰ
অন্ধকাৰৰ কৰাল গ্ৰাসলৈ তুমিয়েইতো ঠেলি দিলা মোক।

তোমাৰ প্ৰতি ভালপোৱা
চিৰসেউজীয়া
নিজৰ প্ৰাণতকৈও তুমি অতি মৰমৰ।
মইতো নহওঁ কবি
মাথো এগৰাকী কিশোৰী অতি দুৰ্ভগীয়া।❖





# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে আৰু বন্ধু-বান্ধৱীয়ে মোক সাধাৰণ সম্পাদক ৰূপে মহাবিদ্যালয়ৰ উন্নয়ন আৰু সেৱাৰ অৰ্থে নিৰ্বাচিত কৰিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়খন প্ৰতিষ্ঠা দিনৰে পৰা জড়িত ব্যক্তি সকললৈকো শ্ৰদ্ধা জনাইছো। দেশ তথা জাতীয় স্বাৰ্থত যিসকল বীৰ পুৰুষে দেহ বিসৰ্জন দিলে সেই ব্যক্তিসকললৈও প্ৰতিবেদনৰ যোগেদি শ্ৰদ্ধাঞ্জলি জনাইছো। ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই পূৰ্ণ উদ্যমেৰে আমাৰ কৰ্তব্য পালন কৰিম বুলি ভাবি সকলো কাম কৰিবলৈ চেষ্টা কৰিছিলো। অন্যান্য বিভাগৰ সম্পাদকসকলৰ লগত সকলো কামৰ সমভাগী হৈ আমি কৰ্তব্যত আগবাঢ়িছিলো। যদিও মই কি কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য। অজানিতে কিবা ভুল কৰিছিলো যদি তাৰ বাবে এই প্ৰতিবেদনৰ যোগেদি ক্ষমা বিচাৰিছোঁ।

**ছাত্ৰ একতা সভাৰ কাম-কাজৰ চমু খতিয়ান ঃ**

ছাত্ৰ একতা সভাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত চাৰিদিনীয়া কাৰ্যসূচীৰে ২০০২-২০০৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিভিন্ন বিভাগৰ সম্পাদকৰ উদ্যোগত বিবিধ বিষয়ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২৮-১২-০২ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণি সভা অনুষ্ঠিত কৰা হয়। সভাখনিলৈ বঁটা বিতৰণ কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা খেলুৱৈ শ্ৰীবিনোদ কোঁৱৰদেৱক। তেওঁক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

উচ্চ শিক্ষা গ্ৰহণৰ বাবে মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ৮-৯-০২ তাৰিখে 'নৱাগত আদৰণি সভা' অনুষ্ঠিত কৰি সভালৈ অসম চৰকাৰৰ মাননীয় শক্তি আৰু আইন মন্ত্ৰী শ্ৰীযুত দেৱানন্দ কোঁৱৰদেৱক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হয়।

ইয়াৰ উপৰিও নিতাই পুখুৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত ভৱেন্দ্ৰনাথ শইকীয়াদেৱৰ মৃত্যুত মহাবিদ্যালয়ত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও মোৰ কাৰ্যকালত কেইবাখনো শোক সভা অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজা ভাগিও উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়।

ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদকৰ অনুপস্থিতিত মই আৰু মনজিতে মহাবিদ্যালয়ৰ ফুলবল দলটিক আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবৰ বাবে গড়গাঁও হাবিদ্যালয়লৈ নিছিলো। কিন্তু মহাবিদ্যালয়ৰ ফুটবল দলটি মাগুলিক পৰ্যায়ৰ প্ৰথমখন খেলতে পৰাজয় হ'ব লগা হ'ল।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকাল মাত্ৰ এবছৰ। এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালখনৰ সমস্যাসমূহ সমাধান কৰাটো একেবাৰে অসম্ভৱ। তথাপিতো আমি মহাবিদ্যালয় কৰ্তৃপক্ষক বাৰম্বাৰ হেঁচা প্ৰয়োগ কৰি তথা আমাৰ অবিৰত চেষ্টাৰ জৰিয়তে কিছু পৰিমাণে সফল হ'ব পাৰিছো বুলি আমাৰ বিশ্বাস। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত সম্পাদিত হোৱা কাম-কাজৰ এটি খতিয়ান তলত উল্লেখ কৰা হ'ল ঃ

(১) আমাৰ কাৰ্যকালত কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ ভৱনটোৰ টিন পাতত ৰং কৰে।

(২) 'মহাবিদ্যালয়ৰ চৌহদ সৌন্দৰ্যকৰণ সমিতি'ৰ উদ্যোগত মহাবিদ্যালয়ৰ চৌহদত থকা হাবি-জংঘলবোৰ পৰিস্কাৰ কৰি নতুনকৈ বিভিন্ন ধৰণৰ মূল্যবান আৰু ফলমূলৰ গছপুলি ৰোপন কৰাৰ লগতে দুখন ফুলনি পতা হয়। লগতে মহাবিদ্যালয়ৰ মূলপথৰপৰা ছাত্ৰ একতা সভা আৰু পুথিভঁৰাললৈ যোৱা পথ নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰি ছাত্ৰী জিৰণী চ'ৰাৰ পৰা শ্ৰেণীকোঠা আৰু ছাত্ৰাবাস সংলগ্ন পথ নিৰ্মাণ কৰা হয়।

(৩) মহাবিদ্যালয়লৈ কেইবাখনো ৰেকৰ্বড অনা হয়।

(৪) মহাবিদ্যালয়ৰ বিজুলী পাংখা নথকা কোঠাৰ বাবে কেইবাখনো বিজুলী পাংখা অনা হয়।

(৫) মহাবিদ্যালয়ৰ আগফালে থকা দমকলটো মেৰামতি কৰা হয়।

(৬) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেল ষ্টেণ্ডত নতুনকৈ টিন পাত আনি লগোৱা হয়।

(৭) ছাত্ৰসকলৰ প্ৰস্ৰাৱগাৰটো মাহে দুবাৰকৈ পৰিস্কাৰৰ ব্যৱস্থা কৰা হৈছিল।

(৮) ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ এখন টেবুল অনা হ'ল।

(৯) মহাবিদ্যালয়ৰ ক্ৰিকেট দলটি আমাৰ কাৰ্যকালতে প্ৰথমবাৰৰ বাবে আন্তঃ মহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে।

আমাৰ কাৰ্যকালত মহাবিদ্যালখনিৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে তথা সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাৰ কাৰণে যত্নৰ কৃপণালি কৰা নাছিলো। আশাকৰো উত্তৰ পুৰুষে আমি সমাধা কৰিবলৈ সক্ষম নোহোৱা সমস্যাসমূহ অনাগত সময়ত সমাধা কৰি আমাৰ মৰমৰ মহাবিদ্যালয়খনিক সুস্থ শৈক্ষিক বাতাবৰণেৰে জীৱন গঢ়াৰ কমাৰশাললৈ ৰূপান্তৰিত কৰিব পাৰিব। অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰিলো। অনুজ শিক্ষাৰ্থীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'
'জয় আই অসম'

গোলাপ গগৈ
সাধাৰণ সম্পাদক,
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
ছাত্ৰ একতা সভা ঃ ২০০২-২০০৩ বৰ্ষ।

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে দেহৰ কেঁচা তেজ ঢালি ভাৰত- তথা অসমৰ অস্তিত্ব ৰক্ষাৰ যুঁজত জীয়াই থকাৰ কামনাক ত্যাগ কৰি নিজৰ জীৱন উছৰ্গা কৰিলে সেইসকল বীৰ শ্বহীদৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণাম জনাইছো।

২০০২-২০০৩ বৰ্ষৰ বাবে মোক যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হ'বলৈ সুযোগ দিলে তেখেতসকললৈ মই মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে মোৰ প্ৰস্তাৱক জ্যোতি গগৈ আৰু সমৰ্থক দিতি চেতিয়াক আছুতীয়াকৈ মৰম যাচিলো। প্ৰতিবেদনৰ জৰিয়তে মোৰ কাৰ্যৱলীৰ এটি চমু আভাস তলত দাঙি ধৰিলো।

মই মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আয়োজন কৰা প্ৰতিটো কাৰ্যসূচীতে সক্ৰীয় অংশ গ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহ, শ্ৰীশ্ৰী সৰস্বতী পূজা, নৱাগত আদৰণি সভা, আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা আদি প্ৰতিটো কাৰ্যসূচীতে বিভাগীয় সম্পাদকসকলক তথা সাধাৰণ সম্পাদকক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই সফলভাৱে অনুষ্ঠিত কৰাত সহায় কৰিছিলো। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বিভিন্ন দিশত কিমানখিনি উন্নতি কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য।

আমাৰ কাৰ্যকালত ঘটা এটা শোকাবহ ঘটনাত ৩১ অক্টোবৰ, ০৩ তাৰিখে একাদশ শ্ৰেণীৰ ছাত্ৰ হিৰণ্য টায়ে অকাল মৃত্যুক সাৱটি লব লগা হয়। তেওঁৰ অকাল মৃত্যুত শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছিলো।

**কৃতজ্ঞতা ঃ** সদৌ শেষত মোক বিশেষভাৱে সহায় সহযোগ আগবঢ়োৱাৰ বাবে বিনোদ গগৈ, দেৱব্ৰত শৰ্মা, জিতু চৌহান, বিপুল বড়া, ৰাজীৱ, পুতুল, সীমান্ত, নৱ, ইন্দ্ৰ, পল্লৱ, সফীজ, পাণ্ডে, উদিত, নৱদ্বীপ, ঋতুপণ, সঞ্জয়, বিনয়, পাপু, সুজিত, দ্বীপৰঞ্জন, দ্বীপেন, শেৱালী, মমি, ললিতা, অতনু, বৰ্ণালী, দিতিবা, চিমা এই সকলোকে শ্ৰদ্ধাৰে সোঁৱৰিছো।

মঃ আব্দুল আজিজ,
সহঃ সাধাৰণ সম্পাদক

## সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হৈ মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদন নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কি কৰিব পাৰিলোঁ নোৱাৰিলো তাৰ খতিয়ান মাথোঁ। সংগীত আৰু সাংস্কৃতিক বিভাগৰ এই গুৰু দায়িত্ব গ্ৰহণ কৰি কি কামত কিমানদূৰ সফল হ'ব পাৰিলোঁ, নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য। কাৰ্যভাৰ লৈয়ে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰায়বিলাক সভা-সমিতিত গীত-মাত পৰিৱেশন কৰা হয়। লগতে বাদ্যযন্ত্ৰবিলাক মেৰামতি কৰাৰ বাদে আন কোনো কাৰ্য হাতত ল'ব পৰা নগল। বিশেষকৈ বিভিন্ন স্থানত অনুষ্ঠিত কৰা সংগীত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ হৈ অংশ গ্ৰহণ কৰিব নোৱাৰিলো। তাৰ বাবে মই ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

১৭ আৰু ১৮ জানুৱাৰী ,২০০৩ তাৰিখে অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ লগত সংগতি ৰাখি এখনি নৃত্য প্ৰতিযোগিতা সুচাৰুপে অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ত থকা বাদ্যযন্ত্ৰ কেইপদেই যথেষ্ট বুলি মই নাভাবো। যিহেতু আজিৰ যুগটো হৈছে ইলেক্ট্ৰনিক যুগ, গতিকে প্ৰয়োজনীয় বাদ্যযন্ত্ৰসমূহৰ অভাৱ দূৰ কৰিবৰ কাৰণে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই কাৰ্য ব্যৱস্থা হাতত ল'ব বুলি আশা কৰিছো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষণতে সহায় কৰা বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুতা গীতালী শইকীয়া বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়া চাৰলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত সফলতা, বিফলতাৰ সময়ত ছাঁৰ গাতে লাগি থকা — পলী, পপী, প্ৰণামিকা, জিমি, বৰ্ণালী, মমী, মাধন, মিনাক্ষী, শিখা, বিজিত, লক্ষ্য, মনজিত, দেবু আৰু ভাইটি বাব্লুহঁতৰ মৰম আৰু স্নেহবোৰ চিৰস্মৰণীয় হৈ ৰ'ব।

পৰিশেষত, মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ সফলতা কামনা কৰি মোৰ প্ৰতিবেদনখনিৰ সামৰণি মাৰিলোঁ।

'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'

মুনিন্দ্ৰ বুঢ়াগোহাঁই,
সংগীত আৰু সাংস্কৃতিক সম্পাদক





## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু তথা অন্যান্য ব্যক্তিয়ে অশেষ শাৰীৰিক আৰু মানসিক কষ্টক আওকাণ কৰি বৰঙণি আগবঢ়ালে তেখেতসকললৈ মই আন্তৰিক শুভেচ্ছা ও শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে কি কৰিলো কি কৰিব নোৱাৰিলো সেই বিষয়ে লিখাৰ আগতে মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে সেৱা আগবঢ়াবলৈ সুবিধা দিলে তাৰ বাবে এই আপাহতে তেওঁলোকলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু লগতে মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত নোমল কোঁৱৰদেৱ, বিভাগীয় উপদেষ্টা শ্ৰীযুত অৰুণ গোহাঁইদেৱ, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়াদেৱ, অধ্যাপক শ্ৰীযুত দিগন্ত গগৈ আৰু শ্ৰীযুত তৰুণ গগৈদেৱ চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। এই বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ পালন কৰাৰ বাবে খেল পথাৰ পৰিস্কাৰ কৰাৰ লগতে তোৰণ নিৰ্মাণ কৰা কাৰ্য সমাজ সেৱা বিভাগৰ দ্বাৰা কৰা হৈছিল। মহাবিদ্যালয়ত চিৰা চৰিতভাৱে পালন কৰি অহা শ্ৰীশ্ৰী বীণাপাণি পূজাৰ বাবে অতি উলহ-মালহেৰে সমাজ সেৱা বিভাগৰ সকলো কাম পূজাৰ আগদিনাৰ পৰা কৰা হৈছিল। এই মহাবিদ্যালয়লৈ অহা নৱাগত সতীৰ্থসকলক আদৰণি জনাবলৈ নৱাগত আদৰণি সভাৰ সমাজ সেৱা বিভাগৰ সকলো কাম দুদিন আগৰপৰা কৰা হৈছিল।

সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে এই মহাবিদ্যালয়ৰ সকলো বিলাক কাম নিষ্ঠাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো, তথাপিও এই বিষয়ত কিমান দূৰ সফলতা লাভ কৰিছিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

এইখিনিতে ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ কাৰ্য সম্পাদনত যিসকল বন্ধু-বান্ধৱীয়ে অশেষ কষ্ট কৰি মোক সকলো প্ৰকাৰে সহায়-সহযোগ আগবঢ়াইছিল তেওঁলোকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ নাম উল্লেখ কৰিছো — জিতু চৌহান, দিপেন শইকীয়া, পাপু শেনচোৱা, জিতুমণি গগৈ, মঃ আব্দুল আজিজ, মঃ মফিজুদ্দিন আহমেদ, শেৱালী বড়া, মনজিৎ গগৈ, বিউতি বৰুৱা আৰু ভাস্কৰ বুঢ়াগোহাঁই ।

মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা ২০০৩-০৪ বৰ্ষ ছাত্ৰ একতা সভাৰ নৱ নিৰ্বাচিত সম্পাদক, সম্পাদিকা সকললৈ মোৰ তৰফৰ পৰা হিয়াভৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ 'সমাজ সেৱা' বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু ছাত্ৰ একতা সভা'
'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'

ৰিপুল বড়া
সম্পাদক,
সমাজ সেৱা বিভাগ ঃ

## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ খেলবিভাগৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ সুবিধা দিয়াত সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে সকলো প্ৰকাৰে দিহা পৰামৰ্শ তথা সহায় -সহযোগ আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ সভাপতি শ্ৰীযুত নোমল কোঁৱৰ চাৰ আৰু মোৰ বিভাগৰ উপদেষ্টা মাননীয় শ্ৰীযুত ৰেৱকান্ত বৰাদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই খেল বিভাগৰ সম্পাদকৰূপে কাম কৰাত কিমানখিনি সফলতা লাভ কৰিলো, সেই বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলো। অৱশ্যে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰাত মোৰ কাৰ্যকালছোৱাত অৱহেলা কেতিয়াও কৰা নাছিলো। অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। মোৰ দায়িত্বত থকা ক্ৰিকেট, ফুটবল, ভলীবল আদি খেলসমূহ অনুষ্ঠিত কৰা হয়। খেলসমূহ অনুষ্ঠিত কৰাত বহুতো অসুবিধাৰ সন্মুখীন হৈছিলো যদিও কেইজনমান বন্ধুৰ সহযোগত সকলো বাধা-বিঘিনি অতিক্ৰম কৰি

খেলসমূহ সুকলমে অনুষ্ঠিত কৰিবলৈ সক্ষম হলো। উক্ত খেলত অংশ গ্ৰহণ কৰা খেলুৱৈসকলে সুদূৰ ভৱিষ্যতে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰিব বুলি আশা কৰিলো আৰু সকলো খেলুৱৈলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

মোক সকলো সময়তে সহযোগ আগবঢ়োৱা মনজিৎ গগৈ, বিনোদ গগৈ, উৎপল দত্ত, বাবুল শৰ্মা, অতনু হাজৰিকা, পাপু শেনচোৱা, বিনয় খাকলাৰী, জিতু গগৈ আৰু সঞ্জয় গগৈলৈ শৰাগৰ শৰাই আগবঢ়ালো। মোৰ কাৰ্যকালত আৰম্ভ হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল খেলৰ অনুশীলন হওঁতেই মই ১৭ বছৰৰ জুনিয়ৰ নেছনেল নেটবল চেম্পিয়নশ্বিপ, ৰাজস্থানত খেলিবলৈ যাব লগা হোৱাত মোৰ দায়িত্ব ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীগোলাপ গগৈয়ে লৈ কঠোৰ পৰিশ্ৰম কৰি মহাবিদ্যালয়ৰ ফুটবল দলটো আন্তঃমহাবিদ্যালয়ৰ খেলত অংশ গ্ৰহণ কৰোৱাই সহায় আগবঢ়োৱাৰ বাবে তেখেতলৈ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জনালো।

কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছো। শেষত মহাবিদ্যালয়ৰ সকলো দিশৰ উন্নতি কামনা কৰি বিভিন্ন খেলৰ দল বিলাকৰ উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মোৰ চমু বছৰেকীয়া প্ৰতিবেদন সামৰিলোঁ।

'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'

সুদীপ্ত দত্ত
সম্পাদক,
খেলবিভাগ

## ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা-ভক্তি আৰু স্নেহ নিবেদন কৰিলো।

মহাবিদ্যালয়ৰ ২০০২-২০০৩ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি সম্পাদিকা পদৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰ একতা সভাৰ মাননীয় সভাপতি মহোদয় আৰু সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদক তথা সতীৰ্থসকলৰ সৈতে সামৰ্থ অনুসৰি বিভিন্ন সহায় সহযোগিতা আগবঢ়াই আহিছো।

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ সুবিধা পোৱাৰ বাবে মই চিৰকৃতজ্ঞ। কাৰ্যভাৰ গ্ৰহণ কৰি যিমানখিনি সাফল্য লাভ কৰিলো সেয়া আপোনালোকৰ বিচাৰৰ বিষয়।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। উক্ত সপ্তাহত মোৰ বিভাগত এলানি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। কিন্তু এই দিশতো প্ৰতিযোগীৰ অসহযোগিতাই মোক প্ৰতিযোগিতাসমূহ আগবঢ়াই নিয়াত অসুবিধাৰ সৃষ্টি কৰিলে। মই আশা কৰো অনাগত দিনত ছাত্ৰীসকলে বিনা সংকোচে প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি নিজৰ সুপ্ত প্ৰতিভাক বিকশিত কৰিব ।

মোৰ কাৰ্যকালৰ দিনতে মই ছাত্ৰী চ'ৰাটো যিমানখিনি উন্নত মানৰ কৰিম বুলি ভাবিছিলো সিমানখিনি উন্নত কৰিব নোৱাৰিলো। তথাপি মই ছাত্ৰী জিৰণী চ'ৰাৰ ছাত্ৰীসকলৰ খাবৰ বাবে বিশুদ্ধ পানী, পৰ্দা, বেঞ্চ-ডেস্ক আৰু খেলিবৰ বাবে এখন কেৰমৰ ব্যৱস্থা কৰিছিলো।

আমাৰ ছাত্ৰী জিৰণী চ'ৰাটোৰ অৱস্থা উন্নত মানৰ নহয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অদূৰ ভৱিষ্যতে ছাত্ৰী জিৰণী চ'ৰাটো উন্নতমানৰ কৰি তুলিব বুলি আশা কৰিছোঁ।

প্ৰতিবেদনৰ শেষত ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ উপদেষ্টা শ্ৰীযুক্তা মানসী গগৈ বাইদেউ, অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰুসকলে বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়াৰ উপৰিও যি সহযোগিতা আগবঢ়ালে তাৰ বাবে মই তেখেতলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম। ইয়াৰ উপৰিও মোক বিভিন্ন ধৰণে সহায় কৰা দীপেনদা, মানসদা, সুদীপ্তদা, বাবুলদা, মনজিৎদা, কৃষ্ণদা, মফিজুদ্দিনদা, গোলাপদা, জ্যোতিবা, ৰেখাবা, ৰুমিবা, বন্ধুসম মুনিন্দ্ৰ, সৌৰভ, পৰিস্মিতা, মমী, লক্ষীপ্ৰিয়া, সীমা, জিমি, বিস্মিতা, গায়ত্ৰী, মিনাৰ্ভা; ভণ্টি নমি, লেখিকা, পিংকি, ৰীতা, মধুস্মিতা, সান্তনা, বেবী; ভাইটি ডেভিদ, অৰূপ সকলোলৈকে মোৰ অশেষ ধন্যবাদ তথা আন্তৰিক মৰম যাচিছো।

সদৌ শেষত যদি মোৰ কাৰ্যকালত অজানিতে কিবা ভুল হৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো। পুনৰ বাৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সদৌটিলৈকে আন্তৰিক কৃতজ্ঞতা যঁচাৰ লগতে মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'
'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভা।'

প্ৰণামিকা দত্ত
সম্পাদিকা,
ছাত্ৰী জিৰণী চ'ৰা





## ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ যিসকল অগ্ৰজ অনুজ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বৰ্গই ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ক্ৰীড়া বিভাগৰ সম্পাদক পদত সেৱা আগবঢ়াবৰ বাবে সুবিধা দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্যকালত কিমানখিনি সফলতা লাভ কৰিব পাৰিলো, তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত অৰ্পণ কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ ক্ৰীড়া বিভাগৰ প্ৰত্যেকটো প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল যদিও প্ৰতিযোগীৰ উপস্থিতিৰ সংখ্যা হতাশজনক আছিল। এইখিনিতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এটা কথাই ক'ব বিচাৰিছো যে — **'এজন সুদক্ষ খেলুৱৈ দেশ তথা জাতিৰ গৌৰৱ'।** মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ হতাশজনক উপস্থিতিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে এক ব্যাধিৰূপে পৰিগণিত হ'ব। এয়া আমাৰ অনুভৱ। সেয়েহে ছাত্ৰ বন্ধুসকলৰ এনে এক গুৰুত্বপূৰ্ণ বিষয়ক অধিক চিন্তা চৰ্চাৰ মাজলৈ আনিবৰ বাবে অনুৰোধ জনালো।

আনহাতেদি মহাবিদ্যালয় সপ্তাহৰ উপৰিও আমাৰ কাৰ্যকালত আন্তঃমহাবিদ্যালয় ক্ৰীড়াত আমাৰ মহাবিদ্যালয়ৰ পৰা যোগদান কৰা হৈছিল। উক্ত প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ কেইবাজনো ছাত্ৰ আৰু কেইবাগৰাকী ছাত্ৰীয়ে কৃতিত্ব অৰ্জন কৰি মহাবিদ্যালয় তথা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত সু দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত তৰুণ গগৈদেৱলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আনহাতেদি বিভিন্ন দিশত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ছাত্ৰ একতা সভাৰ উপ-সভাপতি শ্ৰীবাবুল শৰ্মা, সাধাৰণ সম্পাদক শ্ৰীগোলাপ গগৈ আৰু যিসকলে মোক প্ৰতিটো দিশতে সহায় আগবঢ়ালে তেওঁলোক হ'ল — পল্লৱ, ৰাজীৱ, দীপ, মনজিৎ, সঞ্জয়, ইন্দ্ৰজিৎ, পলি, ৰেখা, পিংকী, দিতি আৰু বহুতো, লগতে মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰু, কৰ্তৃপক্ষ আৰু কৰ্মচাৰীসকললৈ কৃতজ্ঞতাৰ শৰাই যাচিলো।

ভৱিষ্যতৰ দিনবোৰত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ে কঢ়িয়াই আনক অনেক গৌৰৱ, তাৰেই কামনাৰে —

'জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'

দিপু সন্দিকৈ
সম্পাদক, ক্ৰীড়া বিভাগ

## ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন



২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদকৰ হিচাপে মোক ভোট দি নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰ জিৰণি চ'ৰা সম্পাদক ৰূপে কাম কৰাত কিমানখিনিৰ সফলতা লাভ কৰিলো সেয়া বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত অৰ্পণ কৰিলো। বহু আশা আৰু হেঁপাহেৰে মই ছাত্ৰ একতা সভালৈ আহিছিলোঁ। কাম কৰাৰ ইচ্ছা বহুতেই আছিল যদিও বিভিন্ন কাৰণত সকলো কাম কৰাৰ সম্ভৱ নহ'ল। ইয়াৰ বাবে মই সকলোৰে ওচৰত ঋণী হৈ ৰ'লো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই ৩৭ তম মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মোৰ দায়িত্বত থকা কেৰম, ডবা, বেডমিণ্টন, টেবুল টেনিছ আদি প্ৰায়বোৰ খেলেই অনুষ্ঠিত কৰা হয়। খেলসমূহ অনুষ্ঠিত কৰাত যথেষ্টখিনি অসুবিধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা মহোদয়ৰ পৰামৰ্শ, আৰু বন্ধুবৰ্গৰ সহযোগত সকলোবোৰ বাধা অতিক্ৰম কৰি খেল অনুষ্ঠিত কৰিবলৈ সক্ষম হলো। খেলত যোগদান কৰা সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো। বিজয়ী প্ৰতিযোগীৰ পৰা অদূৰ ভৱিষ্যতে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শনৰ আশা কৰিছো।

**ছাত্ৰ জিৰণি চ'ৰাৰ সমস্যাসমূহ ঃ** এইখিনিতে আমাৰ ছাত্ৰ জিৰণি চ'ৰা ঘৰটোৰ এটা প্ৰতিচ্ছবি দাঙি ধৰিব বিচাৰিছো। ছাত্ৰ জিৰণি চ'ৰা ঘৰটো ছাত্ৰই সম্পূৰ্ণকৈ জিৰাব পৰা অৱস্থা হ'ল যদিও তাত অতিকৈ প্ৰয়োজনীয় বিজুলী পোহৰ আৰু বিজুলী বিচনী তথা পৰিস্কাৰ খোৱা পানীৰ লগতে খেলৰ সামগ্ৰী যোগান ধৰিবৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক টানি অনুৰোধ জনালো।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালত বিভাগীয় উপদেষ্টা শ্ৰীযুত মাধৱ মহন্ত চাৰ, শ্ৰীযুত সঞ্জীৱ বৰগোহাঁই চাৰ আৰু শ্ৰীযুত তৰুণ গগৈ চাৰে যি সহায় আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলোঁ। মোক সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ বন্ধু -জিতু চৌহান, বিপুল বড়া, আব্দুল আজিজ, দেৱব্ৰত শৰ্মা, বিনোদ গগৈ, মনজিত গগৈ, গোলাপ গগৈ, অতনু হাজৰিকা, পুতুল গগৈ লৈ শলাগ আগবঢ়ালো।

সদৌ শেষত মহাবিদ্যালয়খনিৰ সকলো দিশতে উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিলো।

মঃ মফিজুদ্দিন আহমেদ
সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা

# ৩৭ তম মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

## সংগীত আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

### বিহু নৃত্য প্ৰতিযোগিতা ঃ

প্ৰথম — জোমণি চাংমাই

দ্বিতীয় — অংকিতা চাংমাই

মৈত্ৰেয়ী দত্ত

তৃতীয় — মৌচুমী গোস্বামী

পূৰবী চেতিয়া

### আধুনিক নৃত্য প্ৰতিযোগিতা ঃ

প্ৰথম — মৈত্ৰেয়ী দত্ত

জোমণি চাংমাই

দ্বিতীয় — অংকিতা চাংমাই,

শুভলক্ষ্মী শইকীয়া

তৃতীয় — অন্নান দত্ত

পিংকি গগৈ

জিমি কোঁৱৰ

### জ্যোতি সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম — অংকিতা চাংমাই

জোনমণি বৰুৱা

দ্বিতীয় — মৈত্ৰেয়ী দত্ত

তৃতীয় — মুনিন্দ্ৰ বুঢ়াগোহাঁই

### বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম — মৈত্ৰেয়ী দত্ত

জোনমণি বৰুৱা

দ্বিতীয় — শুভলক্ষ্মী শইকীয়া

তৃতীয় — অংকিতা চাংমাই

### বৰগীত প্ৰতিযোগিতা ঃ

প্ৰথম — জোনমণি বৰুৱা

দ্বিতীয় — অপৰাজিতা বৰা

তৃতীয় — বিবেচিত নহল।

### বনগীত প্ৰতিযোগিতা ঃ

প্ৰথম — জোনমণি বৰুৱা

দ্বিতীয় — মৈত্ৰেয়ী দত্ত

তৃতীয় — মুনিন্দ্ৰ বুঢ়াগোহাঁই

### লোকগীত প্ৰতিযোগিতা ঃ

প্ৰথম — মৈত্ৰেয়ী দত্ত

জোনমণি বৰুৱা

দ্বিতীয় — বাবলু চেতিয়া

তৃতীয় — অংকিতা চাংমাই

### পাৰ্বতীপ্ৰসাদৰ গীত ঃ

প্ৰথম — জোনমণি বৰুৱা

দ্বিতীয় — অংকিতা চাংমাই

### আধুনিক গীত ঃ

প্ৰথম — জোনমণি বৰুৱা

দ্বিতীয় — অংকিতা চাংমাই

তৃতীয় — মৈত্ৰেয়ী দত্ত

### ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম — মৈত্ৰেয়ী দত্ত

দ্বিতীয় — অংকিতা চাংমাই

তৃতীয় — জোনমণি বৰুৱা

বছৰৰ শ্ৰেষ্ঠ গায়িকা — জোনমণি বৰুৱা

### একক অভিনয় প্ৰতিযোগিতা ঃ

প্ৰথম — জোমণি চাংমাই

দ্বিতীয় — জীৱন গগৈ

নৱকান্ত দত্ত

তৃতীয় — জিমি কোঁৱৰ

জোনমণি বৰুৱা





### মুক অভিনয় প্ৰতিযোগিতা ঃ

প্ৰথম — জিমি কোঁৱৰ

দ্বিতীয় — অন্নান দত্ত

তৃতীয় — জোমণি চাংমাই

## ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

### কেৰম (ছিংগল)

প্ৰথম — লেখিকা দত্ত

দ্বিতীয় — গীতাঞ্জলী বৰা

### কেৰম (ডাবল)

প্ৰথম — ৰীতা শৰ্মা

গীতাঞ্জলী বৰা

দ্বিতীয় — লেখিকা দত্ত

পিংকি গগৈ

### বেডমিণ্টন (ছিংগল)

প্ৰথম — লেখিকা দত্ত

দ্বিতীয় — শিখা দত্ত

### বেডমিণ্টন (ডাবল)

প্ৰথম — শিখা দত্ত

মমী দত্ত

দ্বিতীয় — প্ৰণতী চৌহান

গীতাঞ্জলী বৰা

### টেবুল টেনিচ (ছিংগল)

প্ৰথম — প্ৰণতী চৌহান

দ্বিতীয় — শিখা দত্ত

## খেল বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী দল ঃ (স্নাতক প্ৰথম বাৰ্ষিক)

সুদীপ্ত দত্ত (অধিনায়ক)

বিনয় খাকলাৰী

বিনোদ গগৈ

মঃ আব্দুল আজিজ্

দেৱব্ৰত শৰ্মা

প্ৰভাত গগৈ

চন্দ্ৰ গগৈ

অতনু হাজৰিকা

দীপ খনিকৰ

ইন্দ্ৰজিৎ সন্দিকৈ

পাপু দত্ত

টিকেন্দ্ৰজিৎ বৰা

ৰিতুপন বৰা

সৌৰভ চেতিয়া

বিজিত দল ঃ (স্নাতক দ্বিতীয় বাৰ্ষিক)

সীমান্ত গগৈ

সঞ্জয় গগৈ

বিপুল বড়া

পাপু শেনচোৱা

গোলাপ গগৈ

মনোজ গগৈ

প্ৰহ্লাদ কোঁৱৰ

জিতুমণি গগৈ

ৰাজা আহমেদ

লক্ষ্য গগৈ

পলাশ গোহাঁই

ৰাতুল বড়া

### ভলীবল প্ৰতিযোগিতা ফলাফল

বিজয়ী দল ঃ (স্নাতক তৃতীয় বাৰ্ষিক)

পুতুল গগৈ

ৰাজীৱ গগৈ

পল্লৱ শৰ্মা

কৌশিক খনিকৰ

মঃ মমিনুল্লা আহমেদ

বাবুল শৰ্মা

বিজিত দল ঃ (স্নাতক প্ৰথম বাৰ্ষিক)

মনজিৎ গগৈ (অধিনায়ক)

সুদীপ্ত দত্ত

অতনু হাজৰিকা

টিকেন্দ্ৰজিৎ বৰা

শ্যামল শইকীয়া

দেৱব্ৰত শৰ্মা

ৰিতুপন বড়া

দীপু সন্দিকৈ

ইন্দ্ৰজিৎ সন্দিকৈ

বিনয় খাকলাৰী

## ফুটবল প্ৰতিযোগিতাৰ ফলাফল ঃ

**বিজয়ী দল ঃ** (স্নাতক তৃতীয় বাৰ্ষিক)

পুতুল গগৈ *(অধিনায়ক)*
ৰাজীৱ গগৈ
পল্লৱ শৰ্মা
বাবুল শৰ্মা
মঃ মমিনুল্লা আহমেদ
সীমান্ত গগৈ
কৌশিক খনিকৰ
বিপ্লৱ বৰুৱা
সুদীপ্ত দত্ত
দেৱব্ৰত শৰ্মা
ৰিপুল বৰা
পাপু শেনচোৱা

**বিজিত দল ঃ** (উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক)

অলকেশ চেতিয়া *(অধিনায়ক)*
সুজিত দুৱৰা
পল্লৱ বৰুৱা
মাধুৰ্য্য দত্ত
নবদীপ বৰা
পদ্ম গগৈ
অৰিন্দম গগৈ
প্ৰমোদ বৰুৱা
চন্দ্ৰন গগৈ
যতীন গগৈ
অনীন্দ গগৈ
ৰাজেশ ভঁৰালী

## সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

### কবিতা আবৃত্তি (অসমীয়া) ঃ

প্ৰথম — জুমণি চাংমাই
দ্বিতীয় — শেৱালি বৰা
তৃতীয় — জীৱন গগৈ

### কবিতা আবৃত্তি (ইংৰাজী) ঃ

প্ৰথম — লক্ষ্যধৰ গগৈ
দ্বিতীয় — জীৱন গগৈ
তৃতীয় — বৰ্ণালী দত্ত

### কুইজ প্ৰতিযোগিতা ঃ

প্ৰথম — দীপক বড়া
আব্দুল আজিজ্
দ্বিতীয় — অভিজিৎ বুঢ়াগোহাঁই
জীৱন গগৈ
তৃতীয় — অম্লান দত্ত
অৰূপ কোঁৱৰ

### থলিতে লিখা কবিতা প্ৰতিযোগিতা ঃ

প্ৰথম — শুভলক্ষ্মী শইকীয়া
দ্বিতীয় — মঃ আব্দুল আজিজ্
তৃতীয় — সবিতা বুঢ়াগোহাঁই
চতুৰ্থ — আচিয়া ইয়াচমিন

### ৰচনা (অসমীয়া) লিখা প্ৰতিযোগিতা ঃ

প্ৰথম — চন্দনজ্যোতি গগৈ
দ্বিতীয় — দেৱব্ৰত শৰ্মা
তৃতীয় — মঃ আব্দুল আজিজ্

### ৰচনা (ইংৰাজী) লিখা প্ৰতিযোগিতা ঃ

প্ৰথম — দেৱব্ৰত শৰ্মা
দ্বিতীয় — মঃ আব্দুল আজিজ্
তৃতীয় — চন্দনজ্যোতি গগৈ

**শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী — মঃ আব্দুল আজিজ্**

## ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ

### ১০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — ৰিতুপন বড়া
দ্বিতীয় — সংকল্প চেতিয়া
তৃতীয় — বিতুপন বৰুৱা

### ১০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — জোমণি চাংমাই
দ্বিতীয় — শিখামণি দত্ত
তৃতীয় — সীমা ভঁৰালী

### ২০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — শ্যামল দুৱৰা
দ্বিতীয় — সংকল্প চেতিয়া
তৃতীয় — মনজিৎ গগৈ





### ২০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — শিখামণি দত্ত
দ্বিতীয় — মৌচুমী বৰা
তৃতীয় — জোমণি চাংমাই

### ৪০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — সুদীপ্ত দত্ত
তৃতীয় — বিতুপন বৰুৱা

### ৪০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — নমি শইকীয়া
দ্বিতীয় — প্ৰণতি চৌহান
তৃতীয় — মৌচুমী বৰা

### ৮০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — অম্লান দত্ত
তৃতীয় — বিতুপন বৰুৱা

### ৮০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — প্ৰণতি চৌহান
দ্বিতীয় — শিখামণি দত্ত
তৃতীয় — নমি শইকীয়া

### ১৫০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — বিশ্বজিৎ বৰা
তৃতীয় — অম্লান দত্ত

### ১৫০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — প্ৰণতি চৌহান
দ্বিতীয় — মৌচুমী বৰা
তৃতীয় — সীমা ভঁৰালী

### ৩০০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — অম্লান দত্ত
তৃতীয় — বিশ্বজিৎ বৰা

### ৩০০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — প্ৰণতি চৌহান
দ্বিতীয় — দিতি চেতিয়া
তৃতীয় — মৌচুমী বৰা

### ৫০০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — লোহিত সন্দিকৈ
তৃতীয় — শ্যামল দুৱৰা

### ৫০০০ মিটাৰ দৌৰ (ছোৱালী) ঃ

প্ৰথম — প্ৰণতি চৌহান
দ্বিতীয় — দিতি চেতিয়া
তৃতীয় — পিংকি গগৈ

### ১০০০০ মিটাৰ দৌৰ (ল'ৰা) ঃ

প্ৰথম — প্ৰমোদ বৰবৰুৱা
দ্বিতীয় — লোহিত সন্দিকৈ
তৃতীয় — বিতোপন বৰুৱা
চতুৰ্থ — অম্লান দত্ত
পঞ্চম — ৰঞ্জন চেতিয়া
ষষ্ঠ — মনজিৎ গগৈ
সপ্তম — পল্লৱ বৰুৱা
অষ্টম — ৰাজীৱ দুৱৰা

### জেভেলিন থ্ৰ' (ল'ৰা) ঃ

প্ৰথম — সংকল্প চেতিয়া
দ্বিতীয় — আনন্দ মোহন
বিপ্লৱ লাহন
তৃতীয় — সুদীপ্ত দত্ত

### জেভেলিন থ্ৰ' (ছোৱালী) ঃ

প্ৰথম — মধুস্মিতা দত্ত
দ্বিতীয় — দিতি চেতিয়া
তৃতীয় — শিখামণি দত্ত

### ডিছকাছ থ্ৰ' (ল'ৰা) ঃ

প্ৰথম — উৎপল দত্ত
দ্বিতীয় — ৰনজিৎ গগৈ
তৃতীয় — মনজিৎ গগৈ

### ডিছকাছ থ্ৰ' (ছোৱালী) ঃ

প্ৰথম — শিখামণি দত্ত
দ্বিতীয় — সীমা ভঁৰালী
তৃতীয় — মধুস্মিতা দত্ত

### শ্বটপুট থ্ৰ' (ল'ৰা) ঃ

প্ৰথম — উৎপল দত্ত
দ্বিতীয় — সৌৰভ দত্ত
তৃতীয় — ৰনজিৎ গগৈ

### শ্বটপুট থ্ৰ' (ছোৱালী) ঃ

প্ৰথম — শিখামণি দত্ত
দ্বিতীয় — সীমা ভঁৰালী
তৃতীয় — মধুস্মিতা দত্ত

### হাইজাম্প (ল'ৰা) ঃ

প্ৰথম — গোলাপ গগৈ
দ্বিতীয় — ৰাজীৱ দুৱৰা
তৃতীয় — ভাস্কৰ বৰগোহাঁই

### হাইজাম্প (ছোৱালী) ঃ

প্ৰথম — দিতি চেতিয়া
দ্বিতীয় — শিখামণি দত্ত
তৃতীয় — পিংকি গগৈ
সীমা ভঁৰালী

### লং জাম্প (ল'ৰা) ঃ

প্ৰথম — গোলাপ গগৈ
দ্বিতীয় — ৰাজীৱ দুৱৰা
তৃতীয় — বিপুল বৰা

### লং জাম্প (ছোৱালী) ঃ

প্ৰথম — মৌচুমী বৰা
দ্বিতীয় — দিতি চেতিয়া
তৃতীয় — শিখামণি দত্ত

### শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা) ঃ

প্ৰমোদ বৰবৰুৱা

### শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী) ঃ

শিখামণি দত্ত

## ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ খেলসমূহৰ ফলাফল

### কেৰম (ছিংগল) ঃ

প্ৰথম — নবদীপ বৰা
দ্বিতীয় — গোলাপ গগৈ

### কেৰম (ডাব্‌ল) ঃ

প্ৰথম — মঃ মফিজুদ্দিন আহমেদ
দীপ খনিকৰ
দ্বিতীয় — নৱকান্ত দত্ত
ৰাজীৱ দিহিঙীয়া

### বেডমিণ্টন (ছিংগল) ঃ

প্ৰথম — মঃ মমিনউল্লাহ আহমেদ
দ্বিতীয় — পাপু শেনচোৱা

### বেডমিণ্টন (ডাব্‌ল) ঃ

প্ৰথম — মঃ আব্দুল আজিজ
দেৱব্ৰত শৰ্মা
দ্বিতীয় — ৰিপুল বৰা
ৰাহুল গগৈ

### টেবুল টেনিচ (ছিংগল) ঃ

প্ৰথম — পাপু শেনচোৱা
দ্বিতীয় — মঃ আব্দুল আজিজ্

### টেবুল টেনিচ (ডাব্‌ল) ঃ

প্ৰথম — মঃ আব্দুল আজিজ
জুন দত্ত
দ্বিতীয় — অজিত লাহন
বিপুল বৰা

### ডবা ঃ

প্ৰথম — পদ্ম গগৈ
দ্বিতীয় — চন্দন চেতিয়া

❖❖❖❖❖❖❖❖❖



# HEMCHANDRA DEVAGOSWAMI COLLEGE MAGAZINE

**15th Issue : 2002-2003**

# ENGLISH SECTION

*Prof. in-charge :*
Sudhir Kumar Das
*Editor :*
Debabrat Sarmah

H. C. D. G. College Magazine
15th Issue : 2002-03
Annual Publication

# CONTENTS

Adviser : **Lohit Kumar Saikia,** Principal
Prof. In-Charge : **Sudhir Kumar Das**
Editor : **Debabrat Sarmah**
Publisher : **Golap Gogoi,** G.S.
Members : **Binod Gogoi**
**Papu Senchuwa**
**Barnali Dutta**
**Pranamika Dutta**

Mrs. Dalloway : An Introduction
**Sudhir Kumar Das / 83**
Entrepreneur : A conceptual discussion
**Sanjib Kumar Borgohain / 85**
Indian Secular Polity : A Review
**Phani Dhar Saikia/ 88**
Library : Its influence on the students
**Chandan Jyoti Gogoi / 91**
Privatisation
**Madhab Mahanta / 92**
Ragging - As a social disease
**Chima Sahoo / 94**
"Let you be civil to the others"
**Abinash Sarmah / 95**
The Growing Unemployment Problem Among the Youths of Assam
**Abhijit Borgohain / 97**

**■ *Poems Section***

How is my friend
**Moitreyee Dutta / 98**
Tit for tat
**Abdul Ajij (Rinku) / 99**
Good Bye Childhood
**Dipak Borah / 99**

Cover Planner : **Editor**
Designer : **Chandra Handique**
Sketch : **Diganta Gogoi**
D.T.P. : **Mohan Handique**

Printing : **Arpan Printers,**
Konwar Dihingia Gaon : Dimow
☎ : 953772/226443 e-mail: d_gogoi55 @assamlive.com

# MRS. DALLOWAY : AN INTRODUCTION

***Sudhir Kumar Das***
*Lecturer in English*

Virginia Wolf's *Mrs. Dalloway* (1925) is a representative modernist text where she practises her famous 'stream of consciousness' narrative technique. This fiction brilliantly captures the fragmented consciousness that has come to be symptomatic of life in the twentieth century. As we step into 21st century the complexities of life further gets more complicated. The traditional mod e of sequential and episodic narrative that ends with a marriage or the phrase "They lived happily ever after has become ludicrously inadequate to reflect these complicacies of life. For Wolf the meeting point of the fragments of consciousness is the 'moment of being'. It is the emotional unit out of which the larger complex of her fiction is spun in which she totally obliterates physical time. To achieve this, Wolf employs the intricate method of interior monologue, descriptive passages, leitmotifs and juxtaposition of events.

*Mrs. Dalloway* consists of a complex network of sensations and perceptions, a network that suggests an .intricate cobweb of two complementary and naturally sustaining emotional patterns. These patterns are woven by Septimus warren Smith and Clarissa Dalloway. A fusion of both is attained towards the end of the book, during Clarissa's party when a total vision of title said fusion is constituted. The actual order in time shown in the form of chimes of Big Ben has been suppressed through the juxtaposition of episodes, minor incidents and analytical recallings. This is meant primarily to transpose sequence into co-existence. Wolf here adopts the innovative narrative technique of telling the past in installments what she calls the 'tunnelling process'. The narrative of *Mrs. Dalloway* moves between the present time of one day and the personal past of Clarissa, Peter, and Septimus. From the brief sum Mary of the 'story', if there is any, it can be easily gauged how effectively wolf has used the 'tunnelling process' to obliterate episodic sequence and instead manipulates the centres of interest. At 10 A.M. on Wednesday early in June 1923, Clarissa Dalloway, aged 52, the wife of conservative M.P. goes to Bond Street to buy some flowers for a party she is giving that evening at her house in Dean's Yard. She meets an old friend Hugh Whitebread on the way through Green Park, while she is buying flowers, a V.I.P. car goes past; it also passes a young couple, septimus and Lucrezia Warren Smith, the husband an estate agent's clerk and traumatised veteran of war, and the wife an Italian girl who used to make hats in Milan. Septimus' madness has necessitated the consultation with a psychiatrist Sir 'William Brad shaw with whom they had an appointment at 12 noon. The Smiths walk upto the Regent's Park, Clarissa walks home, both see an aeroplane advertising 'Toffo' in the sky. When Clarissa gets home she finds a message saying that her husband is going out to lunch with Lady Bruton. She is disturbed at having not been invited. She starts to mend her dress for the party and is interrupted by an unexpected visit by Peter Walsh, the man she used to love in her youth at her family house at Bourton, and from whom she parted with great pain after she met Richard Dalloway, her present husband. They have seen each other occasionally in the last thirty years. Peter went to India, married, was widowed and is now in love with Daisy, a young married woman with two children. His conversation with Clarissa, in which, he bursts into tears as he tells her this is interrupted by the entrance of Clarissa's 17 year old daughter Elizabeth. Peter leaves Dean's Yard and walks upto Regent's Park, pursuing an attractive girl for part of his way. At quarter to 12 he glimpse the Warren Smiths in the park who leave at 12 for their appointment with the psychiatrist. The interview lasts precisely three quarters of an hour and results in

Sir William's arranging for Septimus to go into one of his homes.

At half past one Richard Dalloway and Hugh Whitebread meet for lunch at Lady Bruton's where they help her to write a letter to 'The Times' Richard hearing that Peter is in London, thinks of his own love for Clarissa and decides to go and see her after lunch. Peter Walsh, going back to his hotel is passed by the ambulance carrying Septimus' body.' He goes into change, finds a note from Clarissa, and as evening falls goes out again to walk to her party. At the party Sally Seton, an old friend of Peter and Clarissa, of whom both have been thinking during the day, arrives uninvited. The Prime Minister, Lady Bruton, Hugh whitebread etc, all those characters who have been in some way important during the day are there. The Brad shaws come and through them Clarissa learns of Septimus' death with which she feels a strong connection. Peter Walsh who has spent much of the day criticising Clarissa, is forced to get into a moment of intense emotion for her.

From this rough summary two things become clear, first is that all the activity is carefully held together by specific use of time and space. The second is that the substance of the book does not lie in the sequence of events as it is almost impossible to express in a sequential narrative the way ones mind responds to an idea, a word, or an experience.

The novel at the surface may seem disjointed and incoherent to the reader of traditional novels used to a narrative of episodic sequentially from the cradle to the grave. And Wolf herself was aware of such criticism. In fact, the plot does not connect Clarissa and Septimus physically apart form the arbitrary link provided by Sir William, the psychiatrist and the situational resemblance of both of them having witnessed the death of someone close. But the connection between them at an experiential level is intimate and vital and in it consists the novels most remarkable achievement. The difference between Clarissa and Septimus is the difference between sanity and madness. She does not lose her awareness of the physical world around her, whereas Septimus is unable to distinguish between his personal response and the external universal nature. The unique feature of *Mrs. Dalloway* is not the manipulation of memory only, but also the splitting of personality into a man, the maniac Septimus, and a woman, the sensitive Clarissa, who never met each other physically but are connected at an experiential level which is the culminating point of the novel ■

**References :**

1. Spencer, Sharon. Space, Time, and Structure in Modern Novel. 1971.
New York University Press. New York.
2. Richter, Harveena. The Inward Voyage. 1970. Princeton University Press. Princeton.

No poet or novelist wishes he were the only one who ever lived, but most of them wise they were the only one alive, and quite a number fondly believe that their wish has been granted.

– W. H. Auden



# ENTREPRENTEUR : A CONCEPTUAL DISCUSSION

***Sanjib Kumar Borgohain***
*Lecturer in Economics*

Entrepreneurs are considered as an important ingredient for economic development. They are credited as being the heroes of the economy, introducer of innovations and the creator of jobs. Indian economy, which is facing severe unemployment problems with the shrinking of jobs in the Govt. and semi-govt. sector, may be rescued by the development of entrepreneurs and by increasing entrepreneurial activities. Without the growth of entrepreneurship, it is not possible to solve the growing unemployment problem of the country.

The scenario of the North-Eastern region is not different in comparison to the other parts of the country, rather more gloomy. One of the most important reasons for the low economical development of this region is the lack of indigenous entrepreneurs. Now the question is in which way the growth of the indigenous entrepreneur can be ensured ?

It is observed that, most of the people of this region do not have proper concept of entrepreneurship. Most of them do have the misconception that to become an entrepreneur one has to have money, property, technical skills etc. For the lack of proper knowledge regarding the entrepreneurship, people of this region hesitate to enter into the domain of entrepreneurship; they hardly try to be an entrepreneur, resulting in the low level of growth of entrepreneurial development. It hardly matters whether they are inclined towards entrepreneurial activities or not, they can acquire entrepreneurial skills through proper education and training. But the people should have proper concept over entrepreneurship, and then they will start taking interest on it and will gradually become inclined towards it.

Entrepreneur : The prevailing wrong precipitin In the North-Eastern region it is observed that a wrong perception prevails over the minds of the people regarding entrepreneur. Not only a major section of the uneducated people of the region but a large percentage of educated youths also put emphasis on money as the key factor of entrepreneur. They think that an entrepreneur is born cannot be made. They hardly knowledge over the fact that the entrepreneurial skills can be acquired and the latent and inherent skills of a person can be developed. They also do not have the proper knowledge about the existing training and development programs.

Who is an entrepreneur ?

Joseph Schumpeter, who was perhaps, the first to recognize the importance of the entrepreneur in economic development, said that "Entrepreneurship is essentially a creative activity." An entrepreneur having a creative mentality, tries to introduce some thing new to the economy; a method of production not yet tested of experienced by the manufacturer concerned, a product with which the consumers are not familiar, a new source of raw materials of a new market, or a new idea and other similar innovations.

J B Say, another economist considered an entrepreneur to be an organizer, who organizes land, labor and capital for the production of something or providing some services needed by people. By selling the product/service in the market. He pays rent on remains is his/her profit. Say has made a distinction between the roles a capitalist who provides finance and the entrepreneur as an organizer.

David Mc Clelland considers an entrepreneur to be an energetic moderate risk taker having high need for achievement.

Peter Druker defines an entrepreneur as one always search for change, response to it, and export it on opportunity. Entrepreneur innovate, Entrepreneurs have to learn to practise systematic innovation.

An entrepreneur is an individual. Entrepreneurship on the other hand, is the process of creating something new of value for consumer. The entrepreneur creates value by putting necessary time and effort and assuming all accompanying risk of business. In return he/she receives personal satisfaction and monetary reward.

Entrepreneur can come from all backgrounds and create all kinds of business. They can be illiterate or most literate, they may be young or aged, they may be male or female, they may belong to any religious group, and castes and creed and they may come from rural and urban area.

An entrepreneur is a person possessing certain qualities. The most qualities possess by the entrepreneur are as follows :-

- Willingness to do any kind of work.
- Readiness to take initiative.
- Creative mentality.
- Readiness to take calculative risk.
- Fond of change.
- Opportunity searching attitude.
- Strong determination.
- Desire to be the thing differently.
- Willingness to learn.
- Dynamic in nature.
- Ability to generate resources.
- Ability to find out and organize resources and to convert them into capital.
- A strong desire for achievement.

Therefore, it is wrong to think that to be an entrepreneur one has to have money and other resources and the person has to be a businessman.

**Development of Entrepreneurial perception:**

For the purpose of developing entrepreneurial perception, information regarding entrepreneur need to be provided to the people. They are to be made aware of about entrepreneur, qualities of entrepreneur, training and developmental programme available for prospective entrepreneur etc. When people's perceptions will be very clear regarding entrepreneurial activities, then they will be self-motivated towards entrepreneurial training programmes and will be interested to take up their own activities.

Adopting the following measures may develop perception of the people regarding entrepreneur:-

- Incorporating one or two topics (s) stories of successful entrepreneur (S) in every class right from class VIII to all levels of higher education.
- In the degree and master degree level, students are to be motivates to attend at least one entrepreneurial training, infirmation regarding entrepreneurial qualities is to be imparted.
- In rural areas, if possible in every village, entrepreneurial development camp to be organized. In this camp, information regarding entrepreneurial qualities is to be imparted.
- In urban areas, in every schools and colleges entrepreneurial awareness camps are to be organized regularly to disperse knowledge and information on entrepreneur and to identify the prospective entrepreneurs. Identified prospective entrepreneurs need to be imparted special training.
- The carries guidance cells of the school and colleges are to be activated to inform the students regarding the opportunities of different fields.

**Factors in emergence of entrepreneurship :-**

